# বাজেট অধিৱেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী
## তাৰিখঃ ৮/২/২০২৪ বৃহস্পতিবাৰ

---

ইংৰাজী ০৮-০২-২০২৪ তাৰিখে অসম বিধান সভাৰ বাজেট অধিৱেশন পূৰ্ব নিৰ্ধাৰিত সময়সূচী অনুসৰি পূৰা ৯.৩০ বজাত অনুষ্ঠিত হয়।

**মাননীয় অধ্যক্ষ ঃ** Question no. 41, Hon'ble MLA Shri Jiron Basumatary.
**শ্ৰী পিয়ুষ হাজৰিকা, সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা আছে।
**শ্ৰী জিৰণ বসুমাতৰী, গোসাইগাওঁ ঃ** (বড়ো... ) মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ উত্তৰ লগতে supplementary question কৰিব বিচাৰিছো যে প্ৰশ্ন নং 41 (b) মডেল স্কুল দিয়া হৈছে বুলি কৈছে (without hostel). কিন্তু যিখিনি এলেকাৰ কথা কোৱা হৈছে, সেইখিনি ২৮ নম্বৰ সমষ্টিত নহয়, এইটো ২০ নম্বৰ West Kokrajhar সমষ্টিত পৰে। তাৰ কাৰণে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম যাতে ২৮ নম্বৰ গোসাইগাওঁ সমষ্টিত য'ত ৫০ ৰ পৰা ৬০ শতাংশ সংখ্যালঘূৰ জনবসতি আছে। মই আশা কৰিছো যে Minority Development Department ৰ পৰা ইয়াতে যাতে ভাল ধৰণে scheme ধৰা তাৰ কাৰণে আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়লৈ অনুৰোধ জনাইছোঁ।
**শ্ৰী পিয়ুষ হাজৰিকা, সংসদীয় পৰিক্ৰমা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ হাতত থকা তথ্য মতে সন্মানীয় সদস্য গৰাকীৰ সমষ্টি গোসাইগাওঁত MSDP, PMJVKআঁচনিৰ অধীনত হাতীধোৱাত এখন আদৰ্শ আৱাসি বিদ্যালয় আৰু বল্লমগুৰিত এখন ITI প্ৰতিষ্ঠা হৈছে আৰু বৰ্তমান ITI খনত পাঠদান কাৰ্য্যসূচী চলি আছে।

ইয়াৰ উপৰিও গোসাইগাওঁ সমষ্টিত চাৰিখন সদ্ ভাৱনা মণ্ডপ, ৫০৯৬ টা ইন্দিৰা আৱাস যোজনা, ১৪০ টা অঙ্গনবাড়ী কেন্দ্ৰ, ১৮৩ টা অতিৰিক্ত শ্ৰেণী কোঠা, ৩০৭১ টা hand tubewell, ৬ বিশুদ্ধ খোৱা পানী আঁচনি, ৫ টা স্বাস্থ্য উপকেন্দ্ৰ, ২৩ প্ৰসুতি কোঠা, ৭ টা hostel, ৮ টা বজাৰ গৃহ, ২ টা ডাক্তৰ আৰু নাৰ্চৰ আৱাস গৃহ, ৫২ খন সমুহিয়া শৌচাগাৰ, আদিৰ আঁচনিৰ কাম তেখেতৰ সমষ্টিত ৰূপায়ন হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, অসমত এই মুহুৰ্ত ২১ খন আৰ্দশ আৱসী বিদ্যালয়ৰ কাম চলি আছে। এখন এখনৰ মূল্য ৩০ ৰ পৰা ৩৫ কোটি টকা। সদ্ ভাৱনা ভৱন ৪৬ টা চলি আছে, এটা সদ্ ভাৱনা ভৱনৰ মুল্য প্ৰায় ১.৫ কোটি টকা। common service centre ৩২ টা, এটাত হৈছে ১.৪০ কোটি টকা। মাৰ্কেট ১০ খন, ৩৫ লাখ টকাকৈ, digital class room ৭৪৪ খন বিদ্যালয়ত দুটাকৈ unit, এটা unit ত ২.৪২ লাখ টকাকৈ।
**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া প্ৰশ্ন নং ৪২, সন্মানীয় সদস্য শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা।
**শ্ৰী ৰোণ'জ পেগু, শিক্ষা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।
**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, পশ্চিন গুৱাহাটী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ যিবিলাক

হাইস্কুল আছে, সেই হাইস্কুল সমূহত বিজ্ঞান,হিন্দী আৰু সংস্কৃতিৰ শিক্ষক নিযুক্তি দিয়া নাই। মোৰ সমষ্টিতে ৩ খন হাইস্কুল আছে। কিন্তু মই উদাহৰণ স্বৰূপে দিব বিচাৰিছো শ্যামভূমী হাইস্কুলত এজনো বিজ্ঞান, অংকৰ, হিন্দী আৰু ইংৰাজীৰ শিক্ষক নাই। বিজ্ঞানৰ যদি শিক্ষক নাথাকে তেনেহলে কি ভাৱে হাইস্কুলৰ ছাত্ৰ-ছাত্ৰী বিলাকক শিক্ষা দিব। মই মাননীয় মন্ত্ৰী মহোদয়ক আপোনাৰ জৰিয়তে অনুৰোধ জনাও যে যিবিলাক স্কুলত কোনোবা বিষয়ৰ শিক্ষক এজনো নাই, সেই বিলাক স্কুলত শিক্ষক নিযুক্তি দিব নেকি?

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী ৰোণ'জ পেগু, শিক্ষা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, শিক্ষ নিযুক্তিৰ প্ৰক্ৰিয়াটো এটা নিৰবিচিন্ন প্ৰক্ৰিয়া। এই প্ৰক্ৰিয়াত বিগত সময়খিনিত আমি বিধি সংগত ভাৱে নিযুক্তি দি আহি আছো। আমি সকলোৱে জানো যে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই যি ১ লাখ শিক্ষক নিযুক্তিৰ কথা কৈছিল, সেই ১ লাখ নিযুক্তিৰ ভিতৰত আমি গৰিষ্ঠ সংখ্যক শিক্ষক নিযুক্তি দিব পাৰিছো। ইতিমধ্যে প্ৰায় ২২ হাজাৰতকৈ অধিক শিক্ষকৰ নিযুক্তি সম্পূৰ্ণ কৰা হৈছে। এই মূহুৰ্ত অসম চৰকাৰৰ বিজ্ঞান ত২১৬৪ টা, হিন্দীত ১২৬৮ টা আৰু সংস্কৃতিত ৫৯৩ টা মাধ্যমিক বিদ্যালয়ৰ ক্ষেত্ৰত বিজ্ঞাপন ইতিমধ্যে প্ৰকাশ কৰিছে। আবেদন সমূহ সম্পূৰ্ণ হৈছে আৰু খুব সোনকালে এই নিযুক্তি পত্ৰ সম্পূৰ্ণ হোৱাৰ পিছত এই শিক্ষক সকলক নিযুক্তি দিব পৰা যাব।

দ্বিতীয় কথাটো হ'ল, কোনো নিৰ্দিষ্ট বিদ্যালয়ত, কোনো নিৰ্দিষ্ট বিষয়ত যদি শিক্ষক নাথাকে, তেনেহলে আমি জিলা খনৰ ভিতৰতে rationalization ৰ ব্যৱস্থা কৰো। কৰোৱাত যদি দুই জন বিজ্ঞানৰ শিক্ষক আছে, তেখেতসকলক বদলি কৰণ তেতিয়া কৰা হয়। ইতিমধ্যে আমি ১১৩৩ গৰাকী শিক্ষকক rationalize কৰি য'ত শিক্ষকৰ নাটনি আছে, কোনো নিদিষ্ট বিষয়ত সেইটো পূৰ্ণ কৰিবৰ কাৰণে চেষ্টা কৰিছো। আমি যেতিয়া PTR বুলি কওঁ, (Pupil teacher ratio) সাধাৰণতে state ৰ PTR থাকে, জিলাখনৰ এটা PTR থাকে, জিলাৰ পিছত বিদ্যালয়ৰ এটা PTR থাকে। বিদ্যালয়ৰ PTR ভাল সেই কাৰণে সকলো বিষয়ৰ শিক্ষক হ'ব, এনে নহ'বও পাৰে। সেইকাৰণে আমি এতিয়া বিষয়ৰ PTR ৰ concept আনিছো। যাতে প্ৰত্যেকটো বিষয়ত ছাত্ৰ-ছাত্ৰীৰ অনুপাতে শিক্ষক-শিক্ষয়ত্ৰী আছে নে নাই, ইয়াত গোটেই শিক্ষক সমাজৰ সহযোগিতা E-Siksha App ৰ জৰিয়তে বিচাৰিছো। কাৰণ কোন বিদ্যালয়ত কোন শিক্ষকৰ নাটনি আছে, কোন বিদ্যালয়ত কোন বিষয়ৰ শিক্ষক ছুটিত গৈছে, বহু সময়ত maternity leave ত যায়, child care leave ত যায়। যেতিয়া বিদ্যালয়ত শিক্ষক এগৰাকী আছে, কিন্তু তেওঁ যেতিয়া দুই মাহৰ কাৰণে CCL ত যায়, দুই মাহৰ কাৰণে ছাত্ৰ -ছাত্ৰীসকল বঞ্চিত হ'ব লগা হয়। এতিয়া UDIES ৰ যিখন তথ্য, সেইটো গোটেই বছৰৰ তথ্য। এতিয়া আমাক dynamic তথ্য লাগে, প্ৰতিটো মাহত, প্ৰতিটো দিনত প্ৰতিখন বিদ্যালয়ত শিক্ষক বা শিক্ষয়ত্ৰী কৰ্মৰত হৈ আছে নে নাই, কোনাবাই ছুটিত গৈছে নেকি সেইটো আমাক তথ্য লাগে। এই তথ্য লাভ কৰাৰ এক মাত্ৰ আমাৰ উপায় হ'ল E-Siksha App ৰ জৰিয়তে, বহু সময়ত আমি দেখা পাওঁ যে খুৱা খৃণাত্মক ভাৱে শিক্ষা সম্পৰ্কে বাতৰি সম্প্ৰচাৰিত হৈছে বা কোনোবাই মন্তব্য প্ৰদান কৰে। কিন্তু শিক্ষাৰ সেইটোৰ বাহিৰে আমাৰ কোনো বিকল্প নাই। ইয়াৰ পৰা ধুবুৰী বা মানকাছাৰৰ বিজ্ঞান শিক্ষক CCL ত গৈছে, সেইটো Director ৰে ইয়াত বহি গম পাব নোৱাৰে। কিন্তু E-Siksha App ত যদি সকলো শিক্ষকে নিজৰ leave টো upload কৰি ৰাখে, তেতিয়া হলে সেইটো ইয়াত আমি জানিব পাৰো আৰু তাৰ কাৰণে তৎকালীন ব্যৱস্থা গ্ৰহণ কৰিব

পাৰিম। মই মাননীয় সদস্য গৰাকীক অনুৰোধ কৰিম যে নিদিষ্ট কোনো বিষয়ত কোনোবা স্কুলত যদি শিক্ষক নাই, নিদিষ্ট ভাৱে জনালে আমি তৎকালীন ব্যৱস্থা গ্ৰহণ কৰিব পাৰিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা, পশ্চিম গুৱাহাটী ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো বাৰু মোৰ ঠিকে আছে, সেইটো জনাম কিন্তু আৰু এটা Supplementary আছে। 'ঙ' ত দিছে ৫ কিলোমিটাৰ ব্যাসাৰ্ধৰ ভিতৰত দুখন উচ্চতৰ মাধ্যমিক বিদ্যালয় থাকিব লাগে। সেই মৰ্মে পলাশবাৰী আঞ্চলিক হাইস্কুলৰ ৫ কিলোমিটাৰ ব্যাসাৰ্ধৰ ভিতৰত শুৱালকুছি উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু ৰাজগড় বৰা উচ্চতৰ মাধ্যমিক বিদ্যালয় উন্নীতকৰণ কৰা হোৱা নাই। এতিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয় থাকিব লাগে বুলি কথাটো বুলি পোৱা নাই। শুৱালকুছি উচ্চতৰ মাধ্যমিক বিদ্যালয় হৈছে ব্ৰহ্মপুত্ৰ পাৰ হৈ শুৱালকুছিত এইখন উচ্চতৰ মাধ্যমিক বিদ্যালয় আছে। গতিকে ৫ কিলোমিটাৰ ব্যাসাৰ্ধটো কি ভাৱে নিযুক্তি থাকিব আৰু ৰাজগড় বৰা উচ্চতৰ মাধ্যমিক বিদ্যালয় ৫ কিলোমিটাৰ ব্যাসাৰ্ধৰ ওপৰত। গতিকে এই কথাটো কেনেকৈ নিবদ্ধ কৰিছে মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। মাননীয় মন্ত্ৰী ।

**ডাঃ ৰণোজ পেগু, মাননীয় শিক্ষা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি আগতে বহু সময়ত বিদ্যালয় সমূহৰ মাজৰ দূৰত্ব জনা নাছিলো। নজনাৰ কাৰণে ৰাষ্টাৰ সোঁপাৰে-বাওঁপাৰে দুখন বিদ্যালয় আমি চলাই আছিলো। কাষতে লাগি থকা একেবাৰে ১ শ মিটাৰ দূৰত্বৰ ভিতৰত বিদ্যালয় চলাই আছিল। ইয়াৰ পাছত আমি Assam State Space Application Centre এইটো হ'ল অসম চৰকাৰৰ Science and Technology Department ৰ অধীনত থকা centre. এই centre ৰ আমি সহায় ললো আৰু এই centre ৰে satellite map যোগে অসমৰ প্ৰত্যেকখন বিদ্যালয়ৰ GIS location তেওঁলোকে mapping কৰি দিলে আৰু mapping কৰি দিয়াৰ পাছত কোনবিলাক বিদ্যালয় ওচৰাওচৰিকৈ আছে ৰাষ্টাৰ ইপাৰে সিপাৰে আছে, সোঁপাৰে-বাওঁপাৰে আছে এই গোটেই তথ্যখিনি আমাৰ ওচৰত আহিল। লগতে আমি দূৰত্ববিলাকো গম পালো। এতিয়া শিক্ষাৰ আইন কেন্দ্ৰীয় চৰকাৰে নিৰ্ধাৰণ কৰি দিছে যে কিমান ব্যাসাৰ্ধৰ ভিতৰত এখন বিদ্যালয় থাকিব লাগে। কিন্তু তাৰ লগত দ্বিতীয় এটা বাক্যও আছে। দ্বিতীয় বাক্যটো হ'ল যদি Geographical Barrier থাকে, তেতিয়াহ'লে কেন্দ্ৰীয় চৰকাৰে নিৰ্ধাৰণ কৰি দিয়া ১ কিলোমিটাৰৰ ভিতৰত এখন LP School, ৩ কিলোমিটাৰৰ ভিতৰত এখন ME School, ৫ কিলোমিটাৰৰ ভিতৰত এখন High School. Geographical barrier থাকিলে আমি এই formula টো মানিব নালাগে। যদি কৰবাত নদী-পাহাৰ, পৰ্বত থাকে, তেতিয়াহ'লে আমি সেইমতে কৰিব পাৰো। ইতিমধ্যে মাননীয় বিধায়ক গৰাকীয়ে যিখন বিদ্যালয়ৰ কথা কৈছে, ৰাজগড় বৰা বিদ্যালয়ৰ লগত পলাশবাৰী বিদ্যালয় অৱশ্যে এইটো কথাও আমি জানো যে ইতিমধ্যে পলাশবাৰীৰ পৰা শুৱালকুছিলৈ সংযোজিত নতুন দলং নিৰ্মাণ হৈ আছে। তৎসত্বেও তেখেতে বিদ্যালয় উন্নীতকৰণৰ কথা কৈছে উচ্চতৰ মাধ্যমিকলৈ সেইখন উন্নীতকৰণ কৰাৰ কাৰণে মই অধ্যয়ন কৰি চাইছো। যদি যথাযোগ্যতা আছে, সেইখন উন্নীত কৰণকৰাৰ ব্যৱস্থা কৰা হ'ব।

**শ্ৰীনুৰুল হুদা, ৰূপহী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মানৱ সম্পদ বিকাশৰ বিভাগটো এতিয়া বিনাশৰ ফালে গতি কৰিছে। মোৰ বিধান সভা সমষ্টিৰ জুৰীয়া হাইচেকেণ্ডাৰীত এখন হাই চেকেণ্ডাৰীত ২০ টা পদ খালী হৈ আছে, শিক্ষক নাই। কদমনি ডাউন হাইস্কুলত ৫ টা, ৰূপহী হাইচেকেণ্ডাৰীত ৭ টা, যিখন আদৰ্শ হাইস্কুল কাচৰীত তাতো ৭ টা পদ খালী হৈ আছে। এখন হাইচেকেণ্ডাৰীত

যদি ২০টা  পদ খালী থাকে, তেতিয়াহ'লে কেনেকৈ সেই হাইচেকেণ্ডাৰীখন চলি আছে? মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে আমাৰ এই খালী থকা পদসমূহ কেতিয়া পূৰণ কৰিব, অনুগ্ৰহ কৰি যদি এতিয়া পূৰণ কৰে, তেতিয়াহ'লে শিক্ষা ব্যৱস্থাটো ভাল হ'ব, নহ'লে বিনাশৰ ফালে গতি কৰিছে।

মাননীয় অধ্যক্ষ ঃ মাননীয় মন্ত্ৰী মহোদয়।

**ডাঃ ৰণোজ পেগু, মাননীয় শিক্ষা মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক গৰাকীয়ে কোৱাৰ নিচিনাকৈ মোৰ তালৈ বিভিন্ন জিলা, অঞ্চলৰ পৰা কয়, শিক্ষকসকল আহে, SMDC ৰ আহে কয় যে, আমাৰ বিদ্যালয়ত ২০ পদ খালী আছে। মই ক'লো যে আপুনি কেনেকৈ জানিলে ২০ পদ খালী আছে। কোনে সৃষ্টি কৰিছিল এই ২০ টা পদ। পদ বুলি যেতিয়া আমি কওঁ, অসম চৰকাৰৰ বিত্ত বিভাগৰ অনুমোদন সাপেক্ষে সৃষ্টি হোৱা পদটোহে পদ আৰু সেই পদৰ বিপৰীতে আমি শিক্ষক নিযুক্তি দিওঁ। কিন্তু কৰবাত SMCA, SMDC য়ে তেওঁলোকে কৈছে যে, আমি নিযুক্তি দিছো। গতিকে এই পদটো আছে, চৰকাৰে দৰমহা দিব লাগে। SMCA পদ সৃষ্টি কৰিব নোৱাৰে, SMSC য়ে পদ সৃষ্টি কৰিব নোৱাৰে। আমাৰ এখন এখন উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ১২ জন ১৩ জন শিক্ষক হ'লে বিদ্যালয়খন চলি যায়। আটাইতকৈ যদি খুব বেছি enrollment থাকে, যদি কম enrollment থাকে আমাৰ formula টো হৈছে ৫ টা বিষয়ৰ কাৰণে ৫ জন শিক্ষক, এজন প্ৰিন্সিপাল ৬ জন হ'ল ওপৰোঞ্চি আমাৰ আৰু এজন দিলো ৭ জন। এনে  পৰিস্থিতিৰ এখন বিদ্যালয়ত ২০ টা পদ খালী আছে তেতিয়াহ'লেতো তাত ৩-৪ হাজাৰ student থাকিব লাগিব। যি কি ন'হওঁক লাগিলে মই মাননীয় সদস্য গৰাকীক জনাম যে তেখেতে আমাক লিখিতবাৰে দিলে সেই বিদ্যালয়খনত প্ৰকৃত অৰ্থত কিমানটা চৰকাৰৰ বিত্ত বিভাগৰ দ্বাৰা আনুমোদিত পদ আছে সেইটো আমি চাম আৰু অনুমোদিত পদৰ বিপৰীতেহে নিযুক্তি হ'ব আৰু অনুমোদিত পদৰ বিপৰীতে যি আমাৰ খালী পদ আছে এইখিনি বিজ্ঞাপন ইতিমধ্যে প্ৰকাশ পাইছে আৰু এই প্ৰকাশ পোৱাৰ জৰিয়তে নিযুক্তি হ'ব। নিযুক্তি হ'লে য'ত য'ত vacancy আছে তাত আমি শিক্ষক নিযুক্ত কৰিম।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। প্ৰশ্ন নং- ৪৩ শ্ৰীছামছুল হুদা।

**ডাঃ ৰণোজ পেগু, মাননীয় শিক্ষা মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰীছামছুল হুদা, পূৰ বিলাসীপাৰা** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই Model School ৰ ওপৰত প্ৰশ্ন কৰিছিলো,মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰখিনি দিছে। মই এটা কথা বুজি নাপালো যে অসমৰ যিবিলাক জিলা আছে এই গোটেইবিলাক জিলাতেই model school ৰ বিভিন্ন শিতানত পুঁজি মঞ্জৰী দিয়া হৈছে। কিন্তু ধুবুৰী জিলাখন এইখন অসমৰ ভিতৰত পৰে নে নাই মই বুজি নাপালো। এই ধুবুৰী জিলাৰ এখন model school কো কোনো ধৰণৰ পুঁজি মঞ্জুৰী দিয়া হোৱা নাই। মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছো যে তেওঁ আমাৰ ধুবুৰী জিলাখন বাদ দি দিলে আৰু কথা হৈছে যে মোৰ সমষ্টিত থকা হাইস্কুল আৰু ৰঙামাটি হাইস্কুল দুখন স্কুলক model school হিচাপে দিয়া হৈছে। মই আকৌ যেতিয়া যাওঁ, পুঁজি মঞ্জুৰী দিয়ে মই অনুৰোধ জনাও এই কাৰণে যে তেওঁ নিদিলে আৰু নাপাম। গতিকে তেওঁ দিবনে নাই আৰু পুঁজি দিয়াৰ বাবে তেওঁক মই অনুৰোধ জনাম। মোৰ যিটো 2nd Supplementary question সেইটো মই কৈছো যে মোৰ বিলাসীপাৰাত দুখন কলেজ আছে, এখন ৰত্মাবিদ মহাবিদ্যালয় এইখন আমাৰ

প্ৰয়াত মুখ্যমন্ত্ৰী শৰৎ চন্দ্ৰ সিংহ , তেওঁ নিজে কৰিছিল। তেওঁ সেইখন কলেজত বিজ্ঞান শাখা দিয়াৰ কাৰণে তেতিয়া তেওঁ চেষ্টা কৰিছিল। কিন্তু দুৰ্ভাগ্যবশত হোৱা নাই। মই application দিছিলো মই আজি আপোনাৰ যোগেদি মই অনুৰোধ জনাইছো যে আমাৰ সেই ৰত্নাবিদ মহাবিদ্যালয়ত যাতে বিজ্ঞান শাখাটো দিয়া হয় কাৰণ বঙাইগাওঁৰ পৰা আৰম্ভ কৰি আমাৰ বিলাসীপাৰালৈকে ছাত্ৰ-ছাত্ৰী সকলক সেই বিজ্ঞান শাখাত পঢ়াৰ কাৰণে বহুত দৰকাৰী। মই অনুৰোধ জনাইছো তেওঁ যাতে দিয়ে।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো কৰক। এইটো প্ৰশ্ন শিতান, যদি প্ৰশ্ন আছে। আপুনি অন্য শিতানত ক'ব পাৰিব।

**শ্ৰীছামছুল হুদা, পূব বিলাসীপাৰা ঃ** বিলাসীপাৰা কলেজটো যাতে বাণিজ্যিক শাখা, বিলাসীপাৰা কলেজত বিজ্ঞান শাখা, ৰত্মাবিদ কলেজ আৰু model কলেজৰ যিবিলাক গ্ৰাণ্ট আছে, সেইবিলাক আমাৰ তাত দিয়া হ'ব নে নাই সেই বিষয়ে আমাক ক'ব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ।

**ডাঃ ৰণোজ পেগু, মাননীয় শিক্ষা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, ধুবুৰীত যদি আদৰ্শ বিদ্যালয় স্থাপন হোৱা নাই তাৰ কাৰণে বেলেগ কোনো দায়ী নহয়। কোনো মোৰ সতীৰ্থ বিধায়কে বেয়া পাব নালাগে। ইয়াৰ বাবে দায়ী একমাত্ৰ বিধায়কজন। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ঘোষণা কৰিছে এই সদনত মই ঘোষণা কৰিছো যে আদৰ্শ বিদ্যালয়ৰ প্ৰস্তাৱ বেলেগ কোনেও নিদিয়ে। বিধায়কজনে দিব।

**শ্ৰীছামছুল হুদা, পূব বিলাসীপাৰা ঃ** আমি সেইবিলাক কথা লিখি দিছিলো, model school হিচাপে, ৰখাটা স্কুল, নাইয়েলগা, ৰঙামাটি, বৰকান্দা হাইচেকেণ্ডাৰী এইবিলাক লিখি দিয়া হৈছে। পশ্চিম বিলাসীপাৰা সমষ্টিৰ বিধায়কে আৰু মই লিখি দিছো ধুবুৰী জিলাৰ গোটেই বিধায়কে model school ৰ বিষয়ে লিখি দিয়া নাই নেকি ?

**ডাঃ ৰণোজ পেগু, মাননীয় শিক্ষা মন্ত্ৰী ঃ** নাই দিয়া। আপুনি মোৰ কথা এতিয়া যদি নুশুনে তেতিয়াহ'লে আপুনি আকৌ নাপাব। কাৰণ আপুনি কথাখিনি বুজাই নাই। চলি থকা বিদ্যালয় এখন আদৰ্শ বিদ্যালয় হ'ল ইংৰাজী মাধ্যমৰ CBSC School. এইখন সম্পূৰ্ণৰূপে এখন নতুন বিদ্যালয়। এতিয়া আপুনি বিদ্যালয় এখন দিছে ৭০০ ছাত্ৰ-ছাত্ৰী আছে। এই সাতশ ছাত্ৰ-ছাত্ৰী ক'ত যাব আপুনি এই সমাধানটো মোক কৰি দিব লাগিব। আৰু এই চলি থকা বিদ্যালয় এখনক আমি আদৰ্শ বিদ্যালয় বুলি ক'ব নোৱাৰো । আমি যেতিয়া আদৰ্শ বিদ্যালয় বুলি কওঁ তেতিয়া এটা কনফিউজন হয় যে আদৰ্শ বিদ্যালয়খন বিধায়কৰ বিদ্যালয়ৰ লগত লগ লগাই দিয়ে । বিধায়কৰ আদৰ্শ বিদ্যালয় এচ এম ডিচিৰ সভাপতি হ'ল বিধায়কগৰাকী । সেই বিধায়কগৰাকীৰ আদৰ্শ বিদ্যালয়খনক কেনেকৈ এখন মান সম্পন্ন বিদ্যালয় কৰিব , তাত কেনেকৈ বিভিন্নধৰণৰ মোবিলাইজেশ্যন কৰিব এইটো বিধায়কগৰাকীৰ দায়িত্ব । বিধায়কৰ আদৰ্শ বিদ্যালয়ত মুখ্যমন্ত্ৰীৰ দহ লাখ টকাৰ পুঁজিৰ বাহিৰে আন অনুদান আবন্টণৰ ব্যৱস্থা নাই ।

**শ্ৰীজাকিৰ হুছেইন সিক্‌দাৰ, সৰুক্ষেত্ৰী ঃ** এতিয়ালৈকে দহ লাখ টকা দিয়া নাই ছাৰ ।

**শ্ৰীঅখিল গগৈ, শিৱসাগৰ ঃ** দহ লাখ টকা দিলেনে নাই সেইটো কওঁক । সেইটো কেতিয়া দিব ? নিজৰ নিজৰ সমষ্টিত দিয়ক কেৱল নে কি কয় ? সৰু সৰু ল'ৰা ছোৱালী এইবোৰ, এইবোৰক লৈ পলিটিক্স নকৰিব।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ, উত্তৰ কৰিমগঞ্জ ঃ** মডেল স্কুল দিছে আমি ধন্যবাদ দিছো কিন্তু দহ

লাখ টকা ক'ত দিলে ?

(সদনত বাদ -বিবাদ - হুলস্থূল)

**মাননীয় অধ্যক্ষ ঃ** প্লিছ.... বহক । মন্ত্ৰীক ক'বলৈ দিয়ক , বহক।

**ডাঃৰণোজ পেগু, মন্ত্ৰী, শিক্ষা ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয় মই আপোনাৰ পৰা অনুমতি বিচাৰিম যে এতিয়া নহয়, পৰৱৰ্ত্তী সময়ত মই অসমৰ ১২৬ সমষ্টিত বিধায়কসকলে নিজে নাম লিখি দিয়া ১২৬ বিধায়ক আদৰ্শ বিদ্যালয়ৰ তালিকা মই ইয়াত দাখিল কৰিম আৰু এই আদৰ্শ বিদ্যালয়বিলাকৰ কোন কোন বিদ্যালয়ে টি এণ্ড ডি ডিপাৰ্টমেন্টৰ পৰা ১০ লাখ টকা অনুদান পাইছে সেই তালিকাও মই দাখিল কৰিম ।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে অনাৰেবল মিনিষ্টাৰে কৈছে আপোনালোকে তালিকা পাব । ...... হ'ব।

**শ্ৰীঅখিল গগৈ, শিৱসাগৰ ঃ** আমি বিধায়ক পুঁজিৰ পৰা পইচা দিছো , আপোনালোকে এক টকাও দিয়া নাই এতিয়ালৈকে । মন্ত্ৰীয়ে এনেয়ে কৈ আছে । আপুনি সোধকছোন পইচা দিলেনে নাই ?

**মাননীয় অধ্যক্ষ ঃ** আপুনি বহকনা , মন্ত্ৰীৰ ৰিপ্লাই শুনক । কোৰেশ্যনাৰে কোৰেশ্যন কৰিছে । আপোনাৰতো প্ৰশ্ন নহয় এইটো। বহক আপুনি । অনাৰেবল মেম্বাৰে এতিয়া চাপ্লিমেন্টৰী কৰক। টু দি পইন্ট কওঁক, দীঘলীয়া নকৰিব।

**শ্ৰীছামচুল হুদা, বিলাসীপাৰা পূব ঃ** ছাৰ মোৰ সমষ্টিৰ বিলাসীপাৰা কলেজত কৰ্মাচ ষ্ট্ৰীম আৰু ৰত্নপীঠ কলেজত চাইন্স ষ্ট্ৰীম দিয়াৰ বাবে মই দাবী কৰিছিলো সেইটো মন্ত্ৰী মহোদয়ে দিবনে নাই মই আপোনাৰ জৰিয়তে জানিব বিচাৰিছো ।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**ডাঃৰণোজ পেগু, মন্ত্ৰী, শিক্ষা ইত্যাদি ঃ** অধ্যক্ষ মহোদয় তেখেতৰ লিখিত প্ৰশ্নত এই কথাখিনি নাই । তাত মডেল স্কুলৰ কথাহে আছে ।

**শ্ৰীছামচুল হুদা, বিলাসীপাৰা পূব ঃ** ছাৰ, কোৰেশ্যনত নাই, ষ্ট্ৰীম দিবৰ বাবে মই অনুৰোধহে জনাইছো।

**ডাঃৰণোজ পেগু, মন্ত্ৰী, শিক্ষা ইত্যাদি ঃ** সেইটো আমি চাম কিন্তু মডেল স্কুল যাতে আপুনি পায় আৰু এই মডেল স্কুল পোৱাৰ ৰাস্তাটো মই আপোনাক জনাবলৈ বিচাৰিছো কিন্তু আপুনি শুনিব বিচৰা নাই । প্ৰথম কথা এমালগেমেশ্যনৰ জৰিয়তে যদি ক'বাত বিদ্যালয় খালি হৈ গৈছে , ঘৰটো যদি খালি হৈ আছে আপুনি সেই মাটিখিনি আদৰ্শ বিদ্যালয়ৰ বাবে প্ৰস্তাৱ দিলে আমি অহা বছৰলৈ তাত ক্লাছ আৰম্ভ কৰিব পাৰিম । যদি আপোনাৰ তেনেকুৱা মাটি নাই বা বিল্ডিং নাই তেতিয়াহ'লে আপুনি গ্ৰীণ ফিল্ড প্ৰজেক্টৰ কাৰণে নতুনকৈ মাটি আবন্টণৰ বাবে আপুনি ডিচিৰ ওচৰত আবেদন কৰিব পাৰিব । কিন্তু ধুবুৰী , চাউথ শালমাৰা মানকাচাৰ জিলাৰ মাটিক লৈ এটা সমস্যা আছে । চাউছ শালমাৰা মানকাছাৰত অসম চৰকাৰে এখন মডেল ডিগ্ৰি কলেজ অনুমোদন জনালে কিন্তু মাটিৰ বাবে আজিও কলেজখন নিৰ্মাণ হোৱা নাই ।

**শ্ৰীঅখিল গগৈ, শিৱসাগৰ ঃ** অধ্যক্ষ মহোদয় আমাক দহ লাখ টকা লাগে । এনেউ ৰিপ্লাই দি থাকিলে নহ'ব।

মাননীয় অধ্যক্ষ ঃ বহক গগৈ ডাঙৰীয়া । মন্ত্ৰীয়ে তালিকা দিম বুলি ক'লে নহয় । বহক এতিয়া ।

**শ্ৰীৰফিকুল ইছলাম, জনীয়া ঃ** অধ্যক্ষ মহোদয় মোৰ সমষ্টিত জনীয়া মডেল স্কুলৰ বিল্ডিং আছে। এই চেশ্যনৰ পিচত কাম আৰম্ভ কৰিব লাগে ।

**ডাঃৰণোজ পেগু, মন্ত্ৰী, শিক্ষা ইত্যাদি ঃ** অধ্যক্ষ মহোদয় জনীয়াৰ মডেল স্কুলখন শিক্ষা বিভাগৰ নহয় ।এইখন এখন বেলেগ মডেল স্কুল।ইয়াৰ লগত মিক্স নহয় । এইখন মাইনোৰিটি ডেভ'ল'পমেন্ট ডিপাৰ্টমেন্টৰ আণ্ডাৰত ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় বিৰোধী দলৰ দলপতি ।

**শ্ৰীদেৱব্ৰত শইকীয়া , মাননীয় বিৰোধী দলৰ দলপতি ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ে যিখিনি কথা কৈছে । পূৰ্ব্বৰ এখন বিধান সভা অধিবেশনত পঞ্চাশখন মডেল স্কুল চি বি এচ চি কৰাৰ কথা কৈছিল আৰু সেইসময়ত সহমত হোৱা নাছিল। তাৰ পিছত এনেকুৱা ইংৰাজী মাধ্যমৰ বাবে এনেকুৱা কোনো চিঠি আমি পোৱা নাই । কিন্তু বোধকৰো কিছু অঞ্চলত শিক্ষা বিষয়াই নিজা ববীয়াকৈ মডেল স্কুল দিছিল আৰু সেইবোৰত ছাত্ৰ- ছাত্ৰী থকাৰ বাবে বিভিন্নধৰমৰ খেলিমেলি সৃষ্টি হৈ সেইখিনি ৰূপায়ণ হোৱা নাই । মোৰ সমষ্টিতে কেন্দুগুৰি হাইস্কুলখন মডেল ইংলিছ মিডিয়ামত কৰিব বুলি শুনিছিলো কিন্তু তাত এতিয়া এমালগেশ্যন হ'ল আৰু অন্যান্য মাধ্যমিক স্কুল , এল পি স্কুল আহি তাত বহু ছাত্ৰ ছাত্ৰী হ'ল। গতিকে তাত এইটো ৰূপায়ণ হোৱা নাই আৰু এই ক্ষেত্ৰত বিধায়কসকলৰ মতামত লোৱা হোৱা নাছিল । দ্বিতীয়তে যিটো বিধায়কৰ মডেল বিদ্যালয় বা আদৰ্শ বিদ্যালয় তাৰ বাবে আমি সকলোৱে নাম দিছো আৰু দহ লাখ টকা আমি এতিয়ালৈকে পোৱা নাই । বিধায়ক পুঁজি দিয়া হৈছে আৰু দ্বিতীয়তে তাত যি মেনেজিং কমিটি তাত এচ এম ডিচিৰ চেয়াৰমেন বিধায়ক হ'ব লাগে বুলি বিভাগীয়ভাৱে গুৱাহাটীৰ পৰা চাৰ্কোলাৰ যোৱাৰ পিচতো বিভিন্ন কাৰণবশত জিলা কাৰ্য্যালয়ৰ পৰা সেই চাৰ্কোলাৰবিলাক আমাক দিয়া হোৱা নাছিল । মই মোৰ সমষ্টিৰ মডেল স্কুলখন স্থাপন হোৱাৰ দুই বছৰ পিচতহে তাৰ সভাপতিৰ দায়িত্বটো পাইছো । অন্যৰ ক্ষেত্ৰতো হ'ব পাৰে গতিকে এই ক্ষেত্ৰত বিভাগক চকু দিবলৈ অনুৰোধ জনালো ।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে , অনাৰেব্ল মিনিষ্টাৰ ।

**ডাঃৰণোজ পেগু, মন্ত্ৰী, শিক্ষা ইত্যাদি ঃ** ধন্যবাদ, মই সদনক জনাব বিচাৰো যে ২০২২-২৩, ২০২৩-২৪ এই বিত্তীয়বৰ্ষত আমি সৰ্ব্বমূঠ ৩১ খন নতুন আদৰ্শ বিদ্যালয় আমি প্ৰতিষ্ঠা কৰিছো । য'ত শ্ৰেণী আৰম্ভ হৈছে ডিওমুৱা, নিউ চাংবোৰ ( ডিমাহাচাও), গোমাফুলবাড়ী, গোৰৰ্দ্ধনা (বৰপেটা), তামূলপুৰ, নাগ্ৰিজুলী (বাক্সা) লংছাম্পি, লোংবাজঙ, নিলিম, ৰংবংৰে (কাৰ্ব্বি আংলঙ) , চিনচং , চচেং (ৱেষ্ট কাৰ্ব্বি আংলঙ) তিতাগুৰি (কোকৰাঝাৰ) তাপাতাৰি (বঙাইগাওঁ) মাজবাট, ৰৌতা, ভেৰগাওঁ (ওদালগুৰি) লক্ষীপুৰ (গোৱালপাৰা), ইটাখুলি (তিনিচুকীয়া ), জালুকবাৰী, পূব গুৱাহাটী (কামৰূপ মেট্ৰ' ) কমলপুৰ, হাজো , ছয়গাওঁ (কামৰূপ গ্ৰাম্য) মাহমৰা (চৰাইদেও) ঘিলামৰা (লক্ষিমপুৰ), দেৰান টি ষ্টেট ( কাছাড়) ডিমৌ (শিৱসাগৰ) আৰু চামোগুৰি (শোনিতপুৰ) ইত্যাদি। যিসমূহ বিধান সভা সমষ্টিত আদৰ্শ বিদ্যালয় চিবিএচ চিৰ অধীনত ইংলিছ মিডিয়ামৰ বিদ্যালয় লাগে তাৰ কাৰণে উপযুক্ত বিদ্যালয় কেম্পাচ বা উপযুক্ত মাটি আপোনালোকে জিলা প্ৰশাসনৰ লগত সহযোগিতা কৰি উলিয়াই দিলে বাকী সমষ্টিবোৰতো আমি আদৰ্শ বিদ্যালয় স্থাপনৰ কামটো আগুৱাই লৈ যাব পাৰিম , ধন্যবাদ ।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং-৪৪। সুৰেণ ফুকন ডাঙৰীয়াই কওঁক।

**শ্ৰী পিয়ূষ হাজৰিকা, মাননীয় মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি বিভাগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰী সুৰেণ ফুকন, বিধায়ক (ডিগবৈ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিভাগীয় মন্ত্ৰীৰ দ্বাৰা মই

উত্তৰটো পাইছো। তাৰ পৰা কিছু পৰিমাণে হ'লেও সন্তুষ্টি লভিছো। তাৰ বাবে মাননীয় মন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাইছো। জনপ্ৰিয় অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত ইতিপূৰ্বে অসমৰ বনাঞ্চল সমূহত অবৈধ কাৰ্য্যকলাপ সম্পূৰ্ণকৈ নহ'লেও বন্ধ হৈছে। এতিয়া মোৰ সমষ্টিৰ কাষতে যথেষ্ট এখন ডাঙৰ বনাঞ্চল দিহিং-পাটকাই আছে আৰু সেই বনাঞ্চলত ছেগা-চুৰুকাকৈ মাজে মাজে কিছু অবৈধ কাঠফলা বা অবৈধ শিল-বালি নিয়া বা অবৈধভাৱে জীৱ-জন্তুক হত্যা কৰা দেখিবলৈ পাওঁ। ইয়াৰ মূল কাৰণটোৱেই হৈছে যে সেই বৃহৎ অঞ্চলটোৰ কাৰণে যি ধৰণে বনকৰ্মী, বন ৰক্ষী বা বন চকী থাকিব লাগিছিল, সেই অনুপাতে নাই। কিন্তু চৰকাৰৰ সদিচ্ছাৰ ফলত মাননীয় মন্ত্ৰী ডাঙৰীয়াই জনাইছে যে ২০২৩ বৰ্ষত নতুনকৈ ২৩ গৰাকী বন কৰ্মী নিযুক্তি দিছে। মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী ডাঙৰীয়া তাত কিছু বন চকী আৰু বনকৰ্মী বঢ়োৱাৰ বাবে অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিয়ক।

**শ্ৰী পিয়ূষ হাজৰিকা, মাননীয় মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদ বিভাগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, দিহিং-পাটকাই বনাঞ্চলত বন বিভাগৰ চাৰিজন বিষয়া আৰু ৭৩ গৰাকী বন সুৰক্ষা কৰ্মী ইতিমধ্যে মোতায়ন হৈ আছে। এই সম্পৰ্কে ইতিমধ্যে উত্তৰটো পাইছে। তাৰোপৰিও ৩৭ জন বন সুৰক্ষা বাহিনীৰ জোৱান আৰু ১৬ জন নিৰ্দ্ধাৰিত বেতন ভোগী নিয়োজিত হৈ আছে। ২০২৩ চনত ৭৬ জন নৱনিযুক্ত বন কৰ্মী এই উদ্যানৰ বাবে নিয়োগ কৰা হৈছে। ২০২৪ চনৰ জানুৱাৰী মাহৰ ১৬ জন নিৰ্দ্ধাৰিত বেতন ভোগী নিয়োজিত কৰা হৈছে। এইখিনি সময়ত আমাৰ বন বিভাগে ১২৬০ গৰাকী ফৰেষ্ট গাৰ্ডক নিযুক্তি দিছে আৰু ২৬১ গৰাকীক ফৰেষ্টাৰ নিযুক্তি দিছে। প্ৰথম আৰু দ্বিতীয় বেটেলিয়ানত ১৪৩ গৰাকী আৰু ১৩০ গৰাকী মুঠতে ২৭৩ গৰাকী বেটেলিয়ান নিযুক্ত দিছে। তৃতীয় বেটেলিয়ানত ৮৬০ গৰাকী নিযুক্তি দিছে। মাননীয় সদস্য গৰাকীয়ে যদি দিহিং-পাটকাই বনাঞ্চলত আৰু বেছি বনকৰ্মী নিযুক্তি দিব লাগে বুলি ভাৱে তেন্তে আৰু নিযুক্তি দিব বুলি মই সদনক আশ্বস্ত কৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া প্ৰশ্ন নং-৪৫। ৰূপেশ গোৱালা ডাঙৰীয়াই কওঁক।

**শ্ৰী পিয়ূষ হাজৰিকা, মাননীয় মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদ বিভাগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰী ৰূপেশ গোৱালা, বিধায়ক (ডুমডুমা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা বছৰ মোৰ বিধান সভা সমষ্টিৰ ডুমডুমাত হাতী-মানুহৰ সংঘাতত তিনি গৰাকী ব্যক্তিৰ মৃত্যু হৈছে- লক্ষীপ্ৰিয়া পাতৰ তেখেত ১২ বছৰীয়া এগৰাকী কিশোৰী, অজয় তাঁতী আৰু তিৰুমুণ্ডা। এজন যুৱক লক্ষ্যধৰ চেতিয়া গুৰুতৰভাৱে আহত হৈ ভালেমান চিকিৎসাধীন হ'বলগীয়া হৈছিল আৰু এতিয়াও তেওঁ সম্পূৰ্ণৰূপে সুস্থ হৈ উঠা নাই। এওঁলোকৰ মাজৰ তিৰুমুণ্ডা আৰু লক্ষ্যধৰ চেতিয়াই এতিয়ালৈকে ক্ষতি পূৰণ পোৱা নাই। মই মন্ত্ৰী মহোদয়ৰ পৰা যিটো উত্তৰ পাইছো সেইটো মই সন্তুষজনক নহয় বুলি এইকাৰণেই কম কাৰণ বিভাগে উত্তৰত দিছে যে যোৱা পাঁচ বছৰত ৭ গৰাকী মানুহৰ মৃত্যু হৈছে। এই মৃত্যুৰ ঘটনাৰ পৰা আমি এটা কথা উপলব্ধি কৰিছো যে ডুমডুমা অঞ্চলটো হাতীৰ দ্বাৰা আক্ৰান্ত অঞ্চল বুলি ক'লেও ভুল নহ'ব। কাৰণ প্ৰতি বছৰে হাতী সংঘাতৰ ফলত মানুহৰ মৃত্যু হৈছে, খেতি-বাতি নষ্ট হৈছে, ঘৰ-দুৱাৰ ভাঙিছে। ইয়াৰ উত্তৰত সিংহভাগ পৰিয়ালকে ক্ষতি পূৰণ দিয়া হৈছে বুলি কোৱা হৈছে। কিন্তু এতিয়ালৈকে সকলো পৰিয়ালক ক্ষতি পূৰণ দিয়া হোৱা নাই আৰু ততকালীনভাৱে সকলো পৰিয়ালক ক্ষতি পূৰণ দিয়াৰ ব্যৱস্থা কৰিব লাগে। এই যি ক্ষতিগ্ৰস্ত হৈছে

প্ৰায়ভাগেই দুখীয়া লোক। এজন মানুহৰ যদি ঘৰ ভাঙি দিয়ে পিছদিনা মানুহ জন ক'ত থাকিব। ক্ষতি পূৰণ দিওঁতে যদি ইমান সময় লাগে সেই মানুহজন ক'ত থাকিব? এই কথাটো নিশ্চয় চিন্তা কৰিবলগীয়া বিষয়। যিটো হ্ৰস্বকালীন পৰিকল্পনাৰ কথা কৈছে, তাত টৰ্চ লাইট, কেৰাচিন তেল আদি দিছে। কিন্তু যিখিনি মাত্ৰাত দিছে, সেইখিনি যথেষ্ট নহয়। ইয়াৰ উপৰিও মাননীয় মন্ত্ৰী মহোদয়ে তেওঁৰ উত্তৰত যি দীৰ্ঘকালীন পৰিকল্পনাৰ কথা কৈছে, সৌৰচালিত লোহাৰ বেৰ নিৰ্মাণ, সৌৰচালিত পথ চাকি কিন্তু এতিয়ালৈকে সেইয়া আৰম্ভ হোৱা নাই। বিভাগে কাৰ্য্য আৰম্ভ কৰিব লাগিব। কাৰণ পাঁচ বছৰত সাত জন লোকৰ মৃত্যু হৈছে। আমি যেতিয়া ডি এফ অ' আৰু ৰেঞ্জাৰৰ লগত কথা পাতো তেওঁলোকে প্ৰায়েই কয় যে তাত বনকৰ্মীৰ অভাৱ আছে। এইটো যিহেতু এটা ক্ষতিগ্ৰস্ত এলেকা তাত যদি বন কৰ্মীৰ অভাৱ দূৰ কৰিব লাগে আৰু এই গোটেই বিষয়টো গুৰুত্বসহকাৰে লৈ যাতে ব্যৱস্থা গ্ৰহণ কৰে তাৰ বাবে অনুৰোধ জনাইছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিয়ক।

**শ্ৰী পিয়ূষ হাজৰিকা, মাননীয় মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদ বিভাগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীৰ সমষ্টিত ২০১৯ ৰ পৰা ২০২৪ চনলৈ ছয় গৰাকী ব্যক্তিৰ হাতীৰ আক্ৰমণত মৃত্যু হৈছে আৰু তেওঁলোকৰ পৰিয়ালক আমি ইতিমধ্যে চাৰি লাখকৈ চৱিশ লাখ টকা মোকলাই দিছো। তাৰে এগৰাকী তিৰুমুণ্ডাৰ ক্ষতি পূৰণৰ প্ৰক্ৰিয়া চলি আছে। মাননীয় সদস্য গৰাকীয়ে এগৰাকী আঘাত গ্ৰস্তই ক্ষতিপূৰণ পোৱা নাই বুলি কৈছে। আমি তেখেতৰ লগত যোগাযোগ ক্ষতি পূৰণ দিয়াৰ ব্যৱস্থা কৰিম। কেতিয়াবা কেতিয়াবা খেলিমেলিৰ কাৰণে আমাৰ টকাখিনি মোকলাই দিয়া দেৰী হয়। আমি টকা নিদিয়াকৈ বা প্ৰক্ৰিয়া নকৰাকৈ থকা নাই। মাননীয় সদস্য গৰাকীৰ সমষ্টিত ২০১৯ ৰ পৰা ২০২৪ চনলৈ এশ আঠসত্তৰ টা ঘৰ হাতীৰ আক্ৰমণত নষ্ট হৈছে আৰু আমি ইতিমধ্যে পাঁচ লাখ নৱৈ হাজাৰ টকা ক্ষতি পূৰণ দিছো আৰু এঘাৰ লাখ নৱৈ হাজাৰ টকা দিবলৈ বাকী আছে। এইখিনি সময়ত এশ পঁচিশ হেক্টৰ মাটিৰ খেতি নষ্ট হৈছে আৰু এশ ছাপন্ন জন মানুহ ক্ষতি গ্ৰস্ত হৈছে আৰু বাৱন্ন জনক ইতিমধ্যে তিনি লাখ নৱৈ হাজাৰ টকা দিছো আৰু এশ চাৰিজনে সাত লাখ আশী হাজাৰ টকা দিবলৈ বাকী আছে আৰু দিয়াৰ প্ৰক্ৰিয়া চলি আছে। মই ইতিমধ্যে আগৰ প্ৰশ্নৰ উত্তৰ কৈছো যে মেন পাৱাৰক লৈ ডাঙৰ সমস্যা নাই। মই পুনৰ কৈছো যে আমি ইতিমধ্যে আমি বাৰ শ ষাঠি জন ফৰেষ্ট গাৰ্ড নিযুক্তি দিছো। প্ৰথম আৰু দ্বিতীয় বেটেলিয়ানত মুঠতে ২৭৮ গৰাকী বেটেলিয়ান নিযুক্তি দিছে। তৃতীয় বেটেলিয়ানত ৮৬০ গৰাকী নিযুক্তি দিছে। গতিকে বন বিভাগত মেন পাৱাৰক লৈ বহুত ডাঙৰ সমস্যা আছে বুলি ভৱা নাই। তেখেতৰ সমষ্টিত যদি জোৱান বা ফৰেষ্ট গাৰ্ড মোতায়ন কৰিব লাগে আমি কৰিবলৈ চেষ্টা কৰিম আৰু যিসকল ব্যক্তিয়ে ক্ষতিপূৰণ এতিয়ালৈকে পোৱা নাই তেওঁলোকক ক্ষতি পূৰণ দিয়াৰ ব্যৱস্থা কৰিম। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং-৪৬। ড° পৰমানন্দ ৰাজবংশী ডাঙৰীয়াই কওঁক।

**শ্ৰী ৰণোজ পেগু, মাননীয় মন্ত্ৰী, শিক্ষা ইত্যাদি বিভাগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**ড°পৰমানন্দ ৰাজবংশী, বিধায়ক (চিপাঝাৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিসময়ত ভাৰতৰ যশস্বী প্ৰধান মন্ত্ৰী মাননীয় নৰেন্দ্ৰ মোদী ডাঙৰীয়াই ভাৰতৰ আত্মা যোগাক সমগ্ৰ বিশ্বৰ আত্মা হিচাপে প্ৰতিষ্ঠা কৰিছে, সেই সময়ত অসমৰ প্ৰাথমিক বিদ্যালয়ৰ পৰা উচ্চ শিক্ষালৈকে যোগা পৰীক্ষক নিযুক্তি দিয়াৰ ব্যৱস্থাটো অসম চৰকাৰে যাতে গুৰুত্বসহকাৰে আৰম্ভ কৰে আৰু ইয়াৰ

বাবে যোগা বিদ্যালয় প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন কৰি ইয়াৰ সৈতে জড়িত সকলক সংস্থাপনৰ ব্যৱস্থাটো অগ্ৰাধিকাৰ দিয়াৰ বাবে মাননীয় শিক্ষামন্ত্ৰীৰ শিক্ষা বিভাগে বিশেষ ব্যৱস্থা হাতত লৈছে নেকি? আমাৰ চিপাঝাৰৰ পশ্চিম দৰঙৰ যিখন যোগা বিদ্যালয়খন যাতে নিয়মীয়া কৰে। মই জানো যে এইটো শিক্ষা বিভাগৰ প্ৰশ্ন নহয়, কিন্তু এই বিষয়ে আয়ুষ মন্ত্ৰালয় বা মাননীয় আয়ুষ মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিয়ক।

**ডাঃ ৰণোজ পেগু, মন্ত্ৰী, শিক্ষা, ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক যোগা শিক্ষা দিয়া আৰু যোগা শিক্ষক-প্ৰশিক্ষকক সংস্থাপন দিয়া এই দুয়োটা পৃথক বিষয়। গতিকে, যোগা শিক্ষকক সংস্থাপন দিয়া বিষয়টোৰ লগত মোৰ শিক্ষা বিভাগ জড়িত নহয়। কিন্তু, ছাত্ৰ-ছাত্ৰীক বিদ্যালয়ত যোগা প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰাৰ বাবে আমাৰ বিভাগ সচেতন। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া শিক্ষা মন্ত্ৰী হৈ থাকোতে 'সপ্তধাৰা' নামৰ এক সুন্দৰ আঁচনি প্ৰৱৰ্তন কৰিছিল আৰু সেই আঁচনিখন এতিয়াও চলি আছে। 'সপ্তধাৰা'ৰ অধীনত বিদ্যালয় পৰিচালনা সমিতিয়ে সংগীত, নৃত্য, যোগা আদিৰ শিক্ষা ছাত্ৰ-ছাত্ৰীসকলক দিওঁৱাৰ কাৰণে তেওঁলোকে অংশকালীন, অৰ্থাৎ এক ঘণ্টা এটা শ্ৰেণীৰ কাৰণে যিকোনো প্ৰশিক্ষকক নিয়োগ কৰিব পাৰে। ইয়াৰোপৰি, বৰ্তমান প্ৰধান মন্ত্ৰীয়ে ৰাষ্ট্ৰীয় শিক্ষা নীতি প্ৰয়োগৰ ক্ষেত্ৰত যি নতুন পদক্ষেপ গ্ৰহণ কৰিছে ইয়াৰ কাৰণে এচাম মডেল শিক্ষানুষ্ঠান সৃষ্টি কৰাৰ কাৰণে PM SHRI আঁচনি গ্ৰহণ কৰিছে আৰু এই PM SHRI আঁচনিত ২৬৪ খন বিদ্যালয় অসমত নিৰ্বাচন কৰা হৈছে। এই প্ৰত্যেকখন বিদ্যালয়ত যোগা প্ৰশিক্ষণৰ কাৰণে ব্যৱস্থা PM SHRI আঁচনিত অন্তৰ্ভুক্ত হৈ আছে। পৰৱৰ্তী কালত, আমি আমাৰ সপ্তধাৰা আঁচনিখনক আৰু অধিক শক্তিশালী কৰাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিম। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** Supplementary, কমলাক্ষ দে' পুৰকায়স্থ।

**শ্ৰী কমলাক্ষ দে' পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ)ঃ** চাৰ, আমি দেখা পালো যোগা দিৱসত আমাৰ প্ৰধানমন্ত্ৰী স্ব-শৰীৰে উপস্থিত থাকে, আমাৰ মুখ্যমন্ত্ৰী উপস্থিত থাকে। আনকি আমাৰ প্ৰত্যেকজন মন্ত্ৰী যোগা দিৱসত উপস্থিত থাকে। অৰ্থাৎ আমাৰ কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰ যোগাৰ প্ৰতি concerned। কিন্তু, আমি যিটো দেখা পালো বৰ্তমান অৱস্থাটো ভয়ংকৰ অৱস্থা। আমাৰ ৩৩ খন জিলাত বৰ্তমান ৯৫ জন Instructor and Caretaker আছে। Instructor জনক ১০,০০০ টকাকৈ আৰু Care Taker জনক ৬৫০০ টকাকৈ দিয়া হয়। কিন্তু আমাৰ কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰ, সকলো মন্ত্ৰীয়ে ইমানেই concerned হয় যে যোৱা দুবছৰ ধৰি এওঁলোকে কোনো টকা পোৱা নাই। আমি সকলোৱে যোগা দিৱসৰ দিনা যাওঁ, এইবাৰ মইও গৈছিলো কিন্তু তাৰ পিছতে তেওঁলোকৰ কথা পাহৰি যাওঁ। সেয়েহে, মন্ত্ৰী মহোদয়ক মই অনুৰোধ কৰিম যে প্ৰত্যেকটো ব্লকত অন্ততঃত ৫ জনকৈ Yoga Instructor নিযুক্ত কৰাৰ ব্যৱস্থা ল'ব লাগে।

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী।

**ডাঃ ৰণোজ পেগু, মন্ত্ৰী, শিক্ষা, ইত্যাদিঃ** অধ্যক্ষ মহোদয়, এই সকল প্ৰশিক্ষকৰ বিষয়টো আমাৰ Sports & Youth Welfare Department ৰ পৰা চায়। এইটো শিক্ষা বিভাগৰ অধীনত নহয়। তথাপিতো মই কৈছো যে অংশকালীন ভাৱে আমাৰ ছাত্ৰ-ছাত্ৰীসকলক যোগা প্ৰশিক্ষণ দিয়াৰ কাৰণে আমাৰ যি সপ্তধাৰা আঁচনি আছে, তাৰ অধীনতে আমি আমাৰ প্ৰচেষ্টা চলাম আৰু PM SHRI মডেলটো successful হোৱাৰ পিছত PM SHRI বিদ্যালয়ৰ সংখ্যা

আমি ক্ৰমান্বয়ে বঢ়াই গৈ থাকিম আৰু বৰ্ধিত এই PM SHRI বিদ্যালয়বিলাকত যোগা শিক্ষাৰ ব্যৱস্থা থাকিব।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। প্ৰশ্ন নং ৪৭- ধৰ্মেশ্বৰ কোঁৱৰ।

মাননীয় মন্ত্ৰী।

**ডাঃ ৰণোজ পেগু, মন্ত্ৰী, শিক্ষা, ইত্যাদিঃ** অধ্যক্ষ মহোদয়, প্ৰশ্নৰ উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰী ধৰ্মেশ্বৰ কোঁৱৰ, (সোনাৰি)ঃ** অধ্যক্ষ মহোদয়, আমাৰ মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ৰ পৰা মই জানিব বিচাৰিছো যে আমাৰ চৰাইদেউ জিলাৰ সোনাৰি সমষ্টিত বিদ্যালয় একত্ৰীকৰণ হৈ যোৱাৰ পিছত কিমান কেইখন প্ৰাথমিক বিদ্যালয়, মজলীয়া বিদ্যালয়, উচ্চ মাধ্যমিক বিদ্যালয়, উচ্চতৰ মাধ্যমিক বিদ্যালয়ত পাঠদান চলি আছে? মই আৰু সুকীয়াকৈ supplementary নকৰো। ইয়াৰ লগতে মই মন্ত্ৰী মহোদয়ক অৱগত কৰিব বিচাৰিছো, যি বিষয়ে অৱশ্যে মন্ত্ৰী মহোদয়ে সকলোখিনি কথা জানে, মই তেখেতক জনাইছিলো। আজি কিছু দিনৰ আগতে আমাৰ সোনাৰি সমষ্টিৰ এখন বিদ্যালয়- নগাহাট উচ্চ মাধ্যমিক বিদ্যালয়ত মধ্যাহ্ন ভোজনৰ চাউল লেট্ৰিনৰ টেংকিত উদ্ধাৰ হোৱাৰ লগতে কেইবা কুইন্টল চাউল বিক্ৰী কৰি দিয়াৰ কথা সংবাদ মাধ্যমত প্ৰচাৰ হৈছিল। ইয়াৰ বিষয়ে মাননীয় মন্ত্ৰী মহোদয়ক আমাৰ বিভাগীয় বিষয়াসকলে অৱগত কৰিছে নে? এনেধৰণৰ আৰু কিছু অভিযোগ মই দুই-এখন বিদ্যালয়ৰ পৰা অৱশ্যে পাওঁ। এই বিদ্যালয়সমূহৰ কিবা তদন্তৰ কাৰণে মন্ত্ৰী মহোদয়ে তদন্ত সমিতি গঠন কৰাৰ ব্যৱস্থা লৈছে নে? যদি লৈছে, তেতিয়া অন্তঃত ভাল হ'ব বুলি মই ভাৱো আৰু যদি লোৱা নাই, ল'লে ছাত্ৰ-ছাত্ৰীসকলে মধ্যাহ্ন ভোজন নিয়মিত ভাৱে পাব বুলি মই ভাৱিছো। গতিকে, মন্ত্ৰী মহোদয়ৰ পৰা এই বিষয়ে মই জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী।

**ডাঃ ৰণোজ পেগু, মন্ত্ৰী, শিক্ষা, ইত্যাদিঃ** অধ্যক্ষ মহোদয়, চৰাইদেউ জিলাৰ সোনাৰি বিধান সভা সমষ্টিত আমাৰ চৰকাৰী প্ৰাথমিক বিদ্যালয় ৩৩৮ খন, মধ্য অসমীয়া বিদ্যালয় ২৮ খন আৰু মধ্য ইংৰাজী বিদ্যালয় ১৮ খন, চৰকাৰী উচ্চ মাধ্যমিক বিদ্যালয় ২০ খন, চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় ৮ খন আৰু এখন Senior Secondary School, এইখিনি বিদ্যালয় চৰকাৰীভাৱে পৰিচালিত হৈ আছে । কিছুদিন আগত, সংবাদ মাধ্যমত নগাহাট উচ্চ মাধ্যমিক বিদ্যালয়ক লৈ যি বাতৰি প্ৰকাশ পাইছিল, সেই বাতৰি প্ৰকাশ হোৱাৰ লগে লগে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে। যোৱা ১২ তাৰিখে উক্ত বিদ্যালয়ৰ প্ৰধান শিক্ষক শ্ৰী ৰঞ্জিত গগৈক নিলম্বন কৰা হৈছে আৰু ইয়াৰ লগতে তেখেতৰ বিৰুদ্ধে চৰাইপুং আৰক্ষী থানাত এটা গোচৰ ৰুজু হৈছে। আৰক্ষীয়ে ব্যৱস্থা গ্ৰহণ কৰিছে, তদন্ত অব্যাহত হৈছে। গতিকে, চৰকাৰে সংবাদ মাধ্যমৰ বাতৰিৰ ওপৰত ভিত্তি কৰিয়েই তৎকালীনভাৱে অনুসন্ধান কৰিছে আৰু অনুসন্ধানৰ শেষত তেখেতক গ্ৰেপ্তাৰো কৰা হৈছে আৰু আমি নিলম্বিত কৰিছো। মধ্যাহ্ন ভোজন বিষয়টো আমাৰ কাৰণে খুবেই sensitive বিষয়। অসম চৰকাৰে এইটো সু-নিশ্চিত কৰিব বিচাৰিছে যাতে প্ৰত্যেকখন বিদ্যালয়ত নীতিগত, বিধিগত ভাৱে মধ্যাহ্ন ভোজন ছাত্ৰ-ছাত্ৰীসকলে লাভ কৰে । ইয়াৰোপৰি, বাগান আৰু চৰ অঞ্চলৰ বিদ্যালয়সমূহত ছাত্ৰ-ছাত্ৰীসকলৰ পুষ্টিৰ বিশেষ গুৰুত্ব প্ৰদান কৰি অতিৰিক্তভাৱে কণী দিয়াৰো ব্যৱস্থা গ্ৰহণ কৰিছে আৰু এই পৱিত্ৰ সদনক জনাবলৈ পাই মই সুখী হৈছো যে এই অঞ্চলবিলাকৰ বিদ্যালয়সমূহত আমি মধ্যাহ্ন ভোজনৰ ক্ষেত্ৰত যিখিনি পদক্ষেপ গ্ৰহণ কৰিছো, ইয়াৰ ফলস্বৰূপে উপস্থিতিৰ সংখ্যা বৃদ্ধি পাইছে। Enrolment আৰু উপস্থিতি এই দুয়োটা পৃথক। বহু সময়ত

দেখা যায় যে বিদ্যালয়সমূহত Enrolmentটো খুব ভাল কিন্তু প্ৰতিদিনে ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিটো সঠিক নহয়। গতিকে, এতিয়া Enrolment ৰ লগে লগে আমি উপস্থিতিৰ হাৰটো বৃদ্ধি কৰিবলৈ সক্ষম হৈছো। ধন্যবাদ অধ্যক্ষ মহোদয়।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। Supplementary.

সোনাৰি specific প্ৰশ্ন ক'ব।

**শ্ৰী ৰফিকুল ইছলাম, (জনিয়া)ঃ** মাননীয় অধ্যক্ষ মহোদয়, Mid-day Meal ৰ যিটো কথা আহিছে, মোৰ জনিয়া সমষ্টিৰ বালিকুৰি আঞ্চলিক হাইস্কুলত Mid-day Meal ৰ কাৰণে Student Management Committee ৰ সদস্য শিক্ষকসকলে district ক complaint কৰিলে যে Mid-day Meal নুখুৱায়। I.S. এ তদন্ত কৰি Director Office ত যোৱা অক্টোবৰ মাহত ৰিপ'ৰ্ট দিছে । I.S.ৰ ৰিপ'ৰ্ট মোৰ ওপৰত আছে। চাউল ঘোটালা কৰিছে, Annual Grant আৰু Sports Grant এই গোটেইখিনি আত্মসাৎ কৰা বুলি আজি ৪ মাহৰ আগত I.S. এ Director Office ত ৰিপৰ্ট দিছে। যোৱা দুমাহ আগত DRSC ৰ মিটিং হৈছিল, মই Secondary Education ৰ Director ক কৈছো, আপুনি ৰিপ'ৰ্ট পাইছে নে নাই, তেখেতে পাইছো বুলি কৈছে। এই সকলো ঘোটালা কৰাৰ পিছত I.S. এ ৰিপ'ৰ্ট দিছে, Director Office ৰ পৰা ৪ মাহ হৈ গ'ল, চাউল ঘোটালা, sports ঘোটালা, Annual fund ৰ ঘোটালা, এতিয়ালৈকে কোনো Action লোৱা নাই। বৰঞ্চ SMDC ৰ সভাপতিজনক কেনেকৈ খেদিব লাগে, এই সকলো পৰামৰ্শ Office ৰ পৰা দি Head Master এ এই সকলোবোৰ কৰি আছে।

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী।

**ড° হিমন্ত বিশ্ব শৰ্মা, মাননীয় মুখ্যমন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, যদি ৪ মাহ আগতে ৰিপ'ৰ্ট দিয়াৰ পিছতো এইটোৰ ব্যৱস্থা লোৱা নাই, তেতিয়াহ'লে আমি Director ৰ ওপৰত আজিয়েই ব্যৱস্থা ল'ম। এইটো আপুনি নিশ্চিত থাকক আৰু বিষয়টো এতিয়াই মই শিক্ষা মন্ত্ৰীক ক'ম। তেখেতে আজি গোটেই ঘটনাটো চাই কাইলৈ সদনক জনাব। যদি আমাৰ ইয়াত ৰিপ'ৰ্টটো পৰি আছে, process হোৱা নাই, তাৰ ওপৰত একেবাৰে strongest action ল'ম। এই ক্ষেত্ৰত আপুনি নিশ্চিন্ত থাকক আৰু ইয়াত কোনো compromise নহ'ব। মই মাননীয় সদস্যজনৰ প্ৰশ্নত এটা কথা ক'ব খুজো, প্ৰতি বছৰে আমি Uniformৰ কাৰণে পুঁজি যোগান ধৰো। কিন্তু মই যেতিয়া বিভিন্ন জিলাত যাওঁ, কিছুমান শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীসকলৰ Uniformটো খুব ভাল হয়, আনহাতে কিছুমান স্কুলত গ'লে Uniform ৰ standard টো খুব বেয়া হয়। ইয়াৰ দ্বাৰা এটা কথাই বুজা যায় যে একাংশই Uniform ৰ পুঁজি খুব ভালকৈ ব্যৱহাৰ কৰিছে, আন একাংশই, SMDC য়েই হওঁক, প্ৰধান শিক্ষকেই হওঁক Uniform ৰ টকাটো ভালকৈ ব্যৱহাৰ কৰা নাই। এই বছৰটোত আমাৰ এটা মিছন হ'ব যে.uniform টো আমি কেনেকৈ ভালতকৈও ভাল দিব পাৰো। মধ্যাহ্ন ভোজনৰ লগতে uniform থাকিবই। লগতে মই বিধায়ক সকলকো অনুৰোধ কৰিম যাতে আপোনালোকৰ অধীনত থকা L.P. school ৰ কাৰোবাৰ পৰা uniform টো সংগ্ৰহ কৰিব আৰু চাব। যিকেইটা নিজে grading কৰিব A,B আৰু C বুলি। যিখিনি uniform 'C' category ৰ দেখা পাব, তেনেকুৱা পালে আমাক লগে লগে জনাব। এইবাৰ আমি FIR ও কৰিম আৰু strongest action লম। Uniform, লৰা ছোৱালীৰ মধ্যাহ্ন ভোজনৰ টকা আত্মস্যাৎ, এই বস্তুবিলাকৰ পৰা আমি অসমৰ শিক্ষা জগতক মুক্ত কৰিব লাগিব। গতিকে

লোকসভা election ৰ পাছত এইটো আমাৰ এটা special mission হ'ব। আমি এটা ৰাজহুৱা কমিটি কৰি দিম। যিমান পাৰো pressure আনিম যাতে uniform টো standard হয় আৰু আপুনি আজি যিটো ক'লে মই এতিয়াই শিক্ষামন্ত্ৰী ডাঙৰীয়াক কম যে কালি তেখেতে সদনত statement দিব লাগে। যদি ইমান ডাঙৰ ৰিপোৰ্ট অহাৰ পাছত director ৰ তাত চাৰি মাহে পৰি আছে, তেন্তে এইটো কেতিয়াও গ্ৰহনযোগ্য হ'ব নোৱাৰে। ইয়াৰ ওপৰত শিক্ষামন্ত্ৰী ডাঙৰীয়াই কি ব্যৱস্থা ল'লে কালি সদনত তেখেতে জনাব যদি আপুনি কোৱা কথাখিনি সত্য হয়।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং-৪৮। শ্ৰীমতী শিৱামণি বৰা।

**শ্ৰীমতী শিৱামণি বৰা,বটদ্ৰৱা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই যিটো প্ৰশ্নৰ উত্তৰ বিচাৰিছিলো সেইটো মাননীয় মন্ত্ৰী মহোদয়ে দিলে। কিন্তু annexure বোৰ ইমান দেৰীকৈ দিলে যাৰবাবে study কৰিবলৈ অসুবিধা হৈছে। যিয়ে নহওক মোৰ supplementary এইটোৱে আছিলে যে PMJVK আৰু আগৰ MSDP যিখিনি আছে ২০১৬-১৭, ২০১৮-১৯, ২০১৯-২০ এই বৰ্ষ কেইটাত আমাৰ বটদ্ৰৱা সমষ্টিত যিকেইটা আঁচনি আছিলে ইমানদিন হৈ যোৱাৰ পাছতো সেইকেইটা সম্পূৰ্ণ হোৱা নাই। মই বহুতবাৰ DISA meeting তো আপত্তি কৰিছিলো। কিন্তু এতিয়ালৈকে কোনো ধৰণৰ action ও লোৱা নাই। ইমান পুৰণা আঁচনিসমূহ ইমান দেৰীলৈকে সম্পূৰ্ণ নোহোৱাৰ কি কাৰণ থাকিব পাৰে, সেইটো মই জানিব বিচাৰিছো। বিভাগে কোনো ধৰণৰ মনিটৰিং নকৰে নেকি?

তৃতীয়তে, মই আৰু এটা কথা ক'ব বিচাৰিছো যে এই ২০১৬-১৭,২০১৮-১৯, ২০২০-২১ ৰ যিখিনি MSDP আঁচনিৰ UC দাখিল কৰিব পৰা নাই কাৰণে বোধকৰো ২০২২-২৩, ২০২৩-২৪ ৰ যিখিনি আহিবলগীয়া আঁচনি আছিলে সেইখিনিৰ পুঁজি বৰ্তমানলৈ মোকলাই দিয়া নাই নেকি? মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী পিযুষ হাজৰিকা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, UC ৰ কোনো অসুবিধা বৰ্তমান নাই। সকলোতে আহিছে। কিন্তু মই সন্মানীয় সদস্য জিৰণ বসুমতাৰীৰ প্ৰশ্নৰ উত্তৰতে কৈছিলো যে আগতে কাম কৰা ধৰণটোত অলপ কিছু খেলিমেলি আছিল। তেতিয়া প্ৰায় ১ লাখতকৈও অধিক আঁচনি আছিল আৰু এতিয়া প্ৰায় একেখিনি পুঁজিৰে হয়তো ১০-২০ শতাংশ বেছি কিন্তু বৰ্তমান প্ৰায় ১৫,০০০ solid আঁচনি হৈছে। আগতে আঁচনিবিলাক সৰু সৰু আছিল। এতিয়া আঁচনিবিলাকৰ verification আমাৰ বিভাগে চলাই আছে যাতে কোনো ধৰণৰ গণ্ডগোল হ'ব নোৱাৰে। গতিকে আগৰ প্ৰক্ৰিয়া আৰু এতিয়াৰ প্ৰক্ৰিয়াৰ এটা পাৰ্থক্য হৈছে। আগতে একেখিনি টকাৰে প্ৰায় ১ লাখ আঁচনি হৈছিল এতিয়া একেখিনি টকাৰে ১৫,০০০ আঁচনি হৈছে। আগতে আঁচনিবিলাক কোনেও দেখা পোৱা নাছিল। কিন্তু এতিয়া সকলোৱে দেখা পায়। এতিয়া সমষ্টিবিলাকত গলে ৩০-৩২ কোটি টকাৰ residential স্কুল দেখা পায়। গতিকে এতিয়া specific হ'ল। আমি এই ক্ষেত্ৰত দৃঢ়তাৰে পদক্ষেপ লৈছো আৰু verification কৰি আছো আৰু monitoring ও কৰি আছো। গতিকে কোনেও যাতে গণ্ডগোল কৰিব নোৱাৰে। ইতিমধ্যে আমি যোৱাবছৰৰ আগৰ বছৰৰ UC

ৰ issue খিনিও আনিব পাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। প্ৰশ্ন নং-৪৯। শ্ৰী ছিৰাজুদ্দিন আজমল।

**শ্ৰী পিযুষ হাজৰিকা, মন্ত্ৰী ঃ** উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

Shri Sirajuddin Ajmal, Jamunamukh ঃ Hon'ble Speaker sir, I will not take any supplement. So, plantation is always an admirable task. It is said in hadith that when you plant a tree, the plant praise for you. So, this is one of the most admirable project. Even though, this we see that because very expert botanical advice was not taken, almost all the trees are dead.So, sir my humble queries to the hon'ble Minister is that was it really a plantation movement or a parade to destroy millions of trees ? Will this movement continue in future? If so, what necessary steps will be taken for these planted saplings for survival.I would like to know from the Hon'ble Minister.

Hon'ble Speaker : Hon'ble Minister.

Shri Pijush Hazarika, Minister : Hon'ble Speaker sir, in the Amrit Brikha Andolan we have planted almost 2 crore, 50 lakh plants.Our Department has planted almost 1crore,12 lakh and through the people of Assam we have planted another same amount of plant. The survival rate is around 80% and I want to assure this house that this Amrit Brikha Andolan will be continued.

Hon'ble Speaker : Is there any supplementary?

Shri Sirajuddin Ajmal, Jamunamukh ঃ Hon'ble Speaker sir, I personally feel because I am directly connected with the trees.I have planted crores of trees all over the North East. I feel the figures are not exactly correct. May I request the Hon'ble Minister to kindly check it for his own information because my people has reported only 20% survival.Kindly look into it.

Shri Pijush Hazarika, Minister : Hon'ble Speaker sir, I'm not agree with the opinion of the Hon'ble member. According to our Department, survival rate is 80%. So far final report will come in the month

of April only. It is only a preliminary report.

মাননীয় অধ্যক্ষ ঃ ধন্যবাদ। আৰু ১ মিনিট সময় আছে।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, কৰিমগঞ্জ (উত্তৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ক মই অনুৰোধ কৰিছো যে তেওঁ ৮০ শতাংশ কৈছে, ঠিকেই আছে। কিন্তু অৱস্থাটো খুৱ ভয়ঙ্কৰ। মই মোৰ সমষ্টিৰ কথা কৈছো। বৰাক ভেলীত যিমান কৈছে তাৰ ১০ শতাংশও হোৱা নাই। ১০ শতাংশ যদি তাতে হয়, গোটেইকেইটা মিলাই হলেও আপুনি ৮০ শতাংশ কৰিব নোৱাৰিব। আপুনি এইটো চেক কৰক, চেক কৰিলে নিশ্চয় ওলাই যাব। এইটো মোৰ অনুৰোধ।

**শ্ৰী পিযুষ হাজৰিকা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই total টো কৈছো।According to our Department, survival rate is 80%. কৰবাত অলপ বেছিও হ'ব পাৰে, কৰবাত অলপ কমো হ'ব পাৰে। মই average ত কৈছো। কোনো সমষ্টিত অলপ কম হ'ব পাৰে, কোনো সমষ্টিত অলপ বেছি হ'ব পাৰে। আমাৰ Government Department ৰ data মতে survival rate is 80%. However final number will come in the month of April. এতিয়া আমি আকৌ বিধান সভাত জনাব পাৰিম।

**মাননীয় অধ্যক্ষ ঃ** Thank you.The question hour is over.Now, item number-2.

**শ্ৰী আব্দুৰ ৰচিদ মণ্ডল, গোৱালপাৰা(পশ্চিম) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা point of order আছিল।

**মাননীয় অধ্যক্ষ ঃ** Under which rule?কোনটো rule violate হৈছে, সেইটো কওক।

**শ্ৰী আব্দুৰ ৰচিদ মণ্ডল, গোৱালপাৰা(পশ্চিম) ঃ** মাননীয় অধ্যক্ষ মহোদয়, point of order ৰ এটা rule আছে।

**মাননীয় অধ্যক্ষ ঃ** মই এটা কথা কওঁ। মই এইটো এতিয়া raise কৰিব দিম কিন্তু আগে পিছে এইটো জানি ল'ব যে যেতিয়া সদন চলি থাকে তাত যদি কিবা as per আমাৰ rule মতে নাযায়, যিটো কৰিব নালাগিছিল সেইটো যদি কোনোবাই কৰি পেলায়, কোনটো rule মতে সেইটো অনুচিত আছিল সেইটো উনুকিয়াই দিয়াটোৱে হ'ল point of order. ভৱিষ্যতে আপুনি rule টো চাই ল'ব। এতিয়া আপুনি কি ক'ব বিচাৰিছে সেইটো কওক।

**শ্ৰী আব্দুৰ ৰচিদ মণ্ডল, গোৱালপাৰা(পশ্চিম) ঃ** মাননীয় অধ্যক্ষ মহোদয়, Rule -300.মাননীয় মন্ত্ৰী ডাঙৰীয়াই যেতিয়া মডেল স্কুলৰ কথা কৈছিল, গোৱালপাৰা জিলাৰ লক্ষীপুৰ বুলি উল্লেখ কৰিছিল। গোৱালপাৰা জিলাৰ লক্ষীপুৰত কোনো ধৰণৰ মডেল স্কুল এই চৰকাৰৰ দিনত হোৱা

নাই।

দ্বিতীয়তে, ------interruption------

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়াই কৈছে যে গোটেই তালিকা দি দিব। এইটো চাই যি সকলৰ নাই তেওলোকে লিখি দিব পাৰিব।

**শ্ৰীআব্দুৰ ৰশিদ মণ্ডল ঃ** আনষ্টাৰ প্ৰশ্ন নং ১৩৬ ইয়াৰ C ত প্ৰশ্ন যিটো আছিল তাত সম্পূৰ্ণ বেলেগ উত্তৰ দিলে, অৰ্থাৎ উত্তৰ নিদিয়াকৈ থাকিল।

**মাননীয় অধ্যক্ষ ঃ** আপুনি এইটো submission কৰি দি দিব এটা লিখিত হিচাপে আমি acordingly সেইটো চাম ।

এতিয়া কাৰ্য্যসূচী নং ২। আমাৰ আজি কাঠমোচন আছে গতিকে কাৰ্য্যউপদেষ্টা সমিতিৰ সিদ্ধান্ত মৰ্মে মঞ্জুৰী নং ৬ ভূমি ৰাজহ আৰু মঞ্জুৰী নং ৪৮ কৃষিৰ ওপৰত আলোচনা কৰিবলৈ সিদ্ধান্ত লোৱা হৈছে সেই মৰ্মে প্ৰথম মঞ্জুৰী নং ৬ ভূমি ৰাজহৰ ওপৰত আলোচনা কৰিম আৰু সেয়েহে মই ৰাজহ মন্ত্ৰী ডাঙৰীয়াক মঞ্জুৰী নং ৬ টো উত্থাপন কৰিবলৈ মই অনুৰোধ জনাইছো।

**শ্ৰীযোগেন মহন, মন্ত্ৰী ঃ** সন্মানীয় অধ্যক্ষ মহোদয়, মঞ্জুৰী নং ৬ ভূমি ৰাজহ অসমৰ ৰাজ্যপালৰ অনুমোদন ক্ৰমে মই প্ৰস্তাৱ কৰিব খোজো যে ২০২৩-২৪ বৰ্ষৰ ৩১ মাৰ্চত শেষ হ'ব লগীয়া বছৰটোৰ কালছোৱাত কেত বোৰ ব্যায় বহন কৰিবলৈ মঞ্জুৰী নং ৬ ভূমি ৰাজহৰ ক্ষেত্ৰত ভাৰপ্ৰাপ্ত মন্ত্ৰীক অতিৰিক্ত ১১৫২৭৯০০০ টকা মঞ্জুৰী কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, ধন্যবাদ। এতিয়া আমাৰ ৬ নং মঞ্জুৰীৰ ওপৰত কৰ্তন প্ৰস্তাৱ আছে, প্ৰথমতে দেৱব্ৰত শইকীয়া ডাঙৰীয়া আৰু তেখেতৰ সহযোগী সকলক মই প্ৰস্তাৱটো উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰীআব্দুৰ ৰশিদ মণ্ডল ঃ** Hon'ble Speaker Sir, that the total provision of Rs.1152.79 lakhs under Supplementary Demand for Grant No.6 in respect of Land Revenue at pages 22-25 of the list of Supplementary Demands be reduced by Rs.100, that is the amount of the whole Supplementary Demand of Rs.1152.79 lakhs do stand reduced by Rs.100.

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, দুই নম্বৰত আছে আমাৰ হাফিজ বছিৰ আহমেদ ডাঙৰীয়া আৰু তেখেতৰ সহযোগী সকলক মই প্ৰস্তাৱটো উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**হাফিজ বছিৰ আহমেদ ঃ** I Hafiz Bashir Ahmed move that the total provision of Rs.1152.79 lakhs under Supplementary Demand for Grant No.6 in respect of Land Revenue at pages 22-25 of the list of Supplementary Demands be reduced by Rs.100, that is the amount of the whole Supplementary Demand of Rs.1152.79 lakhs do stand reduced by Rs.100.

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, পৰৱৰ্তীত আছে মনোৰঞ্জণ তালুকদাৰ মই প্ৰস্তাৱটো উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰীমনোৰঞ্জণ তালুকদাৰ ঃ** ২০২৩-২৪ চনৰ মঞ্জুৰীৰ বাবে পৰিপূৰক দাবী সমূহৰ তালিকাৰ ২২

ৰ পৰা ২৫ পৃষ্ঠাত থকা ভূমি ৰাজহ শিতানৰ ৬ নং পৰিপূৰক দাবী মঞ্জুৰীৰ বাবে ধাৰ্য্য কৰা সমগ্ৰ ১১৫২.৭৯ লাখ টকাৰ পৰা ১০০ টকা হ্ৰাস কৰা হওক, অৰ্থাৎ সমূদাই পৰিপূৰক দাবী মঞ্জুৰী ১১৫২.৭৯ লাখ টকাৰ ১০০ টকাৰে হ্ৰাস কৰা হওক।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, পৰৱৰ্তীত আছে অখিল গগৈ মই প্ৰস্তাৱটো উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰীঅখিল গগৈ ঃ** ২০২৩-২৪ চনৰ মঞ্জুৰীৰ বাবে পৰিপূৰক দাবী সমূহৰ তালিকাৰ ২২ ৰ পৰা ২৫ পৃষ্ঠাত থকা ভূমি ৰাজহ শিতানৰ ৬ নং পৰিপূৰক দাবী মঞ্জুৰীৰ বাবে ধাৰ্য্য কৰা সমগ্ৰ ১১৫২.৭৯ লাখ টকাৰ পৰা ১০০ টকা হ্ৰাস কৰা হওক, অৰ্থাৎ সমূদাই পৰিপূৰক দাবী মঞ্জুৰী ১১৫২.৭৯ লাখ টকাৰ ১০০ টকাৰে হ্ৰাস কৰা হওক।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, পৰৱৰ্তীত আছে শ্বেৰমান আলী আহমেদ মই প্ৰস্তাৱটো উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰীশ্বেৰমান আলী আহমেদ ঃ** মাননীয় অধ্যক্ষ মহোদয়, ২০২৩-২৪ চনৰ মঞ্জুৰীৰ বাবে পৰিপূৰক দাবী সমূহৰ তালিকাৰ ২২ ৰ পৰা ২৫ পৃষ্ঠাত থকা ভূমি ৰাজহ শিতানৰ ৬ নং পৰিপূৰক দাবী মঞ্জুৰীৰ বাবে ধাৰ্য্য কৰা সমগ্ৰ ১১৫২.৭৯ লাখ টকাৰ পৰা ১০০ টকা হ্ৰাস কৰা হওক, অৰ্থাৎ সমূদাই পৰিপূৰক দাবী মঞ্জুৰী ১১৫২.৭৯ লাখ টকাৰ ১০০ টকাৰে হ্ৰাস কৰা হওক।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, এতিয়া আমি বিবেচনাৰ বাবে ললো, প্ৰথমে বিৰোধী দলপতি শ্ৰীদেৱব্ৰত শইকীয়া ডাঙৰীয়া। আপোনালোক

**শ্ৰীআব্দুৰ ৰশিদ মণ্ডল ঃ** অধ্যক্ষ ডাঙৰীয়া, ৰাজ্য খনৰ কাৰণে ৰাজহ বিভাগ আটাইতকৈ গুৰুত্বপূৰ্ণ।

**মাননীয় অধ্যক্ষ ঃ** আপুনি কব নেকি ?

**শ্ৰীআব্দুৰ ৰশিদ মণ্ডল ঃ** হয়, ছাৰ।

**মাননীয় অধ্যক্ষ ঃ** আপোনালোকে তালিকা দিছিল সেই কাৰণে কলো।

**শ্ৰীদেৱব্ৰত শইকীয়া ঃ** ছাৰ, মণ্ডল ডাঙৰীয়াক কবলৈ কৈছো।

**শ্ৰীআব্দুৰ ৰশিদ মণ্ডল ঃ** অধ্যক্ষ ডাঙৰীয়া, আমি বাজেট কৰ্তন কৰিব কোৱাৰ অৰ্থ এইটো নহয় যে বাজেটত ধাৰ্য্য হোৱা পুঁজি খিনি অতিৰিক্ত বুলি বিবেচনা কৰিছোঁ। আমি বিভাগৰ কাম-কাজ সমূহৰ পৰ্য্যালোচনা কৰাৰ এটা সুযোগ লৈছো। কাৰণ ৰাজহ বিভাগ ৰাজ্য খনৰ মূল বিভাগ। ৰাজ্য খনৰ গোটেইখিনি কথা নিৰ্ভৰ কৰে ৰাজহ বিভাগৰ ব্যৱস্থাপনাৰ ওপৰত। কিন্তু যোৱা দিন বিলাকত আমি লক্ষ্য কৰিছো ৰাজহ বিভাগৰ কিছুমান নীতি আৰু সিদ্ধান্তই গোটেই অসমৰ সামাজিক জীৱন অস্থিৰ কৰি তুলিছে, অশান্তিৰ বাতাবৰণ সৃষ্টি কৰিছে। বহুতো ধৰণৰ বৈসম্য আমি দেখা পাইছো। বৈসম্য সমূহক আঙুলিয়াই দিয়াৰ কাৰণে আমি আজি এই কৰ্তন প্ৰস্তাৱৰ যোগেদি সদনত দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। যদি প্ৰথমতে উল্লেখ কৰিব লগা হয়, আজি মিছন বসুন্ধৰা ২.০ ৰ জৰিয়তে গোটেই অসমত এটা আবেগৰ সৃষ্টি কৰা হৈছে। জাতি মাটি ভেটিৰ এক যিটো ৰূপায়ণৰ শ্লোগান তাত বাস্তবিত কৰাৰ কাৰণে মিছন বসুন্ধৰা ২ ত কোৱা হৈছে। কিন্তু এই আঁচনিৰ জৰিয়তে অসমত ১৩ লাখ মানুহৰ পৰা আবেদন লোৱা হৈছিল কিন্তু দেখা গৈছে যে মাত্ৰ ২ লাখ কিছু মানুহকহে মাটিৰ আৱন্টন দিব পাৰিছে। আৰু এই ২ লাখৰ মাজতো গোটেই অসমত যথেষ্ট ধৰণৰ বৈসম্য কৰা হৈছে, এটা নিৰ্দিষ্ট জনগোষ্ঠীৰ মানুহক সম্পূৰ্ণৰূপে বঞ্চিত কৰা হৈছে। কিন্তু মিছন বসুন্ধৰা ২ ৰ অধীনত এই কথাটো উল্লেখ কৰা আছিল যে সকলো ভূমিহীন মানুহক মাটিৰ পট্টা দিয়া হ'ব। কিন্তু আজি অসমত আটাইতকৈ বেছি ক্ষতিগ্ৰস্থ ভূমিহীন মানুহ যি সম্প্ৰদায়ৰ মানুহ যি বিলাক

মানুহ চৰ-চাপৰিত বসবাস কৰে সেই সকলক এই বসুন্ধৰা ২ ৰ অধীনত এজনকো বাঁচনি কৰা হোৱা নাই। গোৱালপাৰা জিলাতে যদি লক্ষ্য কৰো প্ৰায় ৯৩ হাজাৰ আবেদনকাৰী আছিল। ৯৩ হাজাৰ আবেদনকাৰীৰ মাজত মাত্ৰ আমি কি কৰিছো ১০ হাজাৰ মানুহক অফাৰ লেটাৰহে দিছোঁ। কিন্তু এতিয়ালৈকে আবন্টন দিয়াই নাই। এই ১০ হাজাৰৰ মাজত এজনো কিন্তু সেই গড়াখহনীয়া গ্ৰস্থ বিশেষ সম্প্ৰদায়ৰ সংখ্যালঘু সম্প্ৰদায়ৰ মানুহ তালিকাভূক্ত নহয়। এই কথাখিনিৰ দ্বাৰা এইটোৱে বুজো যে সব কা সাথ সব কা বিকাশ কোৱা দলৰ চৰকাৰৰ যি নীতি আমি অকল শ্লোগনতে আছো নে letter and spirit ত আছো এই কথা বিলাকে কিন্তু ৰাইজক শিকাইছে। যে আমি যিটো কথা কওঁ সেইটো আমি নকৰো। বিভিন্ন অঞ্চলত এভিক্চনৰ ক্ষেত্ৰতো আমি দেখা পাইছো যে বৈসম্য কৰা হৈছে, সাংবাদিক সকলে যদি সেই এভেক্চনৰ ৰিপোৰ্ট কৰিব গৈছে সাংবাদিক সকলকো অপদস্থ কৰা হৈছে। তাৰ জলন্ত দৃস্তান্ত গোৱালপাৰা জিলাৰ লক্ষীপুৰ অঞ্চল। লক্ষীপুৰ অঞ্চলৰ পি আৰ এফ এলেকাত যেতিয়া বৈসম্য মূলক ভাৱে যেতিয়া এভেক্চন কৰা হৈছিল আৰু তাৰে বাতৰি সংগ্ৰহ কৰিবলৈ যোৱা গোৱালপাৰা জিলা সাংবাদিক সন্থাৰ সভাপতি গৰাকীক তাৰে চাৰ্কোল অফিচাৰ তাৰে বন বিষয়াই তেওঁক নিগ্ৰিহ কৰাৰ উপৰিও তেওঁক  যথেষ্ট অপদষ্ট কৰে। গতিকে এনেকুৱা ধৰণৰ অৰ্থাৎ সচাঁ কথাখিনি অসমৰ জনগণক যাতে জনাব নোৱাৰে তাৰ কাৰণে সাংবাদিক সকলকো অপদষ্ট কৰা দেখা গৈছে এই চৰকাৰৰ দিনত। আজি গোৱালপাৰা জিলাৰ চহৰৰ নিচেই কাষতে থকা পঞ্চৰত্ন অঞ্চল নদীৰ পাৰত বহুত বছৰৰ পৰা যি বিলাক মানুহ বসবাস কৰি আছে পি আৰ এফ মাটি আছে কৰবাত, কৰবাত খাজ ৰেভিনিউ মাটি, সেই বিলাক মানুহক হাইকোৰ্টৰ অৰ্ডাৰ থকাৰ পিছতো জিলা প্ৰশাসনে উচ্ছেদ কৰিলে। হাইকোৰ্ট অৰ্ডাৰে ইতিমধ্যে তাত এভেক্চন কৰিব নালাগে বুলি কৈছিল। কিন্তু খাচ মাটিৰ পৰা আৰু পি আৰ এফ মাটিৰ পৰা উচ্ছেদ কৰা হ'ল। অসমৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক যেতিয়া পি আৰ এফ মাটিৰ গোৱালপাৰা জিলাত আৰোপ মাটিত এভেক্চনৰ ক্ষেত্ৰত আমাৰ জিলাৰ আমি প্ৰতিনিধিৰ পৰা সহায় কৰিম কিন্তু পি আৰ এফৰ ক্ষেত্ৰত ১৯৫৯ চনৰ চৰকাৰৰ যিটো অৰ্ডাৰ আছিল তাত গোৱালপাৰাৰ সেই সময়ৰ জিলা উপায়ুক্ত, district forest settlement officer হিচাপে দায়িত্ব দি তেওঁ concern stock holderৰ লগত আলোচনা কৰি সীমা নিৰ্দ্ধাৰণ কৰা যি দায়িত্ব দিয়া হৈছিল কিন্তু এতিয়া সেই দায়িত্ব পালন কৰা নাই। চৰকাৰী তথ্যতে সেইটো প্ৰমাণ আছে। মোৰ হাতত ৰেকৰ্ড আছে যে ১৯৫৯ চনত যেতিয়া PRF notify হয় আৰু  নটিফাই হোৱা এৰিয়াৰ সীমা নিৰ্দ্ধাৰণ কৰাৰ কাৰণে জিলা প্ৰশাসনত গোৱাৰলপাৰাৰ ডি চি ক District Forest settlement Officer হিচাপে দায়িত্ব দিয়া  হৈছিল। কিন্তু তেওঁ গোৱালপৰাৰ জিলাৰ ডি চি য়ে সেই সীমা নিৰ্ধাৰণ নকৰাকৈ থাকিল, যাৰ কাৰণে মানুহবিলাক confused । Erotion affected landless মানুহ বিলাক য'তে খালী ঠাই পাইছে বহিছে। তেওঁলোকে নাজানে যে এইটো ফৰেষ্ট এৰিয়ানে কি এৰিয়া? যিহেতু নটিফাই কৰা এৰিয়াত সীমা নিৰ্দ্ধাৰণ কৰা হোৱা নাছিল। এই কথাখিনি যেতিয়া মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক গোৱালপাৰা জিলাৰ প্ৰতিনিধি সকলক তেখেতৰ অফিচতে হওঁক বা গোৱালপাৰা জিলা ভ্ৰমণলৈ যোৱা সময়ত আমি যেতিয়া লগ কৰিছিলো তেখেতে আমাক এচিউৰ কৰিছিল PRF মাটিত কেতিয়াও এভেকশ্যন কৰা নহয়। আজি হাউচত আছিল মুখ্যমন্ত্ৰী মহোদয় যে সৈনিক স্কুলত ভ্ৰমণত যোৱাৰ সময়ত তেখেতে কৈছিল যে PRF মাটিত এভেকশ্যন নহয়  । চৰকাৰী খাচ মাটিৰ ক্ষেত্ৰত আমি তেখেতক কৈছিলো চৰকাৰী খাচ মাটিত যিবিলাক মানুহ বসবাস কৰি আছে, চৰ অঞ্চলত যিবিলাক মানুহ বসবাস কৰি আছে সেই বিলাক চাৰ্ভে কৰি পেলাই মানুহবিলাকক এলটমেন্ট

দিয়া হওঁক। কিন্তু দেখা গ'ল যে বসুন্ধৰাৰ অধীনত সেই বিলাক মাটিত মানুহক এলটমেন্ট দিয়া ন'হল। PRF ৰ মাটিখিনি joint verification কৰা ন'হল কিন্তু গোৱালপাৰা জিলাৰ পৰচাপাখি এই অঞ্চলত কেইবাশ পৰিয়ালক উচ্ছেদ কৰা হ'ল গোৱালপাৰা চহৰৰ কাকদঙা অঞ্চলত কেইবাশ মানুহক উচ্ছেদ কৰা হ'ল। ঠাণ্ডাত মানুহ মৰিল, আৰু মোৰ সমষ্টিত থেপকাই পাহাৰতলি অঞ্চলত ন'টিচ দি পেলাই মানুহক যথেষ্ট অসুবিধাৰ সৃষ্টি কৰা হৈছে। মানুহবিলাক নিজৰ নিজৰ ঘৰ দুৱাৰ ভাঙি অসহায় অৱস্থাত আছে। প্ৰশাসনক সুধিলে প্ৰশাসনে কয় , আমি PRF মাটিত উচ্ছেদ নকৰো। মোৰ এটা প্ৰশ্নৰ উত্তৰত এনেদৰে কৈ আহিছে, যে গোৱালপাৰা জিলাত PRF অঞ্চলত কোনো ধৰণৰ এভেকশ্যন কৰা হোৱা নাই। কিন্তু মই সদনক উপাধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই চৰকাৰক আহ্বান কৰিব খুজিছো সদন কমিটি পঠিওৱা হওঁক। এই হাউচৰ পৰা সদন কমিটি গোৱালপাৰা জিলাত এই ইফেক্তেত অঞ্চললৈ পঠিওৱা হওঁক। ৰেভিনিউ বিভাগৰ মানুহ পঠিওৱা হওঁক , ফৰেষ্ট বিভাগৰ মানুহ পঠিওৱা হওঁক, মেপ লৈ যোৱা হওঁক। যে তেওঁলোকে অন্যায় ভাবে ফৰেষ্টৰ কথা কৈ আছে, আচলতে ফৰেষ্ট নহয় PRF নহয় চৰকাৰী খাচ মাটি অন্যায় ভাবে উচ্ছেদ কৰা হৈছে। এনেকুৱা ধৰণৰ বৈষম্যমুলক গোৱালপাৰা জিলাত যেতিয়া বসুন্ধৰাৰ অধীনত ১০ হাজাৰ মানুহক চেটেলমেন্ট দিয়া হৈছিল । মই নিজে তেতিয়া লেণ্ড এডভাইচেৰী বোৰ্ডৰ মেম্বাৰ হিচাপে এই অভিযোগ আনিছিলো আপোনালোকে এই discrimination কিয় ? আমাৰ জিলাৰ অভিভাৱক মন্ত্ৰী মহোদয়, এদিনাখন তেখেতে এচ ডি এল এ চি মিটিংত থকা সময়ত তেখেতকে প্ৰশ্ন কৰা হৈছিল যে চৰকাৰে এই যে কিবা নিৰ্দেশ আছে নেকি যে বিশেষ সম্প্ৰদায়ৰ মানুহক মাটি পট্টন দিয়া নহয়। এই কথাখিনি এচ ডি এল এ চি মিটিংত অভিযোগ কৰাৰ পিছত মই দুদিন এচ ডি এল এ চি মিটিং ওৱাক আউট কৰাৰ উপৰিও অসমৰ মাননীয় মুখ্য সচিব ডাঙৰীয়াক গোৱালপাৰা জিলাত কৰা অন্যায় লিখিত ভাবে জনোৱাৰ পিছতো আজিলৈকে কিন্তু এই অন্যায়ৰ কোনো সু বিচাৰ পোৱা নাই । গতিকে ৰেভিনিউ বিভাগ , যি বিভাগৰ ওপৰত ৰাজ্যখন নিৰ্ভৰ কৰে । কিন্তু সেই ৰেভিনিউ বিভাগৰ বিষয়াসকলে চৰকাৰে যদি বিষয়া সকলৰ জৰিয়তে ৰাইজৰ মাজত এনেকুৱা ধৰণৰ ভেদভাৱ কৰে এটা বিশেষ সম্প্ৰদায়ৰ মানুহক যদি ভূমিৰ অধিকাৰৰ পৰা বঞ্চিত কৰাৰ ষৰযন্ত্ৰ কৰে তেতিয়া মই ভাবো যে ৰাজ্যই কেতিয়াও উন্নতি লাভ কৰিব নোৱাৰে। আমি সততে কৈ থাকো যে ভাৰতবৰ্ষৰ ৫ খন ৰাজ্যৰ ভিতৰত আমাৰ এই ৰাজ্য লৈ যাম। এনেকুৱাকে অসমৰ এক তৃতীয়াংশ জনসাধাৰণ যদি ভূমিৰ অধিকাৰৰ পৰা বঞ্চিত কৰা হয় এইখন ৰাজ্য কেনেকৈ ৫খন ৰাজ্যৰ ভিতৰত শ্ৰেষ্ঠ ৰাজ্যলৈ যাব। যাব নোৱাৰে আমি দেখা পাইছো যে অসম চৰকাৰৰ যিটো rehabilitation policy, rehabilitation policyৰ মাজত নিজৰ নামত মাটি নথকা যদি eroded হয় তেওঁ কোনোধৰণৰ ক্ষতিপুৰন নাপায়। Disaster Managementৰ অধীনত । কিন্তু আমি জানো যে অসমত কিমান লাখ Hector মাটি চৰ অঞ্চলত আছে? সেই গোটেইখিনি মাটি এতিয়ালৈকে চাৰ্ভে নোহোৱকৈ আছে। প্ৰায় ২৫ লাখ মানুহ, ৩০ লাখ মানুহ এই চৰ অঞ্চলত বসবাস কৰে। তাৰ মাত্ৰ ৫ লাখ মানুহৰ নামত মাটিৰ পট্টা আছে, মাটিৰ নামত allotment আছে। বাকী ২৫ লাখ মানুহৰ মাটি পট্টা নাই আৱন্টন নাই। এই ২৫ লাখ মানুহ প্ৰায় erosion affected হৈ থাকে । তেওঁলোকে প্ৰায়ে erosion affected হৈ থাকে, কিন্তু যেতিয়া আমি rehabilitation policy adopt কৰিছো অসমত আগৰ সোনোৱাল চৰকাৰৰ দিনত যিটো আমি rehabilitation policy adopt কৰি থৈ দিছো সেই policyত সেই মানুহখিনিক কোনো ধৰণৰ assistant দিয়াৰ provision নাই।

বৰঞ্চ তেওঁলোকক encroacher হিচাবে ইয়াতে চিহ্নিত কৰা হৈ আছে। যে এই ২৫ লাখ মানুহ আপোনালোকে যদি কয় encroacher তেতিয়া হ'লে illegal encroacher হিচাবে তেওঁলোকক এভেকশ্যন কৰাৰ পিছত এই ২৫ লাখ মানুহ ক'ত থাকিব? কিন্তু সেইখিনি মানুহ সংস্থাপিত কৰাৰ পৰিকল্পনা কৰা হ'ল নে? কিন্তু আমি কি কৰিছো encroacher বুলি আমি তেওঁলোকক আক্ষাৰিত কৰিছো. চৰকাৰী সা-সুবিধাৰ পৰা বঞ্চিত কৰিছো। তেওঁলোকক যিটো ক্ষতিগ্রস্থ ই পোৱা বান সাহার্যৰ পৰা বঞ্চিত কৰাৰ কাৰণে আমি পলিচি গ্রহণ কৰিছো। গতিকে এনেকুৱা ধৰনৰ পক্ষপাতিত্বমুলক নীতিৰ কাৰণে আকৌ চৰকাৰৰ যিটো লেণ্ড পলিচি তাতে কোৱা হৈছে যে খিলঞ্জীয়া সকলৰ কাৰণে ভূমিৰ অধিকাৰ। কিন্তু খিলঞ্জীয়াৰ সংজ্ঞা এতিয়ালৈকে অহা নাই। বসুন্ধৰাৰ মাজত ৩ টা জেনেৰেশ্যন যোৱাৰ পাছতহে তেওঁক এই বসুন্ধৰা আঁচনিৰ অধীনত eligible কৰা হৈছে। ৩ টা জেনেৰেশ্যন যোৱা মানে কি ভাৰতবৰ্ষৰ স্বাধীনতা আগৰ অৰ্থাৎ তেওঁলোকক দেখাব লাগিব। তেওঁলোকৰ ভোটাৰ লিষ্টত নাম আছে। এই বিলাক স্থাপন কৰাৰ পাছতহে সেই বিলাক মানুহকো বসুন্ধৰাৰ অধীনত কিন্তু এলটমেন্ট দিয়া হোৱা নাই। ৰাজহ বিভাগৰ এই বৈষম্যমুলক আচৰণ দাঙি ধৰাৰ কাৰণে এই কাটমোশ্যন অনা হৈছে।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ, এতিয়া চিৰাজ উদ্দিন আজমল।

**Shri Sirajuddin Ajmal(Jamunamukh)**: Rspected Speaker Sir, thank you very much for giving me the opportunity. Sir, After waiting as long as 30 years, the previous State Government approved the New Land Policy 2019 on 21st October, 2019. It is on date beyond everyone's doubt that the State Goverent has given a lot of emphasis in preparing the Policy to divide the citizens of the State into two distinct categories for ever. Sorry-I cannot term it a Land Policy, rather it is mostly a Division Policy in the line of infamous Divide N Rule. Sir, I have to say with a heavy heart that Assam Land Policy-2019, has spread the messages of Distrust and confusion among the various stakeholders of the State. It has recommended that the transfer of agricultural land should be restricted to the Indigenous people only. The Biggest Disparity on new land policy has been due to the core term Indigenous. Because the new policy has not defined the term 'indigenous, 'Let the Government first clarify, who are indigenous people?' Government policy of giving 3 bighas of agricultural lands to landless families is definitely appreciable. It has tagged indigenous word in the new land policy whereas who are indigenous is yet to be defined. Our view is that every landless Indian, who are permanent residents of Assam, has his right to have land. By tagging the term indigenous, the Government was keeping some communities out of the periphery from the benefit of Basundhara 2 under this land policy. If it is the Government's intention, we would

not accept the new land policy at all. All the landless families of which names have been included in the final NRC must be given allotment of land. It is AIUDF's demand. Respected Sir, It is indeed recommended to undertake eviction drives and reclaim Forest Land, Char Land, Sattra Land, Tribal Land and Governmetn Land from encroachers. But, before eviction drives are carried out, it is the responsibility of the Government to make alternative arrangement for rehabilitating the encroachers. Could anybody deny that lakhs of people of the State being uprooted by the erosion of the river Brahmaputra and its tributaries have been compelled to settle down in various Government land, reserve land, forest land and tribal belts? If they are evicted where will they go? after all they are human being. Here the UN Guidelines on development eviction is worth mentioning. It says, " States must ensure that protection against forced eviction and the human right to adequate housing and secure tenure are guaranted without discrimination of any language, religion or belief, birth and other status. It firther asserts that all persons, groups and communities have the right to alternative land and housing."
Moreover, there is no provision in the new land policy to give allotment to the char dweller (inhabitants of river islands) that are living there for generations. As per Government record, the total population of Char areas of Brahmaputra valley is 24,90,097 and about 85 to 90 percent of them are Muslims. The then state Disaster minister apprised the State Assembly on 2nd march 2015 that nearly 37,000 families have lost their dwelling due to erosion only between 2010 and 2015.
Respected Sir,

"In the census report of 1951, there was an attempt made by the then census Commission of Assam that the Indigenous people of Assam shall be those people who speak Assamese language in respect of the Brahmaputra Valley or the people of the other Tribal languages of the valley and local languages of the Barak Valley." As per the said criteria all such people of Assam shall also be indigenous people. Thereby "Reservation of seats in the Parliament and the State Legislature, Government jobs and Land settlement for so called indigenous people shall be in violation of the constitutional provision and a large number

of decisions of the supreme court of India." Last but not the least, I would conclude with the following demands from our party AIUDF regarding the New land Policy 2019 as follow:

1. To stop all forms of discriminations organized under the guise of New Land Policy 2019.
2. To set up acceptable definition of "Indigenous People" of Assam as early as possible.
3. To take necessary measures for the settlement of land to the all permanent citizens of the state.
4. To take immediate measures against erosion of land by the Brahmaputra and its tributarie .
5. To conduct registration of the eroded people in the state.
6. To provide erosion affected certificate to all the erode people so far.
7. To stop the declaration of new PRD in the stat now onwards.

Thank you.

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ এতিয়া মাননীয় সদস্য শ্ৰী তেৰছ গোৱালা।

**শ্ৰী তেৰছ গোৱালা ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় ৰাজহ আৰু ভূমি বিভাগৰ মন্ত্ৰী শ্ৰী যোগেন মহ'ন ডাঙৰীয়াই আগন্তুক ২০২৩-২৪ বৰ্ষৰ ৩১ মাৰ্চত শেষ হ'বলগীয়া বছৰটোৰ কালচোৱাত কেতবোৰ ব্যয় বহন কৰিবলৈ মঞ্জুৰী নং-৬ ৰ ভূমি আৰু ৰাজহৰ ক্ষেত্ৰত ভাৰপ্ৰাপ্ত মন্ত্ৰীক ১১ শ ৫২. ৭৯ লাখ টকা মঞ্জুৰ বিচাৰি যি প্ৰস্তাৱ আগবঢ়াইছে তাৰ সমৰ্থনত আৰু এই প্ৰস্তাৱৰ বিৰোধীৰ কৰ্তন প্ৰস্তাৱৰ বিৰুদ্ধে মই কেইটামান কথা ক'ব বিচাৰিছো। মাননীয় উপাধ্যক্ষ মহোদয়, চৰকাৰখন চলিবলৈ ৰাজহ লাগিব। আমি চৰকাৰ বুলি ক'লে যেতিয়ালৈকে চৰকাৰৰ ঘৰত ৰাজহ নাহিব বা ৰাজহ নাথাকে তেতিয়ালৈকে চৰকাৰ এখন ভালকৈ চলিব নোৱাৰে। ইতিমধ্যে আমাৰ বিৰোধী দলে কৰ্তন প্ৰস্তাৱ আনিছে। মই ভাবো যে ইয়াত আৰু ৰাজহ দিব লাগে। এইটো এই কাৰণেই কৰিব লাগে যে আজি ৰাজহ বিভাগৰ যি ভূমিকা,তেওঁলোকৰ যি কাম-কাজ আমি দেখিছো যে বহু সময়ত পইচাৰ অভাৱত চৰকাৰখনে কাম কৰিব নোৱাৰে আৰু আমি তেওঁলোকক ডিমাণ্ড দি থাকো। ইয়াত বিৰোধীয়ে খিলঞ্জীয়া মানুহক মাটি দিয়াৰ ভূমি নীতিৰ কথা কৈছে। হয়তো স্বাধীনতাৰ ৭৫ বছৰৰ অমৃত কালত প্ৰথম বাৰৰ বাবে মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত বি.জে.পি মিত্ৰজোঁটৰ চৰকাৰে খিলঞ্জীয়া অসমীয়া ভূমিহীন মানুহক মাটি দিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে। ইয়াতকৈ দুখৰ কথা কেতিয়াও হ'ব নোৱাৰে যে আজি

স্বাধীনতাৰ ৭৫ বছৰ পিছত অসমীয়া খিলঞ্জীয়া মানুহ এতিয়াও ভূমিহীন হৈ আছে আৰু ভূমিহীন মানুহক যে মাটি দিব লাগে এই কথাটো যোৱা ৭৫ বছৰত কেতিয়াও আলোচনা নহ'ল। কোনো এখন চৰকাৰে এই বিষয়টো গুৰুত্ব সহকাৰে নোলোৱাৰ কাৰণে, আজি এই মাটি নিজৰ নামত নথকাৰ কাৰণে যেতিয়া প্ৰাকৃতিক দূৰ্যোগ আহে, তেতিয়া এই মানুহ বিলাকে একো ক্ষতিপূৰণ নাপায়। মই বিধায়ক হোৱাৰ পিছত মোৰ অভিজ্ঞতা হৈছে যে আজোককাৰ দিনৰ পৰা যি মাটিত বহি আছিলো সেই মাটিৰ যে মই খাজানা দিব লাগে বা এই মাটিৰ যে মই আবণ্টন পাব লাগে এই কথাখিনি জনা নাছিলো। এতিয়া চৰকাৰখনে বিশেষকৈ ভূমি াৰু ৰাজহ বিভাগে সাৰ্ব্বজনীন ভাৱে এইক্ষেত্ৰত পলিচি গ্ৰহণ কৰিছে। এতিয়া মাটি আবণ্টনৰ ক্ষেত্ৰত দেখিছো যে আমি District Land Advisory Board ক সময় দিব পৰা নাই। তেওঁলোকে যেতিয়া বোৰ্ডৰ মিটিং পাতে তেতিয়া দেখিছো যে কিমান আবেদন আহিছে যে আমি তেওঁলোকক এপ্ৰোভ কৰিবৰ কাৰণে আমি বিধায়ক সকলে সময় দিব নোৱাৰা হৈছো। District Land Advisory Board ৰ মিটিং সপ্তাহত ৩-৪ দিনকৈ পাতিব লগীয়া হৈছে। এইটো আমাৰ ৰাজহ বিভাগৰ বাবে এটা অতি গুৰুত্বপূৰ্ণ সিদ্ধান্ত। আমাৰ এগৰাকী জ্যেষ্ঠ সদস্যই উচ্ছেদৰ কথা কৈছে। আমাৰ তাত টো উচ্ছেদৰ কথাবিলাক নাহে। কাৰণ আমাৰ খিলঞ্জীয়া অসমীয়া মানুহে কোনোদিন হয়তো অবৈধ ভাৱে মাটিবিলাক দখল কৰা নাই। হয়তো তেওঁলোক চৰকাৰী মাটিত আছে, চিলিং এক্টৰ মাটিত আছে। মাটি পাবৰ বাবে তেওঁলোকে নীতি মতে আবেদন কৰিছে। অবৈধ ভাৱে য'তে বহিব তাত চৰকাৰে উচ্ছেদ কৰিবই। যদি অবৈধভাৱে সকলো কাম হৈয়ে থাকে, তেনেহ'লে চৰকাৰৰ কি কাম আছে। গতিকে মই ভাৱো এই বিষয়টো এটা যুক্তিহীন বিষয়। কিন্তু মই ও অনুৰোধ কৰিম যে চৰকাৰে যিমান বিলাক অবৈধ কাম-কাজ আছে, যিমান বিলাক অবৈধ মাটি বেদখল হৈছে সেইবিলাক উচ্ছেদ কৰি প্ৰকৃত খিলঞ্জীয়া মানুহে যাতে মাটি লাভ কৰে সেইটো নিশ্চিত কৰিছে আৰু কৰি থাকিব। যেতিয়া ৰাজহ বিভাগটো দুৰ্বল হয় তেতিয়া আমাৰ সকলো সপোন দুৰ্বল হৈ যায়। আমি বিদ্যালয়, মহাবিদ্যালয়, চিকিৎসা মহাবিদ্যালয় বিচাৰো, আয়ুস্মান কাৰ্ডৰ জৰিয়তে আমি বিনামূলীয়া চিকিৎসা বিচাৰো, বিনামূলীয়া চাউল বিচাৰো, অৰণোদয় কাৰ্ড বিচাৰো। গতিকে ৰাজহ ক'ৰ পৰা আহিব। গতিকে মই ভাবো যে মাননীয় মন্ত্ৰী মহোদয়ে ৰাজহ বিভাগত যিটো প্ৰস্তাৱ উত্থাপন কৰিছে তাত আৰু পইচা দিব লাগে আৰু অনাগত দিন বিলাকত আমি মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই আটাইতকৈ দুখীয়া লোক সকলক চিকিৎসা প্ৰদান কৰিবৰ বাবে চিকিৎসা মহাবিদ্যালয় নিৰ্মাণৰ বাবে যি প্ৰস্তাৱ লৈছে সেইটো যোৱা ৭৫ বছৰত লোৱা নাছিল। আজি ১২-১৮ খনকৈ মেডিকেল কলেজ স্থাপনৰ কথা ভবা হৈছে। ইয়াৰ বাবে পইচা লাগিবই। আমাক ৰাস্তা-পদূলি লাগিব, বিনামূলীয়া চাউল লাগিব, অৰুণোদয় ও লাগিব। এতিয়া যদি আমি কওঁ যে আমাৰ ৰাজহ বিভাগৰ পৰা পইচা কৰ্তন কৰিব লাগে এই কথাটো যুক্তি সংগত হ'ব নোৱাৰে। মই মাননীয় মন্ত্ৰী মহোদয়ে উত্থাপন কৰা এই প্ৰস্তাৱক পূৰ্ণ সমৰ্থন জনাইছো আৰু মই আশা ৰাখিম যে সদনৰ সকলো মাননীয় সদস্যই এই বিভাগত আৰু পইচা যাতে দিয়াৰ কাৰণে সহযোগ কৰে। এইটো আহ্বান জনাই মই মোৰ বক্তব্যৰ সামৰনি মাৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, কৰ্তন প্ৰস্তাৱৰ বিৰোধিতা কৰি মই ৰাজহ বিভাগৰ কিছু কথা বিধান সভাত উত্থাপন কৰিব বিচাৰিছো। ভাৰত স্বাধীন হোৱাৰ পিছত আমাৰ অসমত যিখিনি খিলঞ্জীয়া মানহ আছে, যিখিনি খিলঞ্জীয়া মানুহে ভূমি অধিকাৰ পাব লাগিছিল,

সেই খিলঞ্জীয়া মানুহ বিলাকে আজি বহু বছৰ ধৰি ভূমিৰ অধিকাৰৰ পৰা বঞ্চিত হৈ আছিল। কিন্তু আগত বহুতো চৰকাৰ আহিল আৰু গ'ল। কিন্তু বি.জে.পি নেতৃত্বধীন এই চৰকাৰখনে বিশেষকৈ আমাৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত, তেওঁৰ উদ্যোগত আৰু মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰীৰ প্ৰচেষ্টাত আজি অসমৰ খিলঞ্জীয়া বহু সংখ্যক পৰিয়ালে একেলগে ভূমি পট্টা পাবলৈ সক্ষম হৈছে। এইটো এটা নজিৰ বিহীন ঘটনা। কাৰণ আজি আমি দেখিছো যে এইখন চৰকাৰে মিশ্যন বসুন্ধৰাৰ যোগেদি বহু সংখ্যক খিলঞ্জীয়া পৰিয়ালক ভূমিৰ অধিকাৰ দিছে আৰু আমি দেখিছো যে মিশ্যন বসুন্ধৰা Act ৰ যোগেদি আজি প্ৰায় ৰাজ্যখনত ৮.১৩ লাখ online যোগি আবেদন কৰিছে। এইটো সুভাৰম্ভ কৰা হৈছিল ২০২১ চনৰ ২ অক্টোবৰ তাৰিখে। আমি যদি ইয়াৰ তথ্য লওঁ তেতিয়া হলে দেখিবলৈ পাওঁ যে ৰাজ্য চৰকাৰে Special Land Advisory Board গঠন কৰি দিয়া হৈছিল প্ৰত্যেকখন Sub Division ত। এই Special Land Advisory Board তন্ত তন্ত কৈ পৰীক্ষা কৰি ৮.১৩ লাখ online যোগে আবেদন কৰিছিল, পালে মাত্ৰ ২.৭০ লাখ। যিয়ে আবেদন কৰিছে, তেওঁলোকৰ পৰা যিখিনি তথ্য বিচৰা হৈছে, সেইখিনি দিয়া হৈছে নে নাই। গোটেইখিনি চাই দেখিছো যে ৪.৮১ লাখ লোকে আজি পট্টা পাবলৈ সক্ষম হৈছে।

ঠিক তেনেকৈ মিছন বসুন্ধৰা ২ জৰিয়তেও আমি দেখিবলৈ পাইছো ১৩,৩৯,৬০৫খন আবেদন online যোগেদি receive কৰা হৈছিল। ৩১ ডিচেম্বৰ ২০২৩ তাৰিখলৈকে ২,২৬,৯৮৪ লোকক offer of settlement প্ৰদান কৰা হৈছে। গতিকে ইমান সংখ্যক খিলঞ্জীয়া পৰিয়ালে আজি ভূমিৰ অধিকাৰ পাবলৈ সক্ষম হৈছে। আগতে মানুহে যদি পট্টা তেনেহলে Circle Office, DC Office ত তাঁত বাটি কাঢ়িব লগীয়া হৈছিল ৩,৪, ৫ বছৰলৈকে। কিন্তু আজি ইমান সহজ পদ্ধতিৰে মানুহে online যোগেদি আবেদন কৰিছে আৰু মাটিৰ পট্টা পাইছে। দেখিবলৈ পাইছো যে চৰকাৰে এটা সুন্দৰ ব্যৱস্থা গ্ৰহণ কৰিছে যে যিসকলে মাটিৰ পট্টা পাবৰ কাৰণে premium দিব লাগে, premium টোৰ যিটো মুল্য হ'ব সেইটোৰ প্ৰথম কৃষ্টিত ৩০ শতাংশ জমা দিব লাগিব আৰু ৭০ শতাংশ ৫ বছৰৰ ভিতৰত জমা দিয়াৰ ব্যৱস্থা আছে। গতিকে মানুহখিনি সকাহও দিয়া হৈছে। মই ৰাজ্য চৰকাৰে বিশেষকৈ মাননীয় মুখ্যমন্ত্ৰী আৰু ৰাজহ মন্ত্ৰীক ধন্যবাদ জ্ঞাপন কৰিছো।

মিছন বসুন্ধৰা ২ ৰ জৰিয়তে এইটো এটা সুন্দৰ পদক্ষেপ হৈছে যে যিখিনি আমাৰ অনুসূচিত জাতি, অনুসূচিত জনজাতি, OBC, MOBC শ্ৰেণীৰ মানুহৰ পৰিয়াল সমূহকো ৬,৮৯,১৫৫ খন আবেদন লাভ কৰিবৰ কাৰণে সক্ষম হৈছে আৰু ৩১ ডিচেম্বৰ ২০২৩ তাৰিখৰ ভিতৰত ১,৯০,৩২৭ টা পৰিয়ালক offer of settlement প্ৰদান কৰা হৈছে। আজি যিটো কাম চৰকাৰে ভালকৈ কৰিছে মই ভাৱো সেইটো শাসকীয় বিৰোধী বুলি কথা নাই, সকলোৱে ইয়াক প্ৰশাংসা কৰা উচিত, সকলোৱে ধন্যবাদ দিয়াটো উচিত বুলি বিবেচনা কৰিছো।

দেখা গৈছে যে বহুত গাওঁত জৰিপ হোৱা নাছিল, উন্নত প্ৰযুক্তি ব্যৱহাৰ কৰি ১৮,৭৮৯ খন গাওঁ পুনৰ জৰিপ কৰাৰ ব্যৱস্থা কৰিছে। যাৰ ফলত জৰিপ হোৱাৰ পিছতে নিশ্চয় তেওঁলোকে ভূমি পট্টা পোৱাৰ সুবিধাটো লাভ কৰিবৰ কাৰণে সক্ষম হ'ব।

মই মাননীয় মন্ত্ৰী মহোদয়ক এটা অনুৰোধ কৰিব বিচাৰিছো যে গুৱাহাটী মহানগৰীৰ যিখিনি পাহাৰ অঞ্চল আছে, সেই পাহাৰ অঞ্চলত বন বিভাগৰ মাটিও আছে আৰু ৰাজহ বিভাগৰ মাটিও আছে। কিন্তু পাহাৰ অঞ্চলৰ পৰা যিমানে আবেদন কৰিছে, সেই আবেদন বিলাক নাকচ

কৰা হৈছে। মই অনুৰোধ কৰিছো যে যিখিনি খাচ মাটি আছে বা চৰকাৰী মাটি আছে, সেইখিনি যদি মিছন বসুন্ধৰা ৩ জৰিয়তে সাঙুৰি লৈ মাটি পট্টা দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰা হয়, তাৰ বাবে মই অনুৰোধ জনাইছোঁ।

ঠিক তেনেকৈ আমাৰ যিখন আইন আছে, সেই আইনখন হৈছে The Assam Land and Revenue Regulation Act, 1886, এইটো বৃত্ৰিছৰ দিন হোৱা। এই বৃত্ৰিছৰ দিন হোৱা আইন, যদিও বিভিন্ন সময়ত সংশোধনী হৈছে, তথাপিও আজি যেনেকৈ কেন্দ্ৰীয় চৰকাৰে CRPC, IPC নতুনকৈ কৰাৰ ব্যৱস্থা লৈছে, মই ভাৱো যে বৃত্ৰিছৰ দিনত কৰা এই আইন খনৰো এটা re-drafting কৰাৰ প্ৰয়োজন আহি পৰিছে। এই কথাটো মই বিবেচনা কৰিবৰ কাৰণে অনুৰোধ জনাইছো। কাৰণ আমি দেখিছো যে ভাৰত স্বাধীন হোৱাৰ পিছত আমাৰ বিভিন্ন সময়ত ১৯৫০, ১৯৫৮, ১৯৬৮, ১৯৭২ আৰু শেষত ১৯৮৯ চনত ভূমি নীতি গ্ৰহণ কৰা হৈছিল। সেই ভূমি নীতি অনুযায়ী কিছু সংশোধনী কৰি হ'লেও আমাৰ যিসকলক ভূমিৰ অধিকাৰ দিব লাগে, তেনে ধৰণে land policy কৰিও ভূমিৰ অধিকাৰ দিয়া হৈছিল।

মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাব বিচাৰিছো যে বিগত চৰকাৰখনে অৱসৰ প্ৰাপ্ত Election Commissioner, হৰিশংকৰ ব্ৰহ্ম, তেখেতৰ নেতৃত্বত খিলঞ্জীয়া মানুহক ভূমিৰ অধিকাৰৰ ওপৰত এখন উপ-সমিতি গঠন কৰি দিছিল আৰু সেই উপ-সমিতিৰ যিখন প্ৰতিবেদন, সেই প্ৰতিবেদনৰ ভিত্তিত যিখিনি আইনৰ সংশোধনৰ প্ৰয়োজন আছে, সেই আইনখনৰ কিছু সংশোধন কৰি হ'লেও আমাৰ মানুহক যাতে মাটিৰ পট্টা দিব পাৰো, তাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবৰ কাৰণে মই বিশেষভাৱে অনুৰোধ জনাইছোঁ।

মই আশা ৰাখিছো যে এইখন চৰকাৰে যি ধৰণে খিলঞ্জীয়া মানুহৰ প্ৰতি যিটো দৃষ্টি ৰাখিছে, আজি খিলঞ্জীয়া মানুহে যদি ভূমিৰ অধিকাৰে নাপায়, তেনেহ'লে উন্নয়ন বিকাশ কৰি কেতিয়াও সুফল লাভ কৰিব নোৱাৰো। পোনপ্ৰথমে আমাৰ মৌলিক দায়িত্ব হৈছে যিসকল খিলঞ্জীয়া মানুহ থাকিব, সেই পৰিয়াল সমূহক ভুমিৰ পট্টা দিব লাগিব আৰু ভাৰত স্বাধীন হোৱাৰ পিছত প্ৰথম এইখন চৰকাৰে এনেধৰণে প্ৰচেষ্টা লৈ খিলঞ্জীয়া মানুহ ভূমিৰ পট্টা দিয়াৰ যি ব্যৱস্থা কৰিছে, মই মাননীয় মুখ্যমন্ত্ৰী আৰু ৰাজহ বিভাগৰ মন্ত্ৰীক অন্তৰৰ পৰা ধন্যবাদ জ্ঞাপন কৰিছো।

ঠিক তেনেকৈ, যিখিনি VGR, PGR ৰ মাটি আছে, এতিয়া VGR মাটিৰ কিছুমান নিয়ম আছে, যিটো আমি সকলোৱে জানো যে আজি বহু ঠাইত মোৰ সমষ্টিতো VGR মাটিত ৪০,৫০ বছৰ ধৰি বসবাস কৰি আছে। গতিকে এই VGR মাটিত যিখিনি মাটিত মানুহে বসবাস কৰি আছে, সেই মানুহখিনি নিয়মমতে সমপৰিমানৰ মাটি অন্য ঠাইত দিয়াৰ ব্যৱস্থা আমি কৰি দিব লাগিব। মোৰ সমষ্টিত বিক্ৰপুৰ তাতীপাৰা আছে, তাৰে বিকল্প চৰকাৰী মাটি উলিয়াই দিছো। মই আশা ৰাখিছো সেই মাটিখিনিৰো পট্টা দিয়াৰ যাতে ব্যৱস্থা গ্ৰহণ কৰে।

ঠিক তেনেকৈ

দেবুত্তৰৰ মাটিও অৱশ্যে চৰকাৰে এইটো সিদ্ধান্ত লৈছে VGR, PGR দেবুত্তৰৰ মাটিও যাতে আমি আমাৰ যিসকলে বহু বছৰ ধৰি দখল কৰি আছে সেই সকলকো তেনে ধৰণেৰে VGR, PGR তো বা দেবুত্তৰৰ মাটিতো পট্টা দিয়াৰ কাৰণে চিন্তা-চৰ্চা কৰা হ'ব বুলি ইতিমধ্যে চৰকাৰখনে অৱগত কৰিছে। গতিকে মই আশা ৰাখিছো যে এনে ধৰণে আমাৰ খিলঞ্জীয়া মানুহে আজি বহুবছৰ ধৰি যি আজি ম্যাদি পট্টাৰ কাৰণে হাবাথুৰি খাবলগা হৈছে, আজি চক্ৰ বিষয়াৰ কাৰ্য্যালয়, উপায়ুক্তৰ কাৰ্য্যালয়ত তাতবাতী কৰিব লগা হৈছিল। আজি সেই অৱস্থাৰ পৰা পৰিত্ৰাণ দিছে, আজি online

যোগে আবেদন কৰিছে আৰু online যোগে আবেদন কৰি আজি আমি যিটো দেখিছো ৫ লাখতকৈয়ো অধিক মানুহে ইতিমধ্যে ভূমিৰ পট্টা লাভ কৰিবৰ কাৰণে সক্ষম হৈছে। বসুন্ধৰা ৩-৪ এনেকৈ নিশ্চয়কৈ নতুনকৈ আৰু মানুহে নিশ্চয় তেনেধৰণে আবেদন কৰিব পাৰিব। মই আশা ৰাখিছো যে এই চৰকাৰৰ অধিনতে কোনো খিলঞ্জীয়া মানুহে যাতে ভূমি অধিকাৰৰ পৰা বঞ্চিত হ'ব লগা নহয়। তাৰ কাৰণে  ৰাজ্য চৰকাৰে  যিবিলাক ব্যৱস্থা গ্ৰহণ কৰিছে তাৰবাবে মোৰ বিশেষভাৱে আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা প্ৰকাশ কৰি আৰু বিশেষকৈ মাননীয় মুখ্যমন্ত্ৰীৰ সবল নেতৃত্বত আজি এনেধৰণে কোনো মুখ্যমন্ত্ৰীয়ে বিগত এনে ধৰণৰ চিন্তা-চৰ্চা কৰা নাছিল। আজি এই গৰাকী জনপ্ৰিয় মুখ্যমন্ত্ৰীয়ে এনেধৰণৰ খিলঞ্জীয়া মানুহক পট্টা দিয়াৰ যিটো ব্যৱস্থা কৰিছে মই ধন্যবাদ দিছো আৰু ইতিমধ্যে আমাৰ সত্ৰ বিলাকত বে-দখল হৈছে। সত্ৰ বিলাক বে-দখলমুক্ত কৰিবই লাগিব। কাৰণ সত্ৰবিলাক আমি সকলোৱে জানো যে শংকৰ-মাধৱৰ যি সৃষ্টি, সেই সৃষ্টি আমি সত্ৰ বিলাকত দেখিবলৈ পাইছো। গতিকে সত্ৰ বিলাকত যদি অবৈধভাৱে কোনোবাই ভূমি দখল কৰিছে, তেনেহ'লে সেই অবৈধভাৱে দখল কৰা ভূমি নিশ্চয় তেখেতসকলক উচ্ছেদ কৰিবই লাগিব আৰু সেই আমাৰ সত্ৰৰ যিটো মহত্ব মহাপুৰুষ শঁকৰদেৱ মাধৱদেৱে যিটো সৃষ্টি কৰি থৈ যোৱা নামঘৰ বা সত্ৰ বিলাকক ৰক্ষণা-বেক্ষন দিবই লাগিব। এই ক্ষেত্ৰত ৰাজ্য চৰকাৰে যিটো ব্যৱস্থা লৈছে মই পুণৰবাৰ ধন্যবাদ জ্ঞাপন কৰি এইক্ষেত্ৰত কঠোৰ হ'বলৈ প্ৰয়োজন হ'লে আইন প্ৰণয়ন কৰি হলেও যাতে আমি সত্ৰ বিলাকক ৰক্ষণা-বেক্ষন দিব পাৰো তাৰ বাবে ব্যৱস্থা ল'বৰ কাৰণে মই ৰাজ্য চৰকাৰক  বিশেষকৈ ৰাজহ মন্ত্ৰীক অনুৰোধ জনাই মই মোৰ ক'বলগীয়াখিনি ইমানতে সামৰণি মাৰিছো।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ। মাননীয় সদস্য শ্ৰীহেমাংগ ঠাকুৰীয়া।

**শ্ৰীহেমাংগ ঠাকুৰীয়া, পলাশবাৰী** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ বিৰোধীয়ে যিটো কৰ্তন প্ৰস্তাৱ আনিছে তাৰ বিৰোধিতা কৰি মই কেইটামান কথা ক'ব বিৰাৰিছো। আমাৰ প্ৰত্যেকৰ যিটো ঘৰ প্ৰত্যেকেই ভাল পাও, যিটো ঘৰ মাটিত থাকে সেই মাটিটোৱে হ'ল related ৰাজহ বিভাগ আৰু সেই ৰাজহ বিভাগটোৰ যি আমাৰ land থাকে land বিলাক চক্ৰ বিষয়াৰ কাৰ্য্যালয়ৰ পৰাই চোৰা-চিতা হয় আৰু সেইটোৰ কাৰণে যিটো প্ৰাৰম্ভিকভাৱে গম পালে যে এই যি ১১ কোটি ৫২ লাখ ৭৯ হাজাৰ টকা, এই টকাটো চক্ৰ বিষয়াৰ কাৰ্য্যালয়ৰ কিছুমান development ৰ কাৰণে  আৰু ৰিপিয়াৰৰ কাৰণে ইতিমধ্যে সেই টকা তাত খৰচ কৰা হৈছিল আৰু তাৰ কাৰণে যি চক্ৰ বিষয়াৰ কাৰ্য্যালয়টো হ'ল এটা সমষ্টি বা বৃহত্তৰ অঞ্চলটোৰ এটা প্ৰধান অফিচ। যাৰ পৰা নেকি আমাৰ গোটেই প্ৰশাসনিক বিষয়টো তাৰ পৰা চোৰা-চিতা কৰা হয়। মাননীয় অধ্যক্ষ মহোদয়, বৰ্তমান মাননীয় মুখ্যমন্ত্ৰী ড0 হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত আৰু আমাৰ ৰাজহ মন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত ৰাজহ বিভাগটো অধিক শক্তিশালী হিচাপে চলি আছে আৰু কাম-কাজবিলাক ধুনীয়াকৈ চলি আছে আৰু আজি উপৰোক্ত বক্তা সকলে কৈছে যে আমি যি মিছন বসুন্ধৰা যি চলি আছে এই মিছন বসুন্ধৰাৰ জৰিয়তে অসমত হাজাৰ  হাজাৰ ব্যক্তি ইতিমধ্যে উপকৃত হৈছে আৰু বহু হাজাৰ হাজাৰ ব্যক্তি ইতিমধ্যে তেওঁলোকক মাটিৰ পট্টা প্ৰদান কৰা হৈছে। মোৰ নিজৰ সমষ্টিতে আজিৰ এটা সময়ত দেখা গৈছিল যে কিছুমান ব্যক্তিয়ে যেতিয়া মাটিৰ পট্টা পাবলগীয়া হয়, মাটিৰ ম্যাদিকৰণ কৰিবলগীয়া হয় তেওঁলোকে মণ্ডল বা কাননগুইৰ ঘৰে ঘৰে ফুৰিব লাগিছিল আৰু বহু হাজাৰ হাজাৰ টকাৰ ডিমাণ্ড দিয়া হৈছিল আৰু নকলেও হ'ব চক্ৰ বিষয়াৰ কাৰ্য্যালয়তো আগতে তেনেকুৱা ব্যৱস্থা আছিল। কিন্তু বৰ্তমান চৰকাৰে এটা বিৰোধীয়ো ধন্যবাদ দিব লাগিব যে আমাৰ চৰকাৰখনৰ

এই নীতিৰ কাৰণে আজি মানুহে এটকাও নিদিয়াকৈ আজি মাটিৰ পট্টা পাবলৈ সক্ষম হৈছে। মই নিজৰ সমষ্টিৰ কথা কথা কওঁ। মোৰ সমষ্টিত ১০ হাজাৰ ৮ শ ৬৮ জনে application কৰিছিলে। আমাৰ বসুন্ধৰা আৰু তাৰ পৰা আমি নিজেও যিহেতু বিধায়ক হিচাপে Land Advisory Committee ৰ সদস্য হয়, আমি প্ৰত্যেকখন সভাত উপস্থিত আছিলো আৰু অকল চক্ৰ বিষয়াক আমি সুধিছিলো যে তেওঁলোকে পোৱাৰ যোগ্য হয় নে নহয়। আমি কোনো এজন ব্যক্তিৰ নাম সোধা নাই। আমি ওপৰৰ নামটো নাচাও, অকল তলৰ তেওঁৰ যিখিনি credentials সেই credentials খিনি চাইছিলো যে তেওঁ সচাঁই পোৱাৰ যোগ্য হয় নে নহয়। যদি পোৱাৰ যোগ্য হয় আমাৰ আপত্তি নাই বুলি কৈছিলো আৰু সেইটোৰ কাৰণে আমাৰ পলাশবাৰী সমষ্টিত এতিয়ালৈকে ১৬ শ ৭১ গৰাকী ব্যক্তিয়ে ইতিমধ্যে পট্টা পাবলৈ সক্ষম হৈছে। তাত সকলো জাতি-জনগোষ্ঠীৰ ব্যক্তি সোমাই আছে। ৯ হাজাৰ ৮ শ ৬৮ গৰাকীৰ ১৬ শ ৭১ গৰাকীয়ে পাইছে আৰু বাকীখিনি পোৱা নাই। নোপোৱাৰ ভিতৰত সকলো জাতি-জনগোষ্ঠী আছে। অৰ্থটো এইটোৱে যে, এতিয়া দেখা যায় যে বিৰোধী পক্ষই কয় যে আমাৰ চৰকাৰখনে কোনোবা বিশেষ শ্ৰেণীক অৱহেলা কৰে। কিন্তু আজি অসমৰ চুকে-কোনে মই শাসক পক্ষৰ বিধায়ক হিচাপে কোৱা নাই সকলো জাতি-জনগোষ্ঠীকে কোৱা হৈছে যে আমাৰ বৰ্তমানৰ চৰকাৰখনে সকলো জাতি জনগোষ্ঠীৰ কাম কৰিছে আৰু এতিয়া আমি কিছুমান ঠাইত দেখিছো যে মাটিৰ পট্টা প্ৰদান কৰা সময়ত কোনোবা reserve forest ত বহি আছে, কোনোবাই grazing land ত বহি আছে তেওঁলোকক যিকোনো জাতি জনগোষ্ঠীৰ মানুহক তেওঁলোকে মাটিৰ পট্টা দিব কোৱা হয়। সেইটো কাৰণে এই বিষয়টো কেতিয়াও কোনো এটা জাতি বা ধৰ্মৰ ওপৰত ভিত্তি কৰি নহয় এইটো এটা officially হোৱা এটা বিষয় আৰু এইটোৰ কাৰণে বিৰোধী পক্ষই ওপৰোক্ত বক্তা হিচাপে কোৱা কাৰণে মই নিজৰ এটা practical পোৱা কাৰণে মই উনুকিয়াই দিলো। আমাৰ অসমত বৰ্তমানৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এটা বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে যে আজি অসমত ইতিমধ্যে আপোনালোকে আমাৰ বহু কেইটা সমষ্টি ইতিমধ্যে উপ জিলালৈ বা sub-division লৈ পৰ্য্যবেশিত কৰা হৈছে আৰু য'তে উপ জিলা হ'ব বা যেতিয়া কাম-কাজ আৰম্ভ হ'ব নিশ্চয়কৈ চক্ৰ বিষয়াৰ কাৰ্য্যালয় হওঁক বা sub-division ৰ যিবিলাক কাৰ্য্যালয় হয়, সেইবোৰ উন্নতকৰণ কৰাৰ কাৰণে অত্যন্ত প্ৰয়োজন হৈ পৰিব। যিহেতু তাত সকলো ধৰণৰ কাম-কাজ চলিব। যাতে Registration ৰ পৰা আদি কৰি মানুহে ২ কিলোমিটাৰলৈ গৈ মানুহে মাটি registration কৰিব লাগে নিজৰ ওচৰতে। নিজৰ sub-division আৰু উপ -জিলা হ'ব তাতে তেওঁলোকে কাম-কাজ কৰিব পাৰিব আৰু তাৰ প্ৰাগমূহুৰ্তত ইতিমধ্যে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এটা পৰিকল্পনা হাতত লৈছে যে সেই sub-division ৰ কাৰ্য্যালয়সমূহ উন্নতকৰণ কৰা হ'ব আৰু তাত আমি কোনো বিৰোধিতা কৰি লাভ নাই। কিয়নো সেইটো আমাৰ প্ৰধান অফিচ এটা য'ত নেকি মানুহে টকা পইচা বহু দূৰলৈ নগৈ ওচৰতে তেওঁলোকে কাম-কাজখিনি কৰি থাকিব পাৰিব। সেইটোৰ কাৰণে আজি যি বিৰোধী পক্ষই কৰ্তন প্ৰস্তাৱ আনিছে তাত আমি বিৰোধিতা কৰিছো আৰু মই উনুকিয়াই দিব বিচাৰিছো যে ইয়াৰ বৰক্ষেত্ৰী সমষ্টিৰ চাৰ্কোল অফিচাৰ আছে। বৰক্ষেত্ৰী সমষ্টিত চাৰ্কোল অফিচতে ইয়াতে টকা দিয়া হৈছে। য'ত নেকি তাত লিপিবদ্ধ, তাত ৰিপিয়াৰিং আৰু boundrary wall ৰ কামৰ কাৰণে তাত টকা দিয়া হৈছে। তাত বিৰোধী পক্ষৰ বিধায়ক আছে । আমি অ পোছড কৰিব লাগিছিল কিন্তু কৰা নাই গোগামুখ , জোনাই , কমলপুৰ , ঢকুৱাখানা, কৰিমগঞ্জ, শিলচৰ আদিতো চাৰ্কোল অফিছবিলাক আছে য বৰ্ত্তমানে এইবিলাকতো কাম কৰি থকা হৈছে । সেই কাৰণে মই আহ্বান

জনাব বিচাৰিছো যে , বিৰোধী পক্ষই তেওলোকৰ এই কৰ্ত্তন প্ৰস্তাৱ উঠাই ল'ব লাগে । আৰু ৰাজহ বিভাগ লগতে চৰকাৰখনক উৎসাহিত কৰাৰ কাৰণে আমি সকলোৱে ধন্যবাদ দিব লাগে । ইয়াতে মই এটা কথা ক'ব বিচাৰিছো যে, পূৰ্ব্বতে মানুহে আমাৰ চক্ৰ বিষয়াৰ কাৰ্য্যালয়লৈ যাবলৈ ভয় কৰিছিল কিন্তু এতিয়া বিনাদ্বিধাই যাব পাৰে । এইটো এটা পৰিৱৰ্ত্তন । এই খিনিকে কৈ মই এই কৰ্ত্তন প্ৰস্তাৱৰ বিৰোধিতা কৰিছো - ধন্যবাদ ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ, এতিয়া মাননীয় সদস্য মনোৰঞ্জন তালুকদাৰ।

**শ্ৰীমনোৰঞ্জন তালুকদাৰ, সৰভোগ** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আজি এই বিষয়টোত আমি কৰ্ত্তন প্ৰস্তাৱ দিছো । ৰেভিনিউ ডিপাৰ্টমেন্টটো যথাযথভাৱে চলিছে বুলি মই নাভাবো । নেৰোটিকভাবে এইটো লৈ গৈ আছে যে, তেওঁলোকে এটা সাংঘাতিক কিবা কৰি আছে । যোৱাকালি সদনত ৰাজ্যপালৰ ভাষণৰ ওপৰত তেওলোকে তথ্যগতভাৱে যি কথা আমাক জনাইছে সেয়া একেবাৰে শুদ্ধ বুলি মই নাভাবো । বসুন্ধৰা -২ত আমি বহুতো কাম কৰিছো বুলি আমাৰ বিধায়ক ৰমেন্দ্ৰ নাৰায়ন কলিতাই গৰ্ব কৰি কৈছে কিন্তু ইয়াতে মুঠ আবেদনকাৰী আছিল ২০, ২৮,৭৬০ জন ইয়াৰ ভিতৰত ৬,৮৯,১৫৫ জন আছিল আমাৰ ওবিচি আৰু এচ চি এচ টি যিসকলক খিলঞ্জীয়া বুলি চৰকাৰে কয় । ইয়াৰ ভিতৰত ১,৯০,৩৮৭ জনক দিছে বাকী ৫ লাখ খিলঞ্জীয়া ক'ত গ'ল ? ২০, ২৮,৭৬০ ভিতৰত আমাক দিয়া হৈছে ৪,১৭৩২১ জন । বাকী ১৬,১১৪৩৯ জনে আবেদন কৰিবলৈ মাটিৰ পট্টাই নাপালে সেই কাৰণে মই কওঁ যে ৰাজহ বিভাগত বহুত খেলিমেলি বিলাক চলি আছে । এতিয়া উচ্চেদৰ বিষয়ে ক'ব বিচাৰিছো । ইয়াৰ পূৰ্ব্বৰ চৰকাৰত মাননীয় সৰ্ব্বানন্দ সোণোৱাল ডাঙৰীয়াই যেতিয়া কাৰ্য্যভাৰ গ্ৰহণ কৰিছিল তাৰ পিছতে প্ৰথমে উচ্চেদ আৰম্ভ কৰিছিল কাজিৰঙাত , তাৰ পিছত মায়ঙ, চিপাঝাৰ আদিত । তাৰ পিছত যেতিয়া ডঃ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত চৰকাৰ আহিলে তেতিয়া গৰুখুঁটি, গুৱাহাটীৰ শিলসাঁকোকে ধৰি কেইবাটাও ট্ৰাইৱেল অঞ্চলত উচ্ছেদ কৰিছিল । কিন্তু এই শীতৰ মাজত গোৱালপাৰাত যিটো ভয়ংকৰ কাণ্ড হৈছে এইটো স্বাভাবিকতে হ'ব নালাগিছিল । আমিও নিবিচাৰো যে চৰকাৰী মাটিত মানুহবিলাক থাকক । কিন্তু চৰকাৰী মাটিত যদি মানুহ আছে প্ৰয়োজন হ'লে উচ্ছেদ হ'ব পাৰে । কিন্তু উচ্ছেদ হোৱাৰ আগতে ৰাজহ বিভাগৰ এটা নীতি থকা দৰকাৰ । এই বিভাগটোৰ তেনে কোনো নীতিও নাই পলিচিও নাই যে উচ্ছেদ কৰাৰ আগতে তেওঁলোকক সংস্থাপন দিয়াৰ ব্যৱস্থা কৰিব লাগে । তেতিয়া হ'লে আমিও সহযোগ কৰিম । যেতিয়া উচ্ছেদ হৈ যায় তেতিয়া মুখ্যমন্ত্ৰীয়ে কয় যে, আমি যিসকল ভূমিহীন আছো তেওলোকক মাটি দিম । এই কথাই তেওঁলোকে আগতেই কিয় নকয় । এই বিভাগটো এচা বিয়াগোম বিভাগ য'ত মন্ত্ৰী ডিচি , এচ ডিচি ইত্যাদি সকলোৱে আছে । তেওলোকে কোন মানুহ ভূমিহীন সেইটো চাৰ্ভে কৰি কিয় আগতীয়াকৈ উলিয়াব নোৱাৰে । আগতেই যদি এই কামটো কৰিলে হেতেঁন তেন্তে এই উচ্ছেদৰ মেছাকাটাটো নহ'লহেতেঁন । গতিকে এই বিভাগটো অসমত এটা অৰাজগতা সৃষ্টি কৰিছে । আমাৰ বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাই সত্ৰৰ মাটিৰ কথা কৈছে । প্ৰদীপ হাজৰিকাও সদায় সত্ৰৰ মাটিৰ দখল উচ্ছেদৰ কথা কৈ থাকে । ইয়াতো আমাৰ কোনো আপত্তি নাই । কিন্তু আমাৰ ৰাজহ মন্ত্ৰীয়ে এই বিধান সভাৰ মজিয়াত এটা প্ৰশ্নৰ যি উত্তৰ দাঙি ধৰিছিল সেই তথ্য দেখুৱাইছে যে, মাত্ৰ ৩০৩ বিঘা সত্ৰৰ মাটিহে বেদখল হৈ আছে । আমি যে হাজাৰ হাজাৰ বিঘা মাটিৰ কথা কৈ আছো সেইবিলাকৰ তথ্য ক'ত গ'ল । সেই মাটিত হয়তো সত্ৰই ৰয়েল্টি বহাইছে, বা বন্দোৱস্তীত দিছে আৰু হয়তো সত্ৰই তাৰ পৰা ফচল পাই আছে , টেক্স পাই আছে । সেই কাৰণে মই কৈছো যিসকলে সত্ৰ মাটি বুলি কৈ হুলস্থূল কৰি আছে তেওলোকে

অন্তত ৰাজহ মন্ত্ৰীৰ এই সদনত দাখিল কৰা তথ্যবিলাক চাবলৈ মই অনুৰোধ কৰিছো । আমাৰ ৰাজ্যখনত এই বিভাগটোৱে যেনেধৰণে বাতাবৰণ সৃষ্টি কৰিবলৈ বিচাৰিছে যাৰ ফলত আজি এটা সাম্প্ৰদায়িক উত্তেজনা সৃষ্টি হৈছে । কাজিৰঙাত য'ত উচ্ছেদ হৈছে বুজিলো যে তাত হাতী যোৱা পথ আছে আন আন সম্পত্তি আছে , চাহ বাগান আছে কিন্তু সেই বিষয়ত কিয় মাত দিয়া নহ'ল । এটা নিৰ্দিষ্ট জনগোষ্ঠীক টাৰগেট কৰি উচ্ছেদ কৰি দিয়ে আৰু তাৰ সংস্থাপনৰ কোনো ব্যৱস্থা নলয় তেন্তে ৰাজ্যখনত সদায়ে অশান্তিৰ সৃষ্টি হ'ব । মই সেই কাৰণে এই প্ৰস্তাৱৰ বিৰোধিতা কৰিছো । আৰু মই ভাবো তেওলোকক এঘাৰ কোটি টকাৰ কোনো দৰকাৰ নাই সেই কাৰণে মই এশ টকা কৰ্ত্তন কৰি এই কৰ্ত্তন প্ৰস্তাৱটো উত্থাপন কৰিছো ধন্যবাদ ।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ, এতিয়া মাননীয় সদস্য গোবিন্দ চন্দ্ৰ বসুমতাৰী, ওদালগুৰি।

**শ্ৰীগোবিন্দ চন্দ্ৰ বসুমতাৰী, ওদালগুৰি** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আজি ৰাজহ বিভাগৰ অতিৰিক্ত মঞ্জুৰিৰ যি দাবী কৰিছে ইয়াত বিৰোধী পক্ষই অনা কৰ্ত্তন প্ৰস্তাৱত মই চমুকৈ ক'ব বিচাৰিছো । ৰাজহ বিভাগটো এটি গুৰুত্বপূৰ্ণ বিভাগ । ইয়াৰ ওপৰতে সমগ্ৰ ৰাজ্যখনৰ ভূমি ইত্যাদি পৰিচালনা কৰাৰ দায়িত্ব আহি পৰে । এই বিভাগে এনে কুৰা চিষ্টেমেটিক ভূমি আইন প্ৰৱৰ্ত্তণ কৰাৰ ওপৰিও নাগৰিকসকলক শৃংখলিতভাৱে ভূমি প্ৰদান কৰাৰ সমগ্ৰ দায়িত্ব এই বিভাগটোৱে পৰিচালনা কৰে । বৰ্ত্তমান চৰকাৰে এই ৰাজহ বিভাগটো কেনেকৈ জনসাধাৰণৰ ওচৰলৈ লৈ যাব পাৰে তাৰ কাৰণে মিশ্যন বসুন্ধৰা আঁচনি গ্ৰহণ কৰিছে । এই আঁচনিৰ জৰিয়তে গোটেই অসমত ভূমি ডিজিটাইছড কৰি কেনেকৈ জনসাধাৰণক সহজভাৱে দিব পাৰে তাৰ বাবে যিটো পদক্ষেপ লৈছে সেয়েহে মই এই চৰকাৰক ধন্যবাদ দিছো । বৰ্ত্তমানে এই দায়িত্ব পালন কৰা বাবে মন্ত্ৰী মহোদয়কো মই ধন্যবাদ দিছো । বিশেষকৈ পূৰ্ব্বৰ চৰকাৰৰ সময়ত আমাৰ বহুতে ভূমি পোৱাৰ পৰা বিৰত হৈ আছিল তেওঁলোকে ভূমি নীতি ভালদৰে পৰিচালনা কৰা নাছিল । খিলঞ্জীয়া জনজাতিৰ বহুতে বহু বছৰ ধৰি বাস কৰি থকাৰ পিচতো নিজৰ নামত মাটি কৰিবলৈ সক্ষম হোৱা নাছিল । যিহেতু বৰ্ত্তমান চৰকাৰে খিলঞ্জীয়া সকলক ভূমি প্ৰদান কৰাৰ দায়িত্ব লৈছে , এই কথাখিনি সম্পূৰ্ণৰূপে প্ৰতিফলিত কৰিবলৈ আজি মিশ্যন বসুন্ধৰাৰ জৰিয়তে খিলঞ্জীয়া কোনো জনগোষ্ঠীয়ে যাতে ভূমি পোৱাৰ পৰা বঞ্চিত হ'ব নোৱাৰে।

**(মাননীয় অধ্যক্ষৰ আসনত মাননীয় সভাপতি ড$^{0}$ ৰফিকুল ইছলাম ডাঙৰীয়া উপবিষ্ট )**

মাননীয় সভাপতি মহোদয়, আমাৰ উপৰোক্ত বক্তা সকলে কৈছে যে বৰ্তমান ভূমিৰ অধিকাৰ পাবৰ বাবে পইচা খৰচ কৰিবলগীয়া হোৱা নাই আৰু এইখিনি সঁচা বুলি প্ৰমাণিত হৈছে। বিগত সময়ছোৱাত আমি দেখিছিলো যে নিজৰ দখলৰ মাটি ম্যাদী কৰিবৰ বাবে নিজৰ পৈতৃক সম্পত্তি নিজৰ নামৰ ট্ৰেন্সফাৰ কৰিবলৈ আমাৰ চাৰ্কোল অফিচ সমূহত বছৰে বছৰে বাৰে বাৰে অহা-যোৱা কৰিব লাগিছিল আৰু বহু চেষ্টা কৰিও নিজৰ নামত আনিব পৰা নাছিল। যিহেতু সেই সময়ত প্ৰক্ৰিয়া অতি জটিল আছিল আৰু ঘোচ আদি দিয়াৰ কথা চলিছিল আৰু আমাৰ গাওঁৰ বিশেষকৈ দুখীয়া লোকসকলে সেই খৰচখিনি দিব নোৱাৰাৰ বাবে মাটি সমূহ নিজৰ নামত ট্ৰেন্সফাৰ কৰিব পৰা নাছিল। কিন্তু বৰ্তমান চৰকাৰে এই বে-আইনী প্ৰক্ৰিয়া সম্পূৰ্ণৰূপে বন্ধ কৰি ডিজিটেলাইজ কৰাৰ বাবে বৰ্তমান খিলঞ্জীয়ালোক সকলে সহজভাৱে নিজৰ পৈতৃক সম্পত্তি নিজৰ নামত ট্ৰেন্সফাৰ কৰিব পাৰি বা নিজৰ নামত ম্যাদী কৰিব পাৰিছে। ইয়াৰ দ্বাৰা খিলঞ্জীয়ালোক সকলক ভূমি অধিকাৰৰ পৰা বঞ্চিত হোৱাৰ পৰা আঁতৰাই ৰাখি সকলো খিলঞ্জীয়া লোকে ভূমিৰ অধিকাৰ পাবলৈ সক্ষম হৈছে। আমি বি টি আৰ অঞ্চলতো মিশ্যন বসুন্ধৰাৰ অনৰূপ মিশ্যন বৈসমতী বুলি এখন আইন

প্ৰণয়ন কৰিছো। আমাৰ বি টি আৰ অঞ্চলত বিভিন্ন জাতি-জনগোষ্ঠীৰ লোক আছে আৰু ষষ্ঠ অনুসূচী হ'লেও বি টি আৰত এটা আইন প্ৰণয়ন কৰিছো যে বিভিন্ন জাতি-জনগোষ্ঠীৰ লোক হ'লেও জনজাতি-অজনজাতিৰ লোকে তাত ভূমিৰ অধিকাৰ পাব পাৰে। অসমৰ কাৰ্বি আংলং আৰু ডিমাহাচওত অজনজাতীয় লোকসকলে ষষ্ঠ অনুসূচী এলেকাত ভূমিৰ অধিকাৰ নাপায়। কিন্তু আমাৰ বি টি আৰ অঞ্চলৰ কাৰ্বি আংলং আৰু ডিমাহাচওতকৈ পাৰ্থক্য আছে। বি টি আৰ অঞ্চলত অ-জনজাতীয় লোক হ'লেও বৈধ ভাৰতীয় নাগৰিক হ'লে ভূমিৰ অধিকাৰ পোৱাৰ ব্যৱস্থা আছে। বৰ্তমান মিশ্যন বৈসমতীৰ জৰিয়তে আমাৰ বি টি আৰ অঞ্চলত থকা যিসকল জাতি-জনগোষ্ঠীৰ লোক বসবাস কৰি আছে আৰু বিশেষকৈ ২০০৩ চনৰ আগৰ পৰা যিসকল লোকে বসবাস কৰি আছে, তেওঁলোকক ভূমিৰ অধিকাৰ দিয়াৰ ব্যৱস্থা আমি কৰিছো। বহু সময়ত কিছু লোকে হুলস্থূল কৰা দেখা যায় যে তেওঁলোকক ভূমিৰ অধিকাৰ দিয়া হোৱা নাই। আগতে ভূমি সম্পৰ্কে কোনোধৰণৰ নিয়ম-নীতি নাছিল। তাৰ ফলত বহু ভূমিৰ অধিকাৰ পাবলগীয়া লোক বঞ্চিত হৈ আছিল। আমি এইখিনি প্ৰক্ৰিয়াত আনিবলৈ চেষ্টা কৰিছো আৰু কাম চলি আছে আৰু এইখিনি হওঁতে কিছু পলম হৈছে। বি টি আৰ অঞ্চলত যিবোৰ ঠাইত VGR আৰু PGR , ফৰেষ্ট লেণ্ড আছে, তাত বহু লোকে যধে-মধে ভূমি অধিকাৰ কৰিছে আৰু সেইবোৰ মাটিতে নিজৰ নামত ম্যাদী কৰিবলৈ চেষ্টা কৰা দেখা গৈছে। সেই ক্ষেত্ৰত তেওঁলোকে বিফল হ'লে হুলস্থূল কৰা দেখা যায় যে তেওঁলোকে ভূমিৰ অধিকাৰ পোৱা নাই। চৰকাৰৰ যিহেতু এখন আইন আছে VGR আৰু PGR ভূমিত কোনো ব্যক্তিৰ নামত নামজাৰি নহয় বা কোনো ব্যক্তিৰ নামত দিব পৰা নাযায়। এইকাৰেণ যিসকলে VGR আৰু PGR দখল কৰি বহু চেষ্টা কৰিও ভূমি নোপোৱাৰ বাবে হুলস্থূল কৰে তেওঁলোকক আহ্বান কৰিব বিচাৰিছো যে আইন মতে যিহেতু এইবোৰ অঞ্চলত বসবাস কৰাটো নিষিদ্ধ, তথাপিও তেওঁলোকে তাত বসবাস কৰিছে। সেইকাৰণে তাত যিমান চেষ্টা কৰিলেও যিহেতু চুপ্ৰিম কোৰ্টৰ এটা আইন আছে সেই আইন ভংগ কৰি তাত ভূমিৰ অধিকাৰ দিব পৰা নাযায়। কিন্তু চৰকাৰী যিখিনি ভূমি আছে, তাত আমি যিমান পাৰো নিয়ম অনুসৰি, আইন অনুসৰি কিছু নিয়ম শিথিল কৰি হলেও এটা চিষ্টেমত আনি হ'লেও ভূমি দিয়াৰ ব্যৱস্থা খিনি কৰি আছো আৰু অসন্তুষ্ট হোৱা যিসকল লোক তেওঁলোকক আজি আমি এই সদনৰ জৰিয়তে আহ্বান কৰিব বিচাৰিছো যে তেওঁলোকে যাতে এটা চিষ্টেমৰ মাজত থাকি ব্যৱস্থাখিনি গ্ৰহণ কৰে। নতুন এখন আইন আনি অসম চৰকাৰে অসমৰ সকলো লোককে ভূমিৰ অধিকাৰ দিয়াৰ যি ব্যৱস্থা কৰিছে তাৰ কাৰণে অসম চৰকাৰক ধন্যবাদ দিছো। মই মাননীয় ৰাজহ মন্ত্ৰী আৰু অসম চৰকাৰ এটা অনুৰোধ কৰিব বিচাৰিছো যে অসমৰ ডিমা হাচাও আৰু কাৰ্বি আংলং অঞ্চলৰ বাহিৰেও যিখিনি অঞ্চলত ট্ৰাইবেল বেল্ট, ব্লক আছে তেওঁলোকৰ আইন যাতে ভঙ্গ নহয়। এইখিনি কথা কৈ মই বিৰোধী দলে অনা কৰ্তন প্ৰস্তাৱৰ বিৰোধীতা কৰিছো। ধন্যবাদ।

**সভাপতি ঃ** মাননীয় নুৰুল হুদা ডাঙৰীয়াই কওঁক। আপোনাক ৯ মিনিট সময় দিয়া হ'ল।

**শ্ৰী নুৰুল হুদা, বিধায়ক (ৰূপহী) ঃ** মাননীয় সভাপতি মহোদয়, ৰাজহ বিভাগৰ কৰ্তন প্ৰস্তাৱত মই ক'বলৈ ওলাইছো। ৰাজহ বিভাগ এনে এটা বিভাগ যি বিভাগে মানুহৰ জীৱন নিৰ্বাহ আৰু জীৱিকাৰ সৃষ্টি কৰে। দেখা গৈছে যে আমাৰ ৰাজ্যখনৰ চব্বিশ খন জিলাত মুঠ পৰিয়াল পঞ্চাশ লাখ উনসত্তৰ হাজাৰ ছয় শ পঁয়ত্ৰিশ টা আছে। তাৰে ম্যাদী পট্টাত থকা পৰিয়াল উনচল্লিশ লাখ তেসত্তৰ হাজাৰ তিনি শ সাতাইশ, এক চনীয়া পট্টা থকা পৰিয়াল চাৰি লাখ সাতাৱন্ন হাজাৰ দুশ আঠাইশ, আৱণ্টন পট্টা পোৱা পৰিয়াল এক লাখ পঁচাশী হাজাৰ ছয় শ, চৰকাৰী ভূমিত থকা

পৰিয়াল সাত লাখ যোল্ল হাজাৰ তিনি শ তেত্ৰিশ আৰু ভূমিহীন পৰিয়াল আছে আৰু পাঁচ লাখ আশী হাজাৰ সাত শ ন। এই যি চৰকাৰী ভূমিত থকা পৰিয়াল সাত লাখ ষোল্ল হাজাৰ তিনি শ তেত্ৰিশ আৰু ভূমিহীন পৰিয়াল আছে আৰু পাঁচ লাখ আশী হাজাৰ সাত শ ন, মুঠতে বাৰ লাখ সাতানব্বৈ হাজাৰ একাশী টা পৰিয়াল কেনেকৈ চৰকাৰী ভূমি আৰু ভূমিহীন হ'বলগীয়া হ'ল তাৰ কাৰণ যদি চাওঁ তেন্তে আমি দেখা পাম যে বিগত দিনত অসমত গড়া খহনীয়াত বিভিন্ন নদী-উপনদী জাহ যোৱা গাওঁৰ সংখ্যা প্ৰায় চৈধ্য শ। এই মানুহখিনিয়ে যিয়ে চৰকাৰী ভূমিত বসবাস কৰি আছিল, তেওঁলোকক ভূমিৰ অধিকাৰ নিদি ভূমিৰ পৰা উচ্ছেদ কৰা হৈছে। যদি ক'বলৈ যাওঁ গৰু খুটি, শিলসাঁকো, দলপুৰ, লাঠিমাৰি চৰ, বাগাটাপু, চিতলমাৰি ভিলেজ, শিঁয়ালমাৰি, আৰিমাৰি চৰ, পশ্চিম লাটিমাৰি, গণেশ টাপুকে আদি কৰি অসমৰ বিভিন্ন প্ৰান্তৰ পৰা হাজাৰ হাজাৰ শ্ৰমজীৱি আৰু কৃষি জীৱি লোকক উচ্ছেদ কৰা হৈছে। এই উচ্ছেদিত লোকসকলে ৰ'দে-বৰষুণে পশু তুল্য জীৱন যাপন কৰি আছে। এই কথাখিনি আমিও উপলব্ধি কৰিব লাগিব। তেওঁলোক অসমৰে সন্তান, অসমতে জন্ম গ্ৰহণ কৰিছে, অসমৰ মাটিত জন্ম গ্ৰহণ কৰাৰ পিছত অসমৰ মাটিৰ অধিকাৰ নাপাব সেইটো এখন গণতান্ত্ৰিক দেশৰ পৰম্পৰা হ'ব নোৱাৰে। এই বসুন্ধৰাৰ যোগেদি ভূমিৰ পট্টা দিয়াৰ ব্যৱস্থা কৰা হৈছে। বসুন্ধৰা-২ ত মুঠ আবেদন কৰিছে তেৰ লাখ উনচল্লিশ হাজাৰ ছয় শ ছয় গৰাকীয়ে। কিন্তু তাৰে মাত্ৰ দুই লাখ উনত্ৰিশ হাজাৰ ছয় শ উনষাঠি জনে পট্টা পাইছে। বাকী এঘাৰ লাখ ন হাজাৰ ন শ সাতচল্লিশ জন লোক বাদ পৰি আছে। পৰ্য্যাপ্ত প্ৰমাণ থকাৰ পিছতো এটা বিশেষ শ্ৰেণীক নিদিয়াৰ মনোভাৱৰে তেওঁলোকক বাদ পেলাই থোৱা হৈছে। তেওঁলোকক মাটিৰ অধিকাৰ দিয়া হোৱা নাই। এই যি বাৰ লাখ সাতানব্বৈ হাজাৰ এক চল্লিশ টা পৰিয়াল ভূমিহীন আৰু চৰকাৰী মাটিত বসবাস কৰি আছে, এই সকল অসমৰ বাসিন্দা হয় নে নহয়? তেওঁলোকে অসমত জন্ম গ্ৰহণ কৰিছে নে নাই। যদি তেওঁলোক ভাৰত নাগৰিক, তেওঁলোকে অসমত জন্ম গ্ৰহণ কৰিছে তেনেহ'লে তেওঁলোকক কিয় ভূমিৰ অধিকাৰৰ পৰা বঞ্চিত কৰা হল। আজি বসুন্ধৰা-২ ত যিসকলে আবেদন কৰিছে, তাৰে মাত্ৰ পঁচিশ শতাংশইহে পট্টা পাইছে আৰু বাকী পঁয়সত্তৰ শতাংশক বাদ পেলাই থোৱা হৈছে। ৰায়তী পট্টা বিচাৰিছিলে আৰু ৰায়তী আছিল উন চল্লিশ হাজাৰ আঠ শ জন। তাৰে মাত্ৰ ন শ তেত্ৰিশ জনে পালে। বাড়ি পট্টা এক লাখ একৈশ হাজাৰ সাত শ একানব্বৈৰ পৰা ন হাজাৰ এশ একাৱন্ন জনে পালে। জনজাতীয় সম্পদায়ৰ বাইশ হাজাৰ দুশ তেসত্তৰ খন আবেদন আছিল। তাত কেৱল আঠ হাজাৰ তিনিশ উনপঞ্চাশ জনে পালে। চৰকাৰী ভূমিত বাস কৰা দহ লাখ আঠ চল্লিশ হাজাৰ একত্ৰিশ টা আবেদন আছে। তাৰ মাজত চৰকাৰী ভূমিত বাস কৰা ১০,৪৮,০৩১ টা আবেদন আছিল, তাৰ মাজত ২,০৭,৪৩৯ জনে পালে। VGR আৰু PGR ত, ৯৬,৭৪৪ টা আবেদন আছিল, তাৰ পৰা মাত্ৰ ২৩০ জনে পালে। কৃষি ভূমি দখল সম্পৰ্কত ১১,৭০৯ আবেদন আছিল, তাৰে মাত্ৰ ২২৭ জনে পালে। সভাপতি ডাঙৰীয়া, আমাৰ অসমত এটা দুখ লগা পৰিৱেশ হৈ গৈছে। আজি গৰাখহনীয়াই লাখ লাখ মানুহক গৃহহাৰা কৰি সৰ্বহাস্ত কৰিছে, সেইসকলে কোনো ক্ষতিপূৰণ পোৱা নাই। তেওঁলোকে য'তে ত'তে, পথাৰৰ দাঁতিত, নহ'লে ক'ৰবাৰ চৰকাৰী মাটিত নাইবা Forest ৰ মাটিত, য'তেই ঠাই পাইছে তাতে গৈ ঘৰ বনাই বসবাস কৰি আছে। গৰাখহনীয়াই তেওঁলোকৰ ঘৰ সম্পূৰ্ণ উটাই লৈ গৈছে, তেওঁলোকৰ থাকিবলৈ ঠাই নাই, কিন্তু থাকিব লাগিব, য'তে ত'তে আছে আৰু তাৰ পৰা তেওঁলোকক উচ্ছেদ কৰা হৈছে। আজি গৰাখহনীয়াই মোৰ ৰূপহীহাট বিধান সভা সমষ্টিৰ ৩ নং ভুৰবন্ধা গাঁৱত ২০০ পৰিয়াল, ১ নং আৰু ২ নং ভুৰবন্ধাত ১৫৭ পৰিয়াল, ৪ নং, ৫ নং, ৬ নং, ৭ নং বগামুখত

১৬০ টা পৰিয়াল, এই ৫১৭ টা পৰিয়াল ২০১৩ ৰ পৰা ২০২৩ চনৰ ভিতৰত সম্পূৰ্ণ গৃহহাৰা হৈছে। তেওঁলোকৰ সা-সম্পত্তি, ঘৰ-বাৰী, সকলোবোৰ নদীয়ে উটাই লৈ গৈছে। ৪ খন প্ৰাথমিক বিদ্যালয়, এটা কালী মন্দিৰ, ৫ টা অংগনবাড়ী কেন্দ্ৰ, ৩ টা মছজিদ এই গোটেইখিনি চামগুৰি ৰাজহ চক্ৰৰ এলেকাত আছিল, সকলোখিনি উটুৱাই লৈ গৈছে। ২০০৯ চনত কলিয়াবৰ ৰাজহ চক্ৰত এটা বছৰত ২ নং আৰু ৩ নং বৰঘুলি গাঁৱত ৫৫৩ টা পৰিয়াল গৰাখহনীয়াগ্ৰস্ত আৰু সৰ্বহাস্ত হৈ ঘৰ-বাৰী উটুৱাই নিয়াৰ পিছত তেওঁলোকৰ থাকিবলৈ ঠাই নাই। তেওঁলোকে মথাউৰিৰ ওপৰত নহ'লে পথৰ কাষত নহ'লে ক'ৰবাত জুপুৰী এটা বনাই তেওঁলোকে বসবাস কৰি আছে। গতিকে, সেই লোকসকলক চৰকাৰে সাহাৰ্য দিয়া নাই। ২০১৯ চনত ৩১১ টা পৰিয়াল গৰাখহনীয়াগ্ৰস্ত হৈছিল, তেতিয়া চৰকাৰে ৯৫,১০০ টকাকৈ তেওঁলোকক দিছে। কিন্তু, বৰঘুলিৰ ৫৫৩ টা পৰিয়াল আৰু চামগুৰি ৰাজহ চক্ৰৰ ৫১৭ টা পৰিয়ালক চৰকাৰে আজিলৈকে এটকাও দিয়া নাই। যিসকল গৰাখহনীয়াগ্ৰস্ত, তেওঁলোকক ক্ষতিপূৰণ দি, মাটি-ভেটি দি, তেওঁলোকক থকাৰ ব্যৱস্থা চৰকাৰে কৰি দিব লাগে। তেওঁলোকৰ প্ৰতি অন্যায় কৰা হৈ আছে। তেওঁলোক ভাৰতীয় নাগৰিক হোৱাৰ পিছতো তেওঁলোকক ন্যায় দিয়া হোৱা নাই। গতিকে মই সদনক অৱগত কৰিব বিচাৰিছো যে তেওঁলোকক ন্যায় দিব লাগে, তেওঁলোক কোনো বিদেশী নহয়। যদি তেওঁলোকে অসমৰ মাটিত জন্মগ্ৰহণ কৰা নাই, যদি অসমৰ সন্তান নহয়, যদি ভাৰতীয় নাগৰিক নহয়, তেন্তে তেওঁলোকক কিয় এতিয়ালৈকে অসমত ৰাখিছে, অসমৰ পৰা বিতাড়িত কৰা নাই? গতিকে আমি ডাঠি ক'ব পাৰো যে যিসকল গৰাখহনীয়াগ্ৰস্ত ভূমিহীন লোক, তেওঁলোক অসমৰ সন্তান, অসমৰ নাগৰিক। গতিকে তেওঁলোকক ভূমিৰ অধিকাৰ চৰকাৰে দিব লাগে। এখন কল্যাণকামী চৰকাৰ হ'লে সমাজৰ বিভিন্ন শ্ৰেণীৰ লোকক একেলগে প্ৰগতিৰ পথত আগবঢ়াই লৈ যাব লাগিব। কিন্তু, দেখা গৈছে, এটা বিশেষ সম্প্ৰদায়ক পিছ পেলাই বাকী কথাবিলাক চিন্তা কৰা হৈছে। ভাৰতবৰ্ষ এখন গণতান্ত্ৰিক দেশ। আমি গণতান্ত্ৰিক দেশৰ নাগৰিক হিচাপে বিভিন্ন জাতি-জনগোষ্ঠীৰ মানুহ সকলোৰে অধিকাৰ আছে আৰু আমি সকলোকে সমানভাৱে চাব লাগে। গতিকে, গণতন্ত্ৰক ৰক্ষা কৰি আমাৰ এই বিশেষ সম্প্ৰদায়টোক যাতে কোনোধৰণে বঞ্চিত নকৰে আৰু তেওঁলোককো যাতে সমানে সুযোগ দিয়ে তাৰ কাৰণে মই আহ্বান জনাইছো।

আজি শিক্ষা ব্যৱস্থাতো পঁয়ালগা অৱস্থাৰ সৃষ্টি হৈছে। চৰকাৰে বাৰে বাৰে ৩০ঃ১ অনুপাত পূৰণ কৰিব বুলি কৈ আছিল। ৩০ জন ছাত্ৰ-ছাত্ৰীৰ প্ৰতি ১ জন শিক্ষক, কিন্তু আজিলৈকে সেই শিক্ষক নিদিলে। মই প্ৰশ্নোত্তৰ কালত কৈছিলো যে মোৰ সমষ্টিৰ জুৰীয়া হায়াৰ ছেকেণ্ডাৰীত ২০টা পদ খালী হৈ আছে। কিন্তু, মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰত ক'লে যে SMDC য়ে তেওঁলোকক নিযুক্তি দিছে। কিন্তু, SMDC য়ে নিযুক্তি দিয়া নাই, চৰকাৰে দিছে .....Interruptions.......

**মাননীয় সভাপতিঃ** মাননীয় সদস্য, আপোনাৰ সময় শেষ হৈছে।

**শ্ৰী নুৰুল হুদা (ৰূপহীহাট)ঃ**চাৰ, মই দীঘলীয়া কৰিব বিচৰা নাই। এখন বিদ্যালয়ত Principal, vice-principal, teacher নাই। তাৰ পিছতো চৰকাৰে দিয়া appointment, SMDC য়ে দিয়া বুলি কৈ আছে। ৰাজহ ক্ষেত্ৰত বহুতো বিসংগতি আছে। খাজনাবোৰ বৃদ্ধি কৰা হৈছে। Basundhara ৰ premium, ৰাজহ গাওঁ, টাউন কমিটি, পৌৰ নিগম আৰু পৌৰসভা সকলোৰে একে কৰা হৈছে। টাউন কমিটিবোৰ গাওঁ পৰ্যায়ৰ হয়, কিন্তু তেওঁলোকৰ পৰা অতিৰিক্ত premium লোৱা হৈছে। সেই অতিৰিক্ত premium বন্ধ কৰি গাঁৱৰ যিটো ৰাজহ দিব লাগে

সেইটো আমাৰ টাউন কমিটি আৰু পৌৰ সভাত আনিব লাগে। মই এইখিনি কথাকে কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**মাননীয় সভাপতিঃ** ঃ এতিয়া বক্তব্য ৰাখিব মাননীয় সদস্য শ্ৰী দীপায়ন চক্ৰৱৰ্তী। আপোনাৰ সময় ৮ মিনিট।

**শ্ৰী দিপায়ন চক্ৰবৰ্তী (শিলচর)** ঃ সভাপতি মহাশয়, কৰ্তন প্ৰস্তাবে আমাকে বক্তব্য রাখার সুযোগ দেওয়ার জন্য আপনাকে ধন্যবাদ জ্ঞাপন করছি। সভাপতি মহাশয় আসাম সরকারের Revenue and Disaster Management বিভাগের জন্য অতিরিক্ত মঞ্জুরী **১১৫২.৭৯** লক্ষ টাকা পুঁজি মঞ্জুর করার জন্য মাননীয় মন্ত্রী যোগেন মোহন মন্ত্রী মহাশয়ের উত্থাপন করা প্রস্তাবের পক্ষে আমি আমার বক্তব্য উপস্থাপন করছি।

সভাপতি মহাশয়, ভারতীয় জনতা পার্টীর নেতৃত্বাধীন সরকার রেভিনিউ রিফর্মস এবং ভূমি বিষয় সম্পর্কে সুনির্দিষ্ট কর্ম পরিকল্পনা গ্রহণ করতে ৩০ বছর পর অর্থাৎ ১৯১৯ সালের নভেম্বর মাসে নতুন আসাম ভূমি নীতি ঘোষণা করেছিল। আমি মনে করি এটি রেভিনিউ বিষয়ে বিজেপি সরকারের একটি অন্যতম বলিষ্ঠ পদক্ষেপ ছিল। নুতন ভূমি নীতি ২০১৯ অনুসারে ভূমিহীন ভারতীয় নাগরিক বিশেষতঃ সিলিং উদ্বৃত্ত জমিতে আদিবাসী ও চা শ্রমিকদের নুন্যতম গৃহ নির্মাণের জন্য ভূমি আবণ্টন নিশ্চিত করা হয়। ২০২১ সালের অক্টোবর মাসে অসম সরকারের মাননীয় মূখ্যমন্ত্রী ড০ হিমন্ত বিশ্ব শর্মা নেতৃত্বে 'মিশন বসুন্ধরা'**১** প্রকল্পের আওতায় সমস্ত পাট্টাভুক্ত জমির নথি উন্নতিকরণ অর্থাৎ mutation correction/ updating of land record জন্য স্পেসিয়াল ড্রাইভ গ্রহণ করা হয় এবং বকেয়া খাজনা আদায়ের মাধ্যমে সমস্ত দরখাস্ত্ নিস্পত্তি করার জন্য রেভিনিউ বিভাগের কর্মকর্তাদের নির্দেশ দেওয়া হয়। আর এটি হিমন্ত বিশ্ব শর্মার অন্যতম বলিষ্ঠ পদক্ষেপ ছিল বলে আমি মনে করি। এবং আমরা লক্ষ্য করেছি ১৩ লক্ষের উপরে মিশন বসুন্ধরা এপ্লিকেশন আসে পরবর্তীকালে ২ লক্ষ ২৬ হাজার ৯৮৪ জনকে এই সরকার পাট্টা দিতে সক্ষম হয়েছিল। মিশন বসুন্ধরা-**১** এর ধারাবাহিকতায় ২০২২ সালের নভেম্বর মাসে আবার মিশন বসুন্ধরার-**২** এর কাজ সরকার শুরু করেছিল। তাতে এসসি, অবিসি, এমওবিসি প্রায় ১ লক্ষ ৯০ হাজার কে আমরা মাননীয় মুখ্যমন্ত্রীর মাধ্যমে সেটেলমেন্ট দিতে সক্ষম হয়েছি। জরিপ না হওয়া সমস্ত গ্রামকে Non- cadastrel unsurveyed village জরিপের মাধ্যমে reveneu village এর আওতায় আনা হয় যাতে সমস্ত গ্রামের দীর্ঘদিন যাবৎ স্থায়ী ভাবে বসবাস করা ভারতীয় জনগণকে পাট্টা প্রদানের মাধ্যমে তাদের দীর্ঘ প্রতীক্ষিত অধিকার সাব্যস্থ করা যায় এবং তার ফলে সরকারি খাজনা আদায় করা সম্ভব হয় তার জন্য এই মিশন বসুন্ধরার মাধ্যমে কাজ শুরু হয়েছিল। সভাপতি মহাশয়, মাননীয় হিমন্ত বিশ্ব শর্মার সরকার দীর্ঘদিন যাবৎ স্থায়ীভাবে বসবাস করা সরকারি আবন্টনকৃত ভূমিতে পাট্টাতে পরিণত করা এবং পাট্টাভুক্ত জমিতে রায়তি খতিয়ান প্রাপ্ত ব্যক্তি বা উত্তরাধিকার সূত্রে উক্ত জমির উপর বসবাস করা ব্যক্তিগণকে জমির মালিকানা স্বত্ব দেওয়ার জন্য বিশেষ ব্যবস্থা (special drive) শুরু করেছিল। তার ফলে জমিতে তাদের অধিকার সাব্যস্থ হওয়া নিশ্চিত হয়।

অধ্যক্ষ মহোদয়, আমরা লক্ষ্য করেছি বিগত দিনের সরকার Land allotment এর মাধ্যমে বিভিন্ন সংস্থাকে Land allotment দিয়েছিল। কিন্তু যে উদ্দেশ্যে Land allotment দেওয়া হয়েছিল পরবর্তীকালে অনেক সংস্থাই এই উদ্দেশ্যের বাইরে গিয়ে ল্যাণ্ডকে তাদের কব্জায় রেখে কাজ শুরু করে। আমি আমার বিধান সভা সমষ্টি শিলচরের কথা উল্লেখ করতে চাই। সরকারি

জমি না থাকায় আমার সমষ্টিতে অনেক সরকারি প্রকল্প থেকে বঞ্চিত। মাননীয় মুখ্যমন্ত্রীকে আমি ধন্যবাদ জ্ঞাপন করতে চাই, তিনি খেলাকে গুরুত্ব দিয়েছেন। তিনি প্রথম বাজেট অধিবেশনে ঘোষণা করেছিলেন প্রত্যেকটি বিধান সভা সমষ্টিতে একটি mini stadium করা হবে, আর District head quarter এ District sports complex গঠন করা হবে। কিন্তু দুঃর্ভাগ্যবশত জমি না থাকার জন্য শিলচরে সেটা করা সম্ভব হয় নাই। পরবর্তীকালে অসম সরকারের এক বলিষ্ঠ পদক্ষেপ মাননীয় হিমন্ত বিশ্ব শর্মার নেতৃত্বে রিজার্ভ ল্যাণ্ড কে যাতে আনরিজার্ভড করে এই কাজগুলোকে করতে পারি সেই লক্ষ্যে আমাদের বজন্তিপুর এলাকায় প্রায় ৯৪ বিঘা আমাদের মাননীয় বিভাগীয় মন্ত্রী যোগেন মোহন মহাশয়ের নেতৃত্বে সেটা আন রিজার্ভ করা হয়। আমি আশা রাখছি আগামী দিনে District sports complex সেখানে তৈরি হবে। মাননীয় যোগেন মোহন মহাশয় অতিরিক্ত টাকা মঞ্জুরীর জন্য বিরোধীরা যে কর্তন প্রস্তাব এনেছেন সেই প্রস্তাবের বিরোধীতা করে কিন্তু যেহেতু রেভিনিউ বিভাগ একটি গুরুত্বপূর্ণ বিভাগ আর এই বিভাগের কয়েকটি কাজের কথা আমি আপনার সামনে তুলে ধরতে চাই । Extension of office building along with campus development at Jonai revenue circle Dhemaji District এখানে ৪৮ লক্ষ টাকার উপরে কাজ হয়েছে। construction of circle office building including civil electrical work and big boundary wall with RCC post in respect of Silchar reveneu circle Cachar. এখানেও ২৪ লক্ষ টাকার উপরে কাজ হয়েছে। আমরা দেখেছি যে এই বিভাগের ৯৪৮.১৩০০ টাকার কাজ হয়েছে। এখানে আরও একটা কথা আমি উল্লেখ করতে চাই বিগত দিনের যে বকেয়া বিল ছিল, এই বিলগুলোর মধ্যে হাইলাকান্দি জেলার অন্তর্গত আলগাপুর চক্রে অসামরিক অনাময় পানী যোগান বিদ্যুতিকরণ লোহার গেট আরু পকা এপ্রোচ রোড এটা সীমার দেওয়াল নির্মাণ, এই টাকাগুলো বকেয়া। মোট ১১কোটি ৭৭ হাজার ৫২ টাকা এই পর্যন্ত বকেয়া রয়েছে। এই বকেয়া পাওনাগুলো যাতে দেওয়া যায়, তার জন্য যে অতিরিক্ত মঞ্জুরী আবেদন করা হয়েছে আমি এই মঞ্জুরী আবেদনের সমর্থন করে আপনাকে অনুরোধ করতে চাই , যে বিভাগীয় মন্ত্রীকে এই টাকা মঞ্জুরী দেওয়া হোক, যাতে আগামী দিনগুলোতে আমাদের এই রেভিনিউ বিভাগ ভালো করে চলে। আর একটি কথা আমি উল্লেখ করে আমি আমার বক্তব্য শেষ করছি। এভেকশনের বিষয়ে আমরা লক্ষ্য করেছি মাননীয় হিমন্ত বিশ্ব শর্মার সরকার বলিষ্ঠ পদক্ষেপ নিয়েছে। সরকারি জমি, সরকারি রাস্তা, সরকারি নালা,খাল দখলের জন্য রাজ্যের মানুষের অসুবিধা হচ্ছে। বিশেষ করে আমার সমষ্টিতে মাননীয় মুখ্যমন্ত্রীর নেতৃত্বে কাজ চলছে। যার জন্য এই বিভাগের মন্ত্রী ও মাননীয় মুখ্যমন্ত্রীকে আমার আন্তরিক কৃতজ্ঞতা ও ধন্যবাদ জ্ঞাপণ করে আমি আমার বক্তব্য শেষ করছি।

**সভাপতি ঃ** এতিয়া মাননীয় সদস্য শ্রী আশ্রাফুল হুছেইন। আপোনাৰ সময় ১০ মিনিট।

**শ্রী আশ্রাফুল হুছেইন,চেঙা ঃ** মাননীয় সভাপতি মহোদয়, ৰাজহুৱা বিভাগৰ এই কৰ্তন প্ৰস্তাৱৰ সমৰ্থণত মই মোৰ বক্তব্য আগবঢ়াব ওলাইছো। মহোদয়, এই বিভাগে শেহতীয়াকৈ যিখিনি পুঁজি বিচাৰিছে, এই পুঁজিখিনিৰ ওপৰত আমাৰ আপত্তি এইকাৰণেই যে এই বিভাগটো ভালদৰে functioning হোৱা নাই। এই বিভাগে যিবোৰ কাম কৰিবলগীয়া থাকে সেইবিলাক pending ৰাখিছে আৰু যিবিলাক কাম কৰিবলগীয়া নাই, সেইবিলাক কৰি কৰি মানুহক হাৰাশাস্তি কৰিছে। একেটা সময়তে ইয়াত উল্লেখ কৰা হৈছে যে আমি অফিচবিলাক মেৰামতি আৰু পুনৰ নিৰ্মাণৰ কাৰণে পইচা লোৱা হ'ব। যিসময়ত উপ জিলা গঠন কৰা হৈছে, সেই উপ জিলা সমূহৰ

সদৰ কাৰ্য্যালয় স্থাপন নোহোৱাকৈ এই অফিচসমূহ কোন ঠাইত হ'ব তাৰ কোনো planning নোহোৱাকৈ হাতত লোৱাটো সঠিক সিদ্ধান্ত নহয়। মই আশা কৰিম যে উপ জিলা সমূহৰ সদৰ কাৰ্য্যালয় সমূহ সঠিক ঠাই নিৰ্দ্ধাৰণ কৰি তাত নতুন construction বিলাক হ'ব লাগে।

মহোদয়, যিসমূহ কামত লাগিব লাগে সেইবোৰ বাদ দি উচ্ছেদৰ দৰে বিভিষিকা সমগ্ৰ ৰাজ্যতে নমাই আনিছে। দেখা গৈছিল যে সৰ্বানন্দ সোনোৱাল ডাঙৰীয়াৰ নেতৃত্বাধীন চৰকাৰে যেতিয়া ক্ষমতাত আহিছিল২০১৬ চনত তাৰ পিছৰ পৰাই নিৰবিচ্ছিন্নভাৱে এটা বিশেষ ধৰ্মাৱলম্বী আৰু বিশেষ জনগোষ্ঠী আৰু বিশেষ ব্যক্তি সকলৰ বিৰুদ্ধে যিধৰণৰ উচ্ছেদৰ বিভিষিকা আৰু মানৱীয়তাৰ যি ধ্বংশযজ্ঞ সমগ্ৰ ৰাজ্যত চলিছে সেয়া অতি নিন্দনীয়। গৰিহণাৰ যোগ্য আৰু মই আশা কৰো  যে এই সদনে চৰকাৰৰ এই কাৰ্য্যকলাপৰ বিৰুদ্ধে আজি গৰিহণাৰ প্ৰস্তাৱ লোৱা উচিত।

মহোদয়, আজি এই শীতৰ সময়ত দেখা গৈছে যে গোৱালপাৰাত যিসকল মানুহক উচ্ছেদ কৰা হ'ল বহুতৰ ওচৰত খাচ মাটিত বসবাস কৰি থকা আৰু বংশানুক্ৰমে তেওঁলোকে কেইবাটাও generation  তাতে বসবাস কৰি থকাৰ পাছতো তেওঁলোকে মাটিৰ পট্টাৰ কাৰণে 'বসুন্ধৰা'ত আবেদন কৰাৰ পাছতো তেওঁলোকৰ আবেদন খাৰিছ কৰি পৰৱৰ্তী সময়ত তেওঁলোকক উচ্ছেদ কৰা হৈছে। এই উচ্ছেদৰ ফলত সমগ্ৰ ৰাজ্যত এতিয়ালৈকে কেইবাজনো লোক শীতৰ সময়ত   মৃত্যু হৈছে। গোৱালপাৰাতো তেনেকুৱা এটা ঘটনা সংঘটিত হৈছে আৰু ২০১৬-১৭ চনত যেতিয়া ছিপাঝাৰত উচ্ছেদ কৰা হৈছিল তেতিয়া এটা দেৱশিশুৰো মৃত্যু হোৱাৰ বাতৰি আমি নিশ্চিত ভাৱে জানো।

মহোদয়, বিকল্প সংস্থাপনৰ ব্যৱস্থা নকৰাকৈ ৰাজ্যত এই ধৰণৰ উচ্ছেদ এটা কল্যাণকামী ৰাষ্ট্ৰত কোনো পধ্যেই হ'ব নালাগে। আজি যিসকল মানুহে চৰকাৰী ভূমি হওক, PGR হওক, VGR  হওক বা অন্যান্য যিসমূহ মাটিত যিসকল মানুহে বসবাস কৰি আছে, তেওঁলোক কিয় বসবাস কৰি আছে এই কথাবোৰ analises কৰাটো উচিত। মহোদয়, আপুনি দেখিছে যে গোটেই ৰাজ্যব্যাপি যিধৰণৰ গৰাখহনীয়াৰ তাণ্ডৱ আৰু এই গৰাখহনীৰ ফলত শত সহস্ৰ মানুহ আজি অঘৰী হৈছে। এই মানুহখিনি নিজে জীয়াই থকাৰ কাৰণে আপ্ৰাণ যুঁজ আৰু চেষ্টা কৰিছে। তাক আমি সন্মান জনাই তেওঁলোকৰ মাটি ম্যাদীকৰণৰ ব্যৱস্থা বা সংস্থাপনৰ ব্যৱস্থা চৰকাৰে কৰিব লাগিছিল। তাৰ সলনি বাচি বাচি কিছু মানুহক উচ্ছেদৰ বিভিষিকাৰ লগতে নিৰ্যাতন চলোৱা হৈছে। এইটো কিন্তু ইতিহাসে মনত ৰাখিব। ইতিহাসে বহুত নেতাক মনত ৰাখিছে যিসকলে উচ্ছেদৰ বাবে জনাজাত হৈছিল। এই উচ্ছেদ তেওঁলোকে নতুন কৰিছে, এনে নহয়। আমি দেখিছো স্বাধীনতাৰ পিছৰ পৰা চৰ-চাপৰিৰ মানুহক কিদৰে হাৰাশাস্তি কৰা হৈছিল বিশেষভাৱে ভূমিৰ কাৰণে। আজি স্বাধীনতাৰ ইমান বছৰ পাৰ হৈ যোৱাৰ পাছতো আমি যি ঠাইত প্ৰতিনিধিত্ব কাৰো, আমি য'ৰ পৰা উঠি আহিছো আমাৰ মানুহে আজিলৈকে মাটিৰ পট্টা পোৱা নাই। আমি যি ঠাইত বসবাস কৰো আমি কিয় মাটিৰ পট্টা নাপাম ? বংশানুক্ৰমে আমি যি ঠাইত বসবাস কৰিছো, আমি চৰ অঞ্চলত থাকিলেও মাটিৰ মালিকীস্বত্ব পোৱাৰ আমাৰো অধিকাৰ আছিল। আজি নাঙল যাৰ, মাটি তাৰ হ'ব লাগিছিল। নাঙল আমাৰ হাতত আছে আমি কৃষি কাৰ্য্য কৰিছো তাৰ পিছতো কিন্তু আমি মাটিৰ পট্টা পোৱা নাই।  এই চৰকাৰ অহাৰ পিছত চৰ অঞ্চলৰ মানুহক মাটিৰ পট্টা দিব নালাগে বুলি যি ধৰণে কু অভিসন্ধি ৰচনা কৰিছে এই কু অভিসন্ধি অসমৰ ৰাইজে জনা উচিত। তেওঁলোকে কেবিনেট সিদ্ধান্ত লৈছে যে চৰ অঞ্চলৰ মানুহক মাটিৰ পট্টা দিব নোৱাৰি কিন্তু তাত

দেখা গৈছে লক্ষিমপুৰ জিলা হওক মাজুলী জিলা হওঁক তাৰে কিছু কিছু চৰ অঞ্চলত মাটিৰ পট্টা দিব পাৰি বাকী অসমৰ কোনো জিলাতে ecological groundত মাটিৰ পট্ট দিব নোৱাৰি বুলি যি ধৰণে কেবিনেট সিদ্ধান্ত তেওঁলোকে লৈছে এই সিদ্ধান্ত প্ৰত্যাহাৰ কৰিব লাগে আৰু প্ৰতিটো ঠাইত প্ৰতিজন ভূমিহীন মানুহক মাটিৰ পট্টাৰ ব্যৱস্থা কৰিব লাগে। মাননীয় সভাপতি মহোদয়, দেখা গৈছে যে বসুন্ধৰা ২ ৰ জৰিয়তে এচ ডি এল এ চিৰ জৰিয়তে কিছু মানুহৰ মাটিৰ বন্দিবস্তি নিস্পত্তি কৰা ব্যৱস্থা লোৱা হৈছিল। আমি বৰপেটা জিলাৰ বাসিন্দা হিচাপে বৰপেটা এচ জি এল এ চিৰ এজন সদস্য হিচাপে আমি দেখিছো যে আমাৰ সন্মুখত ৪০/৪২ টা প্ৰস্তাৱ আহিছিল আজি সদনত বৰপেটা জিলাৰ কেইবাজনো বিধায়ক আছে। আপুনি চাব তাত বিশেষ জনগোষ্ঠীৰ মানুহৰ নাম বাদ পেলাই কেৱল এটা জনগোষ্ঠীৰ মানুহৰ নামৰে দিয়া হৈছিল। আৰু আমি শুনিছিলো বাহিৰত বু বা যে মুছলমান মানুহক মাটিৰ পট্টা দিব নালাগে যাৰ কাৰণে তেওঁলোকৰ লিষ্টত নাম নাহে আৰু যদি এই ধৰণৰ কথা বতৰা হয় ৰাজ্যত তেনেহলে এই ৰাজ্যত ধৰ্মনিৰপেক্ষ আৰু গণতন্ত্ৰৰ মূল্য ক'ত থাকিল। মহোদয়, য'ত ৪০/৪২ টা মানুহৰ নাম আছিল আমি বাৰ বাৰ প্ৰশ্ন ক্ৰিয়েট কৰিছো যে এই মানুহ জনে সকলো কাগজ পাতি থকাৰ পিছতো তেওঁৰ নামটো কিয় লিষ্টত নাহিব। নাই নাহে। এই ধৰণৰ মন্ত্ৰ লৈ যদি এই বিভাগটোৱে আগবাঢ়িছে তেনেহলে ইয়াতকৈ আৰু গৰিহণা যোগ্য কথা আৰু একো হ'ব নোৱাৰে। মহোদয়, দেখা গৈছে যে পি আৰ এফ এই বোৰ দিনে ৰাতি কাগজে কলমে হৈ থাকিল। মহোদয়, পি আৰ এফ ৰ য'ত মানুহে বসবাস কৰি আছে হ'ব পাৰে সেইটো খাছ মাটি হ'ব পাৰে অন্য কোনো চৰকাৰী মাটি তাতে যদি কোনোবা মানুহ বসবাস কৰি আছে তেওঁলোকটো ভূমিহীন ব্যাক্তি। যদি তেওঁলোকৰ মাটি বাৰী বহুত থাকিলেহেতেন তেনেহলে উচ্ছেদ কৰিলে আমাৰ কব লগীয়া নাছিল। ভূমিহীন মানুহ য'ত বসবাস কৰিছে তাত কি কৰিছে ৰাতিয়ে পি আৰ এফ হৈ গৈছে। আৰু তাৰ দুই চাৰি পিছত, ১০ বছৰ, ২০ বছৰ পিছত মানুহে নজনাকৈ সেই ঠাইত উচ্ছেদৰ জাননী দিয়া হয়, সেই মানুহ খিনি ক'ত যাব ক'ত নাযাব তাৰ কোনো সঠিক নোহোৱা হৈ যায়। আজি সাম্প্ৰতিক সময়ত দেখা গৈছে যে ৰাজহ বিভাগত আন কিছুমান বেমেজালি আন কিছুমান আসোৱাহ আমি দেখিবলৈ পাইছো। বিশেষভাৱে মাটি হস্তান্তৰৰ ক্ষেত্ৰতো অৱসিক্ত নিয়ম ৰাজ্যব্যাপি চলিছে, আমি নাজানো কাগজে কলমে আছে নে নাই, এইবিলাক বোলে টেলিফোনিক ভাৱে যায় যে অমূকৰ মাটি তমূকলৈ হস্তান্তৰ নহ'ব। আজি যি সময়ত মানুহে গড়াখহনীয়া পিড়িত হৈ একঠা মাটিত ঘৰ সাজিবলৈ কাৰোবাৰ পৰা একঠা মাটি কিনিছে সেই মাটিৰ মালিকী স্বত্ত সেই মাটিৰ পট্টা সেই মাটি হস্তান্তৰ তেওঁৰ নামলৈ কৰা হোৱা নাই। তেওঁ যদি চৰকাৰী মাটিত থাকে তেওঁক তাৰ পৰা উচ্ছেদ কৰা হয়। চৰকাৰৰ ওচৰত দাবী কৰিলে যে আমাক পুনৰসংস্থাপনৰ ব্যৱস্থা কৰক সেই ব্যৱস্থা চৰকাৰৰ ওচৰত নাই। আচলতে মানুহ খিনি যাব কলৈ কৰিব বিচাৰিছে কি এই কথাটো স্পষ্টতা এই কথাটো স্পষ্টিকৰণ এই সদনৰ পৰা মন্ত্ৰী মহোদয়ৰ পৰা বিচাৰিছোঁ। ৰাজহ বিভাগ এটা চেনচিটিভ বিভাগ। আৰু ইয়াৰ কাম-কাজ সমূহ বিভিন্ন জৰুৰী কালীন সেৱাৰ লগতো জড়িত। আজি বানপানীৰ সময়তো এই বিভাগৰ কাম কৰিবলৈ যথেষ্ট থাকে। আপোনালোকে দেখিছে যে ৰাজ্যত এজন চাৰ্কোল অফিচাৰ পানীত দুবি মৃত্যু হৈছে। আজি চাৰ্কোল অফিচাৰ যদি পানীত দুবি মৃত্যু হয় তেতিয়াহলে তেওঁলোক বানপানীৰ সময়ত পানীত নানামিব। আজি নাম সহকাৰে নকও, কিন্তু এনেকুৱা চাৰ্কোল অফিচাৰ পাইছো যি সকলে নাৱত নুঠে। আজি মোৰ সমষ্টিত চাওঁক আধাতকৈ বেছি ঠাই যাব লগীয়া হ'লে আমি নাৱৰে যাব লাগে। সেই ঠাইত চাৰ্কোল অফিচাৰে নাৱত নুঠে। মই আশা কৰিম যে চাৰ্কোল

অফিচাৰে হওঁক বা তেনেকুৱা বিভাগৰ এই পানী থকা ঠাইত দ ঠাইত যি ঠাইত নদ নদী আছে সেই ঠাইত যদি আপোনালোকে অফিচাৰ দিয়ে সাতুৰ শিকাই দিব। সাতুৰ নিশিকাকৈ অফিচাৰ দিয়াৰ কাৰণে আপোনাৰ অফিচাৰ পানীত দুবি মৰিব। আপোনাৰ অফিচাৰ নাৱত নুঠিব আমাৰ কাম বছৰ বছৰ পৰি থাকিব। এই বিলাকটো হ'ব নোৱাৰে। সাতুৰ শিকোৱা ব্যৱস্থাটো মন্ত্ৰী মহোদয় আপুনি আপোনাৰ অফিচাৰ সকলক কৰিব লাগে আৰু সাতুৰ নিশিকোৱাকৈ মানুহ পঠিয়াই, সেইদিনা পুলিচৰ মানুহ এজন পানীত দুবি মৰিছে, তেনে মানুহক নদ নদীৰ এলেকাত দিব নালাগে বেলেগ মানুহক দিয়ক। আৰু একেটা সময়তে সাতুৰ শিকালে তেওঁলোকে ভাট্টা আৰু বনাচৰ ব্যৱস্থা কৰক ভাল কথা হ'ব। আজি মহোদয়, গড়াখহনীয়াত জাহ যোৱাৰ পিছত দেখা গৈছে যে মানুহে সেই মাটিখিনি খাছ হৈ যায়। কিছু বছৰ পিছত তাৰ মেপ আদি বিচাৰি পাবলৈ নাই। সেই ঠাইত কিন্তু যি সকলৰ ম্যাদি মাটি আছিল তেওলোকে সেই মাটিৰ দাবীদ্বাৰ হ'ব নোৱাৰে। আজি কৈ দিয়া হয় যে এই মাটিৰ মেপ আদি গায়েপ হৈ গৈছে। আমি এই সদনৰ পৰা অতি সহজোৰে দাবী উত্থাপন কৰো যে যি সমূহ ঠাই গড়াখহনীয়াত জাহ যায় এই গড়াখহনীয়া গ্ৰস্থ প্ৰতিটো পৰিয়ালক গড়াখহনীয়া গ্ৰস্থ মাটিৰ মালিকক গড়াখহনীয়াৰ প্ৰমাণ প্ৰত্ৰ দিয়া হওক, যাৰ জৰিয়তে তেওঁ যাতে ভৰিষ্যতে সেইটোৰ জৰিয়তে নিজৰ মাটিৰ ক্লেম কৰিব পাৰে আৰু তেওঁ গড়াখহনীয়া গ্ৰস্থ পৰিয়াল হিচাপে চিহ্নিত হৈ থাকে। কিন্তু ৰাজ্যত আজিলৈকে এই ব্যৱস্থা কৰা হোৱা নাই, অন্যহাতে চৰকাৰৰ যি দায়িত্ব চৰকাৰৰ যি কৰ্তব্য বিভাগৰ যি কাম কাজ এই মানুহ খিনিক ক'ত নি পুনৰ সংস্থাপন কৰিব তাৰ কোনো ব্যৱস্থা আজিলৈকে কৰা হোৱা নাই। মহোদয়, চৰকাৰে ঢাকঢোল বজাইছে যে আমি মানুহক মাটিৰ পট্টা দিছো যি সকল মানুহে আবেদন কৰিছিল প্ৰায় ১৩ লাখ ৩৯ হাজাৰ মানুহে আবেদন কৰিছিল তাৰ পৰা মাত্ৰ over off settlement পাইছে ১৭ শতাংশ মান। এই ধৰণৰ ঢাকঢোলৰ জৰিয়তে তেওঁলোকে কৈছে তেওঁলোকৰ vision documents ২০১৬ চনতো কৈছিল বিজেপিয়ে ২০২১ চনতো কৈছিল, যে আমি ভূমিহীন মানুহক মাটিৰ পট্টা দিম। কিন্তু ভূমিহীন মানুহক তেওঁলোকে মাটিৰ পট্টা দিয়াৰ চূড়ান্ত ভাৱে ব্যৰ্থ হৈছে। আজি তেওঁলোকে ২০২৫ চনৰ ভিতৰত দিয়াৰ কথা আছিল, ২০২৫ চন আহি পালে কিন্তু ভূমিহীন মানুহ ১৭ শতাংশই কোনো পদ্ধে যে মাটিৰ পট্টা নাপাব সেইটো দেখা গৈছে। আজি যিমান খিনিকথা আলোচনা কৰিলো দেখা গৈছে যে এই কথা বতৰা খিনিৰ পৰা যে কিছু বিশেষ বিশেষ মানুহক বঞ্চনা কৰা হৈছে, চাওঁক ভাৰতৰ সংবিধানৰ আৰ্টিকল ১৪ ৰ পৰা ১৮ লৈকে গোটেই কথাখিনিক equality ৰ কথা খিনিকে আলোচনা কৰা হৈছে। যেতিয়া ক্ষমতাপূৰ্ণ সমাজৰ কথা কোৱা হৈছে যেতিয়া ভেদ ভাৱ নকৰাৰ কথা কোৱা হৈছে সেই সময়ত আমাৰ সংবিধান খনকে জলঞ্জলি দিয়া নাই হোৱা নেকি? আজি দেখা গৈছে যে খিলঞ্জীয়া মানুহক ভূমিৰ অধিকাৰ দিয়া হ'ব বুলি কথা কোৱা হৈছে। মই সংবিধান খনৰ ইফালৰ পৰা সিফাললৈ বহুবাৰ চালো, খিলঞ্জীয়া বিষয়টো মই উল্লেখ নাপালো। কিন্তু অৱশ্যে হয় আছে পঞ্চ আৰু ষষ্ঠ অনুসূচিত খিলঞ্জীয়া ট্ৰাইবেল মানুহ খিনিৰ কথা আছে। তাত অন্য মানুহৰ কথা নাই। আৰু পঞ্চ আৰু ষষ্ঠ অনুসূচিত ট্ৰাইবেল মানুহখিনিৰ ভূমিৰ অধিকাৰ সুৰক্ষা কৰিলে আমাৰ কবলগীয়া নাই। কিন্তু খিলঞ্জীয়াৰ যি এটা ডেফিনেচন তেওঁলোকে কাল্পনিকভাৱে গছ চাই, তিনিটা প্ৰজন্ম চাই, অমূক চাই তমূক চাই যে কোন খন গাওঁ অমূক কবিৰ শুৱনি আমাৰ গাওঁ খন অতি কবিতাটো পঢ়ি যিটো লাগে সেই গাঁৱৰ মানুহক মাটিৰ পট্টা দিব, এই ধৰণৰ এইটো মানে কি বুলি ক'ব। এইটো চৰকাৰ এনেকুৱাকৈ চলে, চৰকাৰ কাগজ কলম দস্তুৰমত নিয়মৰ ভিতৰত চলিব লাগিব আৰু চৰকাৰ এতিয়া সাহিত্যত বদ্ধ আৰু মৌখিক কথাত চলিছে।

অতি দূখ আৰু পৰিতাপৰ বিষয়।

**সভাপতি (ড° ৰফিকুল ইছলাম)** ঃ মাননীয় সদস্য আপোনাৰ সময় সমাপ্ত হ'বলৈ গৈ আছে।

**শ্ৰীআশ্ৰাফুল হুছেইন** ঃ যিহেতু আমাৰ পাৰ্টীৰ সময় আৰু চাওঁক ৯ মিনিট মান আছে।

**সভাপতি (ড° ৰফিকুল ইছলাম)** ঃ মাননীয় সদস্য আপোনাৰ সময় ৯ মিনিট নহয় ৫ মিনিট দিয়া হ'ল আপোনাক।

**শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ)** ঃ সভাপতি মহোদয়, আমাৰ আগৰ জন বক্তাই ৫ মিনিট কৈছিল, তেখেতৰ ১০ মিনিট আছিল। আপুনি যদি নহয় সৰ্বমুঠ তেওঁ ৯.৩০ মিনিট পাব।

**সভাপতি (ড° ৰফিকুল ইছলাম)** ঃ মাননীয় সদস্য আপুনি ৫ মিনিটত সমাপ্ত কৰক। ৫ মিনিট মোক দিয়া আছে।

**শ্ৰীআশ্ৰাফুল হুছেইন** ঃ গতিকে মহোদয় আজি অসমত ২২৫০ খন চৰ গাঁও আছে। কোনো এখন চৰ গাঁৱৰ মাটিৰ পট্টা বৰ্তমানলৈকে পোৱা নাই যদিও চেঙাচৰুগাকৈ কৰবাত ২/৪/৫ খন পট্টা পাইছে, তাতেই শেষ। আজি আপুনি যদি গুৱাহাটীৰ পৰা চাৰিচকীয়া বাহন এখন লৈ যায় কামৰূপ জিলাৰ বকো পাৰ হৈ যিমান গাঁও পাব এই গোটেইখিনিকে চৰ গাঁও বুলি মোতামুতিভাৱে চৰত যিটো লিষ্ট আছে। চুণটলী, কাছোমাৰ, ম'ৰাচৰা, টোলাবান্ধ এইবিলাক একেবাৰে নদীৰ ইটো পাৰৰ ঠাই। আজিৰ পৰা ১০০ বছৰ আগত ১৫০ বছৰ আগত যদি নদী আছিল চৰ আছিল নাজানো। কিন্তু এই খিনি মানুহে মাটিৰ পট্টা নাপাব এইবিলাকটো কথা হ'ব নোৱাৰে। একেটা সময়তে non cadastral village সমূহত এতিয়ালৈকে চাৰ্ভেৰ কাম আৰম্ভ কৰা হোৱা আমি দেখিছিলো যে মিছন বসুন্ধৰা আৰম্ভ হোৱাৰ সময়তে বহুত ঠাইত পিলাৰ আদি বোৰ পোটা হৈছিল যিহেতু আজিৰ সময়ত কাৰিকৰী দিশ সমূহ যথেষ্ট উন্নত হৈছে আৰু ইয়াৰ জৰিয়তে ডিজিটেল পদ্ধতিত ভূমি মাপন নিৰূপন আৰু মালিকী স্বত্ত প্ৰদানত যি ধৰণৰ সহয়তা আৰু নতুন নতুন সা-সৰমজামৰ সমাগম ঘটোৱা হৈছে আৰু আমি আশা কৰিম যি মাটিৰ যদি আমি বেদখলৰ সমস্যা সমধান কৰিব বিচাৰো আমি যদি আমাৰ ৰাজহ বঢ়াব বিচাৰো তেনেহলে তাৰ ৰাস্তা এটাই, সেই ৰাস্তাটো হ'ল যে যি সকল মানুহে মাটিৰ মালিকীস্বত্ত পাবলৈ আছে যি মাটি তেওঁলোকে যুগ যুগ ধৰি আৰু আইন মতে তেওঁলোকে বসবাস কৰি আছে আৰু সেই মাটি যদি তেওঁলোকে যোগ্য হিতাধীকাৰী হয় তেনেহলে তেওঁলোকক তাৰ মাটিৰ মালিকী স্বত্ত চমজাই দিয়া কিন্তু সেইটো নকৰি বছৰৰ পিছত বছৰ যদি আমি pending ৰাখো ভৱিষ্যতে আন কোনোবা আহি এইটোলৈ ৰাজনীতি কৰাৰ এটা স্থল থাকি যাব। আমি বিচাৰো এই বিষয় বিলাকক লৈ আৰু ৰাজনীনি নহয়, এই বিষয় বিলাকক লৈ মানুহৰ অধিকাৰক লৈ আৰু খেলা নহয়, আমি কথা পাতিম শিক্ষাকলৈ আমি কথা পাতিম শিক্ষাৰ মানদণ্ডৰ ওপৰত আমি কথা পাতিম নতুন বিষয় বিলাকৰ ওপৰত। আজিৰ সময় AIRৰ সময়। আৰু AIRৰ লগত আমি যেতিয়া সৰু সৰু বিষয় বিলাকক লৈ যে কাৰোবাক অকমান মনত শান্তি দিবলৈ দহটা মান ঘৰ উৰাই দিলো তেনেকুৱা কথা বোৰ যদি আজিৰ দিনত পাতিব লাগে ইয়াতকৈ দূৰ্ভাগ্যজনক বিষয় আৰু একো হ'ব নোৱাৰে। গতিকে মহোদয়, মোৰ কথাখিনিকে গুৰুত্ব সহকাৰে লৈ আৰু মন্ত্ৰী মহোদয়ক আহ্বান জনাম যে আপুনি আমাৰ জিলা সমূহলৈ অকমান যাব। বানপানীৰ সময়ত আপোনাক এটা অনুৰোধ কৰিছিলো, যে বানপানী সময়ত বৰপেটা জিলাত কিছুমান কিছুমান ঠাইত reliefৰ সামগ্ৰী নাযায় আৰু ক'ত ক'ত যায় যি বিলাক চহৰ আৰু ভাল ঠাই, দাতীকাষৰীয়া অঞ্চলত তাত। আপোনাৰ অফিচাৰ সকলে পানীত নানামে যাৰ কাৰণে গাঁৱৰ ভিতৰত নাযায়। আমি টুলুঙা নাও লৈ মানুহৰ মাজত যাওঁ আৰু relief তাত দিব নোৱাৰো মানুহৰ গালি খাওঁ। এই

কথাটো আপোনাক জনোৱা গৈছে মন্ত্ৰী মহোদয়। এইটো দুখ আৰু পৰিতাপৰ বিষয়। আপুনি বৰপেটা জিলাত যোৱা বানৰ সময়ত আমি তথ্যখিনি ওলাই চাব যে যিখিনি ৰিলিফৰ সা সামগ্ৰী আহে সেই সা সামগ্ৰী খিনি য'ত পানী ৩ দিন হৈছে তাত মাত্ৰ ৩ খন সামগ্ৰী দিয়া হৈছে, য'ত পানী ৮ দিন আছে তাত কিন্তু ২ দিনৰ সামগ্ৰী দিয়া গৈছে। এই ধৰণৰ ব্যভিচাৰ যদি জিলা খনৰ ভিতৰত চলে আৰু যিজিলাত আমাৰ নিচিনা মানুহ প্ৰতিনিধিত্ব কৰি আছো আমি সেই কথাখিনি বাৰাম্বাৰ কোৱাৰ পিছতো তাৰ পিছত যেতিয়া সেইখিনি সমধান নহয় আমি নাজানো কি কাৰণে নহয়।

মাননীয় সভাপতি মহোদয়, অতি দুখ আৰু পৰিতাপৰ বিষয় যে বৰপেটা জিলাত যোৱা বানপানীৰ সময়ত যিখিনি ৰিলিফৰ সা- সামগ্ৰী গৈছিল, সেইখিনি য'ত পানী ৩ দিন আছে, তাত তিনিগুণ সামগ্ৰী বৈছিকৈ দিয়া হৈছে আৰু য'ত পানী ৮ দিন আছে তাতে কিন্তু ১দিন বা ২ দিনৰহে সামগ্ৰী পঠিওৱা হৈছে। এই ধৰণৰ ব্যাভিচাৰ যদি জিলা বিলাকৰ ভিতৰত চলে আৰু যি ্জিলাত আমাৰ নিচিনা মানুহে প্ৰতিনিধিত্ব কৰি আছো তাত বাৰম্বাৰ কোৱাৰ পিছতো সেই সমস্যাৰ সমাধান নহয়। আমি নাজানো যে তেওঁলোকৰ ওচৰত ইমান কি ক্ষমতা অৰ্পন কৰা আছে, যে তেওঁলোকে এনেকুৱা ধৰণে কৰিব আৰু জনপ্ৰতিনিধিক একো উমঘাম পাবলৈ নিদিব এই বিলাক অত্যন্ত দুৰ্ভাগ্যজনক কথা। তেওঁলোকক যদি ইমানেই আবঢ়াই দিছে, তেন্তে আমাৰ পজিশ্যন বিলাক অলপ সালসলনি কৰিব যে বিৰোধী বিধায়ক সকল অলপ চাইদত থাকিব আৰু বিভিন্ন পজিশ্যনৰ ্অফিচাৰ সকল আগত থাকিব। যোৱা বান পানীৰ তথ্য উলিয়াই চালে দেখিব যে বৰপেটা জিলাত বান পানী কোন কোন গাৱত কিমান দিন হৈছে, আৰু তাত ৰিলিফৰ সামগ্ৰী কিমান দিনৰ পঠোৱা হৈছে। বানপানীৰ সময়ত পশু খাদ্য যদিও বিভাগৰ জৰিয়তে যায় এই বিলাক পশু খাদ্য এপাচি শাকত এটা জলকীয়াৰ নিচিনা বা তাতোতকৈও কম। কোনো কোনো পশুৰ কাৰণেটো ২০০ গ্ৰামো সামগ্ৰী নাযায় আৰু সেইটো আনিবৰ কাৰণে পানী ভাঙি যাব লাগে। গতিকে পৰিমানটো অলপ বঢ়াবৰ বাবে অকনমান যত্ন কৰিব আৰু যি সমূহ শিবিৰ পতা হয় সেই শিবিৰসমূহ আগতীয়াকৈ যদি নিৰিক্ষণ আৰু পৰিক্ষণৰ ব্যৱস্থা কৰা নহয়, বানপানীৰ সময়ত যথেষ্ট অসুবিধা হয়। গতিকে মই ভাবো যিখিনি দ' ঠাই আছে সেই ঠাই সমূহত ৰেষ্ট প্লেটফ্ৰম ক'ত ক'ত আছে, সেই ঠাই সমূহত পৰ্য্যবেক্ষণ কৰিব লাগে। কিন্তু দেখা যায় বিভাগটোৱে কেৱল ৰাস্তা ঘাটৰ কাষে কাষে থকা মানুহখিনিক লৈয়ে দায়বদ্ধ। আজি মোৰ সমষ্টিত চৰ অঞ্চলত বহু ৰেষ্ট প্লেটফ্ৰম পানীয়ে ধুই লৈ গ'ল, বা ক'ৰবাত গড়াখহনীয়াত জাহ গ'ল। গতিকে বহু গাৱত ৰেষ্ট প্লেটফ্ৰম নাই। যদিও বা এনেৰেগাৰ জৰিয়তে বা পঞ্চায়তৰ জৰিয়তে সেই সমূহ বান্ধিব লাগিছিল কিন্তু সেই ব্যৱস্থা তেওঁলোকে লোৱা নাই। বৰঞ্চ আজি মই ভাবো যে এই দায়িত্বটো অন্তত ৰেভিনিউ বিভাগে ল'ব লাগিছিল যে তেওঁলোকে ১০,২০ খন মান তেনেকুৱা ৰেষ্ট প্লেটফ্ৰম বনাব। কিন্তু দেখা যায় যে কেৱল উদাহৰণ দিবলৈহে অমুক shelter home আমি বনালো, তিনিমহলীয়া বনালো,এইবোৰ কথা কয়। এইবাৰো বৰপেটা জিলাত shelter home বনাবৰ বাবে যত্ন কৰা হৈছে, নদীৰ পৰা দূৰদুৰনীত য'ত মিন বেছি প্ৰয়োজন নাই। এই বিভাগৰ দৃষ্টিত চহৰৰ মানুহৰ জীৱনৰ মুল্য আছে কিন্তু গ্ৰাম্যাঞ্চলত, নদীৰ পাৰত তথা চৰ অঞ্চলত বসবাস কৰা মানুহৰ জীৱনৰ মুল্য নাই। গতিকে এই ধৰণৰ ব্যাভিচাৰ আৰু অন্যায় আমি নিবিচাৰো আৰু আশা কৰো যাতে সকলোকে সমান দৃষ্টিৰে সংবিধান ১৪ ৰ পৰা ১৮ অনচ্ছেদত উল্লেখ কৰাৰ দৰে আমি পাবলগীয়া আমাৰ অধিকাৰখিনি আমাক দিয়ক আৰু মোৰ সমষ্টিৰ বা আমাৰ নৈ দাতিকাষৰীয়া মানুহখিনি যাতে বঞ্চিত নকৰে। যিহেতু তেওঁলোকে লোণ নাপায় কাগজপাতি ঠিক কৰিব গলে ঠিক কৰিব নোৱাৰে। গতিকে তেওঁলোকক অঘৰী চাৰ্টিফিকেটখন হলেও দিয়ক।

এখন কল্যাণকামী ৰাষ্ট্ৰৰ এখন চৰকাৰ হিচাপে আমি যদি আমাৰ নাগৰিকৰ সেইখিনি দায়িত্ব ল'ব নোৱাৰো। তেনেহ'লে ইয়াতকৈ আৰু ধিকাৰ দিয়াৰ বিষয় নাই। ধন্যবাদ।

**সভাপতি** ঃ এতিয়া মাননীয় সদস্য শ্ৰী অখিল গগৈ, আপোনাৰ সময় ৩ মিণিট।

**শ্ৰী অখিল গগৈ, বিধায়ক (শিৱসাগৰ)** ঃ মাননীয় সভাপতি মহোদয়,আমি দেখিছো যে যিটো vision document **২০১৬ৰ পৰা** ২০২৫ লৈকে বিজেপিৰ vision document ইয়াত infrastructure সম্পৰ্কীয় প্ৰথম তেওঁলোকৰ প্ৰতিশ্ৰুতিটো আছিল যে Providing land Patta to every landless family of the State. আকৌ ২০২১ চনত তাতকৈ আৰু বেছি particularly কৈ দিলে যে Assam's citizen will be empowered with land right we will distribute land pattas with requisite rights to all land less Indian citizen of the State in phase manner. সেইটো কথা কলে। এতিয়া এই কৃষি বা মাটিৰ এই গোটেই বিষয়টো যদি কোনোবাই অকনমান চিৰিয়াচলি চিন্তা কৰিব খোজে এইটোক কয় ইংৰাজীত Land reform আৰু অসমীয়াত কয় ভূমিসংস্কাৰ। এইটো কেতিয়াবা,বিপ্লৱৰ জৰিয়তে খেতিয়ক সকলে, শ্ৰমজীৱি মানুহ বিলাকে এই ভূমি সংস্কাৰ আনে আৰু কেতিয়াবা চৰকাৰে নিজে আগভাগ লৈ কৰাই। এতিয়া ভূমিসংস্কাৰ মানে হ'ল আচলতে প্ৰকৃত খেতিয়ক সকলৰ হাতত মাটি দিয়া। আমি ইমান দূৰলৈ যাবই পৰা নাই। যিকোনো দেশ এখন ধনী হ'বলৈ হয়, তেতিয়া হ'লে প্ৰথম কামটোৱেই হ'ল Land reform টো. Land reform কৰিলেহে এখন দেশৰ উৎপাদনশীলতা বৃদ্ধি পায়। আৰু এখন দেশ প্ৰকৃতাৰ্থত ধনী হোৱাৰ দিশত আগবাঢ়ি যাব পাৰে। আমাৰ ৰেভিনিউ বিভাগে সেই বিষয়ে কিবা ভাবিছেনে নাই বা মন্ত্ৰীয়ে সেই সম্পৰ্কে কিব চিন্তা চৰ্চ্চা কৰেনে নাই মই নাজানো। এতিয়া প্ৰথম কথা আমি যদি কৃষি চেঞ্চাচ ২০১৫-১৬ চাওঁ তেতিয়া হ'লে দেখিবলৈ পাব যে অসমৰ ৬৭.৩১শতাংশ মানুহকে marginal farmer একে বাৰে কম মাটি থকা উপান্তক কৃষক। তেওঁলোকৰ মাটিৰ পৰিমান কিমান? এজন অসমীয়া মানুহৰ মাটিৰ পৰিমান কিমান আছে ৩.১৩৯ বিঘা, ৩ বিঘাকেহে মাটি আছে, আমাৰ ৭০ শতাংশ মানুহৰ। আৰু ৩ বিঘাকে মাটি থকামানুহ এজনৰ মূল কথাটো কি তেওঁ কেইদিনমান নিজৰ ঘৰত খেতি কৰিব আৰু বাকী থকা দিন কেইটা আনৰ ঘৰত হাজিৰা কৰিব। মিষ্টিৰী কৰিব বা অন্য কিবা কাম কৰিব। সেইখন দেশ কেতিয়াও ধনী হ'ব নোৱাৰে, সেই কাৰণে কি কৰে Land reform কৰে। প্ৰকৃত খেতি কৰা মানুহ বিলাকক মাটি দিয়ে। এতিয়া চৰকাৰে প্ৰাৰ্থমিক যিটো কাম যে দখল কৰি থকা মাটিখিনিৰ পট্টা। সেই দখল কৰি থকা মাটিখিনিৰ পট্টাও এতিয়া দিবৰ কাৰণে বহুত ডাঙৰ কথা এটা কৈ দিয়ে কিন্তু কামত একো নাই। ইয়াতে আপোনালোকে দেখিবলৈ পাব যে ইয়াতে দি থৈছে যে আমাৰ বসুন্ধৰাত মানুহে আবেদন কৰিলে যে তাৰে মাত্ৰ ১৬.৯৪ শতাংশকহে এতিয়ালৈকে মাটিৰ পট্টা অফাৰ অব চেটেলমেন্ট মাত্ৰা ১৬.৯৪ বা ১৭ শতাংশ। তাৰ পাছত আকৌ এটা খিলঞ্জীয়া বুলি নতুন ধাৰণা আনি দি আকৌ কলে সেইটোত যেতিয়া চালো আমি অনুসূচীত জাতি, জন জাতি, অ বি চি, এম অ বি চি এই বিলাকৰ ক্ষেত্ৰত যেতিয়া চালো ২৭.৬৩ শতাংশ যিটো দিছে। এইটো নিয়মীয়া ৰূপতেই ইমানখিনি মাটিৰ পট্টা দিয়েই থাকে। প্ৰত্যেকটো ৰেভিনিউ বিভাগে নিয়মীয়া ৰূপত ইমানখিনি মাটিৰ পট্টা দিয়ে থাকে। এইটো আপোনালোকে একো বৈপ্লৱিক কাম কৰা নাই। এইটো এনেয়ে সাধাৰণ কাম আৰু এই সাধাৰণ কামটো কৰি যিমান ডাঙৰ ঢোল বজাইছে যেন আকাশখন ফুটি যাব যেন লগা হৈছে। একো আপোনালোকে ডাঙৰ কাম কৰা নাই। এই কামটোত আপোনালোক এই কাৰণেই সফল

হ'ব নোৱাৰে কাৰন আপোনালোকৰ চৰকাৰখন সাম্প্ৰদায়িক চৰকাৰ। আপোনালোকে কিছুমান মানুহক মাটিৰ পট্টা নিদিও বুলি ঠিকে কিৰি লৈছে। বেলেগ কথাটো বাদেই দিলো, মোৰ সমষ্টিৰ খিলঞ্জীয়া মুছলমান মানুহ সকলক মাটিৰ পট্টা নিদিয়ে তাত। কি কম এতিয়া আৰু মই বেলেগ কথা নকও এই চৰকাৰখনে কিন্তু এটা কাম কৰিছে সেইটো হ'ল land revinue collection কৰিছে। land revinue collection ত কিন্তু সাংঘাটিক উন্নতি কৰিছে। খাজানা পুৰা বৃদ্ধি কৰি দিছে, land revinue collection ২০১৫-১৬ চনত collection হৈছিল ৩৪ কোটি টকা ৩৩কোটি ৯৪ লাখ টকা আৰু ২০২১-২২ চনত হৈ গ'ল ১৮৫ কোটি টকা । কিন্তু মানুহৰ ৰাজহ সম্পৰ্কীয় সমস্যাটো কিন্তু সমাধান কৰা নাই। মোৰ সমষ্টিৰ ভাধৰা কৃষি নিগম সমবায় সমিতি বেতবাৰী মৌজাৰ ১৯৬৩ চনৰ পৰা এইখিনি মাটিৰ পট্টাৰ কাৰণে লাগি আছে। এইখিনি দিয়াৰ ব্যৱস্থা কৰি দিয়ক। শিৱসাগৰৰ ষ্টেশ্যন চাৰিআলিৰ মানুহবিলাকক মাটিৰ পট্টাটো দিয়া ব্যৱস্থা কৰি দিয়ক। হাতীখোপ ৰূপহী পথাৰ কৃষি পামত যিখিনি মানুহ আছে সেই মানুহখিনিক অনুগ্ৰহ কৰি মাটিৰ পট্টা দিয়াৰ ব্যৱস্থা কৰিবৰ কাৰণে মন্ত্ৰী মহোদয়ক এইখিনি অনুৰোধ জনালো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া শ্ৰী গনেশ কুমাৰ লিম্বু

**শ্ৰী গনেশ কুমাৰ লিম্বু, বিধায়ক (বৰচলা)** ঃ মাননীয় উপাধ্যক্ষ মহোদয় আজি যি বিৰোধী পক্ষই যি কৰ্তন প্ৰস্তাৱ আনিছে সেই কৰ্তন প্ৰস্তাৱৰ বিৰোধিতা জনাই মই মোৰ বক্তব্য আগবঢ়াব বিচাৰিছো। আমি যদি ৰাজহ বিষয়টো চাওঁ ই সঁচাকৈয়ে অসমৰ জীৱনৰ লগত সকলো শ্ৰেণীৰ লগত অত্যন্ত এক আৱশ্যক আৰু ভুমি সংক্ৰান্তীয় এক বিষয় আৰু আমি শুনিবলৈ পাইছো আমাৰ সন্মানীয় বিৰোধী দলৰ সদস্য সকলে- আমাৰ চৰকাৰে লোৱা বসুন্ধৰাৰ আঁচনিৰ বিষয়ে ক'ব বিচাৰিছে। ইয়াত ১৩ লাখ মানুহে আবেদন কৰিছে আৰু ১৬ শতাংশ মানুহে মাত্ৰ ভুমিৰ অধিকাৰ পাইছে এই বুলি কৈ বিৰোধী পক্ষই যিধৰণেৰে চৰকাৰক সমালোচনা কৰিছে তেওঁলোকে নিজৰ বিফলতা খিনিহে আচলতে প্ৰতিফলিত কৰা বুলি মই ভাবো। কিয়নো আজি পোন প্ৰথম বাৰৰ বাবে এইখন চৰকাৰে সাধাৰণ শ্ৰেণীৰ মানুহে কেনেকৈ সহজতে ভূমিৰ অধিকাৰ পাব পাৰে এই বিষয়টো আমাৰ চৰকাৰ অহালৈকে অপেক্ষা কৰিব লগীয়া হ'ল। ইয়াৰ আগত যেতিয়া তিনিটা কাৰ্য্যকাল একেৰাহে ৰাজ্য আৰু কেন্দ্ৰত আমাৰ বিৰোধী পক্ষৰ চৰকাৰ আছিল তেতিয়া ৰাইজক এই ভূমিৰ পট্টা দিয়াৰ ক্ষেত্ৰত বা তেওঁলোকৰ সমস্যা সমাধানৰ ক্ষেত্ৰত তেওঁলোকৰো দায়িত্ব আছিল। তেওঁলোকে নকৰিলে। আজি প্ৰথম বাৰৰ বাবে এইখন চৰকাৰে এটা ষ্টেপ লৈছে। ২০২২ চনৰ ১৮ নৱেম্বৰত এইখন চৰকাৰে মিশ্যন বসুন্ধৰা ২.০ এই আঁচনিখন ৰূপায়ণ কৰি ২০২৩ বৰ্ষৰ ২ এপ্ৰিলত মাত্ৰ ছয় মাহতে ১৩ লাখ মানুহে আবেদন কৰাৰ পৰাইয়ে আমি বুজো যে ভূমিৰ ক্ষেত্ৰত কিমান মানুহ বঞ্চিত হৈ আছিল। আগৰ কংগ্ৰেছ চৰকাৰখনে এই বিষয়ত কেতিয়াওঁ চিন্তা কৰা নাছিল। বৰঞ্চ মই কওঁ যে ভূমিৰ অধিকাৰ দিয়াৰ বিপৰীতে এচাম মধ্যভোগী মানুহক ৰাজহ চক্ৰৰ চাৰিওপিনে ৰাখি কেনেকৈ সাধাৰণ দুখীয়া মানুহক শোষণ কৰি প্ৰকৃত যি মাটিৰ ভূমিৰ অধিকাৰ থকা মালিক তেওঁলোকক মাটিৰ অধিকাৰৰ পৰা, নিজৰ সম্পত্তিৰ অধিকাৰৰ পৰা বঞ্চিত কৰাৰ ক্ষেত্ৰত যিধৰণেৰে ৰাজহ অফিচটো গঢ়ি তুলিছিল, ইয়াৰ ওপৰত প্ৰথম বাৰৰ বাবে আমাৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই দৃষ্টি নিক্ষেপ কৰিছিল আৰু কঠোৰ ভাৱে বিহীত ব্যৱস্থা লোৱাৰ কাৰণে আজি ৰাজহ বিভাগটো ৰাইজৰ ভিভাগলৈ ৰূপান্তৰ হৈছে। আপোনালোকে যদি চায় যে প্ৰথমবাৰ আমি এই আঁচনি লোৱাৰ লগে লগে ১৩ লাখ মানুহে আবেদন কৰাৰ পিছত

বিশেষকৈ জনজাতীয়, অনুসূচিত জাতি, অন্যান্য পিছপৰা শ্ৰেণী আৰু অতি পিছপৰা শ্ৰেণী এই সম্প্ৰদায়ৰ মানুহৰ ৮৪ শতাংশতকৈ অধিক মানুহক ভূমিৰ অধিকাৰ দিয়াৰ কাম প্ৰথমবাৰ যদি কোনোবাই কৰিছে তেতিয়াহ'লে ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বৰ এইখন চৰকাৰে কৰিছে। আমি ২ লাখ ২৬ হাজাৰ মানুহক মাটিৰ অধিকাৰ দিবলৈ সক্ষম হৈছো। মাননীয় উপাধ্যক্ষ মহোদয়, কেনেকৈ ভূমিক ডিজিটেলাইজ কৰিব পাৰো, কেনেকৈ ড্ৰোণৰ জৰিয়তে তাক মেপিং কৰিব পাৰো আৰু কেনেকৈ চাইন্টিফিক পদ্ধতিৰে মানুহক ভূমিৰ মালিকীস্বত্ব হস্তান্তৰ কৰিব পাৰো এইক্ষেত্ৰত আমাৰ চৰকাৰখনে চিন্তা-চৰ্চ্চা কৰিলে। সেয়েহে স্বমিত্ৰৰ অধীনত আমাৰ চৰকাৰে পোন-প্ৰথম বাৰৰ বাবে ৮৫০ খন গাওঁ আৰু লগতে ২৬৮ খন গাওঁ ২০২৩ চনৰ ১৮ ডিচেম্বৰৰ ভিতৰত এই ড্ৰোণ চাৰ্ভেৰ কাম সম্পূৰ্ণ কৰিছে। ইয়াৰ উপৰিও নতুন প্ৰযুক্তিৰ জৰিয়তে ১৮৭৮৯ খন গাওঁ জৰীপ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছে। ফলত প্ৰতিজন ভূমিৰ গৰাকী তেওঁলোকৰ ভূমি ডিজিটেল ব্যৱস্থাৰে তেওঁলোকক ভূমি সম্পত্তিৰ কাৰ্ড দিয়াৰ ব্যৱস্থা এইখন চৰকাৰৰ দিনত হ'বলৈ গৈ আছে। সেয়েহে এই চৰকাৰখন ভূমিৰ অধিকাৰৰ ক্ষেত্ৰত অত্যন্ত সচেতন। প্ৰথমটো পৰ্য্যায়তে আমি বহু লোকক ভূমিৰ অধিকাৰ দিবলৈ সক্ষম হৈছো। আহিব লগীয়া পিছৰ পৰ্য্যায় সমূহত এই ভূমিৰ অধিকাৰৰ ব্যৱস্থাখিনি আমাৰ চৰকাৰখনে আৰু আগবঢ়াই নিব। মই ইয়াত শুনিবলৈ পাইছো যে আমাৰ সন্মানীয় বিৰোধী দলৰ সদস্য সকলে চৰ-চাপৰিৰ উচ্ছেদৰ কথা কৈছে। মই ভাবো যে আমাৰ এই চৰ-চাপৰিত বহি থকা সাধাৰণ যিবিলাক নিৰক্ষৰ আৰু দুখীয়া শ্ৰেণীৰ মানুহক অতি সুপৰিকল্পিত ভাৱে এই চৰ-চাপৰি অঞ্চলবোৰলৈ লৈ আহে আৰু ফৰেষ্ট অঞ্চল সমূহত থাকিবলৈ বাধ্য- কৰোৱা হয় আৰু এচাম মানুহে কি ধৰণে parallel ভাৱে এখন চৰকাৰ চলাই নিয়াৰ বাবে আৰু এক নৈৰাজ্য চৰকাৰ চলোৱাৰ বাবে এই চৰ-চাপৰি অঞ্চলৰ লোক সকল এক মানসিকতাৰ বলি হ'ব লগীয়া হয় আৰু তেওঁলোকক সকলো ক্ষেত্ৰৰ পৰা বঞ্চিত কৰাৰ ব্যৱস্থাৰ বাবে এচাম মানুহে উদগণি যোগোৱা আমি দেখি আহিছো।

**শ্ৰী শ্বেৰমান আলী আহমেদ, বিধায়ক, বাঘবৰ ঃ** মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, আপুনি যদি জানে যে এটা চক্ৰই এই মানুহখিনিক আনি চৰ-চাপৰিত বহুৱাইছে তেতিয়াহ'লে এই চক্ৰটোৰ বিৰূদ্ধে ব্যৱস্থা লোৱাৰ প্ৰয়োজন আছে। এনেই গোৱাল গালি দি নাথাকিব।

**মাননীয় উপাধ্যক্ষ ঃ** শ্বেৰমান আলী ডাঙৰীয়া, আপুনি বহক। আপোনাৰ সময়ত ক'ব।

..............................................সদনত হুলস্থুল..........................................

**মাননীয় উপাধ্যক্ষ ঃ** You will speak when you get time. please do not distrub. I will give time to speak. please sit down.

**শ্ৰী গণেশ কুমাৰ লিম্বু, বিধায়ক, বৰচলা ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই এই পবিত্ৰ সদনত কেইবাবাৰো ডাটা সহ জনাইছো যে কিধৰণেৰে আমাৰ কৰ্মচাৰী হত্যা কৰা হৈছিল, কিধৰণেৰে আমাৰ ফৰেষ্ট আক্ৰমণ কৰা হৈছিল। আনকি মই কৈছো যে যিহেতু ............................

..............................................সদনত হুলস্থুল..........................................

**মাননীয় উপাধ্যক্ষ ঃ** আপোনালোক বহক। আপোনালোকৰ ক'বলগীয়াখিনি আপোনালোকৰ বক্তব্যৰ সময়ত ক'ব। তেখেতে চক্ৰৰ কথা কৈছে। কোনো নাম লৈ কোৱা নাই। আপোনালোক বহক। তেখেতে কি ক'ব খুজিছে কথাখিনি শুনক।

..............................................সদনত হুলস্থুল..........................................

**শ্ৰী গণেশ কুমাৰ লিম্বু, বিধায়ক, বৰচলা ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, যিয়ে কথা কৈছে মই

সেইটো বিৰোধ কৰা নাই। কোনোবাই কথা ক'লে মই ব্যক্তিগত ভাৱে থিয় হৈ কথা নকওঁ। এই গণতান্ত্রিক ব্যৱস্থাত আপোনালোকৰো কথা কোৱাৰ অধিকাৰ আছে মোৰো কথা কোৱাৰ অধিকাৰ আছে। কথা ক'লে যদি আপোনালোকে থিয় হৈ কথা কয় তেতিয়াহ'লে ................

....................................সদনত হুলস্থুল..................................

মাননীয় উপাধ্যক্ষ মহোদয়, চৰ অঞ্চলৰ মানুহৰ অৰ্থনৈতিক, শিক্ষা, আৰু তেওঁলোকৰ যি সুবিধাৰ কাৰণে আগতে চিন্তা কৰিলে হেতেন, তেনেহলে এসয়মত বিৰোধী দলৰ দীঘলী চৰকাৰ থকাৰ ফলতো সেই ব্যৱস্থা কিয় নকৰিলে। মোৰ সমষ্টিৰ চৰ অঞ্চলত বৰ্তমানৰ চৰকাৰে নহয় আগৰ চৰকাৰেও উচ্ছেদ্য কৰিছিল। এইটো এটা continue process। সেই process ত মোৰ সমষ্টিৰ এজনো নাগৰিক তাত নাই আৰু যিসকল আছে তেওঁলোক তাত এতিয়াও আছে।

সেয়ে মাননীয় উপাধ্যক্ষ মহোদয়, আমি আচলতে মানুহৰ শিক্ষাদিক্ষা আদি সকলো ক্ষেত্ৰতে উন্নয়ন হোৱাতো বিচাৰিছো আৰু চৰ অঞ্চলতে হওঁক বা সকলোতে হওঁক, এইখন চৰকাৰে পোন প্ৰথমবাৰৰ বাবে ভূমিৰ অধিকাৰ দিয়াৰ কাৰণে কাম কৰিছে, আমি এটা step হলেও যে আগবাঢ়ি গৈছো, আগৰ চৰকাৰে ইমান বছৰ আছিল, তেওঁলোকে এই বিষয়ত কেতিয়াও চিন্তা নকৰিলে। এইখিনিকৈ কৈ মই কৰ্তন প্ৰস্তাৱৰ বিৰোধীতা কৰি বক্তব্য সামৰণি মাৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া সন্মানীয় সদস্য শ্ৰী দূৰ্গা দাস বড়ো।

**শ্ৰী দূৰ্গা দাস বড়ো, কলাইগাওঁ ঃ** মাননীয় উপাধ্যক্ষ মহোদয় আৰু সদন। বসুন্ধৰা ১, বসুন্ধৰা ২ আৰু আমি আশা কৰিম বসুন্ধৰা ৩ হওঁক ভৱিষ্যতে আৰু ভৱিষ্যতলৈ ভূমিৰ যি সমস্যা আছে, সেইটো সমাধান হওঁক। এই বিষয়টো কৰ্তন প্ৰস্তাৱ আনি বিৰোধী পক্ষই আলোচনা কৰিব বিচাৰিছে। মই কৰ্তন প্ৰস্তাৱৰ বিপৰীতে গৈ দুইমান এই সুযোগতে ৰাজ্য চৰকাৰক পৰামৰ্শ আগবঢ়াব বিচাৰিছো।

মই অসমৰ কথা নকলেও মোৰ জিলাত ৮৮,৯০৯ জন লোকে আবেদন কৰিছিল। তাৰ ভিতৰত ৮৫,৪৯৪ খন আবেদন বাদ পৰিছে। গতিকে সৰহ সংখ্যক যিহেতু বাদ পৰিছে, তাৰ ভিতৰত select হ'ল ৩৪১২ খন। এই ৩৪১২ select লোকৰ ৫০০ তকৈ অধিক মানুহে premium দিব নোৱাৰিলে। বাকীখিনি premium দিছে। এই যে premium দিব নোৱাৰিলে, তাৰ কাৰণে ৰাজহ বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই অলপ দৃষ্টি ৰখা ভাল , যে premium অত্যাধিক হৈছে কিছু স্থানত। এই premium সমূহ আপোনালোকে আকৌ এবাৰ ঠিককৰি লোৱা উচিত। নহলে বহু দুখীয়া মানুহে premium দিব নোৱাৰি, তেওঁৰ নামত ভূমি আৱন্ট হোৱাৰ পিছতো তেওঁলোকে ভূমি ল'ব পৰা নাই।

আমাৰ যিখিনি আবেদনকাৰী, তাৰ কাৰণে ৰাজহ বিভাগৰ মন্ত্ৰীয়ে যদি কেবিনেটত আলোচনা কৰি এটা প্ৰস্তাৱ ল'ব পাৰে, সেইটো মই ভাৱো যে আপোনালোকে সকলোৱে নাভাৱেনে যে গৰখহনীয়াত যিখিনি মানুহে ভূমিহীন হৈছে, যাৰ ভূমি আছিল, যিসকল প্ৰকৃততে ভাৰতীয় নাগৰিক, তেওঁলোকক ভূমি প্ৰদান কৰাৰ কথা, মই ভাৱো যে এক সুস্থিৰ ভাৱে চৰকাৰে চিন্তা কৰা উচিত আৰু সেই ভাৰতীয় নাগৰিক খিনিক নিম্নতম ভূমি প্ৰদানৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। এইখন চৰকাৰে কামটো কৰিছে কাৰণে ৰাইজে আৰু কাম কৰাটো বিচাৰিছে। নকৰা হলে আলোচনা নহ'লহেতেন। আমাৰ গোটেই অসমৰ ভূমিৰ লগত জড়িত direct or indirect কেইবাটাও সমস্যা আছে। আমাৰ যে শ্ৰেণী বিভাজন, সেই শ্ৰেণী বিভাজন কেইবাখনো দেশত Cooperative Sector ৰ জৰিয়তে ৭ খন দেশলৈ ভূমিৰ জৰিপ সম্পৰ্কে আলোচনা কৰিবৰ কাৰণে অসমৰ পৰা প্ৰতিনিধি হিচাপে গৈছিলো আৰু এক মাত্ৰ পৃথিৱীৰ ভিতৰত Chinese Taipei, যদিও

কোনোবা কোনোবই স্বীকৃতি দিয়া নাই স্বাধীন দেশ বুলি, তেওঁলোকৰ যি ভূমিৰ ওপৰত সংস্কাৰ আহিছে, উন্নতৰো উন্নত ৰাষ্ট্ৰ সমূহৰ ভূমি সম্পৰ্কে অধ্যায়ন কৰিবৰ কাৰণে মানুহ বিলাকে Chinese Taipei লৈ যায়। আৰু এক ছিঠা মাটিও শ্ৰেণী বিভাজনৰ পৰা বাদ পৰি থকা নাই। গতিকে এই ক্ষেত্ৰত মিছন বসুন্ধৰা ১, মিছন বসুন্ধৰা ২, মই ভাৱো মিছন বসুন্ধৰা ৩ কৰি অন্তত ভাৰতবৰ্ষৰ ভিতৰত অসম এখন অন্ততম ৰাজ্য হ'ব পাৰে। আমাৰ ভূমিৰ শ্ৰেণী সম্পূৰ্ণ ৰূপে বিভাজন কৰি তাৰ ওপৰত যাতে ৰাজ্য চৰকাৰ, বিভাগীয় মন্ত্ৰী, বিভাগীয় বিষয়া আৰু ভূমিৰ অধিকাৰ থকা মানুহে যাতে তেওঁলোক সদ্ উত্তৰ ইয়াৰ পৰা পাব লাগে। মই এই পৰামৰ্শটো দিছো, চৰকাৰে যদিও কাম কৰিছে আৰু বেছিকৈ কাম কৰিবৰ কাৰণে অনুৰোধ জনাইছোঁ। শেষত মই এটা কথা কব বিচাৰিছো আমাৰ যি ১৩ লাখ মানুহে আবেদন কৰিছিল, তেওঁলোকৰ 3rd generation থকা বহু মানুহে ইয়াতে মাটি পাব। যদি তেওঁলোকে মাটি পোৱাৰ উপযুক্ত মই ভাৱো যে ৰাজহ বিভাগে উপায়ুক্ত সকলৈলে এটা সামুহিক প্ৰতিবেদন পঠিয়াব লাগে, যে এইখিনি চালি জাৰি চাই, যিখিনি প্ৰকৃত ভাৰতীয় নাগৰিক, মাটি পোৱাৰ উপযুক্ত, তেওঁলোকে মাটি পাব পাৰে, তাৰ ব্যৱস্থা কৰিবৰ কাৰণে এটা পৰামৰ্শ আগবঢ়াইছো। আৰু আপোনালোকে জানে ৮৮ হাজাৰ ভিতৰত ৮৫ হাজাৰ আবেদন বাতিল হৈছে। সেইটো আপোনালোকে এটা সুবিচাৰ কৰিলে আৰু বেছি ফলপ্ৰসু হ'ব বুলি আশা ৰাখি মই তেওঁলোকে যি কৰ্তন প্ৰস্তাৱ কৰিছে, তাৰ বিৰোধীতা কৰি মোৰ বক্তব্য সমাৰণি মাৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া সন্মানীয় সদস্য শ্ৰী মানৱ ডেকা।

**শ্ৰী মানৱ ডেকা, লক্ষীমপুৰ ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, যিকোনো ৰাজ্যৰ সৰ্বাগিন উন্নয়নৰ বাবে ৰাজহ আৰু দূৰ্য্যোগ ব্যৱস্থাপনা সৰ্বাধিক গুৰুত্ব আৰু প্ৰয়োজনীয়তা আছে। সেয়ে আজি এই কৰ্তন প্ৰস্তাৱৰ মই সম্পূৰ্ণ বিৰোধীতা কৰিছো আৰু দাবী মঞ্জুৰী সপেক্ষে কিছু কথা উত্থাপন কৰিব বিচাৰিছো।

এই চৰকাৰখনে খিলঞ্জীয়া মানুহক ভূমি পট্টা দিয়াৰ যি ব্যৱস্থা কৰিছে মিছন বসুন্ধৰাৰ জৰিয়তে, তেনে ধৰণৰ সুদুৰ প্ৰসাৰী সিদ্ধান্ত স্বাধীনতাৰ ইতিহাসত কোনো চৰকাৰে লোৱা নাছিল। আজি বিৰোধী দলৰ কেইবাজনো বিধায়কে কৈছে যে ২ লাখ মানুহে পট্টা পাইছে, ১৬ লাখে আবেদন কৰিছিল। কিন্তু তেওঁলোকেও ৬০,৭০ বছৰ চৰকাৰত আছিলে, কেইজন মানুহক পট্টা দিছে, তেওঁলোকে। আমি যে আৰম্ভ কৰিছো।

তেওঁলোকে কয় চৰকাৰে ইমানকৈ দিলে SC হে ইমানক ST ইমানক দিলে এনেকুৰা কথা নহয়। কথাটো হৈছে চৰকাৰখনৰ seriousness টো যে স্বাধীনতাৰ ৬০-৭০ বছৰ পিছতো কোনো এখন চৰকাৰে ভূমি পট্টা দিয়া নাছিল আৰু আমি মিছন বসুন্ধৰা এই কথাটো বুজা উচিত যে চৰকাৰে কি কৈছে phasewise দিয়া কথা। মিছন বসুন্ধৰা ১ কিয় দিছে, ২ কিয় দিছে তাৰপিছত ৩ আহিব, ৪ আহিব। ড0 হিমন্ত বিশ্ব শৰ্মা যেতিয়ালৈকে থাকিব সকলো ধৰণৰ সমস্যা আপোনালোকৰ সমাধা কৰি দিব। সেই কাৰণে আপোনালোকে tenson ল'ব নালাগে।

**ড0 হিমন্ত বিশ্ব শৰ্মা, মাননীয় মুখ্যমন্ত্ৰী, অসম ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ৰাজ্যপালৰ ভাষণ আৰু মিছন বসুন্ধৰাৰ বিষয়ে ক'ম বুলি ভাবিছিলো। দুটা কথা মই কৈ দিব খুজিছো যে মিছন বসুন্ধৰা ভূমিহীন লোকক পট্টা দিয়াৰ কাৰণে হোৱা নাছিল। আপোনালোকে যদি পঢ়ি চোৱা নাই তাত এটা শব্দ লিখা আছিল খিলঞ্জীয়া ভূমিহীন লোক। যদি ভূমিহীন লোকৰ মাটিৰ পট্টা দিয়াৰ

কাৰণে SLAC আছে, any point of time, DC য়ে কৰি থাকিব পাৰে। আপোনালোকে দুটা ইচ্ছু confuse কৰি আছে। প্ৰথম কথা আমি অসমত দেখা পাইছিলো যে জনজাতীয় লোক সকলে ভূমিৰ অধিকাৰ তেওঁলোকৰ মাটি আছিল। কিন্তু তেওঁলোকৰ পট্টা নাছিল। Schedule Cast মানুহখিনি অসমৰ original বাসিন্দা ।তেওঁলোকৰ পট্টা নাছিল. মৰাণ, মটক, মৰাণ,আহোম, চুতীয়া মানুহখিনিৰ মাটিৰ পট্টা নাছিল আৰু তেওংলোকে অসমত কেতিয়া আহিছিল recorded histry is of minimum 1 thousand years ago. এক হাজাৰ বছৰৰ আগতে অহা মানুহখিনিৰ হাতত ভূমিৰ পট্টা নাছিল। সেই কাৰণে বসুন্ধৰাত লিখা আছিল যে আমি এহাজাৰ বছৰলৈকে ঘুৰি যোৱা নাই যে অসমত তিনিটা generation অন্তত তাকিব লাগিব। সেই কাৰণে আজি যিটো ৰচিদ মণ্ডল ডাঙৰীয়াই কৈছে যে বসুন্ধৰা আপোনালোকৰ কাৰণে নহয়। এই ভূল ধাৰণাতো ামি উলিয়াই দিব লাগিব। ৭১, ৫১, ৩১ চনত অহা মানুহৰ কাৰণে বসুন্ধৰা নহয়। তাত opening remark ত লিখা আছে this is for khilongia landless.

**শ্ৰীঅখিল গগৈ, শিৱসাগৰ ঃ** আমাৰ গৰীয়া মানুহখিনিৰ কাৰণে হয় নে নহয় শিৱসাগৰ?

**ড0 হিমন্ত বিশ্ব শৰ্মা, মাননীয় মুখ্যমন্ত্ৰী, অসম ঃ** নহ'ব পাৰে।

**মাননীয় অধ্যক্ষ ঃ** ক'বলৈ দিয়ক।

**ড0 হিমন্ত বিশ্ব শৰ্মা, মাননীয় মুখ্যমন্ত্ৰী, অসম ঃ** মাননীয় অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰী এজনে কৈ থাকোতে কোনোবাই উঠি যাব পাৰে, এইটো কোনো হাউচ নহয়, এইটো CPIML ৰ Head Quater হৈ যাব। এইটো কৰিব দিয়া নহ'ব। মই আপোনাক অনুৰোধ কৰিছো হাউচৰ গৰিমা আৰু পৰম্পৰা এই দুটা এজন মানহৰ কাৰণে বেয়া আপুনি নকৰিব আৰু মানুহজন জানেই ইয়াত কিবা কয়, শিৱসাগৰত কিবা কয়। গতিকে এইটো কথা আপোনালোকে জানে। গতিকে এই গৰিমাতো নষ্ট কৰিব নিদিব। মই এটা ঘটনা ক'ব বিচাৰিছো যে যাতে ভুল ধাৰণাতো আতৰি যায়। এতিয়া ১৩ লাখ মানুহে আবেদন কৰিছে। ১৩ লাখক আমি নিদিও। কোনোবাই জৰ্জ ফিল্ড খনকে আবেদন কৰি বহি আছে, তেতিয়াহ'লে আমি তেওঁক দি দিম নেকি? ১৩ লাখ মানুহৰ পৰা SLAC য়ে যোগ্য বুলি বিবেচিত কৰিছে আঢ়ৈ লাখক আৰু SLAC ত কোন আছে? আপোনালোকে আছে। এতিয়া আপোনালোকে SLAC ত যোগ্য বুলি আঢ়ৈ লাখক বিবেচনা কৰিছে। ইয়াত আহি কৈ লোনত দিয়া নাই। চৰকাৰে বসুন্ধৰা হিতাধিকাৰী ঠিক কৰা নাই। বসুন্ধৰা হিতাধিকাৰী বিধায়ক সলক আৰু un SLAC ৰ member সকলে DC ৰ সৈতে বহি ঠিক কৰিছে। আমাৰ যিখিনি অধিবাসী মুছুলমান আছে তেওঁলোক এজনেও qualified নকৰে। ৩১, ৫১ চনত অহা মই চনত গৈছো। গতিকে এই কথাটো clear হৈ লওঁক। ১শ বছৰৰ ভিতৰত অসমত অহা মানুহে সহজে নাপাব। খিলঞ্জীয়া সকল মৰাণ মটক,। সংজ্ঞা মই উত্তৰত দি দিছো। অহাকালি সংজ্ঞা পাব যে অসমত যুগ যুগ ধৰি বসবাস কৰি থকা মানুহে খিলঞ্জীয়া। Defination is clear app original. যেনেকৈ আমেৰিকাত গ'লে red Indian সকলক খিলঞ্জীয়া বুলি কয়।

**মাননীয় অধ্যক্ষ ঃ** Please don't interrupted

**ড0 হিমন্ত বিশ্ব শৰ্মা, মাননীয় মুখ্যমন্ত্ৰী, অসম ঃ** মিএগু বোলা মানুহে ইছলাম অসম ভাৰতত অহাই নাছিল ইমান বছৰৰ আগত। এয়িা ঘটনাতো হ'ল যদি আপোনালোকে আপোনালোকৰ convert হোৱাৰ আগৰ জাতিটোৰ নামত বিচাৰে আপোনালোকে পাব। বহুতে মনৰ ইচ্ছাত convert হোৱা নাছিল. ঔৰংজেবৰ তৰোৱালতহে convert হৈছিল। গতিকে উভতি আহিব লাগে। এই বস্তুটো ২-৩ টা আমাৰ ৰেকৰ্ড straight হ'ব লাগে যে বসুন্ধৰা migraine মুছলমান

মানুখিনিৰ কাৰণে নহয়। ঠিক তেনেৈ বসুন্ধৰা মাৰোৱাৰী, বিহাৰী যিসকল পিছত ভাৰতৰ বিভিন্ন ৰাজ্যৰ পৰা আহিচে তেওঁলোকৰ কাৰণে নহয়। তেওঁলোকৰ কাৰণে seperate channel খোলা আছে। ভূমিহীন মানুহে আবেদন কৰিব, SLAC বহিব, জিলা উপায়ুক্তই পট্টা দিব অন্তত বসুন্ধৰাটো tribel মানুহখিনিৰ কাৰণে এৰি দিয়ক, বসুন্ধৰা Schedule Cast মানুহখিনিৰ কাৰণে এৰি দিয়ক, বসুন্ধৰা OBC মানুহখিনিৰ কাৰণে এৰি দিয়ক। ইমান বছৰে আজি তেওঁলোকে ভূমিৰ অধিকাৰ পোৱা নাই। দ্বিতীয় কথা আ পোনালোকে কৈছে চৰৰ মানুহক দিব লাগে। মইতো খুব ভাল পাওঁ, কিন্তু কংগ্ৰেছৰ দিনত চৰত ভূমিৰ এতিয়ালৈকে পঞ্জীয়ণেই নহ'ল। ভূমিৰ assessment য়ে হোৱা নাই যে চৰত কিমান মাটি আছে। স্থায়ী চৰৰ তাত cadestral map, চৰটো NC টো নপৰে। Cadestral তো নপৰে। গকিতে চৰৰ ক্ষেত্ৰত  আমি policy এটা আলোচনা কৰিব লাগিব. কাৰণ চৰৰ মাটিৰ কোনো ৰেকৰ্ড আমাৰ লগত নায়েই। সেই কাৰণে এইটো কোনো হিতাধিকাৰী নহয় যে, অৰুণোদয় ১৩ লাখৰ কাৰণে আবেদন কৰিছিল আপোনালোকে মাত্ৰ আঢ়ৈ লাখত দিলে।ে যোগ্য বুলি বিবেচিত জনকহে ভূমি দিয়া হ'ব। গতিকে অযোগ্য এজনকো দিয়া নহয়। আৰু মই আঐঢ় লাখ দিওতে Dc সকলক গালি দিছো যে কিয় ইমান মানুহক দিলে? কাৰণ আমাৰ terget ইমান মানুহক দিয়া নাছিলেই। কাৰণ বসুন্ধৰাটো মাত্ৰ ৫ শ টকাৰ land premium তাকো তিনিটা কিস্তিত দিব লাগে যে ১ শ ২ শ কৰি। It was a Special gesture for the app original people of Assam. অসমৰ খিলঞ্জীয়া মানুহখিনিক এই চৰকাৰে দিয়া এটা উপহাৰ আছিল। আজি এটা interesting কথা চাওঁক কিমান tribel MLA আছে কোনোবাই উঠি কৈছে নে যে আমি পোৱা নাই বসুন্ধৰা। হাউচত Schedule Cast ৰ কিমান MAL আছে কোনোবাই উঠি কৈছেনে পোৱা নাই। With a exception of one OBC MLA. বাকীতো কোনৌ এজন MLA কোৱা নাই যে মোৰ সমষ্টিৰ মানুহে পোৱা নাই। কংগ্ৰেছৰ এজন লিডাৰ আহিলগহপুৰত চাহতাহ খাই কৈ দিলে যে কংগ্ৰেছৰ গোটেই MLA বিলাক হাউচত বহি থাকে সকলো মইয়ে কৰো। গতিকে আপুনি ইমান মহান ব্যক্তি, সেইটো ক'ম MLAখিনিক লতিঘটি কৰিলেনে? গালিতালি পাৰি শেষ কৰি থৈ গৈছে ৰাহুল গান্ধীয়ে আপোনাৰ কাৰণে। ধুলি কৰি থৈ গৈছে।

**শ্ৰী কমলাক্ষ্য দে  পুৰকায়স্থ** ঃ মাননীয় অধ্যক্ষ মহোদয়, এটা কথা মাননীয় মুখ্যমন্ত্ৰীয়ে ক'লে .......(সদনত হুলস্থুল)

**মাননীয় অধ্যক্ষঃ** Please, কমলাক্ষ দে পুৰকায়স্থ।

থা নকওঁ।

শ্ৰীঅখিল গগৈ, শিৱসাগৰ ঃ ৰাহুল গান্ধীয়ে কৈ থৈ গ'ল আপুনি ভাৰতবৰ্ষৰ আটাইতকৈ বেছি corrupted মুখ্যমন্ত্ৰী বুলি।(সদনত হুলস্থুল)

**মাননীয় অধ্যক্ষঃ** Please,

**শ্ৰী ৰকিবুল হুছেইন, চামগুৰি** ঃ মাননীয় অধ্যক্ষ মহোদয়, The house is  a order.

**মাননীয় অধ্যক্ষঃ** সেই কাৰণেতো  order ত থাকিব লাগে।

**ড0 হিমন্ত বিশ্ব শৰ্মা, মাননীয় মুখ্যমন্ত্ৰী, অসম** ঃ সেই কাৰণে কৈছো যে, house order ত থাকিব লাগে আৰু মুখ্যমন্ত্ৰীৰ কথা এটা আপোনালোকক বুজাবৰ কাৰণে কৈ আছো। মই ইয়াত কোনো political arguement কৰিবলৈ অহা নাই যে কিহৰ মুছলমান সংখ্যালঘু বিধায়ক সকলে বসুন্ধৰাক লৈ আপত্তি কৰিছে আৰু আপোলালোকৰ সমাধান কি? সমাধানটোলৈকে গৈ

আছো সেই কাৰণে যিখিনি landless মানুহ আছে, তেওঁলোকক non বসুন্ধৰা লাইনেদি যেনেকৈ আপোনালোকে সদায় সহায় কৰে, তেনেকৈৰ আপোনালোকে তেওঁলোকক সহায় কৰি থাকক। আমি এইটোত হাক দিয়া নাই যে, আদিবাসী মুছলমান বা যিটো শব্দই শ্বেৰমানদাই কৈছে মিঞা মুছলমান বুলি কওঁক, অদিবাসা মুছলমান বুলি কওঁক যি কওঁক। তেওঁলোকক মাটিৰ পট্টা দিলে মই আপত্তি কৰা নাই।

**শ্ৰী শ্বেৰমান আলি আহমেদ, বাঘবৰ** ঃ চাৰ এটা বাক্য।

**মাননীয় অধ্যক্ষঃ** বহক।

**শ্ৰীশ্বেৰমান আলি আহমেদ, বাঘবৰ** ঃ আপুনি কৈছে যে বসুন্ধৰাত এইটো নিয়ম আছিল যে তিনিটা generation হ'লে সেইমতে পৰাৰ পিছতো আমাৰ বৰপেটা সমষ্টি আমি পাছ কৰি দিলো।

**মাননীয় অধ্যক্ষ** ঃ Land Policy ৰ বিষয়ে clear কৰি আছে।

**ড0 হিমন্ত বিশ্ব শৰ্মা, মাননীয় মুখ্যমন্ত্ৰী, অসম** ঃ আপোনালোকক সময় দিয়া নাই নেকি ক'বৰ কাৰণে ? মই কথা ক'লেহে মোৰ সময়খিনি লৈ যায়। কথাটো হ'ল যদি বসুন্ধৰাৰ guide line ত পৰাৰ পাছতো কোনোবা যদি ব্যক্তিয়ে পোৱা নাই সেইটো এটা complete বেলেগ case. গাৰ্জেন minister য়ে আপোনালোকে ক'ব সেইখিনি চাই দিম। কিন্তু এইটোতো অৰুণোদয় নহয় যে তেৰ লাখে আবেদন কৰিলে আমি তেৰ লাখকে দিব লাগে । Land is a precious things চৰকাৰৰ মাটি নায়েই গতিকে বহুখিনি চাই চাই কেইজনমান মানুহকহে আমি মাটি দিম ।তেৰ লাখে আবেদন কৰিলেই তেৰ লাখকে মাটি দিব নোৱাৰো নহয় । মই মোৰ সমষ্ঠিত এজনকো দিয়া নাই । মই প্ৰথমতে ডিচিক কৈছো আমিনগাওঁত এজনকো মাটি নিদিব কাৰণ এইখিনি চৰকাৰী মাটি মূল্যবান মাটি, শুৱালকুছিত, পলাসবাৰীত, ৰঙিয়াত মাটি নিদিব , চৰকাৰী মাটি মূল্যবান মাটি । কাৰণ বহুতেই তিনিটা জেনেৰেশ্যন নথকাকৈও নতুনকৈ মাটি দখল কৰি বসুন্ধৰাত আবেদন কৰিছে । মাটিৰ দখল নথকা মানুহে বসুন্ধৰা বুলিয়ে মাটিৰ বাবে আবেদন কৰিছে । সেই কাৰণে আপোনালোকে এটা কথা বুজি চাব। যে চৰকাৰৰ গাইডলাইনখনত যিটো আছে যে, তিনিটা জেনেৰেশ্যন থাকিব লাগিব। খিলঞ্জীয়া হ'ব লাগিব। খিলঞ্জীয়াৰ ডেফিনেশ্যনটো আপোনালোকে ক্লিয়াৰ হৈ লওঁক ।এইবাৰ মই ইয়াৰ উত্তৰ দিছো- খিলঞ্জীয়া মানে - Worldwise recognised defination যে -aboriginal people মন কৰিব দেই অৰিজিনেল নহয়- এব অৰিজিনেল পিপুল - যেনে - আমেৰিকাত ৰেড ইণ্ডিয়ান পিপুলক এব অৰিজিনেল বুলি কয় , অসমত আমাৰ জনজাতীয় লোকসকলৰ লগত মৰান, মটক, চুতীয়াসকল- দে আৰ দা এব অৰিজিনেল পিপুল- আমি নহয়। আমিতো কণৌজৰ পৰা আহিছো । উই আৰ মাইগ্ৰেটেড পিপুল ইন ফাইভ হাণ্ড্ৰেট ইয়েৰচ we are migrated people in five hundred years-তথাপিও আমি গাইডলাইনত দিছো কমেও এটা শতিকা থকাৰ প্ৰমাণ লাগে । হাণ্ড্ৰেট ইয়েৰচ । বাকী চিটিজেন আপোনালোক হয় কিন্তু খিলঞ্জীয়া হোৱাৰ প্ৰতিযোগিতাত নামিব নালাগে। নাগৰিক হয় কিন্তু খিলঞ্জীয়া নহয় , এই দুইটা আমি বুজি পাব লাগিব । গতিকে নাগৰিক আৰু খিলঞ্জীয়া এজন মানুহক নুবুজায় । খিলঞ্জীয়া এজন বেলেগ নাগৰিক এজন বেলেগ । আজি আহিও মই নাগৰিক হ'ম যদি চৰকাৰে মোক নাগৰিকত্ব দিয়ে । গতিকে মিশ্যন বসুন্ধৰাই আজি ইমান ডাঙৰ কাম কৰিছে যে আজিতো মই আচৰিত হৈছো যে এই হাইচত আপোনালোকে আপত্তি কৰি আছে কিন্তু মিশ্যন বসুন্ধৰাৰ কাৰণে আঢ়ৈ লাখ মানুহৰ ফৰ্টি পাৰ্চেন্ট ট্ৰাইবেল মানুহে প্ৰথমবাৰৰ বাবে

মাটিৰ পট্টা পাইছে । তেওলোকৰে মাটি এইটো । এতিয়া আমি যোল্ল তাৰিখৰ পৰা বিতৰণ কৰিম । ধেমাজী , লক্ষিমপুৰ, তিনিচুকীয়া এই ঠাইবিলাকত নিজৰ মাটিত বহি থাকি মানুহে ইমান দিনে মাটিৰ পট্টা পোৱা নাছিল । আপোনালোকে কৈছে যে পি আৰ এফত বসুন্ধৰা দিব লাগে । অলপ আগতে মই ৰছিদ মণ্ডল ডাঙৰীয়াৰ ভাষণ শুনিছো যদি মই প্ৰপোছড ৰিজাৰ্ভ ফৰেষ্টত গৈ মই বসুন্ধৰা চলাব লাগে তেন্তে এইখন দেশ হৈ থাকিব নেকি ? বসুন্ধৰা নামটোৰোতো মূল্য ৰাখিব লাগিব। আপোনালোকে কওঁক তাতে লেঙলেছ মানুহ আছে পি আৰ এফটো আপোনালোকে খাচ কৰক তাৰ পিচত দুই চাৰিজনক দিয়ক সেইটো আবেদন হ'ব পাৰে । সেইটো দাবী হ'ব নোৱাৰে নহয়। ফৰেষ্ট এখন ডিৰিজাৰ্ভ কৰি মাটি দিয়াটো সেইটো আজি গ্ল'ৱেল ৱাৰ্মিঙৰ দিনত দিয়া সেইটো এটা দাবী হ'ব নোৱাৰে । সেই কাৰণে মই সন্মানীয় সদনক জনাব খোজো যে, ৰাজপালৰ ভাষণৰ ওপৰত বিৰোধী দলৰ দলপতি ডাঙৰীয়াই প্ৰশ্নটো আনিছে যে বসুন্ধৰা আৰু অৰুণোদয়ৰ মাজত পাৰ্থক্যটো কি ? বসুন্ধৰা আৰু অৰুণোদয়ৰ মাজত পাৰ্থক্যটো বুজিব লাগিব। যিমান মাটিৰ মধ্যভোগী দালাল আছে সকলোৱে বসুন্ধৰাত আবেদন কৰিছে যে ফৰ্মুটি লাগে যদি লাগি যাওঁক । ভাল মানুহেও কৰিছে , দালালেও কৰিছে গতিকে হাহেঁ যেনেকৈ গাখীৰ আৰু পানী পৃথক কৰে আমি দালালে বিচৰাটো পৃথক কৰিব লাগিব । প্ৰথম বসুন্ধৰা ওলাওতে লোকসভাৰ সাংসদ ৰাজেন গোঁহাই ডাঙৰীয়াই আহি মোক চেম্বাৰত আপত্তি কৰি থৈ গৈছে যে, এতিয়া আপুনিতো গোটেই লেঙ বিলাক নন ইণ্ডিজেনাচ মানুহক বিতৰণ কৰি দিব। চাওঁকছোন এইখন চৰকাৰৰ মাটিৰ তলত ভৰিটো কিমান শক্তিশালি হৈ আছে । আমি গণ্ডগোলীয়া কাম নকৰো। আজি আপোনালোকৰ অভিযোগসমূহে অন্তত অসমক এটা ৱাৰ্ত্তা এটা দিলে যে বসুন্ধৰাই অকল খিলঞ্জীয়াকহে সন্মান দিছে । এই ৱাৰ্ত্তাটো আপোনালোকে আজি পঠিয়াই দিলে । মই যিটো পলিটিকেল মেচেজ দিব বিচাৰিছো সেইটো আপোনালোকে মোৰ জাগাত আপোনালোকে দিয়েই দিলে । মই আপোনালোকক ধন্যবাদ জনাইছো । মই যিটো ইমান দিনে ক'ব পৰা নাছিলো সেইটো আপোনালোকে বিতৰণ কৰাত সহায় কৰিলে যে আমি বসুন্ধৰাত বেচিক নৰ্মচটোৰ লগত কম্প্ৰ'মাইজ কৰা নাছিলো । মই ৰাজ্যপালৰ ভাষণৰ সময়ত ডাটা দিম , ভাৱকছোন চিডিউল কাষ্ট মানুহবিলাকৰ হাতত আজি অত দিনে মাটিৰ পট্টা নাছিল । এচ টিৰ হাতত পট্টা নাছিল , ওবিচি মানে অকল মৰান- মটক মানুহ তিনিচুকীয়াত এইবাৰ মাটি পাইছে । তেওঁলোকৰ হিষ্টৰী আহোমতকৈও আগত । আজি সেই মানুহখিনিক আজি এখন চৰকাৰে ১৬ তাৰিখৰ পৰা মাটিৰ পট্টা দিব , আপোনালোকেতো চিয়েৰফুল হ'ব লাগে যে হয় এইখন বিধান সভাই ইমান ডাঙৰ কাম কৰিলে । যিসকলে পোৱা নাই তেওলোকে বসুন্ধৰা- ৩ ত পাব। নহ'লে ৪ ত পাব বা বসুন্ধৰা - ৫ত পাব । কংগ্ৰেছে ইমান বছৰে নকৰা কাম এটা আমি হাতত লৈছো । আমিতো ৬৫ বছৰ বিচৰা নাই আমিতো ৫ বছৰহে বিচাৰিছো ।

**শ্ৰীঅখিল গগৈ, শিৱসাগৰ ঃ** মুখ্যমন্ত্ৰী মহোদয়, আপোনাৰ কেই বছৰ হ'ল ?

**মাননীয় মুখ্যমন্ত্ৰী ঃ** মোৰ তিনি বছৰ হ'ল ।

**শ্ৰীঅখিল গগৈ, শিৱসাগৰ ঃ** আপোনাৰ ২৭ বছৰ হ'ল ।

**মাননীয় অধ্যক্ষ ঃ** অখিল গগৈ প্লিছ.. ব্যাঘাত নকৰিব।

**মাননীয় মুখ্যমন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয় মুখ্যমন্ত্ৰী হিচাপে মোৰ যদি ২৭ বছৰ হ'ল তেনেহ'লে মই কি ক'ম আৰু । মোৰতো উপায় নাই ।

**(সদনত হাঁহিৰ ৰোল)**

**শ্ৰীমনোৰঞ্জন তালুকদাৰ, সৰভোগ ঃ** অধ্যক্ষ মহোদয়, মোক এটা ক্লিয়েৰফিকেশ্যন লাগে ।

খিলঞ্জীয়া মানুহৰ ক্ষেত্ৰত আপুনি কৈছে তাত মোৰ দ্বিমত থাকিলেও মই মানি লৈছো । ৬,৮৯,১৫৫ খন আবেদন কৰিলে, আপোনালোকে ডিচপোছ কৰিলে মাত্ৰ ১,১৯, ৩৮৭ খন ৪, ১৭০০০ এচ টি, এচ চি, ওবিচি মানুহে নাপালে এইটো কি কথা ।

**মাননীয় মুখ্যমন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো লেগুলেছে পায় ।

**শ্ৰীমনোৰঞ্জন তালুকদাৰ, সৰভোগ ঃ** ইয়াৰে বেছিভাগ লেগুলেছ ।

**মাননীয় মুখ্যমন্ত্ৰী ঃ** যদি লেগুলেছ মোক নাম দিয়ক । **মই আপোনাক আহ্বান জনাইছো এই বসুন্ধৰা হৈ যোৱাৰ পিছতো কোনোৱা মানুহে আপত্তি কৰিছে জানো । ইমান ডাঙৰ এটা অপাৰেশ্যন হৈ গ'ল নে কোনোবাই লক্ষীমপুৰ ডিচি কোৰ্টত আহি কৈছে যে মই জেনুইন কিন্তু পট্টা নাপালো । নে গুৱাহাটীত কৰিছে নে শোনিতপুৰত কৰিছে । প্ৰথম কথা লেগুলেছ হ'ব লাগিব। যদি যোৰহাটত মাটিত আছে তেওঁতো ইয়াত নাপাব । লেগুলেছ হ'ব লাগিব, খিলঞ্জীয়া হ'ব লাগিব আৰু দৰিদ্ৰ হ'ব লাগিব। যাৰ বহু ঠাইত ফ্লেট ইত্যাদি আছে তেওঁতো নাপাব। যিসকলে এইখিনি হোৱাৰ পিচতো পোৱা নাই তেওঁলোকক বসুন্ধৰা -৩ ত চাই দিব । যদি আপোনালোকৰ হাতত তালিকা আছে যে মোৰ সমষ্টিৰ এইখিনি খিলঞ্জীয়া মানুহে নাপালে নামখিনি আমাক দিয়ক আমি চাই দিম । টাইম আমি বঢ়াই আছো , আকৌ আমি চাই দিম । আৰু এটা কথা পাভকছোন যে এনেকৈ কেতিয়া অসমত লাখ মানুহক পট্টা দিছিল । আজি যে দুই লাখ মানুহক চৰকাৰে মাটিৰ পট্টা দিয়া বুলি হাউচত ৰেকৰ্ড হৈ আছে তাতকৈ ডাঙৰ কৃতিত্ব মোক কি লাগে।**

**লাগে। মোৰ আগত কিমান চি এম আছিলে পোন্ধৰ বছৰ চি এম হৈ থাকি পোন্ধৰ হাজাৰ মাটিৰ পট্টা দিব পৰা নাই । আজি মই যদি দুই লাখক পট্টা দিছো আপোনালোকে মোক ইমান প্ৰশংসা নকৰিব, এই হাউচৰ ৰেকৰ্ডটোতো বহুত ডাঙৰ ৰেকৰ্ড, এশ বছৰ পিছতো থাকি যাব যে, হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰে দুই লাখ খিলঞ্জীয়াক মাটিৰ পট্টা দিছে । এইটোতো সোনালী ৰেকৰ্ড হৈ গ'ল। আপোনালোকে নিজে কৈছে যে দুই লাখে পাইছে , দুই লাখে পাইছে - মই নিজে তৰুন গগৈ চৰকাৰত মন্ত্ৰী আছিলো তেতিয়া দুই লাখ মানুহক মাটিৰ পট্টা দিছিলোনেকি ? প্ৰফুল্ল মহন্ত ডাঙৰীয়াৰ চৰকাৰ, এজিপিৰ চৰকাৰ ওচৰৰ পৰা দেখিছিলো ইয়াতকৈতো ডাঙৰ অসমীয়া জাতীয়তাবাদী চৰকাৰতো কোনো নাছিল। দুই লাখ মানুহ পট্টা দিছিল নেকি ? হিতেশ্বৰ শইকীয়া ডাঙৰীয়া মোৰ ৰাজনৈতিক গুৰু আছিল তেওঁ দুইলাখ মানুহক মাটিৰ পট্টা দিছিলেনেকি ? গতিকে সকলোৰে ৰেকৰ্ড ব্ৰেক কৰি দুই লাখ মানুহক মাটিৰ পট্টা দিয়া বুলি আপোনালোক বিৰোধীয়ে হাউচত কৈ আছে এইটোতো মোৰ ৰাজনৈতিক জীৱনৰ আটাইতকৈ ডাঙৰ প্ৰাপ্তিৰ দিন নহয়জানো ? আমাক ইয়াতকৈ কি লাগে কওকছোন ? এখন চৰকাৰে যদি তিনি বছৰত দুই লাখ মানুহৰ মুখত হাঁহি বিৰিঙাব এখন চৰকাৰে যদি ইমান প্ৰতিকুলতাৰ মাজতো দুই লাখ ভূমিহীন মানুহক মাটিৰ পট্টা তুলি দিব পাৰে সেইখন চৰকাৰক তাতকৈ একো নালাগে। ইয়াৰ পিছত পেট্ৰ'লে অভাৰ ফ্ল' কৰি দিব। যেতিয়া আমি মাটিৰ পট্টা বিলাব যাম - মই সেইদিনা লিষ্টখন চাই আছিলো যে- জোনাইত ৩৫ হাজাৰ মানুহে মাটিৰ কাগজ পাব । তাতকৈ মোৰ দৰে সৰু মানুহ এটাৰ জীৱনত ডাঙৰ প্ৰাপ্তি বা খ্যাতি আৰু কি আছে কওঁকছোন ? আৰু কি লাগে মোক ? এইটো খ্যাতি মোৰো নহয়, যোগেন মহণৰ । মইতো হাউচক অনুৰোধ জনাম যে হাউচে তেখেতৰ বাবে এটা ডাঙৰ হাত চাপৰি বজাওক, তেওঁৰ এইটো কৃতিত্ব যে তেখেতে এক হাজাৰ দুইহাজাৰ নহয় বা এক লাখ ডেৰ লাখ নহয় দুই লাখ মানুহক মাটিৰ পট্টা দিছে । ইমান ডাঙৰ চাইলেন্ট ৰিভ'লিউশ্যন কোনো ষ্টেটতে হোৱা নাই ।**মাননীয় অধ্যক্ষ মহোদয়, মই নাজানো বাওঁপন্থীয়ে

কেৰেলাত তিনি বছৰত কিমান দিছে। মই নাজানো আধিয়াৰ সময়ত দিব পাৰে।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, বিধায়ক (সৰভোগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বাওঁপন্থীয়ে কেৰেলো আৰু পশ্চিমবঙ্গত ভূমি সংস্কাৰ কৰিছে।

**মাননীয় মুখ্যমন্ত্ৰী (অসম) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই সেইকাৰণে নাজানো বুলি কৈছো। ইয়াৰ পিছত মই বৰপেটাৰ ইনচাৰ্জ মন্ত্ৰী মাননীয় ৰণোজ পেগু ডাঙৰীয়াক অনুৰোধ কৰিছো যে মনোৰঞ্জন ডাঙৰীয়াই বৰপেটাত যিখিনি খিলঞ্জীয়া মানুহ বাদ পৰি যোৱা বুলি কৈছে, যাতে তাৎক্ষণিকভাৱে চায়। তাত তিনিটা কনডিশ্যন থাকিব লাগিব-ভূমিহীন হ'ব লাগিব, খিলঞ্জীয়া হ'ব লাগিব আৰু তেওঁলোকৰ এটা পৰ্য্যায়তকৈ আৰ্থিক উপাৰ্জন বেছি হ'ব নালাগিব। এই পৰ্য্যায়টো জিলাই জিলাই বেলেগ হ'ব, ডিব্ৰুগড় বেলেগ হ'ব, শিৱসাগৰত বেলেগ হ'ব। যিসকল সংখ্যালঘু লোকৰ নাম বসুন্ধৰাত অহা নাই, তেওঁলোকৰ ক্ষেত্ৰত মাটি নিদিও বুলি আমি ক'তো কোৱা নাই। এই বিষয়ত ভুল বাৰ্তা যাব নালাগে। কিন্তু বসুন্ধৰাত নহয়। আপোনালোকে Normal LAC ত লৈ আহক। কোনোবা গৰিয়া, মৰিয়া মানুহে কোৱা নাই। বিধায়ক জন যিহেতু LAC ৰ সদস্য আৰু প্ৰত্যেক মাহতে এখন LAC ৰ বৈঠক হয়, তাত তেওঁলোকক দি থাকিব পাৰে। কিন্তু বাকী মাটিৰ আৱণ্টনটো বন্ধ হৈ যোৱা নাই আৰু মাটিৰ আৱণ্টন চলি থাকিব। তৃতীয় কথাটো হ'ল যে আমি ইয়াৰ পিছত আৰু এটা সংশোধন আনিম যে VGR, PGR ত থকা মানুহখিনিক কেনেকৈ আমি মাটিৰ পট্টা দিব পাৰো? এইটো আমাৰ Next Generation reform. অহা কিছুদিনৰ ভিতৰতে MC মাটিখিনি Cadastral কৰিম। তেতিয়া আৰু এক লাখ মান মানুহে ভূমিৰ পট্টা পাব। বসুন্ধৰাখন দহ বছৰ চলিব লাগিব। কাৰণ ইমান দিনে মাটিৰ reform হোৱাই নাই। এহেজাৰ গাওঁ Non-Cadastral হৈ আছিল। সেইবোৰ এতিয়া Cadastral হ'ব আৰু ইয়াৰ কাম চলি আছে আৰু ইয়াৰ বাবে ড্ৰোণ মেপিং চলি আছে। ইয়াৰ পিছত বসুন্ধৰাত কাম আছে, এজমালি পট্টাবোৰ ভাঙি আমি ব্যক্তিগতভাৱে মাটিৰ পট্টা দিব পাৰো যাতে ভাই-ককায়েকৰ মাজত ভূমি সম্পৰ্কীয় কাজিয়াবোৰ কমি যায়। আমি ইমানখিনি লৈকে চিন্তা কৰিছো। ইয়াৰ পিছত আমি MC গাওঁসমূহত দিম। তাৰ পিছত আমি VGR, PGR ত থকা মানুহখিনিৰ এটা নিয়মৰ মাজত দিব খুজিছো। বি টি আৰত একেধৰণে বৈসমতী আৰম্ভ হৈছে। তাতেও এতিয়া যিখিনি থলুৱা মানুহ আছিল, মাটিৰ পট্টা পাব। সেয়েহে এটা ডাঙৰ ভূমি reform ৰ কাম আৰম্ভ হৈছে। আমি কমকৈ হ'লেও দুই লাখ মানুহক ভূমি পট্টা দিব পাৰিলো। মনোৰঞ্জন তালুকদাৰৰ নিচিনা সন্মানীয় সদস্য যিজনে ভূমি reform ৰ কাৰণে ইমান দিন আন্দোলন কৰিলে, এই ক্ষেত্ৰততো আমাক সমৰ্থন দিব পাৰে। PRF, VRF ক ভাঙি বসুন্ধৰাৰ লক্ষ্য নাছিল। শেষত এটা কথা কৈ মই সামৰণি মাৰিব বিচাৰিছো যে চৰৰ মাটিখিনি লৈও মই উদ্বিগ্ন। কেইদিনমান আগতে ওৰাঙৰ পৰা কিছু মানুহক উচ্ছেদ কৰি আমি তেওঁলোকক লাহৰীঘাটত মাটিৰ পট্টা দিব খুজিলো। আমচুৰ লগতো মোৰ কথা হ'ল, পিছত মোক আয়ুক্তই ক'লে যে এই মাটিবোৰ মাতব্বৰে ৰাখি থৈছে। মই এই বিষয়ে বিশেষ নকওঁ। মই লাহৰীঘাটৰ মাননীয় বিধায়কৰ লগতো কথা পাতিলো। তাত বাইশ জন মাতব্বৰে দুই হাজাৰ বিঘা মাটি ৰাখি থৈছে। নিঃকিন মুছলিম মানুহবোৰ যেতিয়া তাত যায় তেওঁলোকক মাৰি খেদি পঠিয়ায়। আমি মৰিগাৱঁতো মাতব্বৰ সকলৰ লগত যুঁজি আছো আৰু মাতব্বৰ সকলে ৰাজনৈতিক সুৰক্ষা পায়। এতিয়া মই মাতব্বৰসকলক মোৰ তাত চাহ খাবলৈ মাতিছো যাতে একেদিনাখনে মেইন চুইচটো টাইড কৰি পঠিয়াব পাৰো। একো একোজন মাতব্বৰে চৰত বহু ভূমি লৈ আছে। দুখীয়া মানুহখিনিক যদি মাটিখিনি দিব পাৰো মোৰ তাত কোনো আপত্তি

নাই। কংগ্ৰেছৰ দিনত এইসকল মানুহৰ কাৰণে ভূমি লিখনৰ কোনো কামেই নহ'ল। কংগ্ৰেছ শব্দটো বাদ দিছো আৰু কৈছো যে আগৰ চৰকাৰৰ দিনত কোনো কামেই নহ'ল। এইবাৰ মাজুলীত মিশ্যন বসুন্ধৰাত দহ হাজাৰ অনুসূচীত জনজাতি মানুহে মাটিৰ পট্টা পাইছে। চৰৰ মাটিখিনি মাতব্বৰ পৰা মুকলি কৰাটো আমাৰ এটা ডাঙৰ এজেণ্ডা হ'ব লাগে। এই বিষয়ে মোৰ পৰিকল্পনা আছে আৰু সময় হ'লে আপোনালোকৰ লগত কথা পাতিম। অসমৰ মানুহখিনিয়েও বুজি পাব লাগিব যে আমি যদি মাটিৰ পট্টা নিদিওঁ, মাটিখিনি মাতব্বৰে খাই থাকিব আৰু পট্টা দিলে দৰিদ্ৰ মানুহখিনিয়ে পাব। লাহৰীঘাটৰ অভিজ্ঞতাই মোৰ চকু মুকলি কৰি দিলে। ইমান দিনে মাতব্বৰ শব্দটো আমি পঢ়িহে আছিলো। এই মাতব্বৰসকলে দুজনী-তিনিজনী লৈকে বিয়া কৰায়। এইটো ৰেকৰ্ডত আছে আৰু এই বিষয়ে মই তদন্ত কৰিছো। মাতব্বৰ সকলে মানুহখিনিক মাটিত খেতি কৰিবলৈ দিয়ে আৰু তাৰ বিপৰীতে ছোৱালীজনীক বিয়া পাতে। এনেকুৱাধৰণৰ ঘটনা আছে। মাতব্বৰৰ হাতৰ পৰা চৰৰ মাটিখিনি মুকলি কৰিলে চৰকাৰৰ হাতত উপৰোক্ত বহু মাটি আহিব। এখন চৰ যেনে-ভাঙনমাৰি চৰক ধৰিলো। তাত সাত হাজাৰ বিঘা মাটি আছে। তাৰে প্ৰত্যেক পৰিয়ালকে যদি ছয় বিঘাকৈ মাটি দিওঁ, চৰকাৰৰ হাতত অতিৰিক্ত তিনি হাজাৰ বিঘা মাটি আহিব। তাত চৰকাৰৰো লাভ আছে। তাত ভূমিৰ লিখন কিয় হোৱা নাছিল। কাৰণ এটা ৰাজনৈতিক দলৰ কণ্ট্ৰোল মাতব্বৰৰ হাতত আছিল। মাতব্বৰসকলে বাহিৰত আহি দাবী কৰে যে ভূমি লিখন হ'ব লাগে। কিন্তু তেওঁলোকে ভূমিৰ লিখন নকৰে। যদি মই অসত্য কথা কৈছো লাহৰীঘাটৰ মাননীয় বিধায়ক ডাঙৰীয়াক সোধক। প্ৰত্যেকজন দুখীয়া মানুহৰ কাৰণে মোৰ মনত চিন্তা আছে। কিন্তু যেতিয়ালৈকে মৰাণ, মটক, চুতীয়া বা জনজাতীয় মানুহক মাটি নিদি অন্যক দিবলৈ গ'লে ভুল কৰা হ'ব। এইটো ক্ৰমান্বয়ে আহিব লাগিব। মই ভাৱো যে অহা এক বছৰৰ ভিতৰত জনজাতি, অনুসূচীত জাতি আৰু পিছপৰা জাতিসকলৰ মাটিৰ সমাধান হ'ব। তাৰ পিছত আপোনালোকৰ লগত আমি বহিম যে মাতব্বৰৰ পৰা এই মাটিখিনি কেনেকৈ উদ্ধাৰ কৰিব পাৰি। লাহৰীঘাটৰ বাইছ জন মাতব্বৰক মাতিম আৰু আপোনালোকেও সেই মিটিঙত থাকিব। মই আচৰিত হ'লো যে মানুহখিনি ওৰাঙলৈ কিয় গৈছিল? এইক্ষেত্ৰত বহু ৰিৰ্চাচ কৰিলো আপোনালোকেও গম পাব যে মাতব্বৰে এই দুখীয়া মানুহখিনিৰ মাটি লৈ লৈছিল আৰু মাটি নাপাই তেওঁলোকে ওৰাঙৰ বনাঞ্চল ভাঙি তাত বসবাস কৰিলে। মই আমচুক ক'লো যে তেওঁলোকক লাহৰীঘাটত থাকবলৈ দিওঁ আৰু আমচুৱেও থাকিবলৈ ক'লে। এই বিষয়ে মই আয়ুক্তক ক'লো আৰু আয়ুক্তই তাত ক'লে যে মাটি নাই বুলি ক'লে। কাৰণ মাতব্বৰে মাটি ৰাখি থৈছে। মই মাতব্বৰখিনিক পিটি তাৰ পৰা উঠাই এই মানুহখিনিক বহুৱাবলৈ ক'লো। যদি দুখীয়া মানুহখিনিয়ে লাহৰীঘাটত মাটি পালেহেঁতেন তেন্তে নদী পাৰ হৈ ওৰাঙলৈ নগ'লহেঁতেনে। মই সংখ্যালঘু বিধায়কসকলৰ লগত বহিম। আপোনালোকে কিছুমান বস্তু স্বীকাৰ কৰিলেহে দৰিদ্ৰ লোকসকলে সকাহ পাব। এইটো হয় যে আমাৰ সমাজ ব্যৱস্থাত এনেদৰে চলি আছে আৰু আমাক ভোট লাগে আৰু আমি নোৱাৰো। আপোনাক ভোট নালাগে আপুনি কৰি দিয়ক। আমাক যিহেতু ভোট নালাগে আমাৰ কৰি দিয়াত আপত্তি নাই। যিটো কাম আপোনালোকে কৰিব নোৱাৰে মোক ব্যৱহাৰ কৰি কামটো কৰাই লওঁক। আপোনালোকে কিছুমান কাম কৰিম বুলি ভাবিলেও কৰিব নোৱাৰে। কাৰণ আপোনালোকক ভোট লাগে আৰু ভোট লাগে কাৰণে অসমত ষাঠি বছৰে এই কামখিনি হোৱা নাছিল। আমাক ভোট নালাগে কাৰণে আমি সাহসেৰে একেদিনাই মাতব্বৰক চাফা কৰি দিব পাৰিম। গতিকে মই আপোনালোকৰ লগত বহিম আৰু আপোনালোকে বসুন্ধৰাক লৈ হিংসা কৰিব নালাগে। বসুন্ধৰাটোক বসুন্ধৰাৰ ঠাইত যাব দিয়ক। আপোনালোকে

আপত্তি কৰি থাকিলে মানুহে ভাৱিব যে এওঁলোক পিছত আহিলে, যদি পুৰণা মানুহখিনিয়ে মাটি পালে তেন্তে কিয় মনটো বেয়া কৰিব লাগে। আপোনালোক যিমানেই উদাৰ হ'ব, এইফালৰ মানুহবিলাকো সিমান উদাৰ হ'ব। জাতি গঠনৰ প্ৰক্ৰিয়াটো এটা ব্যৱস্থাৰে চলে। যিদিনাখন দুটা সন্তান হ'ব, আমি threat অনুভৱ নকৰিম, তেতিয়া আমি আপোনালোকৰ ওচৰ চাপি যাম। আপোনালোকেও মোক সহায় কৰিব লাগে যে দুটা সন্তান হওঁক। যেতিয়া বাল্য বিবাহ নহ'ব, আপোনালোকৰ ওচৰত আমিও আগবাঢ়ি যাম যে এইটো একেই সমাজ। এজন অসমীয়া শিৱসাগৰৰ মানুহে বৰপেটাত গ'লে এখন বেলেগ দেশত অহা যেন পায়। এইটো কি ব্যৱস্থা? এই বস্তুটো আমি নোহোৱা কৰি দিব লাগিব যে শিৱসাগৰ আৰু বৰপেটাৰ সমাজ ব্যৱস্থাত কোনো পাৰ্থক্য নাই। তেতিয়া সকলোৱে সকলোকে নিজৰ বুলি ভাৱিব। পাৰ্থক্যটো এইটো নহয় যে আপোনালোক মছজিদত যায়, মই মন্দিৰত যাওঁ। এইটো ভুল ভাৱিবই নালাগে। পাৰ্থক্যটো হ'ল আপোনালোকৰ আৰু আমাৰ সমাজ ব্যৱস্থাটো নিমিলে। কিয় নিমিলে? যেতিয়া শিৱসাগৰৰ পৰা এজন মানুহ বৰপেটাত যায়, তাত দেখে যে এজনী ২৫ বছৰীয়া ছোৱালীৰ গাত ৫ টাকৈ শিশু। মানুহজনে ভয় খাই যায় যে এইটো মই কোনখন দুনিয়াত আহিলো। সেইখিনিৰ reform আমি আনিব লাগিব ....interruptions ....education বুলি নহয়, চেষ্টা লাগিব। শ্বেৰমান দা, বেলেগক blame দি কি আছে? অসমত education ৰ নামত আটাইতকৈ বেছি ভেঞ্চাৰ স্কুল চৰ অঞ্চলতে আছে। প্ৰাদেশীকৃত স্কুলৰ ঘনত্ব যদি চায়, বৰপেটা, ধুবুৰীত যিমান স্কুল আছে., ডিব্ৰুগড় শিৱসাগৰত সিমান স্কুল নাই। আপোনালোকৰ জনসংখ্যা বেছি কাৰণে স্কুল বেছিকৈ লাগে ....interruptions ....

**শ্ৰী শ্বেৰমান আলী আহমেদ (বাঘবৰ)ঃ** চাৰ, এটা কথা কওঁ। ভাটনাভেটি চৰ অঞ্চলটো ২০ বৰ্গকিঃমিঃৰ। এখনো হাইস্কুল নাই। ১৫০ ছাত্ৰ, ২ জন শিক্ষক .....interruptions ..

**ড° হিমন্ত বিশ্ব শৰ্মা, মাননীয় মুখ্যমন্ত্ৰীঃ** মাননীয় বিধায়ক মহোদয়, এই যে ২০ কিঃমিঃ মানুহখিনি বহি আছে, ১ কিঃমিঃতো মানুহখিনি বহি থাকিব পাৰে। মাটিৰ কাৰণে ৬০ বিঘালৈ বহাই থৈ দিছে কোনোবা মাতব্বৰে। মই আপোনাৰ সমষ্টিৰ কথা নকওঁ, লাহৰীঘাট আৰু লামডিঙৰ ক্ষেত্ৰত মোৰ দুটা অভিজ্ঞতা হ'ল। লামডিঙৰ পাহাৰত এজন মানুহে আদা খেতি কৰিবলৈ পাহাৰত ১৫ হাজাৰ মানুহ উঠাই দিলে। নিজৰ গাওঁ নিজৰ ঘৰ আছিলেই। সেই ১৫ হাজাৰ মানুহক forest ত গৈ কোনে স্কুল দিব কওঁকচোন। ৰাজ্য চৰকাৰে forest ত স্কুল বনাব নোৱাৰে। কাজিৰঙাত উচ্ছেদৰ কাৰণে গ'লো, তাত দেখিলো কাজিৰঙাৰ বুঢ়াপাহাৰত বুকুৰ মাজতে গাওঁ বহি আছে। বুঢ়াপাহাৰৰ বুকুৰ মাজত কোনে স্কুল পাতিব? বেলেগ ঠাইত মাটিও আছিল। কিন্তু, বুঢ়াপাহাৰৰ মাটিৰ সাৰুৱা তত্ব দেখি তাত কোনোবা মাতব্বৰে মানুহবিলাক লৈ যায় বহাই দিয়ে। এইটো documented গৱেষণাৰ কথা। আপোনালোকৰ সামাজিক জীৱনত feudalism এতিয়াও আছে, তাক অস্বীকাৰ কৰি লাভ নাই.......interruptions ..

**শ্ৰী শ্বেৰমান আলী আহমেদ (বাঘবৰ)ঃ** চাৰ, যিটো ২০ কিঃমিঃ ৰ কথা মই কৈছো, ১০০ বছৰীয়া পুৰণা এল.পি. স্কুল আছে ২০ খন। তাত এখন হাইস্কুল হ'ব লাগিছিল। You are correct in one aspect, but there is another aspect also.

**ড° হিমন্ত বিশ্ব শৰ্মা, মাননীয় মুখ্যমন্ত্ৰীঃ** এটা aspect মোৰ আছে, another aspect আপোনালোকৰ আছে, দুয়োটা বহিলে সমাধান ওলাব। মই positively কথাটো কৈছো, মইতো এটাও negative কথা কোৱা নাই। সেইকাৰণে এটা বসুন্ধৰা অসমত নিশ্চয় আহিব যে মাতব্বৰৰ

পৰা মাটি মুকলি কৰি দৰিদ্ৰ কৃষকক দিব লাগে। Definitely আহিব। তেতিয়া অকল আপোনালোকেই তাৰ লাভ পাব....interruptions ..

**শ্ৰী শ্বেৰমান আলী আহমেদ (বাঘবৰ)ঃ** We are with you.

**ড° হিমন্ত বিশ্ব শৰ্মা, মাননীয় মুখ্যমন্ত্ৰীঃ** Yes, সেইকাৰণে মই এটাই অনুৰোধ কৰিছো যে বসুন্ধৰাটোক আপোনালোকে মুকলিকৈ সমৰ্থন কৰক যে তেওঁলোকে পাই যাওঁক। আপোনালোকে কেতিয়াবা চৰাইদেউ মৈদামত যাব, তাত গ'লে দেখিব তাত এখন বোৰ্ড আছে যে আমি ইয়াত অহাৰ আগত মৰাণ সকলে ইয়াত বসতি কৰিছিল। যোগেন ডাঙৰীয়া মই ঠিকেই কৈছো নে বোৰ্ডখনত লিখা আছে? তাৰ মানে আহোমসকল অহাৰ আগতো তাত মৰাণসকল আছিল। গতিকে তেওঁলোকৰ কাৰণে আজি ২০২৩ত বসুন্ধৰা দিয়াটো কিমান লাজৰ কথা ভাৱকচোন। তেওঁলোকে আজিৰ পৰা কেতিয়াবাই মাটিৰ পট্টা পাব লাগিছিল। আজি ভুৱন পেগু ডাঙৰীয়াৰ লগত মই কথা পাতিছো, জোনাই, চিলাপথাৰত বড়ো, মিচিংসকলে যুগ যুগ ধৰি বাস কৰি আছে। তেওঁলোকৰ হাতত মাটিৰ পট্টা নাছিল । আমাৰ কাৰণে লাজৰ কথা নহয় জানো? আজি তেওঁলোকে পাওঁক আৰু তাৰ পিছত আমি আমাৰখিনিৰ কাৰণে চেষ্টা কৰিব লাগে। গতিকে ১৩ লাখ আবেদনক লৈ আপোনালোকে বৰ conscious নহ'ব। ধুবুৰী, গোৱালপাৰাত লাখ লাখ মানুহে আবেদন কৰিছে। সেই কাৰণে ১৩ লাখ বুলি কওঁতে ডিব্ৰুগড়, লখিমপুৰ, নলবাৰী বা গোলাঘাটত কোনো বাদ পৰা নাই। ক'ত বাদ পৰিছে, ১৩ লাখ সংখ্যাটো ক'ৰ পৰা আহিছে, ধুবুৰী, গোলাঘাট, গোৱালপাৰা, নগাওঁ, মৰিগাওঁ, এই মানুহখিনিক আমি ইচ্ছা কৰিয়েই দিয়া নাই। কাৰণ বসুন্ধৰা আপোনালোকৰ কাৰণে আনিব লাগিব, চৰকাৰী মাটিত নহয়, মাতব্বৰৰ পৰা মাটিখিনি মুক্তি কৰি। তাৰ কাৰণে ভূমি লেখন হ'ব লাগিব, ভূমি পঞ্জীয়ন হ'ব লাগিব। এই কামবিলাক কৰিব লাগিব আৰু আমি কৰিম কাৰণ চৰৰ মাটিখিনি unadministered কৰি এৰি থৈ দিলে আমাৰে loss. সেইকাৰণে কংগ্ৰেছে কৰিব নোৱাৰা কাম আপোনালোকক এই চৰকাৰে কৰি দিব। আজি যদি গোটেই চৰৰ মানুহখিনি unadministered কৰি ৰাখো, ecology ৰ কাৰণে যিখিনি চৰ লাগিব তাৰ কথা বেলেগ, ইয়াৰ মানুহ লৈ তাত ৰাখি দিম। চৰটো ecology ৰ কাৰণে দৰকাৰ, ব্ৰহ্মপুত্ৰৰ কাৰণে দৰকাৰ, তাক আমি মুকলি কৰি ৰাখিম। মই শেষত এইটো কাৰণে উঠিলো কিয়নো ৰাজ্যপালৰ ভাষণৰ ওপৰত মই ভাষণ দিওঁতে কেৱল বসুন্ধৰাৰ ওপৰত কৈ থাকিবলৈ দিগ্‌দাৰ। বসুন্ধৰাক লৈ কোনো জনজাতীয় লোকৰ ক্ষোভ নাই, কোনো OBC লোকৰ ক্ষোভ নাই, কোনো SC লোকৰ ক্ষোভ নাই। তাৰ মানে যাৰ কাৰণে বসুন্ধৰা আনিছো তেওঁলোকৰ ক্ষোভ নাই। এতিয়া যাৰ ক্ষোভ আছে, তেওঁলোকৰ বাবে বসুন্ধৰা নহয়েই। আজি Leader of the Opposition এ কৈছে, নাজিৰাত যদি কোনো মানুহ বাদ পৰি গৈছে, মই আজিয়েই S.D.O.ক কৈ দিম যে আৰু এখন মিটিং পাতক, LAC পাতক, দি দিয়ক। যদি তিতাবৰত কোনো মানুহ বাদ পৰি গৈছে, মই আজিয়েই ক'ম যে এখন মিটিং পাতক, দি দিয়ক। কিন্তু, বৰপেটা, গোৱালপাৰা, ধুবুৰীত কোৱাৰ পৰিৱেশটো অহা নাই। সেইটো কাৰণে আমি LAC ত কথা পাতিম, আমি চিন্তা কৰিম আৰু মাতব্বৰৰ পৰা মাটিখিনি আমি মুক্ত কৰিবই লাগিব। এইটো হৈছে major কথা। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ।

**শ্ৰী দেৱব্ৰত শইকীয়া, মাননীয় বিৰোধী দলৰ দলপতিঃ** মাননীয় অধ্যক্ষ মহোদয়, বসুন্ধৰাৰ বিষয়ে গোটেইখিনি কোৱাৰ বাবে মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো। মই উপায়ুক্ত মহোয়ক মোৰ সমষ্টিৰ খিলঞ্জীয়া মানুহ বঞ্চিত হোৱাৰ বিষয়ে দিছো। LAC ত দিয়াৰ পিছতো এজন

মানুহক তেওঁৰ ধৰ্মৰ ভিত্তিত আজি দুবছৰ ধৰি বঞ্চিত কৰি থকা হৈছে। মুখ্যমন্ত্ৰীয়ে কোৱাৰ বাবে মুখ্যমন্ত্ৰীৰো দৃষ্টিগোচৰ কৰিম। দ্বিতীয়তে অধ্যক্ষ মহোদয়, বৰ্তমানৰ বিজেপি চৰকাৰে Land Policy, 2019 আনিছিল আৰু সেই Policy অনুসৰিয়েই ৰায়তসকলক অগ্ৰাধিকাৰ দিব লাগে যিটো ১৯৭১ চনৰ Assam (Temporary Settled Areas)Tenancy Act. তো আছে। কিন্তু, নগাওঁ জিলাৰ মিকিৰ বামুণী গ্ৰাণ্টত, মহোদয় আমি জানো যে এটা power company ক মাটি দিয়া হ'ল। তাত ১৯৬০-১৯৭০ চনৰ পৰা বহি থকা জনজাতি, কাৰ্বি জনজাতি, চাহ জনজাতি লোকসকলক তেওঁলোকৰ ৰায়তী খতিয়ান থকাৰ পিছতো তেওঁলোকক বঞ্চিত কৰি গোটেই আইনখন violate কৰা হ'ল আৰু বসুন্ধৰাতো তেওঁলোকে বিচাৰ পোৱা নাই। গতিকে, এই কথাখিনি দৃষ্টিগোচৰ কৰিছো আৰু ভৱিষ্যত সময়ত আপোনাৰ যোগেদি চৰকাৰক পুনৰ দৃষ্টিগোচৰ কৰিম। যিহেতু খিলঞ্জীয়াসকলৰ বাবে বুলি কৈছে। কাৰ্বি ভূমি পুত্ৰ, চাহ জনজাতি, তেখেতেসকলে চৰকাৰৰ আইন অনুসৰি বসুন্ধৰাতে পাব লাগে। কিন্তু, বসুন্ধৰা চলি থাকোতে তেখেতসকলৰ মাটিখিনি কাঢ়ি নি জমীদাৰক দিয়া হ'ল। জমীদাৰে কোম্পানীক বিক্ৰী কৰি দিলে। এই গোটেই কথাখিনি কোৰ্টলৈকে আহিছে। গতিকে, আপোনাৰ যোগেদি মুখ্যমন্ত্ৰী মহোদয়ক দৃষ্টিগোচৰ কৰিছো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ।

**ডঃ হিমন্ত বিশ্ব শৰ্মা, মাননীয় মুখ্যমন্ত্ৰীঃ** অধ্যক্ষ মহোদয়, মই মুখ্যমন্ত্ৰী হৈ থকাৰ সময়ত কোনো power company ক মাটি দিয়া হোৱা নাই। যদি সদনত কোৱা হৈছে, power company টোৰ নাম কৈ দিলে হ'ল। মোৰ দিনত নগাওঁৰ চামগুৰিত মাটি দিয়া হোৱা নাই। কাৰণ মই যি ফাইল clear কৰো মোৰ মনত থাকে। এইটো তথ্যৰ ওপৰত প্ৰতিষ্ঠিত নহয়। ৰায়তৰ মাটি জমিনদাৰক ঘূৰাই দিয়া next to impossible.কোনোবাই যদি এইটো briefing দিছে তেনেহ'লে ভুলকৈ দিছে। নাজিৰা সমষ্টিৰ বিধায়কে মাত্ৰ এজন ব্যক্তিৰ কথা কৈছে। গতিকে ব্যক্তিজনৰ কেচটো inquiry কৰিলে গম পোৱা যাব যে কি গণ্ডগোল আছে। এনেকুৱাতো নহয় মাত্ৰ এজন ব্যক্তিৰ কাৰণে মিছন বসুন্ধৰাটো ফেইল হৈ গ'ল।

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মিছন বসুন্ধৰাটো ফেইল হৈছে বুলি কেতিয়াও কোৱা নাই। মই মাত্ৰ এটা উদাহৰণহে দিছিলো আৰু ২০১৬ চনৰ পৰা ২০২৫ লৈ ভিজন documents ৰ ভিত্তিত মিছন বসুন্ধৰা হৈছে হৰিশংকৰ ব্ৰহ্ম কমিটিৰ ৰিপোৰ্ট। মই সামগ্ৰীকভাৱে BJP চৰকাৰখনৰ কথা কৈছিলো।

**ডঃ হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, ভিজন documents ৰ ভিত্তিত মিছন বসুন্ধৰা হৈছেনে নাই সেইটো মই ক'বলৈ নাযাওঁ। কিন্তু সদনত যেতিয়া কোৱা হয় যে কোনোবা ৰায়তৰ মাটি জমিনদাৰক দি দিয়া হৈছে তাৰবাবে নাম লাগিব।

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি ঃ** মাননীয় অধ্যক্ষ মহোদয়,মই তথ্য সহকাৰে নাম মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক inquiry ৰ বাবে দিম।

**মাননীয় অধ্যক্ষ ঃ** হ'ব।

**ডঃ হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, দুটা কথা। মই সদনত with full sense of authority কৈছো যে মই মুখ্যমন্ত্ৰী হৈ থকাৰ দিনত নগাৱঁৰ চামগুৰিত কোনো পাৰাৰ কোম্পানীক আমি এক বিন্দুও মাটি দিয়া নাই।

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি ঃ** মাননীয় অধ্যক্ষ মহোদয়, চামগুৰিত নহয়, বহৰমপুৰত।

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, বহৰমপুৰতো দিয়া নাই। যোৱা তিনি বছৰত বহৰমপুৰত কোনো মাটি পাৱাৰ কোম্পানীক দিয়াৰ কথাই নুঠে। দ্বিতীয়তে, ৰায়তীৰ মাটি যদি হয়, সেইটো জমিনদাৰৰ তাত যাবই নোৱাৰে কাৰণ আইনেই protect নকৰে। গ'লেই কেঞ্চেল হ'ব। যদি কোনো উদ্যোগ বা চৰকাৰী কাৰ্য্যালয় বনাবৰ কাৰণে মাটি লৈছে তেনেহ'লে ৫ গুন compensation দিহে লৈছো। এনে মাটি লোৱা নাই। যাতে ৰেকৰ্ডটো ভুল নাযায়। সেইকাৰণে মই এইটোৱে অনুৰোধ কৰিম যে মই মুখ্যমন্ত্ৰী হোৱাৰ পাছত কোনো পাৱাৰ কোম্পানীক আমি মাটি আবন্টন কৰা নাই। মোৰ তাত ফাইল আহিলে মোৰ মনত থাকে। মাত্ৰ এজন মানুহৰ মাটিৰ কথাটো কোৱা হৈছে সেইটোও মই চাই দিম যে কিয় হোৱা নাই। মই যোগেন মহন ডাঙৰীয়াক অনুৰোধ কৰিম যে আপুনি LOP ৰ পৰা কাগজখিনি লৈ যদি তেওঁ পাবলগা আছে তেন্তে কৰি দিয়ক আৰু যদি পাব নালাগে LOP লৈ চিঠি এখন লিখি দিয়ক যে তেখেতে কিয় পাব নালাগে। কিন্তু বসুন্ধৰা আলোচনাত এজন ব্যক্তিৰ কথা আনিলে কেনেকৈ হ'ব?

**মাননীয় অধ্যক্ষ ঃ** হ'ব। এতিয়া শ্ৰী প্ৰদীপ চৰকাৰ। BJP আৰু AGP ৰ সময় গুছি গ'ল।

**শ্ৰী প্ৰদীপ চৰকাৰ, ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৰাজহ বিভাগৰ কৰ্তন প্ৰস্তাৱ সন্দৰ্ভত মোক দুআষাৰ কোৱাৰ সুযোগ দিয়া বাবে আপোনাক ধন্যবাদ জনাইছোঁ।

মাননীয় অধ্যক্ষ মহোদয়, বৃটিছ আমোলৰ সময়ৰ পৰাই তেওঁলোকে বনোৱা ৰাজহ আইন মৰ্মে অসমৰ সকলো ৰাজহ সম্পৰ্কীয় কাম-কাজ হয়। অসম যিহেতু নানা জাতি, ধৰ্ম, জনজাতি- জনগোষ্ঠীৰে ভৰা এখন ৰাজ্য, সেই মৰ্মে অসমৰ ভিতৰতো ৰাজহ আইনখন জিলা অনুযায়ী কিছু বেলেগ হয়। যেনে- অভিভক্ত গোৱালপাৰা জিলা, কাছাৰ জিলা, আৰু পাৰ্বত্য জিলা কেইখনত ৰাজহ আইন কিছু বেলেগ। The Assam Land Revenue Regulation 1886 আইন অনুসৰি আজি অসমৰ ৰাজহ বিভাগ চলি আছে। অৱশ্যে সময়ে সময়ে কিছু সংশোধন চৰকাৰে কৰিছে।

ৰাজহ বিভাগে ভূমিক কেইবাটাও শ্ৰেণীত ভগোৱা হৈছে। যেনে- ম্যাদি পট্টাৰ মাটি, একচনীয়া পট্টাৰ মাটি ইত্যাদি। অসমত এনে বহুলোক আছে যাৰ নিজৰ মাটি নাথাকে। ইয়াৰ কাৰণটো হৈছে

মানুহে জীৱন জীৱিকাৰ বাবে বিভিন্ন ঠাইলৈ কামৰ কাৰণে গুচি যায় আৰু সেই ঠাইতে খালী মাটি পালে এটা সৰু ঘৰ সাজি হলেও বসবাস কৰে।

পৰৱৰ্তী সময়ত জনসংখ্যা বৃদ্ধিৰ ফলত সেই চৰকাৰী মাটিত জনবসতি বৃদ্ধি পাই আৰু এখন গাওঁ গঢ়ি উঠে। সেই লোকসকল যিহেতু ভাৰতৰেই নাগৰিক অথবা শিক্ষা-দীক্ষাৰ অভাৱৰ বাবে নিজে দখল কৰি থকা ভূমিদোখৰ চৰকাৰী নে ম্যাদি মাটি নাজানে সেয়ে তেওঁলোকে সেই মাটিৰে ওৰে জীৱন থাকিবলৈ লয়। সেই সকল লোকক মাটিৰ পট্টা প্ৰদান কৰি ন্যায় দিয়াটো অতিকৈ দৰকাৰ। কিন্তু চৰকাৰে মিছন বসুন্ধৰা 2.0 ৰ যোগেদি এতিয়ালৈকে 13,39,605 আবেদনকাৰীৰ ভিতৰত মাত্ৰ 2,29,659 গৰাকী লোকক হে মাটিৰ পট্টাৰ নামত " OFFERS OF SETTLEMENT" দিয়া বুলি মাননীয় ৰাজ্যপাল মহোদয়ৰ ভাষণত দেখা পাইছো। আমি এইটোও নাজানো যে, সেই সকল লোকক পট্টাদাৰ হিচাবে অন্তৰ্ভূক্ত কৰিছে নে নাই? অৰ্থাৎ তেওঁলোকৰ নাম চিঠা বহী নাইবা জমাবন্দীত আছে নে নাই? তাৰোপৰি মিছন বসুন্ধৰাৰ 2.0 পৰা বাদপৰা 11,09,946 জন নাগৰিকৰ বাবে চৰকাৰে পট্টা প্ৰদান কৰিব নে নাই?

অধ্যক্ষ মহোদয়, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগে প্ৰাকৃতিক দুৰ্যোগত

যেনে- বানপানী, গৰাখহনীয়া, ঘূৰ্ণীবতাহ, ধুমুহা, ব্ৰজপাতত ক্ষতি গ্ৰস্থ বা মৃত্যু হোৱা লোকক সাহাৰ্য্য প্ৰদান কৰিব লাগে। এইটো চৰকাৰৰ নিয়ম। কিন্তু বহুলোকে বছৰৰ পিছত বছৰ ধৰি সেই সাহাৰ্য্য পোৱা নাই। এই ক্ষেত্ৰত চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। হাতী মানুহৰ সংঘাতৰ বাবে বহুতো মানুহৰ ঘৰ হাতীয়ে ভাঙি পেলাইছে আৰু মানুহৰো মৃত্যু হৈছে। বহুতে আমাক অভিযোগ কৰিছে যে, সেই সকল ক্ষতিগ্ৰস্থ লোক সকলে চৰকাৰৰ পৰা কোনো সাহাৰ্য্য পোৱা নাই।

চৰকাৰে এইটো স্পষ্ট কৰিব লাগে যে, যি সকল লোকে বসুন্ধৰা ২.০ যোগে ভূমিৰ অধিকাৰ লাভ কৰা বুলি চৰকাৰে ঘোষণা কৰিছে, তেওঁলোকৰ নাম চিঠা আৰু জমাবন্দীত অন্তৰ্ভূক্ত কৰিব লাগে। অসমত ৪.২৭ হেক্টৰ ভূমি গৰাখহনীয়াত নদীত জাহ গৈছে। যি ৰাজ্যখনৰ প্ৰায় ৮ শতাংশ। এই হিচাপত ধৰিলে প্ৰায় ২৫ লাখ লোক গৃহহীন বা ভূমিহীন হৈছে। সেইলোক সকলক বিশেষ আঁচনি গ্ৰহণ কৰি ভূমিৰ পট্টা প্ৰদান কৰাৰ ব্যৱস্থা কৰিব লাগে।

NC Village অৰ্থাৎ যিবোৰ গাওঁৰ Survey হোৱা নাই, সেইবোৰ অতি সোনকালে Survey কৰিব লাগে।

অসম ৰাজ্যখনত বহুতো বনগাওঁ আছে । উক্ত বনগাওঁ সমূহত বসবাস কৰা লোক সকলে ২০০৫ চনত কেন্দ্ৰীয় চৰকাৰে গৃহীত কৰা আইন অনুসৰি ম্যাদি পট্টা পাব লাগে। কিন্তু বন বিভাগ আৰু ৰাজহ বিভাগৰ মাজত সমন্বয়ৰ অভাৱৰ বাবে তেওঁলোকে বসবাস কৰা বনগাওঁ সমূহৰ বাসিন্দা সকলে এতিয়াও মাটিৰ পট্টা পোৱা নাই। চৰকাৰে ব্যৱস্থা হাতত ল'ব লাগে।

মাননীয় অধ্যক্ষ মহোদয়, অসমখন নদ-নদীৰে ভৰপুৰ এখন ৰাজ্য। ব্ৰহ্মপুত্ৰ, বৰাক, আই, মানাহ আদি নদীকে ধৰি প্ৰায়বোৰ নদীয়ে বাৰিষাৰ সময়ত প্ৰৱল বানপানী আৰু গৰাখহনীৰ সৃষ্টি কৰে। বহুতো মানুহৰ ঘৰ-বাৰী নদীৰ গৰাখহনীয়াত ইতিমধ্যে জাহ গৈছে। সেই অঞ্চলৰ সংশ্লিষ্ট ৰাজহ চক্ৰ বিষয়া সকলে লাটমণ্ডলৰ দ্বাৰা জৰীপ কৰি উপায়ুক্ত সকলৰ যোগেদি চৰকাৰলৈ ক্ষতিগ্ৰস্থ লোকসকলৰ ক্ষতিপূৰণৰ বাবে তালিকা প্ৰস্তুত কৰি চৰকাৰলৈ প্ৰেৰণ কৰে। কিন্তু ৰাজহ বিভাগে তেওঁলোকক ক্ষতিপূৰণ দিয়াত বিলম্ব কৰে। তাৰোপৰি বাৰিষাৰ সময় উকলি যোৱাৰ পিছতো নদীৰ দাঁতিকাষৰীয়া অঞ্চলৰ ক্ষতিগ্ৰস্থ লোক সকলক ক্ষতিপূৰণ দিয়াৰ বাবে চক্ৰ বিষয়া সকলে কোনো ব্যৱস্থা হাতত নলয়। এই ক্ষেত্ৰত গৰাখহনীয়া লোক সকলক অতি শীঘ্ৰে ভূমিৰ আৱন্টন দি উপযুক্ত ক্ষতিপূৰণ দিব লাগে।

মাননীয় অধ্যক্ষ মহোদয়, প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ জৰিয়তে গৃহহীন বা দুখীয়া লোক সকলকঘৰ দিয়াৰ ব্যৱস্থা কৰিছে। কিন্তু বহুতো দুখীয়া পৰিয়ালৰ ম্যাদী মাটি নথকাৰ কাৰণে সেই ঘৰসমূহ পঞ্চায়ত আৰু গ্ৰামোন্নয়ণ বিভাগে দিব পৰা নাই। সেয়ে, সেইসকল দুখীয়া পৰিয়ালক চৰকাৰী মাটি পট্টন দি ঘৰ পোৱাৰ ব্যৱস্থা কৰিব লাগে।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ ঃ-** মাননীয় অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰী মহোদয় এখানে নেই। বিশেষ করে কথাগুলো আমি শুনতে পেলাম মুখ্যমন্ত্ৰী মহোদয় এখানে উদারতার কথা বলেছেন। বাঙালি জাতির মত উদার জাতি নেই, আমি একটি কথা বলছি। এইজন্য বলছি, কারণ আজ আপনারা খিলঞ্জিয়ার কথা বলছেন সেই বাঙালি জাতিরা আপনাদেরকে ভোট দিল ভোট দিয়ে সরকার করল। বিশেষ করে বলছি বাঙালি জাতি উদার জাতি। মুখ্যমন্ত্ৰী মহোদয় ইতিমধ্যে খিলঞ্জিয়ার কথা বলেছেন। কিন্তু মুখ্যমন্ত্ৰীর ডেফিনেশন মতে আজ কোন এক কমিউনিটি খিলঞ্জিয়া, কাল অন্য কোন এক কমিউনিটি খিলঞ্জিয়া। তাই আপনারা বসুন্ধরা ২ দিয়েছেন ভালো কথা। কিন্তু এই যে বসুন্ধরা-২ তে আজ আমরা পার্টিশন ভিকটিম। আজ আমরা অন্য কোন দেশ থেকে আসিনি।

আমরা এই দেশেই ছিলাম। আপনারা বাঙালিদের নিয়ে  অনেক বেশি চিন্তা করেন, আপনাদের অনেক ভাবনা, চিন্তাধারা। কিন্তু আজকের দিনে দেখা যাচ্ছে মুখ্যমন্ত্রীর বক্তব্যে বাঙালি সম্বন্ধে কোন কথাও বলেননি। আমি দুঃখের সাথে বলতে চাইছি, আজ অনেক বক্তা বলেছেন যে "সর্বে ভবন্তু সুখিনঃ। সর্বে সন্তু নিরাময়া, সর্বে ভদ্রানি পশ্যন্তু মা কশ্চিদ দুঃখ ভাগ্‌ভবেৎ।" অনেক বক্তা বলেছেন যে বাসুদেব কুটুম্বকম। আপনারা সুশাসনের কথা বলেছেন। আপনারা স্যবকা সাথ স্যবকা ¿ÂßÁËú ÂþßÁ ± ÂËú ËåÃ¼Õ±Âò±ËõÂþßÁËåÃÕ±¿÷ ›¶ŸßÁÂÿ ÂäÂýÃÛýÃÎ û ÂÜü ¸Âþ২ যেগুলো দেওয়া হল, ধরে নিলাম আপনারা বসুন্ধরা-২ দিয়েছেন ২ লক্ষ। কিন্তু সেই বসুন্ধরা-২ তে ১৩ লক্ষ মানুষ যারা আবেদন করল সেই আবেদনে আমার করিমগঞ্জ সমষ্টি থেকে ৩৫০০ মানুষ আবেদন করল সেখানে মাত্র ১২ জনকে দেওয়া হয়েছে। বাকি লোককে দেওয়া হয়নি কারন সেই মানুষগুলি বঙভাষী। সেজন্য দেওয়া হয়নি। কথাগুলো শুধু আমার কথা নয় সমস্ত আসামে একই কথা, একই অবস্থা। তাই গীতার শ্লোক আপনারা বিধানসভায় বলেন। কিন্তু গীতার শ্লোককে বাস্তব অর্থে মানুষের জন্য কাজে লাগানোর প্রয়াস আপনাদের মধ্যে আমি দেখতে পারছিনা। এবং . আমি মনে করি আজকের দিনে একটি ছেলেকে যদি বলা হয় আপনি মাষ্টার হবেন, না আমিন হবেন? ছেলেটি বলবে  আমি আমিন  হব। কারন প্রত্যেকটি জায়গায় সার্কেল অফিসে যেভাবে স্কেম চলছে যে পারিবেশ গড়ে তোলা হচ্ছে আমি মনে করি সেই কথাগুলো আপনাদের অনুধাবন করতে হবে। অনেক সুন্দর সুন্দর বক্তব্য দেওয়া হল  কিন্তু সেই বক্তব্যে আমাদের মনুষের কোন উপকার হয়নি। আপনারা বিশেষ করে বলব যে বসুন্ধরা-২ করছেন, কিন্তু যে বা যারা পার্টিশন ভিক্টিম সেই বঙভাষীর সমস্যা ১ শতাংশও সমাধান করতে পারেননি। একজনকেও পাট্টা দেওয়া হয়নি। সেই পলিসি গত ভাবে আমি বলছি, বিশেষ করে দেখা যায় যদি এই ডিডিএম এর মিটিং বলুন বা এসডিআরএফ এর নর্মস মতে ঘর যখন ইরোশন হয় সে জায়গায় দেখা যায় যে এসডিআরএফ র নর্মস মতে টাকা দেওয়া দরকার। কিন্তু দেখা যায় ডিসির ফান্ডে টাকা নেই। আসলে কি হয় সরকার যে জায়গায় ট্রেসারি ব্রাঞ্চে আছেন, আমরা একসময় ট্রেসারি ব্রাঞ্চে ছিলাম। কিন্তু সেখানে থাকা অবস্থায় যখন শাসক দলে আমরা ছিলাম বিরোধীদলকে আমরা কটাক্ষ করতাম। আজ  বুঝতে পারছি সেই সময় যদি আমরা  সত্যি কথা বলতাম হয়তো বা আজ এই জায়গায় থাকতে হত না। তাই আমি বলছি আপনারা যেভাবে অন্যায় করছেন এবং যেভাবে খিলঞ্জিয়া খিলঞ্জিয়া করছেন কিন্তু খিলঞ্জিয়া সংঙা হচ্ছে যে আপনারা যাকে চান সে-ই খিলঞ্জিয়া। আপনারা যাকে মনে করেন সে-ই খিলঞ্জিয়া। হঠাৎ বলবেন দেশী খিলঞ্জিয়া,একবার বলবেন জলহা খিলঞ্জিয়া, একবার বলবেন বর্হিকমিটি খিলঞ্জিয়া। সেটা হয় না। যারা আপনাদেরকে ক্ষমতা দিল আজ এখানে বসে যারা আপনারা বক্তব্য দিচ্ছেন সেই বঙভাষীর সমস্যা আপনারা ১ শতাংশও সমাধান করতে পারেননি। অধ্যক্ষ মহোদয়, আমি বলব যে মানুষের জন্য কাজ করুন মানুষের হীতের জন্য কাজ করুন। সেই বঙভাষীর সমস্যা এক সমস্যা নয়, হাজার হাজার সমস্যা। সেই কথাগুলো বলে আমার বক্তব্য শেষ করছি।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া শ্বেৰমান আলী আহমেদ।

**শ্ৰীশ্বেৰমান আলী আহমেদ** ঃ মাননীয় অধ্যক্ষ মহোদয়, প্ৰথমে মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক এটা আশ্বাস দিব খুজিছো যে সংখ্যালঘু সমাজৰ বা মিঞা সমাজৰ যি সংস্কাৰ আপুনি কৰিব খুজিছে সেয়া Child marriage ৰ বিৰুদ্ধে হোৱা অভিযানে হওঁক, সেয়া drugs ৰ বিৰুদ্ধে হোৱা অভিযানে হওঁক, সেয়া মাদকদ্ৰব্যৰ বিৰুদ্ধে হোৱা অভিযানে হওঁক, সেই সকলো অভিযানত

আমাৰ ফালৰ পৰা পূৰ্ণ সমৰ্থন থাকিব, যাতে সমাজ খন সংস্কাৰ হয়। দ্বিতীয়তে, মাননীয় মুখ্যমন্ত্ৰী মহোদয়, আপুনি নিশ্চয় শুনি আছে আৰু কেইটামান কাম কৰিব লাগে এই সংখ্যালঘুৰ সমাজত সংস্কাৰৰ কাৰণে। গাঁৱে গাঁৱে যধে মধে সাংস্কৃতিক সন্ধিয়া, বানিজ্যমেলাৰ নামত জুৱা খেলা চলি আছে, পৰীক্ষাৰ সময়ত, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক মই ইয়াৰ পৰা অনুৰোধ জনাইছো যে সংখ্যালঘু সমাজত যধে মধে চলা বানিজ্য মেলা সাংস্কৃতিক সন্ধিয়া, নাঁও খেল যেতিয়া তেতিয়া পাতা এই বোৰ বন্ধ কৰিব লাগে। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ জ্ঞাতাৰ্থে মই জনাব খুজিছো যে আপুনি কলে দুটা family যুগ্য হোৱা সত্বেও বাদ পৰা কাৰণে আপুনি District Ministerক যোগাযোগ কৰাৰ কথা কলে। মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক আমাৰ Education Departmentৰ efficiency সম্পৰ্কে জনাব খুজিছো।

**মাননীয় অধ্যক্ষ ঃ** নাই নাই এইটো Cut Motion Land and Revenue ৰ। আপুনি Governor Address ত কব এইবিলাক কথা। আপুনি Governor Address ত সব মিলাই কৈ দিব। ঠিক আছে, এতিয়া নালাগে। এতিয়া মাননীয় মন্ত্ৰী।

**শ্ৰীযোগেন মহন, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, Grant No.6 'Land and Revenue' ৰ ওপৰত আমাৰ যি Cut Motion আমি ১১৫২৭৯০০০ এটা supplementary demand বিচাৰিছিলোঁ তাৰ Cut Motionত অংশ গ্ৰহণ কৰা আমাৰ আব্দুৰ ৰশিদ মণ্ডল সন্মানীয় বিধায়ক চিৰাজুদ্দিন আজমল, মনোৰঞ্জণ তালুকদাৰ ডাঙৰীয়া, নুৰুল হুদা, আশ্ৰাফুল হুছেইন, অখিল গগৈ, প্ৰদীপ সৰকাৰকে আদি কৰি আমাৰ শ্বেৰমান আলী আহমেদ ডাঙৰীয়া লগতে আমাৰ সন্মানীয় বিধায়ক তেৰছ গোৱালা, সন্মানীয় ৰমেন্দ্ৰ নাৰায়ণ কলিতাকে আদি কৰি গোবিন্দ বসুমতাৰী, দিপায়ণ চক্ৰৱৰ্তী, দুৰ্গাদাস বড়ো,গনেশ কুমাৰ লিম্বু আৰু কমলাক্ষ দে পুৰকায়স্থ, দেৱব্ৰত শইকীয়া মই আটাইকে ধন্যবাদ জনালো। আজিৰ বিষয় ইতিমধ্যে সন্তেক আগতে মাননীয় মুখমন্ত্ৰী মহোদয়ে গোটেই বিষয়খিনি clear কৰি গৈছে আৰু আপোনালোকে নিশ্চয় তাত সমৰ্থনো জনাইছে, আৰু মই এই Grant ত এই বিচৰাতো হ'ল কিছু Circle office প্ৰায় ৩৮ জন ঠিকাদাৰে ২০১৯-২০ বৰ্ষতে চাৰ্কোল অফিচ কিছুমান repairing কৰিছিল renovation, extension আছিলে এনেধৰণৰ কাম খুব বেছি বেছি পইচা নাছিল তেওঁলোকৰ, ১৯ লাখ, ২০ লাখ এনে ধৰণৰ, এইটো pending থকা proposal টো আমি যিহেতু CF ল'ব নোৱাৰো কাৰণ Governor ছাৰৰ এইটো আছে আমাৰ Assembly declare দিয়াৰ পিছত আমি সেই কাৰণে SD ত আনিব লগীয়া হ'ল। মূল কথাটো হ'ল সেইটোৱে গতিকে এই টকাটো আমি এই ঠিকাদাৰ সকলক গড়কাপ্তানী বিভাগত দিব লাগে তাৰ কাৰণে আমি এই এচ ডি বিচাৰিলো। ইতিমধ্যে আমি দেখিছো এই Mission Basundharaৰ ওপৰত আপোনালোকে যেনে ধৰণে ভাৱিছিল আপোনালোকৰ মনৰ ধাৰণা বোৰ কিছু ইতিমধ্যে clear হৈছে। আমি Mission Basundhara 1 and 2 দুয়োটাই আমাৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই এটা বিশেষ পদক্ষেপ যাতে আমি ভূমি সংস্কাৰৰ জৰিয়তে খিলঞ্জীয়া মানুহক আমি ভূমিৰ পট্টা দিব পাৰো। আমি প্ৰথম বসুন্ধৰা ১ টো আপোনালোকে জানে, বসুন্ধৰা ১ ক ত আমি প্ৰায় ২০২১ চনৰ ২ অক্টোবৰত আমি আৰম্ভ কৰিছিলো তাত ইমান application আহিছিল ৮ লাখৰ ওপৰত আহিছিল। ৮১৩৯৮১ খন application আহিছিল, আৰু তাৰ পৰা আমি dispose কৰিলো ৫৮৮৪৪৮ খন application. ইমান তাত family য়ে এই মিছন বসুন্ধৰা ১ ত লাভবান হ'ল। তেওঁলোকৰ উত্তৰাধিকাৰী সূত্ৰে নামজাৰী দলিল সূত্ৰে নামজাৰী, unnecessary নাম তাত আছিল সেইখিনি delete কৰা হ'ল।

এনেধৰনৰ ৯ টা বিষয় আছিল বসুন্ধৰা-১ ত। আমি যেতিয়া -২ আৰম্ভ কৰিলো, -২ ত আমি যিখিনি স্পেচিয়েলী বিষয় লৈছিলো, এইখিনিৰ ভিতৰত বিশেষকৈ VGR, PGR থকা কোনোবাক যদি চৰকাৰে সংস্থাপন দি থৈছে তেওঁলোকক allotment দিয়া ceiling surplus ত যদি কোনোবাই বসবাস কৰি আছে তেওঁলোকক মাটিৰ পট্টা দিয়া এনে ধৰণে প্ৰায় ১৩লাখ ৩৯হাজাৰ আবেদন আহিলে আৰু তাৰ ভিতৰত আমি ২ লাখ ২৯ হাজাৰ ৬শ ৫৯ খন এপ্ৰভ কৰা হ'ল। এই এপ্ৰভটো ডি চিৰ জৰিয়তে আহিছে। আপোনালোকৰ এচ ডি এল এ চি ৰ মিটিং ২,৩ খনকৈ হৈছে আমি চৰকাৰে ইনষ্টাকশ্য ৩০ মাৰ্চত আমি দিছিলো। আকৌ যদি আৰু কাৰোবাক দিব পাৰি নেকি তাৰ কাৰণে আকৌ সময় বঢ়াই দিয়া হ'ল। আমি এতিয়া ২ লাখৰ ওচৰা ওচৰি পৰিয়ালে ইতিমধ্যে প্ৰিমিয়াম জমা দিছে, আৰু এতিয়া ২৯ হাজাৰ পৰিয়ালে বাকী আছে। আমি ১৫ তাৰিখলৈ এতিয়া সময়টো বঢ়াই দিলো আৰু যদি কাৰণ যদি প্ৰিমিয়াম দিব পাৰে তেওঁলোকক আমি অহা ১৬ তাৰিখৰ পৰা চিৰিমনিয়েলি আমি পট্টা দিয়াৰ ব্যৱস্থাটো কৰিম। প্ৰত্যেকখন জিলাত মন্ত্ৰী যাব। বিধায়ক সকল থাকিব, তেওঁলোকক আমন্ত্ৰন কৰি আমি তেওঁলোকক ধুনীয়াকৈ চাহ তামোল খুৱাই পট্টাখন হেণ্ডঅভাৰ কৰিম। যাতে ইয়াত কোনো কৰাপশ্যন থাকিব নোৱাৰে। আগতে পট্টা দিয়াৰ নামত কিমান টকা পইচাৰ লেণ্ডদেন হয়, মানুহে বছৰ বছৰ ধৰি পট্টা নাপাইছিল এতিয়া চৰকাৰে নিজে মিছন কৰি, মিছন মানে আপোনালোকে জানে এটা নিৰ্দীষ্ট সময়ত আৰম্ভ কৰিব আৰু এটা নিৰ্দীষ্ট সময়ত শেষ হ'ব। মিছন মোডত কাম কৰিব অফিচাৰ সকলে বেলেগ কোনো কামত হাত দিব নোৱাৰিব এই মিছনটো সম্পুৰ্ণ নোহোৱালৈকে। গতিকে এনেধৰণে এই ৰিৰ্ফমটো এটা ডাঙৰ ক্ৰেডিট অসম চৰকাৰৰ । আপোনালোকে মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ দিব লাগে। কোনেও কৰিব নোৱাৰা এটা কাম আমাৰ চৰকাৰখনে এই আঢ়েটা বছৰত এইখিনি কাম কৰিবলৈ সক্ষম হৈছো। ইয়াৰ পৰৱৰ্তী পৰ্য্যায়ত যিখিনি কাম থাকি গ'ল সেইখিনি ৰিজেক্ট বুলি কৈ থৈছো এতিয়া সদ্যহতে কিন্তু তেওঁলোকৰ কাৰণেও পলিচি ওলাব। এই যে বাকী ১১ লাখ থাকি গ'ল তেওঁলোকক আমি পৰৱৰ্তী পৰ্য্যায়ত, বহুতেই ভি জি আৰ, পি জি আৰ ত থাকি গ'ল, এই ভি জি আৰ, পি জি আৰৰ কাৰণে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কৈ গৈছে যে কিবা এটা আমি পলিচি উলিয়াম। সেই পলিচি ৰিৰ্ফম এক্ট কৰি হলেও তেওঁলোকক দিয়াৰ এই চৰকাৰৰ হাতত লক্ষ্য আছে। মিছন বসুন্ধৰা -৩ ও আমি সোনকালে আৰম্ভ কৰি দিম। এনেধৰণে আমাৰ অসমত বসবাস কৰা প্ৰতিটো জাতি জনগোষ্ঠী সকলোকে মাটিৰ পট্টা দিয়াৰ ব্যৱস্থা কৰিম। মাটিটো কেৱল সম্পদ নহয় ই হ'ল গৌৰৱৰ প্ৰতীক, আত্মসন্মানৰ প্ৰতীক। আপোনালোকে চাওঁক এতিয়া চৰকাৰৰ মাটিৰ ইমান প্ৰয়োজন আছে, আজি ক'ৰবাত উদ্যোগ লাগে, ক'ৰবাত চৰকাৰী কলেজ লাগে, ৰাজহ বিভাগৰ পৰাও আহে যে অমুক প্ৰজেক্ট কৰিবৰ বাবে আমাক মাটি লাগে। এতিয়া ধুবুৰীত চলাৰ প্ৰজেক্ট কৰিবৰ কাৰণে এহেজাৰ বিঘা মাটি আমাক লাগে। তাতো আমি চেষ্টা কৰি আছো। ডি চি ক কৈছো, যে চলাৰ প্ৰজেক্টটো লাগে কাৰণ বিদ্যুতৰ নাটনি হৈ আছে। এনেধৰণে আমি ধুবুৰীটো এইদৰে কথা পাতি আছো। ফৰেষ্টৰ মাটি ভি জি আৰ, পি জি আৰৰ মাটি চৰকাৰৰ মাটিৰ ৰক্ষণা বেক্ষন দিয়াটো চৰকাৰৰ দায়িত্ব। এই ক্ষেত্ৰত সকলোৰে সমৰ্থন জনোৱাটো ভাল। এতিয়া আধুনিক যুগ কিমান ধৰণৰ উদ্যোগ আহি আছে, এই গোটেই কথাখিনি আপোনালোকে বুজিছে, আপোনালোক প্ৰত্যেকজনেই এচ ডি এল এ চি ৰ মেম্বাৰ। প্ৰপোজেলটো এচ ডি এল এ চি ত পাছ হৈহে চৰকাৰলৈ আহে। এতিয়া আপোনালোকে এইখিনি ক্ষেত্ৰত ডি চি য়ে হওঁক বা চাৰ্কোল অফিচাৰে হওঁক আপোনালোকেই যিহেতু এখন বোৰ্ড। এনেধৰণে এচ ডি এল এ চি ত আপোনালোকে বহি কথাখিনি ক্লিয়াৰ কৰি

চৰকাৰলৈ আহিব লাগে। আমাৰ অভিভাৱক মন্ত্ৰী সকল আছে, তেওঁলোকে চাবগৈ আপোনালোকে যদি কিবা অসুবিধা পাই আছে সেইখিনি জনালে আমি সেইখিনি বিবেচনা কৰিম। মুখ্যমন্ত্ৰী মহোদয়ৰ আগ্ৰহ আছে, গতিকে আমি ভাবো এতিয়ালৈকে অসমত প্ৰায় ৫০ লাখৰ ওপৰৰ মানুহৰ মাটিৰ পট্টা আছিল এতিয়া আৰু দুই লাখ বাঢ়ি গ'ল। এনেদৰে ৫২ লাখ ৫৩ লাখ গৈ থাকিব। এনেদৰে আমি মানুহক মাটিৰ পট্টা দি মানুহৰ এজন নাগৰিকত্বৰ অধিকাৰটো সাব্যস্ত কৰিবলৈ বিচৰা এই চৰকাৰৰ এক পদক্ষেপ। গতিকে এই পদক্ষেপক আপোনালোক সকলোৱেই সহায় সহযোগ ৰাখিব বুলি আশা ৰাখিছো। ইয়াত কোনো বিশেষ সম্প্ৰদায় বুলি কেইবাজনো সন্মানীয় বক্তাই কৈছে। কিন্তু এটা বিশেষ শ্ৰেণীয়ে পোৱা নাই যিয়ে ডুকুমেন্ট বিলাক ভালকৈ দিব পৰা নাই। চৰকাৰে বিছৰা ডুকুমেন্ট বিলাক যি সকলে ভালকৈ দিব পৰা নাই সেইখিনি নিদিয়াৰ কাৰণে বহুত ৰিজেক্ট হৈছে। ক'ৰবাত মাটি আছে, কাৰোবাৰ ইনকাম বহুত বেছি তেনেকুৱা মানুহ বিলাকে সাধাৰনতে ৰিজেক্ট হৈছে। গতিকে এনেকুৱা খিলঞ্জীয়া ভূমিহীন এই শব্দকেইটা মুখ্যমন্ত্ৰী মহোদয়ে যেনেদৰে কৈ গৈছে, এইখিনি যদি আপোনালোকে চাই তেতিয়া হলে একেবাৰে যোগ্য পাবলগীয়া ব্যক্তি এইখিনি প্ৰায় ২ লাখ ২৯ হাজাৰ মানুহে পাইছে, আৰু পৰৱৰ্তী সময়ত বসুন্ধৰা -৩ ত বাকী সকলে পাব পৰাকৈ আগবঢ়াই দিম। মুখ্যমন্ত্ৰী মহোদয়ে গোটেই কথাখিনি ক্লিয়াৰ কৰিছে, মই বিৰোধীৰ এই প্ৰস্তাব আপোনালোকে যিটো প্ৰস্তাৱ কাটমোছনত আনিছে এইটো আপোনালোকে উঠাই ল'ব নেকি তাকে অনুৰোধ জনাই মোৰ বক্তব্য সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী বসন্ত দাস, বিধায়ক (মঙ্গলদৈ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা উল্লেখ কৰিব খুজিছো যে মাননীয় মন্ত্ৰী মহোদয়, আপোনাৰ যিখিনি মানুহ প্ৰিমিয়াম দিবলৈ বাকী আছে, তাতে আপুনি চাব যিটো মিউনিচিপালিটি এৰিয়া আৰু peripheral area তাতে বেছি মানুহে প্ৰিমিয়াম দিব পৰা নাই। অৰ্থাৎ টাউনত থকা যিখিনি বি পি এল মানুহ আছে মোৰ মঙ্গলদৈ টাউনৰ **১০** নং ৱাৰ্ডত ঘৰ তাতে প্ৰিমিয়াম হ'ল যিটো চৰকাৰী ৰেটতকৈ বেছি **১** কোটি **১০** লাখ টকা। **১** কোটি **১০** লাখ টকা হ'লে এক কঠা মাটিত এজন বিপিএল মানুহে ২০ লাখ টকাৰ পৰা ২৫ লাখ টকা দিব লাগে। বি পি এল মানুহে টাউনত প্ৰিমিয়ামটো দিব নোৱাৰে। অলপ ৰিভিউ কৰা ভাল, আৰু যিহেতু আপোনালোকে খিলঞ্জীয়াৰ কথা কৈছে, ভূমিপুত্ৰৰ কথা কৈছে, যি সকল অনুসূচীত জাতিৰ লোক, অনুসূচীত জাতিৰ খিলঞ্জীয়া যি সকল লোক আছে তেওঁলোকৰ কাৰণে আপোনালোকে ৫০ শতাংশ ৰেহাই দিয়ে তেতিয়া হ'লে ভাল হ'ব বুলি মই ভাবিছো, এই দুটা পৰামৰ্শ মই আগবঢ়ালো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰীযোগেন মোহন, ৰাজহ মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয় প্ৰিমিয়ামটো আমি গাৱত ৫০০ টকা প্ৰিমিয়াম হয় আমি সেইটো ১০০ টকা কৰি দিছো। ৰুৰেলত ১০০ টকা কিন্তু আৰবানত আমাৰ যিটো মিউনিচিপালিটি এৰিয়া কৈছে আপুনি আৰবানত হ'লে জৰনেলভেলু ৰ ওপৰত যদি আপোনাৰ আৰ চি চি ঘৰ আছে ১০০ শতাংশ, যদি আছাম টাইপৰ ঘৰ আছে ৩০ শতাংশ, আৰু যদি জুপুৰী ঘৰ হয় ১০ শতাংশ মাত্ৰ। সেই শতাংশটোৱেই এচ চি এচ টি ৰ কাৰণে ২০ শতাংশ ৰেহাই আছে। আপোনাৰ যিটো প্ৰিমিয়াম হৈছে তাত মাত্ৰ ৩০ শতাংশ দিলেই হ'ব। বাকীখিনি ৫ বছৰলৈকে আপুনি দিব পাৰিব। পলিচিটোতেই আছিল আমাৰ, সেইখিনি আমি বিবেচনা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, ঠিক আছে, সেইখিনি মন্ত্ৰী ডাঙৰীয়াই বিবেচনা কৰিম বুলি কলে।

**শ্ৰী আব্দুৰ ৰচিদ মণ্ডল, বিধায়ক ঃ** মাননীয় অধ্যক্ষ মহোদয় মন্ত্ৰী ডাঙৰীয়া, মুখ্যমন্ত্ৰী ডাঙৰীয়াই

যিখিনি কথা কৈছে, তাত ক'বলগীয়া একো নাই। কিন্তু অলপমান ক্লিয়াৰিফিকেশ্যনৰ প্ৰয়োজন আছে, আমাৰ মন্ত্ৰী ডাঙৰীয়াই যিখিনি পইচাৰ প্ৰয়োজনীয়তাৰ কথা কৈছে তাত আপত্তি কৰিবলগীয়া নাই। মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছিল, নৰমেল এচ ডি এল এ চি ৰ কাম কাজৰ ক্ষেত্ৰত কোনো আপত্তি নাই । ৰাজহ মন্ত্ৰী ডাঙৰীয়াক মই অনুৰোধ কৰিছো, মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছে বসুন্ধৰাত জেনেৰেল মানুহৰ প্ৰভিজন নাই। কেৱল এটা উদাহৰণ দি থওঁ ২০০৬ চনত লেণ্ড এডভাইচাৰি বোৰ্ডে লোৱা সিদ্ধান্ত অনুসৰি গোৱালপাৰা জিলাত এই সাধাৰন মানুহৰ কাৰণে এতিয়া ২০২৪ চন । যিটো মুখ্যমন্ত্ৰী মহোদয়ে কৈছে যে ড্ৰিষ্টিক লেণ্ড এডভাইচেৰী কমিটিত সাধাৰন মানুহক মাটিৰ আৱন্টন দিব পাৰে, তাত বাধা দিয়া নাই। ২০০৬ চনত নবেম্বৰ মাহত গোৱালপাৰা ড্ৰিষ্টিক লেণ্ড এডভাইচেৰী বোৰ্ডে লোৱা সিদ্ধান্ত ২০২৪ চনলৈকে কিন্তু ড্ৰিষ্টিক এডমিশ্যনে পালন কৰা নাই এতিয়ালৈকে৷ কিন্তু পালন কৰা নাই। গড়াখহনীয়া অঞ্চলৰ মানুহৰ মাটিৰ আৱন্টন আৰু গোৱালপাৰা জিলাত বসুন্ধৰাৰ কাৰণে সাধাৰন মানুহৰ আৱন্টন totaly stop হৈ আছে। মুখ্যমন্ত্ৰীয়ে কৈছে এইটো stop কৰা হোৱা নাই। গতিকে এই কথাখিনি মই ৰাজহ মন্ত্ৰী ডাঙৰীয়াক অৱগত কৰিলো।

**माননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী যোগেন মোহন, ৰাজহ মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টো অলপ চেপাৰেট তাতে ৬০০ কিমান জনৰ আছিল । কিন্তু এটা পাৰ্টক দিয়া হ'ল। ডি চি ৰ লগত আমি কথা পাতিছো, কাৰন বন্ধ মানে মিছন বসুন্ধৰাটো শেষ হোৱাৰ পাছত normal process আৰম্ভ হ'ব। বসুন্ধৰা চলি থাকোতে normal process ও চলি থাকিলে দুয়োটা খেলি মেলি হৈ যায়।

**শ্ৰী আব্দুল ৰছিদ মণ্ডল ঃ** গোৱালপাৰা জিলাত এতিয়া এই বসুন্ধৰা আঁচনিৰ কাৰণে সাধাৰণ মানুহৰ আবন্টন বন্ধ হৈ আছে যিটো মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এইটো বন্ধ কৰা হোৱা নাই বুলি কৈছে। গতিকে এই কথাখিনি মই মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ৰ কৰ্ণ গোচৰ কৰিছো।

**শ্ৰী যোগেন মহ'ন, ৰাজহ মন্ত্ৰী ঃ** গোৱালপাৰাৰ বিষয়টো অলপমান বেলেগ। তাতে ৬০০ মান আছিল। তাৰ এটা পাৰ্টক দিয়া হ'ল।

**শ্ৰী আব্দুল ৰছিদ মণ্ডল ঃ** ৬০০ জনৰ ভিতৰত মাত্ৰ ৩০ জনক দিছে। ১৯ বছৰত মাত্ৰ ৩০ জনক দিছে।

**শ্ৰী যোগেন মহ'ন, ৰাজহ মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি ডি.চি ৰ লগত কথা পাতিছো। মিশ্যন বসুন্ধৰা শেষ হোৱাৰ পিছত নৰমেল প্ৰচেচটো আৰম্ভ হ'ব। দুইটা একেলগে হ'লে খেলিমেলি হৈ যায়। আমাৰ যিহেতু ১৫ তাৰিখে শেষ হ'ব, তাৰ পৰৱৰ্ত্তী সময়ত SDLAC বহাই নৰমেল প্ৰচেচটো আৰম্ভ কৰিব পাৰিব। নৰমেল প্ৰচেচটো আইন সংগত ভাৱে ১৮৮৬ াইন সমূহৰ মতে চলি থাকিব। আমি স্পেচিয়েলী কেৱল যিসকলৰ শ শ বছৰ ধৰি মাটি পট্টা নাই তেওঁলোকৰ বাবে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এই বসুন্ধৰা আঁচনিৰ ব্যৱস্থা কৰিছে।

**শ্ৰী আব্দুল ৰছিদ মণ্ডল ঃ** আমি PRF ক বসুন্ধৰা আঁচনিত দিয়াৰ কথা কোৱা নাই। হয়তো মোৰ কোৱাত বা বুজাত অসুবিধা হ'ব পাৰে। সেই সময়ত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে গোৱালপাৰা ভিজিটত আৰু ভিডিঅ' কনফাৰেন্সত তেখেতে এইখিনি সমাধান কৰাৰ বাবে কৈছিল বাবে কৈছিলো। মই PRF খনক de-reserve কৰি হ'লেও গৰাখহনীয়া গ্ৰস্ত ভূমিহীন পৰিয়ালক আবন্টনৰ কথাহে কৈছিলো। গতিকে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যিহেতু PRF ক বসুন্ধৰালৈ বুলি কৈছে এই কথাটো জানিব বিচাৰিছো। আৰু এটা কথা আছিল যিটোৰ উত্তৰ মই পোৱা নাই। ৰেভিনিউৰ মাটিত গোৱালপাৰা জিলাত চৰকাৰে আবন্টন নিদি eviction কৰি আছে। তাৰ ৰিপ্লাই কিন্তু মন্ত্ৰী

মহোদয়ৰ পৰা পোৱা নাই।

**শ্ৰী যোগেন মহ'ন, ৰাজহ মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰী মাটি যদি কোনোবাই অবৈধ ভাৱে দখল কৰি আছে তেতিয়া উচ্ছেদ হ'বই।

**শ্ৰী আব্দুল ৰছিদ মণ্ডল ঃ** যেতিয়া মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে সকলো বিধায়ক আৰু SDLAC ৰ লগত ভিডিঅ' কনফাৰেন্স কৰিছিল তেতিয়া তেখেতে আশ্বস্ত কৰিছিল।

**মাননীয় অধ্যক্ষ ঃ** এই গোটেই বিষয়টো মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে আপোনালোকৰ লগত আলোচনা কৰিম বুলি কৈছে।

**শ্ৰী আব্দুল ৰছিদ মণ্ডল ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টোৰ মাননীয় মন্ত্ৰী মহোদয়ৰ উত্তৰত যদিও পোৱা নাই তথাপিও আমি আমাৰ কৰ্তন প্ৰস্তাৱটো উইদ্ৰ কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। শ্ৰী হাফিজ বছিৰ আহমেদ।

**শ্ৰী হাফিজ বছিৰ আহমেদ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয় তথা আমাৰ মাননীয় মুখ্যমন্ত্ৰী সমন্বিতে যি স্পষ্টিকৰণ দিলে, সেইখিনি কাৰ্য্যকৰী কৰিব বুলি আশা ৰাখি আমি আমাৰ কৰ্তন প্ৰস্তাৱটো উইদ্ৰ কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। প্ৰস্তাৱত মাননীয় বিধায়ক শ্ৰী অখিল গগৈ আৰু শ্বেৰমান আলী আহমেদ ডাঙৰীয়াৰ প্ৰস্তাৱ আছিল। মাননীয় বিধায়ক শ্ৰী অখিল গগৈ ডাঙৰীয়া সদনত অনুপস্থিত। এতিয়া শ্ৰী শ্বেৰমান আলী আহমেদ।

**শ্ৰী শ্বেৰমান আলী আহমেদ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মোৰ প্ৰস্তাৱটো উইদ্ৰ কৰলো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। কৰ্তন প্ৰস্তাৱ পাঁচটা প্ৰত্যাহাৰত সদনৰ সন্মতি আছেনে?

সকলোৰে সন্মতি আছে। সদনৰ সন্মতি ক্ৰমে কৰ্তন প্ৰস্তাৱ কেইটা প্ৰত্যাহাৰ কৰা হ'ল। মই এতিয়া মঞ্জুৰী প্ৰস্তাৱটো অনুমোদনৰ বাবে সদনত দাঙি ধৰিলো। মঞ্জুৰী প্ৰস্তাৱটো হ'ল -

২০২৪ চনৰ ৩১ মাৰ্চত শেষ হ'বলগীয়া বছৰটোৰ কালচোৱাত কেতবোৰ ব্যয় বহন কৰিবলৈ মঞ্জুৰী নং ৬ ত ভূমি ৰাজহৰ ক্ষেত্ৰত ভাৰপ্ৰপ্ত মন্ত্ৰীক অতিৰিক্ত ১১ কোটি ৫২ লাখ ৭৯ হাজাৰ টকা মঞ্জুৰ কৰিব লাগে।

যিসকল প্ৰস্তাৱটোৰ সপক্ষে আছে কওঁক 'হয়'

যিসকল প্ৰস্তাৱটোৰ বিপক্ষে আছে কওঁক 'নহয়'

মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,

প্ৰস্তাৱটো গৃহীত হ'ল। দাবী মঞ্জুৰী নং ৬ টো গৃহীত হ'ল।

এতিয়া আমাৰ যিহেতু আলোচনা কৰিবলৈ সময় নাই, গতিকে আমাৰ যিমানখিনি কথা আছিল, গ্ৰাণ্ট আৰু প্ৰস্তাৱ আছিল সেইখিনি গিলেটিনত দিয়া হৈ গ'ল।

মাননীয় সদস্য সকল মাননীয় ৰাজ্যপাল মহোদয়ে ২০২৩-২৪ চনৰ পৰিপূৰক দাবী সমূহৰ বাবে উত্থাপন কৰাৰ পৰামৰ্শ দিছে আৰু সেই অনুসৰি অনুদানৰ বাবে বাকী থকা দাবী সমূহ উত্থাপন হ'ল। মই এতিয়া ২০২৩-২৪ বৰ্ষৰ অনুদানৰ বাবে বাকী থকা পৰিপূৰক দাবী সমূহো ভোটৰ বাবে সদনত ৰাখিলো। প্ৰশ্নটো হ'ল যে - বিধান সভাত ৫ ফেব্ৰুৱাৰী, ২০২৪ তাৰিখে ২০২৩-২৪ বৰ্ষৰ বাবে উত্থাপন কৰা পৰিপূৰক দাবী-মঞ্জুৰীৰ বিবৃতিৰ পঞ্চম স্তম্ভ সূচাংক ১ ত উল্লেখ কৰা ৰাজহ আৰু মূলধনী শিতানৰ ধন অতিক্ৰম নকৰাকৈ ২০২৩-২৪ বৰ্ষৰ বাবে অতিৰিক্ত ধাৰ্য্য কৰা ধনৰাশি ৰাজহৰ একত্ৰিত পুঁজিৰ পৰা ভাৰপ্ৰাপ্ত মন্ত্ৰী সকলক প্ৰদান কৰা হ'ব। যাতে ২০২৪ চনৰ ৩১ মাৰ্চ তাৰিখত সমাপ্ত হ'বলগীয়া বছৰটোৰ ভিতৰত পৰিশোধনৰ সময়ত

আহিব লগীয়া কিছুমান ব্যয় তলত উল্লেখ কৰা মঞ্জুৰী সমূহৰ অন্তৰ্ভুক্ত বহন কৰিব পাৰে। মঞ্জুৰী নং ২,৩,৪,৭,৯,১০,১১,১২,১৩,১৪,১৫,১৬,১৭,১৮,১৯,২১,২২, ২৫, ২৬, ২৭, ২৯, ৩০, ৩১, ৩৪, ৩৫, ৩৬, ৩৮, ৩৯, ৪০, ৪১, ৪২, ৪৩, ৪৫, ৪৬, ৪৯, ৫১, ৫২, ৫৩, ৫৪, ৫৫, ৫৬, ৫৭, ৫৮, ৫৯, ৬২, ৬৩, ৬৪, ৬৫, ৬৭, ৭০, ৭১, ৭২, ৭৩, ৭৬, ৭৭, ৮০।

ইয়াৰ দ্বিতীয় স্তম্ভত অন্তৰ্ভুক্ত কৰা হ'ল।

যিসকল সদস্য/সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়'

যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়'

মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,

২০২৩-২৪ বৰ্ষৰ অনুদানৰ বাবে বাকী থকা পৰিপূৰক দাবী সমূহ পাৰিত কৰা হ'ল।

<u>এতিয়া কাৰ্য্যসূচী নং ৫</u>।

"The Assam Appropriation(No.I) Bill, 2024." মাননীয় সদস্য সকল মই সদনক জনাব বিচাৰিছো যে ভাৰতীয় সংবিধানৰ অনুচ্ছেদ ক্ৰমে ২০০৭(১) আৰু ২০০৭(৩) অধীনত সন্মানীয় ৰাজ্যপাল মহোদয়ৰ ইংৰাজী ৬ ফেব্ৰুৱাৰী, ২০২৪ তাৰিখৰ "The Assam Appropriation(No.I) Bill, 2024." উত্থাপন আৰু বিবেচনাৰ বাবে প্ৰেৰণ কৰা পৰামৰ্শ সমূহ কাৰ্য্যসূচী নং ৫ লোৱাৰ আগতেই কাৰ্য্যক্ৰমণিকাত অন্তৰ্ভুক্ত কৰা হওঁক।

এতিয়া মাননীয়া বিত্ত মন্ত্ৰী শ্ৰী মতী অজন্তা নেওঁগ ডাঙৰীয়াণীক বিধেয়কখন উত্থাপনৰ বাবে অনুমতি বিচৰাৰ বাবে অনুৰোধ জনালো।

**শ্ৰী মতী অজন্তা নেওঁগ, বিত্ত মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই "The Assam Appropriation(No.I) Bill, 2024." সদনত উত্থাপন কৰিবলৈ অনুমতি বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰস্তাৱটো হ'ল বিধেয়কখন উত্থাপনৰ বাবে অনুমতি দিয়া হওঁক।

যিসকল সদস্য/সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়'

যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়'

মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,

অনুমতি দিয়া হ'ল।

এতিয়া মাননীয়া মন্ত্ৰী।

**শ্ৰী মতী অজন্তা নেওঁগ, বিত্ত মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই "The Assam Appropriation(No.I) Bill, 2024." সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** উত্থাপন কৰা হ'ল। এতিয়া মাননীয়া বিত্ত মন্ত্ৰী মহোদয়াই "The Assam Appropriation(No.I) Bill, 2024." বিবেচনাৰ বাবে উত্থাপন কৰিব।

**শ্ৰী মতী অজন্তা নেওঁগ, বিত্ত মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই "The Assam Appropriation(No.I) Bill, 2024." বিবেচনাৰ বাবে সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** মই এতিয়া প্ৰস্তাৱটো বিবেচনাৰ বাবে সদনত দাঙি ধৰিলো। প্ৰস্তাৱটো হ'ল- "The Assam Appropriation(No.I) Bill, 2024." বিবেচনাৰ বাবে লোৱা হওঁক।

যিসকল সদস্য/সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়'

যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়'

মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,

প্ৰস্তাৱটো গৃহীত কৰা হ'ল।

এতিয়া বিধেয়কখন দফাই দফাই বিবেচনাৰ বাবে লোৱা হ'ব। প্ৰস্তাৱটো হ'ল- দফা ২,৩ আৰু অনুসূচীখন বিধেয়কখনৰ অংশ হ'ব।

যিসকল সদস্য/সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়'

যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়'

মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,

দফা ২,৩ আৰু অনুসূচীখন বিধেয়কখনৰ অংশ হ'ল।

মই এতিয়া বিধেয়কখনৰ দফা ১ নাম, পৰিসৰ আৰু আৰম্ভণ সদনৰ অনুমোদনৰ বাবে দাঙি ধৰিলো। প্ৰস্তাৱটো হ'ল- দফা ১ নাম পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ব।

যিসকল সদস্য/সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়'

যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়'

মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,

দফা ১ নাম পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ল।

মাননীয়া বিত্তমন্ত্ৰী ডাঙৰীয়াণীক বিধেয়কখন পাৰিতকৰণৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী মতী অজন্তা নেওঁগ, বিত্ত মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই "The Assam Appropriation(No.I) Bill, 2024." খন পাৰিত কৰাৰ বাবে সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** মই এতিয়া প্ৰস্তাৱটো সদনত দাঙি ধৰিলো।

**শ্ৰীমতী অজন্তা নেওঁগ, বিত্ত মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Appropriation (No.1) Bill, 2024" পাৰিত কৰাৰ বাবে উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই প্ৰস্তাৱটো সদনত দাঙি ধৰিলো, প্ৰস্তাৱটো হ'ল "The Assam Appropriation (No.1) Bill, 2024" পাৰিত কৰা হওঁক।

যিসকল প্ৰস্তাৱটোৰ সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়'

যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়'

মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,

প্ৰস্তাৱটো গৃহিত হ'ল, বিধেয়কখনো পাৰিত হ'ল।

এতিয়া item no. 7, ৰাজ্যপাল মহোদয়ৰ ভাষণৰ ওপৰত আৰু কিছু ভাষণ ৰাখিবলৈ বাকী আছিল। মই প্ৰথমতে সন্মানীয় সদস্য মিছবাহুল ইছলাম লস্কৰক ভাষণ ৰাখিবলৈ অনুৰোধ কৰিলো।

**মিছবাহুল ইছলাম লস্কৰ, শিলচৰ ঃ** Hon'ble Speaker Sir, I rise to oppose the Motion of Thanks on the Hon'ble Governor's Address in this August House. Sir, I have gone throught the Hon'ble Governors Address stating the scheme and development project that are being taken up by the State Government for the development of the State which is commendable but Sir I have noticed that most of the schemes are confined to the Brahmaputra Valley. For example, Health, Infrastructure, Education, Sports, Construction and improvement of road com-

munication yet sorry to say Sir, the Barak Velly which constitute more than 40 lakhs population has been neglected in many spares. As for instance, in my Constituency, a High School namely R.A. Memorial has been made a model High School but till date no fund has been allocated. Moreover, there is shortage of faculty Members which is hampering the teaching of the students. Sir, it is astonishing that an ACS Officer is functioning as Inspector of School at Cachar District and at the same time he is also the Principal and Head Master of another five schools and higher secondary school and he is also functioning as the Elementary Officer of the District. Sir, this is an example of shere negligance on the part of the Department.

Next in the Sports and Welfare Department Government has proposed to take certain steps for the development of State Sports Infrastructure facilities as asked by the Department I too have given a proposal for setting up a Mini-Stadium in my Constituency for which I have somehow managed 25 bighas of land and submitted the proposal to the concerned Sports Department. But, till date no action has been taken whereas in certain the construction of stadium has already been started. The Government has also proposed to start a Football Stadium of International Standard. But, Sir, in my area there is not a single standard field available. It is of immense importance to give proper facility to the village areas for the talent to flow up. There is no dearth in the villages but there is dearth of facilities. Sir, in the Hon'ble Govenor's Address, it has been mentioned that a group of road schemes of MV, MUPNA, MMPA, MPNA have already been started coverning all the District of Assam. Yet, in my case, Department asked me to provide the list of important roads of my Constituency for improvement and construction. Under this scheme, I have compiled the list but most of my proposal have been turned down and I have been informed that in other Constituencies no road have been included compared to mine. This is inspite of my people paying the same GST in every sphere. This I think injustice to my Constituency. The Govenor's speech does not mentioned any road communication between Barak Velly and rest of India. AT present we are depending on the Jowai Badarpur Road i.e. NH 04. But, due to the non maintenance of this road people are immensely suffering for example in case of emergency patient cannot be shifted within

the stipulated time from Silchar Medial College to Guwahati Medical College. The Govenment can take up the matter with their counterpart in Meghalaya, if necessary. Moreover this is the only connecting road of Tripura with the rest of India. The Jal Jivan Mission was launched to provide connection to tape to every rural functional household with adequate quantity of water i.e. 55 liters per capita per day. But, I feel sad to state that it has been able to carry only 60% of the household. Since, I would like to request the Government to take immediate steps to cover the rest of the Households. Moreover, the persons who are responsible for supply of the water i.e. the Jal Mitras are now agitating for a enhanced remuneration. The Government can also tackle the problem by negotiating and paying minimum wages for the uninterrupted water supply. The world bank funded Assam resilent rural bridge project, more than 1000 bridges has been taken up for construction. In my Constituency three bridges have been surveyed. But till date no tender have been floated. The plight and deprivation of my Constituency therefore Sir, is visible. Therefore, I firmly believe that uniform development of all the areas of the State will give in future a filling to the State concern and wisdom for a developed Assam. With this I would like to conclude my speech.

(Shri Bhabendra Nath Bharli on the Chair)

**শ্ৰী ভবেন্দ্ৰ নাথ ভৰালী, দেৰগাওঁ ঃ** ধন্যবাদ। এতিয়া সন্মানীয় সদস্য শ্ৰী কৃষ্ণেন্দু পাল।

**শ্ৰীকৃষ্ণেন্দু পাল (পাথারকান্দি) ঃ** বাজেট অধিবেশনের শুরুতে মহামান্য রাজ্যপাল শ্রদ্বেয় শ্রী গোলাপ চান্দ কাটারিয়া মহাশয়ের বক্তব্যের উপর যে ধন্যবাদ সূচক বক্তব্য আমার সতীর্থ বিধায়ক শ্রীরূপক শর্মা মহাশয় রেখেছিলেন তার পূর্ণ সমর্থন জানিয়ে আমি দু-একটি কথা বলতে চাই। বিশেষ করে উত্তর- পূর্বাঞ্চলের অভূতপূর্ব বিকাশ যাত্রায় মাননীয় প্রধানমন্ত্রী নরেন্দ্র মোদীর নেতৃত্বাধীন কেন্দ্রীয় সরকারের ইতিবাচক ভূমিকা স্পষ্ট হয়ে ফুটে উঠেছে। বিশেষ করে ইংরাজী ২০১৪ সনের পর থেকে বিজেপি সরকার ক্ষমতায় আসার পর থেকে। অসম তথা উত্তর পূর্বাঞ্চলের আর্থ-সামাজিক ও সাংস্কৃতিক ক্ষেত্রে বিরাট পরিবর্তন এসেছে। আধুনিক অসম গড়ার স্বপ্নকে বাস্তবায়িত করার জন্য বিভিন্ন প্রয়াস চালিয়ে আসছেন সর্বকালের শ্রেষ্ঠ মুখ্যমন্ত্রী হিমন্ত বিশ্ব শর্মা। মুখ্যমন্ত্রীর দূরদর্শী এই চিন্তা ধারা ও উদ্যমিক পদক্ষেপ আজ অসমকে বিশ্বের দরবারে সু-পরিচিতি দিতে সক্ষম হয়েছে। মুখ্যমন্ত্রী দুর্নীতি মুক্ত অসম গড়ার উদ্দেশ্যে প্রশাসনিক ক্ষেত্রে আমূল পরিবর্তন আনতে সক্ষম হয়েছেন। সামাজিক সংস্কার সাধনের লক্ষ্য নিয়ে এই সরকার অনেক গঠনমূলক পরিকল্পনা হাতে নিয়েছেন। বিশেষ করে মাননীয় মুখ্যমন্ত্রী অসম কে নেশা মুক্ত করার জন্য যে পদক্ষেপ নিয়েছেন তা আমরা দেখতে পেয়েছি। বিশেষ করে আমার পাথারকান্দি সমষ্টিতে চোরাইবাড়ী নামে যে একটা চেক পয়েন্ট আছে সেখানের মধ্যে আজ পর্যন্ত প্রায় ৩০০ কোটির

অধিক অবৈধ গাজা, ড্রাগস জব্দ করা হয়েছে। আমারা প্রতিদিনই প্রায় দেখতে পাই যে আমাদের অসম পুলিশ অসমকে. ড্রাগস মুক্ত করার লক্ষ্যে প্রত্যেক এলাকায় তল্লাশি চালাচ্ছেন। গতকাল শিলচরের এস পি মহাশয়ের নেতৃত্বে বিশাল অংকের ড্রাগস জব্দ করা হয়েছে। ঠিক তার আগের দিন করিমগঞ্জে বিশাল অংকের ড্রাগস জব্দ করা হয়েছে। এইভাবে সমগ্র অসমে কার্বি-আংলং , গুয়াহাটী, আপার অসম, লোয়ার অসম সব জায়গায় ড্রাগস নির্মূল করার যে পদক্ষেপ নেওয়া হয়েছে, তা সত্যি প্রশংসনীয়। আর তার জন্য আমি মাননীয় মুখ্যমন্ত্রীকে কৃতজ্ঞতা ও ধন্যবাদ জ্ঞাপন করছি। মাননীয় মুখ্যমন্ত্রী শিল্পের ক্ষেত্রে যে উদ্যোগ নিয়েছেন, নুতন করে MSME বা পুরনো MSME গুলোকে আবার Re-organise করে শিল্পের ক্ষেত্রে অসম যাতে একটা সুন্দর জায়গায় পৌছোতে পারে। ২০০৯ সাল পর্যন্ত অসমে মাত্র তিনটি Medical College ছিল। আজ নুতন করে ২২ টি Medical College হতে চলেছে। একটা কথা বলতেই হয় ২০১২-১৩ সনে আমাদের করিমগঞ্জ জেলার পক্ষ থেকে সেই সময়ের প্রাক্তন মন্ত্রী সিদ্দিক আহমেদ ও বর্তমান সাংসদ কৃপানাথ মাল্লা সহ আমরা Medical College demand committee র সদস্যরা প্রাক্তন মুখ্যমন্ত্রী প্রয়াত তরুণ গগৈ মহাশয়ের কইনাধরার চেম্বারে গিয়েছিলাম। কিন্তু দুঃখের সঙ্গে বলছি আমরা যখন এই Demand memorendum টা দিয়েছিলাম তিনি তা ছুড়ে ফেলে দিয়েছিলেন। আর আমরা করিমগঞ্জে অতি দুঃখের সঙ্গে ফিরে এসেছিলাম। আমরা এই কথাগুলো মাননীয় মুখ্যমন্ত্রী হিমন্ত বিশ্ব শর্মার কাছে তুলে ধরেছিলাম। বরাক উপত্যকায় স্বাস্থ্য ক্ষেত্রে Medical sectore এ অনেক পিছিয়ে পড়েছিল। বর্তমানের মাননীয় মুখ্যমন্ত্রী ২০১৬ সনের নির্বাচনী প্রচারে পাতি ফিল্ডের ময়দানে কথা দিয়েছিলেন বিজেপি সরকার আসার পর করিমগঞ্জে একটা মেডিক্যাল কলেজ দেওয়া হবে। কিছুদিন পূর্বে আপনারা দেখেছেন আমাদের বিশ্ব বরেণ্য নেতা নরেন্দ্র দামোদর দাস মোদী ও আমাদের শ্রেষ্ঠ মুখ্যমন্ত্রীর চেষ্টায় আমরা করিমগঞ্জে মেডিক্যাল কলেজ পেতে সক্ষম হয়েছি। শিলান্যাস হয়েছে। তাই বরাক উপত্যকার পক্ষ থেকে মাননীয় মুখ্যমন্ত্রীকে অশেষ ধন্যবাদ জানাচ্ছি। আজ অসমে কোন আন্দোলন নেই। মাননীয় মুখ্যমন্ত্রী প্রত্যেকটা সংগঠনের সঙ্গে চুক্তি করে, অর্থাৎ বড়োল্যান্ডের সঙ্গে হোক বা আলফার সঙ্গে চুক্তি করে অসমকে একটা শান্তির নুতন অসম হিসাবে প্রতিষ্ঠিত করতে চলেছেন। বরাক উপত্যকার কথা কিছু বলতে চাই। আমাদের প্রাক্তন মন্ত্রী বর্তমানের বিধায়ক মিসবাহুল ইসলাম লস্কর তিনি বলেছেন বরাক উপত্যকার Infrastructure Development এর কথা। আমরা ২০১৪ সনের আগের কথা যদি মনে করি তাহলে দেখবো যে করিমগঞ্জ থেকে শিলচর শুধুমাত্র ৫৬ কিলোমিটার রাস্তা যেতে ৪ থেকে ৫ ঘন্টা সময় লাগতো। আজ এই রাস্তা আমরা এক ঘন্টায় পৌছতে পারি। বিগত দিনে করিমগঞ্জ থেকে গুয়াহাটী আসতে ২৪ থেকে ৩৬ ঘন্টা সময় লাগতো, রাস্তার মধ্যে ২০ থেকে ২৫ ঘন্টা আমাদের ট্রাফিক জ্যমে পড়তে হত। আর আজ আমরা ৬ ঘন্টায় আসতে পারি। আজ বরাক উপত্যকায় ফোর লেনের রাস্তার কাজ শুরু হতে চলেছে। তাই আমি একটা উদাহরণ দিয়ে বলতে চাই প্রাক্তন ইউএস প্রেসিডেন্ট জন কেনেডি বলেছিলেন America's Roads are not good because America is rich, but America is rich because America's roads are good. আমাদের প্রাক্তন প্রধানমন্ত্রী অটল বিহারী বাজপেয়ী স্বপ্ন ছিল ভারতবর্ষের প্রত্যেকটা শহরের সাথে শহরের পথ সংযোজন করে ফোর লেনের মাধ্যমে road connectivity করা । ইষ্ট-ওয়েষ্ট করিডোর। এই উদ্দেশ্যে মহাসড়কের

শিলান্যাস হয়েছে। কাজ খুব দ্রুত গতিতে চলছে। তাই আমাদের প্রধানমন্ত্রীর একটা উক্তি আমি বলতে চাই, নরেন্দ্র মোদী বলেছিলেন। When net work of good roads in created by economy of the country also piks by piece. Roads are vains and arteries of nation which help to transform the pace of development and ensure that prosperity reaches the fastest corners of the nation. তাই চরাইবাড়ী থেকে ফোর লেনের কাজ চলছে, আমাদের করিমগঞ্জ থেকে উত্তর পূর্বাঞ্চলের সঙ্গে। আমাদের act is policy অর্থাৎ উত্তর পূর্বাঞ্চলের সঙ্গে বাংলাদেশ, ভূটান, মায়ান্মারের সাথে যাতে একটা সু-সম্পর্ক হয় । এই পলিসির মাধ্যমে রেল সংযোগ, জল সংযোগ, পথের সংযোগ করা হবে। আজ আপনারা শুনলে খুশি হবেন প্রধানমন্ত্রীর উদ্যোগে করিমগঞ্জে ইন্টারনেশন্যাল রেল টার্মিনাসের কাজ শুরু হয়েছে। চিটাগাঙ্গের সঙ্গে আমাদের সমগ্র উত্তর পূর্বাঞ্চল পন্য সরবরাহ করতে পারবে। সেই জন্য করিমগঞ্জে একটা নতুন বাইপাস সেংশন করা হয়েছে, সুতারকান্দি থেকে করিমগঞ্জ। ঠিক সেইভাবে আমাদের শিলচর আই এস বিটি থেকে চোরাইবাড়ি অবধি ১৩০ কিমি ফোর লেন রোড সেংশন হয়েছে। প্রত্যেকটা ক্ষেত্রে বরাক উপত্যকার আমূল পরিবর্তন হয়েছে। ২০১৪ সনের আগে আমরা ভাবতাম যে আমরা অসমে আছি কিনা? কিন্তু আজ বরাক উপত্যকার যে উন্নয়ন হয়েছে তা একমাত্র সর্বকালের সর্বশ্রেষ্ঠ মুখ্যমন্ত্রী হিমন্ত বিশ্ব শর্মার উদ্যোগে হয়েছে। তাই উনাকে অশেষ ধন্যবাদ। আরও একবার মেডিক্যাল কলেজের জন্য ধন্যবাদ জানিয়ে আমার বক্তব্য শেষ করছি।

**শ্রী ভবেন্দ্র নাথ ভৰালী, দেৰগাওঁ** ঃধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰী ছামছুল হুদা। আপোনাৰ সময় ৭ মিনিট।

**শ্ৰী ছামছুল হুদা, পূব বিলাসীপাৰা**ঃমাননীয় সভাপতি ডাঙৰীয়া, আমাৰ মাননীয় ৰাজ্যপালৰ শ্ৰীযুত গোলাপ চান্দ কাটাৰিয়া ডাঙৰীয়াৰ ভাষণত যি দন্যবাদ সূচক বক্তব্য আমাৰ ২ জন বন্ধুৱে ৰাখিছে, তাৰ প্ৰতিবাদ হিচাপে মই কিছুমান বিসংগতি দেখা পাইছো সেইকাৰণে আপোনাৰ ইয়াত জ্ঞাত কৰাৰ কাৰণে কিছু কথা মই ডাঙি ধৰিছো.**আজি শদিয়াৰ পৰা মানকাছাৰলৈ বিস্তৃৰ্ণ চৰ অঞ্চলৰ ২২৫১ খন গাওত**

**মোটামোটি ৮৫ লা্খ মানুহে বসবাস কৰি আছে । কিন্তু মই দেখা পালো যে, আমাৰ মাননীয় ৰাজ্যপালৰ ভাষণত এই বৃহৎ চৰ অঞ্চলৰ কোনো কথাই উল্লেখ কৰা হোৱা নাই । মই ধাৰণা কৰো যে, এজন ব্যক্তি সুস্থ হৈ থাকিবলৈ হ'লে তেওঁৰ প্ৰতিটো অংগ সুস্থ হৈ থাকিব লাগিব। ঠিক তেনেদৰে আমাৰ অসমখন উন্নয়ণ কিৰবলৈ হ'লে আমি প্ৰতিটো অঞ্চলে উন্নয়ণ কৰিব লাগিব। অসমত যি জাতি ধৰ্মৰ মানুহেই নহওঁক কিয় আমি সকলোখিনিয়ে অসমীয়া মানুহ । গতিকে আমি সকলোৰে কতা চিন্তা কিৰব লাগিব। কিন্তু ইয়াত আমাৰ সংখ্যালঘু উন্নয়ণৰ কোনো কথা উল্লেখ নাই । চৰ অঞ্চলত বাস কৰা আশী শতাংশ মানুহেই দুখীয়া মানুহ । এই আশী শতাংশৰ মানুহৰ যদি উন্নতি নহয় তেন্তে আমি কেনেকৈ ক'ব পাৰো যে অসমখন উন্নয়ণৰ পথত । এই চেগতে আপোনালৈ মই এটা ধন্যবাদ জ্ঞাপন কৰিছো যে স্বচ্ছ আৰু নিকা ভাৱমূৰ্ত্তিৰে আমাৰ অসমৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই নিয়োগ ব্যৱস্থা কৰিছে । সমগ্ৰ অসমৰ জনসাধাৰণে এখেতক ধন্যবাদ জ্ঞাপন কৰিছে । মই মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাইছো যে, অসমৰ ৰাজ্যপাল তথা অসম চৰকাৰে আমাৰ সংখ্যালঘু মানুহখিনিৰ কথা চিন্তা চৰ্চা কৰিব লাগিছিল । সেই মানুহবিলাক শিক্ষা - স্বাস্থ্য আদি দিশত অধিক পিছপৰা আমাৰ চৰ অঞ্চলৰ ৰাস্তা ঘাটবিলাকো উন্নয়ণ যদি**

**নকৰে তেনেহ'লে অসমখন কেনেকৈ উন্নয়ণ হ'ব ? মোৰ সমষ্টিত তিনিখন নদী ব্ৰহ্মপুত্ৰ, গৌৰাং আৰু চম্পাৱতী এই তিনিখন নদীয়ে বিলাসীপাৰা পূব বীৰ সিং জৰুৱা , বিলাসীপাৰা পশ্চিম আৰু গৌৰীপুৰ সমষ্টিৰ বিস্তৃর্ণ অঞ্চল গড়াখহনীয়াত খহাই নি জনসাধাৰণক সৰ্ব্বসান্ত কৰি পেলাইছে গতিকে আপোনাৰ যোগেদি মাননীয় মুখ্যমন্ত্ৰী তথা ৰাজ্যপাল ডাঙৰীয়াই তেওঁৰ ভাষণত এই কথা উল্লেখ কৰা নাই । এই অধিবেশনত এই সংখ্যালঘুৰ বিষয়টো যাতে ইয়াতে উল্লেখ কৰা হয় । অলপ আগতে এই বিধান সভাৰ মজিয়াত বসুন্ধৰা- ২ ৰ ওপৰত বিতৰ্ক হৈছিল । বিতৰ্ক হোৱাৰ কাৰণটো হৈছে যে, এই ক্ষেত্ৰতো চৰ অঞ্চলবিলাকত কোনোধৰণৰ উন্নতি নহ'ল । ভাৰত স্বাধীন হোৱাৰ পিছতো চৰ অঞ্চলসমূহ আজিও অৱহেলিত হৈ আছে । মই স ভাপতি মহোদয়ৰ যোগেদি কওঁ যে, চৰ অঞ্চসমূহ যদি উন্নয়ণ হোৱাৰ পৰাবাদ পৰি থাকে গড়াখহনীয়া ৰাস্তাঘাট শিক্ষা স্বাস্থ্য আদি সকলো বিলাক ক্ষেত্ৰতে উন্নয়ণ নকৰে তেনেহ'লে অসমৰ এটা অংগ হেণ্ডিকেপৰ নিচিনা হৈ যাব । মই মাননীয় মুখ্যমন্ত্ৰীক অনুৰোধ জনাও যে, বসুন্ধৰা - ২ ত যদি চৰ অঞ্চলত মাটি এলোটমেন্ট দিব নোৱাৰি তেনেহ'লে লেণ্ড এডভাইজৰী বোৰ্ডৰ দ্বাৰা হ'লেও এই অঞ্চলবিলাকত মাটি এলোটমেন্ট কৰি দিয়া হয় । তাত থকা মানুহখিনিয়ে খেতি কৰি নিজৰ কান্ধত ভাৰ বান্ধি বজাৰলৈ বস্তু বজাৰলৈ লৈ আহিব লাগে । গতিকে আজি আপোনাৰ যোগেদি মাননীয় মুখ্যমন্ত্ৰীক অনুৰোধ জনাও যে এই চৰ অঞ্চলবিলাকক গুৰুত্ব দিব লাগে আৰু সংখ্যালঘু বিভাগটো জাগ্ৰত কৰিব লাগে । কাৰণ এই সংখ্যালঘু বিভাগটোত এতিয়া কোনো পুঁজি ধৰা নাই । চৰ ডেভেল'পমেন্টৰ এটা বিভাগ আছে সেইটো আজিও বিকল হৈ আছে । গতিকে এই ক্ষেত্ৰতো মাননীয় মুখ্যমন্ত্ৰীয়ে যাতে গুৰুত্ব দিয়ে তাৰ বাবে অনুৰোধ জনালো । মই আমাৰ ৰাজ্যপালৰ ভাষণৰ বিৰোধিতা কৰি মই মোৰ চমু বক্তব্য ইয়াতে সামৰণি মাৰিছো । জয় আই অসম, জয় হিন্দ ।**

**সভাপতি ঃ ধন্যবাদ এতিয়া মাননীয় সদস্য লৰেন্স ইছলাৰী ।**

**শ্ৰীলৰেন্স ইছলাৰী, (কোকৰাঝাৰ পূব) ঃ** মাননীয় সভাপতি ডাঙৰীয়া, মাননীয় ৰাজ্যপাল মহোদয়ৰ বক্তব্যৰ ওপৰত ধন্যবাদ জনাই আমাৰ মাননীয় সদস্য ৰূপক শৰ্মা ডাঙৰীয়াই দাঙি ধৰা বিষয়টোত সন্মতি জনাইছো। প্ৰথমতে মই মাননীয় ৰাজ্যপালৰ বক্তব্যৰ স্বাগতম জনাইছো আৰু লগতে তেখেতৰ বক্তব্যৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছো। তেখেতৰ বক্তব্যত অসমৰ উন্নতিৰ ছবি আমি দেখিবলৈ পাইছো। লগতে BTR অঞ্চল আৰু বহু জিলা অঞ্চলৰ উন্নতিকৰণৰ ছবি আমি ৰাজ্যপালৰ বক্তব্যত দেখিবলৈ পাইছো। মাননীয় সভাপতি ডাঙৰীয়া মোৰ সময় যিহেতু বহুত কম। মই তিনিটা বিষয়ৰ ওপৰত কব খুজিছো। শিক্ষা আন্তঃগাথনিৰ বিষয়ত। বিগত সময়ত আমি সকলোৱে জানো আমাৰ অসমত অকল ছয়খন চিকিৎসা মহাবিদ্যালয় আছিল। যাৰ ফলত নামনি অসমত যেনে কোকৰাঝাৰ, ধুবুৰী, চিৰাং, বঙাইগাঁও জিলাৰ মানুহে যেতিয়া বেমাৰত ভোগে তেতিয়া বহু যন্ত্ৰণাত পৰিবলগীয়া হৈছিল। কোকৰাঝাৰ, ধুবুৰী, বঙাইগাঁও, চিৰাং জিলাৰ পৰা গুৱাহাটী বহু দূৰ হয়। সেইকাৰণে কোকৰাঝাৰ, ধুবুৰী, বঙাইগাঁও জিলাৰ মানুহে গুৱাহাটী মহানগৰীৰ পিনে নগৈ ওচৰতে লাগি থকা পশ্চিম-বংঙ্গৰ কোচবিহাৰ আৰু শিলিগুৰিত যাব লগা হৈছিল। এতিয়া আমি দেখিবলৈ পাইছো যে অসমৰ মুঠ বাৰ (১২) খন চিকিৎসা মহাবিদ্যালয় গঠন হোৱাৰ ৰপিছত আমাৰ অঞ্চল সমূহত যিহেতু নিজৰ জিলাতে চিকিৎসা মহাবিদ্যালয় গঠন হ'ল যেনে কোকৰাঝাৰ, ধুবুৰী, নলবাৰী, বৰপেটা জিলাবোৰত অহাৰ পিছত আমাৰ আগৰ সমস্যাবিলাক সমাধান হৈছে। অসমত মুঠ বাৰ (১২) খন চৰকাৰী চিকিৎসা মহাবিদ্যালয় গঠন হোৱাৰ পিছত আগন্তুক ২০২৫ চনত আৰৌ

চৰাইদেউ বিশ্বনাথ আৰু কামৰূপ নগৰ বিলাকত আকৌ গঠন কৰা হ'ব। এনে হ'লে সঁচাকৈয়ে আমাৰ অসমত স্বাস্থ্য বিভাগত যেনে সমস্যাবোৰ আছিল সেইবিলাক সমাধান হ'ব। কিয়নো আজিলৈকে গাঁও সমূহত আমাৰ যিমানখিনি dispensary, block PHE আৰু CHE বিলাক আছিল সেইবোৰত পৰ্য্যাপ্ত পৰিমাণৰ চিকিৎসকৰ নাটনি আছিল। কিন্তু আমি দেখিব পাৰিছো SOPD আৰু IFF ৰ জৰিয়তে কৰিমগঞ্জ, গোৱালপাৰা, বঙাইগাঁও, ধেমাজি, মৰিগাঁও, গোলাঘাট, শিৱসাগৰৰ লগতে BTR অঞ্চলৰ তামুলপুৰতো মুঠ ৪ খন নতুন চিকিৎসা মহাবিদ্যালয় পুনৰ গঠনৰ যি কাৰ্য্য সেই কাৰ্য্যতো অব্যাহত হৈ আছে আৰু সেইবোৰ গোটেইবিলাক হৈ গ'লে অসমত স্বাস্থ্য বিভাগত যিখিনি সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছিল সেইবোৰ সমাধান হ'ব। গাঁওবোৰত dispensary, PHE আৰু ব্লক PHE বোৰত চিকিৎসক বোৰৰ নাটনিৰ যেনেধৰণৰ সমস্যা আছিল সকলোবোৰ সমাধান হ'ব বুলি আশা কৰো। ২০২৩ চনত যোৰহাট আৰু কোকৰাঢাৰ জিলাত নাৰ্চিং মহাবিদ্যালয়ৰ গঠন কৰা হয়। আৰু যেনে ধৰণে আমাৰ নাৰ্চৰ নাটনি হৈ আছিল সেইবোৰো এই দুখন মহাবিদ্যালয়ৰ জৰিয়তে সমাধান হ'ব বুলি আশা কৰিব পাৰি। আমি দেখিবলৈ পাইছো যে আমাৰ চৰকাৰে 'স্বাস্থ্য বীমা আঁচনি কৰিছে। আমি সদস্যসকলৰ কাষত বহু ৰাইজসকলে আহে যিহেতু অৰ্থনৈতিক ভাৱে দুৰ্বল আৰু তেওঁলোকেচিকিৎসা লব নোৱাৰে। ডাঙৰ বেমাৰত যদি আক্ৰান্ত হয় তেখেতসকলৰ হাতত পইচা নোহোৱা বাবে আমাৰ ওচৰত সাহায্যৰ বাবে আহে। আমি বহুত ন্যূনতম পৰিমাণে সাহায্য কৰো কিন্তু সেইটো পৰ্যাপ্ত নহয়। মুখ্যমন্ত্ৰীৰ ৰিলিফ ফাণ্ডৰ জৰিয়তে ব্যৱস্থা লৈছে যদিও সেইটো পৰ্য্যাপ্ত নহয়। সেইবাবে আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে 'অসম মুখ্যমন্ত্ৰী জন আৰোগ্য যোজনা' এটা স্বাস্থ্য বীমা আৰম্ভণি কৰিছে। ইয়াৰ জৰিয়তে বহু ৰাইজ সকলক আমি সহায় কৰিবলৈ সক্ষম হম। যাৰ হাতত এই জন আৰোগ্য যোজনা স্বাস্থ্য বীমা থাকিব তেখেতসকলে প্ৰতি বছৰে পাঁচ লাখকৈ টকা পাবলৈ সক্ষম হব। বৰ্তমানলৈকে আঠাইশ (২৮) লাখ পৰিয়ালক বিনামূলীয়াকৈ চিকিৎসা প্ৰদান কৰা হৈছে আৰু তেখেতসকলৰ প্ৰতি বছৰে ৫ লাখকৈ ৫৮ পৰিয়ালক প্ৰায় ১.৯ কোটি টকা হিতাধিকাৰী সকলে পাবলৈ সক্ষম হব। আমি দেখিবলৈ পাইছো আয়ুস খণ্ডৰ উন্নতি। আমাৰ ৰাজ্য চৰকাৰ আৰু ভাৰত চৰকাৰৰ আয়ুস মন্ত্ৰালয়ৰ জৰিয়তে ইতিমধ্যে মাজুলি আৰু দুধনৈত থকা ৫০ খন বিচনাযুক্ত আয়ুৰ্বেদিক চিকিৎসালয় মুকলি কৰা হৈছে। ইয়াৰ জৰিয়তে আমাৰ ৰাইজসকলে উপকৃত হ'ব। এই দুখন আয়ুৰ্বেদিক চিকিৎসালয় নেচনেল আয়ুস মিছন অসমৰ তত্ত্বাৱধানত আছে। এনেধৰণে ৫০ খন চিকিৎসালয় আমাৰ বি.টি.আৰ অঞ্চলত আয়ুস মুকলি হবলৈ গৈ আছে। কোকৰাঝাৰ আৰু বাক্সা জিলাত ইতিমধ্যে আয়ুস চিকিৎসালয়ৰ বাবে নিবিদা Request কৰা হৈছে। ইয়াৰ জৰিয়তে আমাৰ স্বাস্থ্য বিভাগত আমাৰ অসম চৰকাৰে বহু কাৰ্য্যসূচী হাতত লৈ আছে। এইটোৱে আমাৰ উন্নতিকৰণৰ এটা উদাহৰণ যদি উন্নতিকৰণ বুলি আমি কওঁ যিবিলাক আন্তঃগাঁথনি হৈ আছে। সেই আন্তঃগাঁথনিৰ পৰা গৌৰান্বিত হব পাৰে আৰু আমাৰ অসমৰ উন্নতিকৰণৰ ছবি অংকন কৰিব পাৰিব। মাননীয় সভাপতি, আজি উচ্চ শিক্ষাৰ বাবে অসম চৰকাৰে বহু কাৰ্য্যসূচী হাতত লৈছে। এই কাৰ্য্যসূচীবিলাক ৰাজ্যপাল মহোদয়ৰ বক্তব্যত আমি দেখিবলৈ পাইছো। আজি বহু চৰকাৰী আদৰ্শ মহাবিদ্যালয়ৰ যি কাৰ্য্য সেই কাৰ্য্যবিলাক কাৰ্য্যৰত হৈ আছে। আমাৰ বি.টি.আৰ অঞ্চলতো বাক্সাত বৰ্তমান এই কাৰ্য্যসূচীতো কাৰ্য্যৰত হৈ আছে। ইয়াৰ উপৰিও নতুন নতুন আদৰ্শ মহাবিদ্যালয় স্থাপনৰ কাৰ্য্যটো অব্যাহত হৈ আছে। ইয়াৰ বাদেও আমাৰ মাজত ইঞ্জিনিয়াৰিং কলেজ আৰু পলিটেকনিক কলেজো স্থাপন হবলৈ গৈ আছে। অসমৰ লগতে বি.টি.আৰ অঞ্চলতো বহু ঠাইত RUSA ৰ অধীনত এই কাৰ্য্যসূচীবিলাক

কাৰ্য্যক্ষম হৈ আছে। বি.টি.আৰ অঞ্চলত ওদালগুৰিত এই কাৰ্য্যটো কাৰ্য্যকৰী হৈ আছে। SOPD ৰ জৰিয়তে অসমৰ বিভিন্ন জিলা বা অঞ্চলবিলাকত এই কাৰ্য্যতো কাৰ্য্যক্ষম হৈ আছে। মই আজি ৰাজ্যপাল মহোদয়ৰ বক্তব্যৰ ওপৰত মাননীয় সদস্য ৰূপক শৰ্মাই উত্থাপন কৰা বিষয়ৰ ওপৰত সন্মতি জনাই মোৰ বক্তব্য ইয়াতে সামৰণি মাৰিলো।

**সভাপতি ঃ** এতিয়া অখিল গগৈ ডাঙৰীয়াই কওঁক। আপোনাক তিনি মিনিট সময় দিয়া হৈছে।

**শ্ৰী অখিল গগৈ, বিধায়ক (শিৱসাগৰ) ঃ** মাননীয় সভাপতি ডাঙৰীয়া, মহামান্য ৰাজ্যপাল মহোদয়ৰ ভাষণ বহু কষ্ট কৰি পঢ়িলো। মহামান্য ৰাজ্যপাল মহোদয়ৰ ভাষণ পঢ়ি এনেই ভাল লাগে। কিন্তু এইবাৰ মহামান্য ৰাজ্যপাল মহোদয়ৰ ভাষণ পঢ়িব নোৱাৰি কাৰণ কেৱল তথ্যই আছে। তথ্যৰ বাহিৰে একোৱেই নাই। গোটেই ভাষণখিনি আমনিদায়ক, গতানুগতিক আৰু তথ্যৰ বাহিৰে একো নাই। সাধাৰণতে মহামান্য ৰাজ্যপাল মহোদয়ৰ ভাষণ বুলিলে আমি বৰ্তমান চলি থকা নীতিৰ ওপৰত আলোচনা আৰু ভৱিষ্যতে কি কৰিব তাৰ ওপৰত ব্যাখ্যা। কিন্তু ইয়াত তথ্যৰ বাহিৰে একো নাই। কেৱল হিতাধিকাৰীক কিমান দিয়া হৈছে, সেইয়া আছে আৰু কেন্দ্ৰীয় চৰকাৰক পৃষ্ঠপোষক আঁচনিৰ পৰা কিমান আহিলে, সেইটো আহিছে। বিত্ত বিভাগৰ ফালৰ পৰা এটা তথ্য দিছে যে আমাৰ জি ডি পি সাংঘাতিক বৃদ্ধি হৈছে। মই আমাৰ ৰিজাৰ্ভ বেংকৰ তথ্য চালো, Handbook of statistics on states, ইয়াত এক ত্ৰিশ মাৰ্চলৈকে গোটেই তথ্য আছে। তাত মই চালো যে সঁচাকৈ আমাৰ জি ডি পি বাঢ়িছে নেকি? তাত দুটা বস্তু দেখিলো যে ২০১৭-১৮ ত আমাৰ জি ডি পিৰ স্থান আছিল ১৭, ২০১৮-১৯ ত ১৮, ২০১৯-২০ত ১৭, ২০২০-২১ত ১৭, ২০২১-২২ ত ১৭, ২০২২-২৩ ত ১৭ অৰ্থাৎ আগবাঢ়ি যোৱা নাই। কিন্তু ইয়াত এনেকুৱাকৈ কথাটো কৈ দিয়ে যে বহুত ডাঙৰ কাম হৈ যোৱা যেন লাগে। মাননীয় মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা দেৱৰ কথা শুনিলে আকাশখন পাই যোৱা যেন লাগে, অসম খন আমেৰিকা হৈ যোৱাৰ নিচিনা লাগে। কিন্তু ইয়াত দেখিলো যে একোৱেই নাই। তাৰ পিছত জনমূৰি আয়টো চালো। ৩৪ খন ৰাজ্যৰ ভিতৰত আমাৰ ৰাজ্যৰ জনমূৰি আয় ২০১৭-১৮ ত ২৯, ২০১৮-১৯ ত ২৯, ২০১৯-২০ত ২৯, ২০২০-২১ত ৩০, ২০২১-২২ ত ২৯, ২০২২-২৩ ত ২৯, তলৰ পৰা আমি ৫ নম্বৰত আছো। আমাৰ আজিৰ দিনটোত এজন অসমীয়া মানুহ উপাৰ্জন ১,১৮০০০ টকা মাত্ৰ। যি সময়ত গোৱাৰ নিচিনা এখন সৰু ৰাজ্যৰ এজন মানুহৰ উপাৰ্জন ৫ লাখ টকাতকৈ বেছি। আনকি আমাৰ ওচৰৰ চিকিমৰ এজন মানুহৰ উপাৰ্জন এবছৰত ৪,৯০,০০০ টকা, সেই সময়ত আমাৰ উপাৰ্জন হ'ল এইকণ। এতিয়া আপোনালোকক এটা কথা কৈছো সেই চৰকাৰখন কি বুলি ইতিহাসত থাকি যাব? এই চৰকাৰখন অসমৰ ইতহাসত থাকি যাব, অসমৰ আটাইতকৈ সাম্প্ৰদায়িক চৰকাৰ হিচাপে আৰু মুখ্যমন্ত্ৰী জনে সদায় ঘৃণাৰ টোপোলা এটা লগত লৈ ফুৰে, সদায় বেলেগ ধৰ্মৰ বিৰুদ্ধে ঘৃণা। এইটোৱেই হ'ল এই চৰকাখনৰ আটাইতকৈ ডাঙৰ হেৰী....দ্বিতীয় যিটো কৃতীত্ব সেইটো হ'ল যে Extra Judicial killing. অৰ্থাৎ এনকাউণ্টাৰ কৰি মানুহ মৰাৰ কাৰণে এই চৰকাৰ খনৰ নাম থাকি যাব। আগবাঢ়ি যোৱা নাই। দ্বিতীয় যিটো কৃতিত্ব, সেইটো হ'ল -Extra judicial killing, অৰ্থাৎ এই encounter কৰি মানুহ মৰাৰ কাৰণে এই চৰকাৰখন ২ নম্বৰত নাম থাকি যাব। তিনি নম্বৰ, অসমৰ মাটি বেলেগ ৰাজ্যক দি দিয়াৰ কাৰণে। নাগালেণ্ড, মেঘালয়, মিজোৰাম, অৰুণাচল প্ৰদেশ এইবিলাকক বিনা বাক্যবই মাটি এৰি দিয়াৰ কাৰণে এই চৰকাৰখনৰ নামটো ইতিহাসত থাকি যাব। ৪ নম্বৰ, নামটো থাকি যাব ৰেকৰ্ড কৰিবলৈ লোৱাৰ বাবে। বিহুত ৰেকৰ্ড, অমূকত ৰেকৰ্ড, বিভিন্ন ৰেকৰ্ড। এই ৰেকৰ্ডত যে নাম উঠিব, এইটোত আমাৰ চৰকাৰখনৰ নামটো পূৰা

থাকি যাব। আৰু ইতিহাসত নাম থাকি যাব ৫ নম্বৰত ধাৰ লোৱা চৰকাৰ হিচাপে। আটাইতকৈ ধাৰ লোৱা চৰকাৰখনৰ নাম হ'ল হিমন্ত বিশ্ব শৰ্মাৰ বিজেপি চৰকাৰ। ইমানবিলাক নিগেটিভ কথা কোৱাৰ পিছতো এই চৰকাৰখনৰ বিৰুদ্ধে সংবাদ মাধ্যমে বেয়াকৈ নকয়। সংবাদ মাধ্যমে বৰ বঢ়িয়াকৈ কয়। গতিকে সংবাদ মাধ্যমে বেয়াকৈ নোকোৱা চৰকাৰ বুলি অৰ্থাৎ সংবাদ মাধ্যমে manage কৰা চৰকাৰ বুলি এইখন চৰকাৰৰ নাম বৰ ধুনীয়াকৈ থাকি যাব। এই চৰকাৰৰ দিনত ৰাজহ দুটা ক্ষেত্ৰত বাঢ়িছে....interruptions.....

**ড° হিমন্ত বিশ্ব শৰ্মা, মাননীয় মুখ্যমন্ত্ৰীঃ** আপুনি ইয়াত কোৱা কথাটো আমি ৰেকৰ্ডত ল'ম নে শিৱসাগৰত মিটিঙত কোৱা কথাটো ৰেকৰ্ডত ল'ম, আপুনি বুজাই দিয়ক।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ)ঃ** আপুনি কথা কৈ থাকোতে মোক ক'বলৈ নিদিয়ে। এতিয়া আপুনি কিন্তু ঠিকেই ক'লে মোৰ ওপৰত।

**মাননীয় সভাপতিঃ** হ'ব। এতিয়া ধৰ্মেশ্বৰ কোঁৱৰ।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ)ঃ** আৰু ১ মিনিট ক'ম। মুখ্যমন্ত্ৰী হিচাপে আৰু দুটা কথা ক'লে শুনি ভাল পাব। এই চৰকাৰখনৰ ৰাজহ সংগ্ৰহ ক'ত বাঢ়িছে? এই চৰকাৰখনৰ ৰাজহ সংগ্ৰহ বাঢ়িছে আৰকাৰীত, মদ বিক্ৰী কৰি ৰাজহ সংগ্ৰহ বাঢ়িছে আৰু ৰাস্তাত গাড়ী ধৰি ৰাজহ সংগ্ৰহ বঢ়াইছে। তাৰ বাহিৰে আৰু ৰাজহ সংগ্ৰহ নাই। এই চৰকাৰখনৰ আটাইতকৈ ডাঙৰ ৰাজনৈতিক প্ৰশ্নটো কি আছিল, এই চৰকাৰখনে অসমৰ বিশেষ ৰাজ্যৰ মৰ্যাদা কৰ্তন কৰালে। বিজেপি চৰকাৰ আহিলে, অসমৰ বিশেষ ৰাজ্যৰ মৰ্যাদা কৰ্তন হ'ল। অসম চুক্তি ৰূপায়ণ কৰিম বুলি কৈছিল, অসম চুক্তি ৰূপায়ণ নকৰিলে। একেবাৰে শেষত, ছয় জনগোষ্ঠীৰ প্ৰতিবেদন নাইকিয়া হ'ল, ছয় জনগোষ্ঠীক জনজাতি কৰিম বুলি কৈছিল, কিন্তু এই ছয় জনগোষ্ঠীক জনজাতিকৰণ নকৰিলে। গতিকে, এই চৰকাৰখন হ'ল সাংঘাতিক চৰকাৰ।

(In the Chair: Hon'ble Deputy Speaker)

**মাননীয় উপাধ্যক্ষঃ** Please sit down. আপোনাৰ সময় হৈ গ'ল।

মাননীয় সদস্য শ্ৰী ধৰ্মেশ্বৰ কোঁৱৰ।

**শ্ৰী ধৰ্মেশ্বৰ কোঁৱৰ( সোনাৰি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মহামহিম ৰাজ্যপাল মহোদয়ৰ ভাষণৰ ধন্যবাদ সূচক প্ৰস্তাৱৰ সমৰ্থন কৰি বিধানসভা পবিত্ৰ সদনত মই দু-আষাৰ মান ক'ব বিচাৰিছো আৰু ক'বলৈ সুবিধা দিয়াৰ বাবে মাননীয় অধ্যক্ষ মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছো।

মাননীয় ৰাজ্যপাল কাটাৰীয়া দেৱে তেখেতৰ ভাষণত প্ৰথমে এক্ট ইষ্ট নীতিৰ সম্পৰ্কত মন্তব্য প্ৰকাশ কৰাৰ কাৰণে মই তেখেতক অনেক ধন্যবাদ জ্ঞাপন কৰিছো। কিয়নো ইতিপূৰ্বে এক্ট ইষ্ট পলিচি সম্পৰ্কত বিধান সভাতেই থুলমুলীয়া আলোচনা আগবঢ়াইছিলো। ইয়াৰ জৰিয়তে অসমত এক নতুন অৰ্থনৈতিক ক্ষেত্ৰ নিৰ্মাণ কৰিব পৰা যাব। ৰাজ্যখনৰ উন্নয়নৰ বাবে নতুন সম্ভাৱনাপূৰ্ণ অৰ্থনৈতিক ক্ষেত্ৰ নিৰ্মাণ অতি প্ৰয়োজন। যিহেতু গুৱাহাটী কেৱল উত্তৰ পূৱৰ নহয় সমগ্ৰ দক্ষিণ পূব এছিয়াৰ দুৱাৰ মুখ বুলি অভিহিত কৰা হয়। দক্ষিণ পূব এছিয়াৰ দেশ সমূহৰ লগত পোনপটীয়া যোগাযোগ আৰু যাতায়ত ব্যৱস্থাই থলুৱা উৎপাদিত সামগ্ৰী বিপননৰ এখন আন্তঃৰাষ্ট্ৰীয় বজাৰ সৃষ্টি কৰাৰ লগতে, অসমৰ পৰ্য্যটন উদ্যোগৰ বাবে এখন নতুন অৰ্থনৈতিক ক্ষেত্ৰৰ সন্ধান দিব। লগতে আমাৰ চৰকাৰে জলপথ পৰিবহনৰ বাবে চিন্তা-চৰ্চা কৰিছে। তাৰ জৰিয়তে ৰাজ্যখনত আৰু এখন নতুন অৰ্থনৈতিক ক্ষেত্ৰৰ নিৰ্মাণ হোৱাটোত কোনো সন্দেহ নাই। অসমৰ গ্ৰামাঞ্চলৰ চহৰৰ

দৰে ক্ৰীড়া ক্ষেত্ৰত আৰু সাংস্কৃতিক ক্ষেত্ৰত বহুতো প্ৰতিভা থকা ছাত্ৰ-ছাত্ৰী আছে। যিবিলাকে উপযুক্ত এখন প্লেটফৰ্ম নোপোৱাৰ বাবে তেওঁলোকৰ সুপ্ত প্ৰতিভা সমূহ বিকাশ কৰিব পৰা নাই। মই আমাৰ চৰকাৰ তথা ৰাজ্যপাল মহোদয়ৰ বক্তব্যক সমৰ্থন  জনাইছো। কিয়নো আমাৰ চৰকাৰে সুপ্ত হৈ থকা সাংস্কৃতিক প্ৰতিভা আৰু ক্ৰীড়া প্ৰতিভা বিকাশ কৰিবলৈ সাংস্কৃতিক মহাসংগ্ৰাম আৰু খেল মহাৰণ পোন প্ৰথমবাৰৰ বাবে অনুষ্ঠিত কৰি এটা পৰিৱেশ সৃষ্টি কৰিছে। ৰাইজৰ বিপুল সঁহাৰিয়ে প্ৰমাণ কৰিলে যে এনেধৰণৰ পদক্ষেপৰ জৰিয়তে মানৰ সম্পদ সৃষ্টি কৰিব পাৰে যিটো আজিৰ তাৰিখত  অতি গুৰুত্বপূৰ্ণ বুলি সকলোৱে বিবেচনা কৰিছে আমাৰ মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই। আমি সকলোৱে জানো অসমখন অৰ্থনৈতিক ক্ষেত্ৰত আৰু উন্নয়ন ক্ষেত্ৰত ভাৰতৰ আন ৰাজ্যৰ তুলনাত কিমান  পিছ পৰি ৰৈছিল। বৰ্তমান আমাৰ চৰকাৰৰ দিনত মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত সকলো দিশতে পৰিৱৰ্তন সাধন হৈছে। সকলো দিশতে উন্নয়নৰ জয়যাত্ৰা আৰম্ভ হৈছে। বৰ্তমান ৰাইজে উন্নয়ন বিচাৰিছে। অসমখনক আগবঢ়াই নিয়াৰ ক্ষেত্ৰত উন্নয়নৰ বিকল্প নাইবুলি অসমৰ ৰাইজে অনুধাৱন কৰিবলৈ বাধ্য হৈছে। ৰাজ্যপাল মহোদয়ৰ ভাষণত অসমৰ সকলো ক্ষেত্ৰতে উন্নয়নৰ প্ৰতিচ্ছবি এখন সুন্দৰকৈ ফুটি উঠিছে। সকলো দিশতে কিমান পৰিৱৰ্তন আৰু উন্নয়ন সাধন হৈছে ৰাজ্যপাল মহোদয়ৰ ভাষণত সকলো কথাই স্পষ্ট হৈ পৰিছে। অসম উন্নয়নৰ সামগ্ৰিক ছবি এখন দাঙি ধৰিবলৈ সক্ষম হোৱা বাবে মই ৰাজ্যপাল মহোদয়ক বিশেষভাৱে ধন্যাব্দ জ্ঞাপন কৰিছো। চাহ-বাগিচা অঞ্চলত ৰাস্তা নিৰ্মাণ, মডেল হাইস্কুল নিৰ্মাণ, জগন্নাথ মন্দিৰ নিৰ্মাণ কৰি আমাৰ চৰকাৰে মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত  নতুনকৈ উন্নয়নৰ মুখ দেখিবলৈ সক্ষম হৈছে। চৰকাৰ এখনৰ সফলতা নিৰ্ভৰ কৰে চৰকাৰখনে কৰা  উন্নয়নমূলক কাম-কাজৰ ওপৰত। ৰাজ্যপাল মহোদয়ে তেখেতৰ ভাষণ প্ৰসংগত তথ্য সহকাৰে উল্লেখ কৰিছে যে বৰ্তমান পৰ্যন্ত আমাৰ চৰকাৰখনে কি কি উন্নয়নমূলক কাম-কাজ সম্পাদন কৰিছে। জনসাধাৰণৰ অভাৱ-অভিযোগ আৰু আশা আমাৰ চৰকাৰখনে কিমানদূৰ পূৰণ কৰিবলৈ সক্ষম হৈছে তাৰ একমাত্ৰ প্ৰমাণ হৈছে যে অসমত আগৰ দৰে এতিয়া হিংসাৰ পৰিৱেশ নাই। এটা শান্তিৰ পৰিৱেশ বিৰাজ কৰিছে আৰু এইয়া একমাত্ৰ সম্ভৱ হৈছে উন্নয়নৰ বাবে। ৰাজ্যৰ সামগ্ৰিক উন্নয়নেহে শান্তিৰ বাতাৱৰণ গঢ় দিব পাৰে। আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই এই প্ৰচেষ্টা অব্যাহত ৰখাৰ বাবেই সম্ভৱ হৈ উঠিছে। মাননীয় অধ্যক্ষ মহোদয়, মাননীয় ৰাজ্যপাল মহোদয়ৰ ভাষণৰ মই পূৰ্ণ সমৰ্থন কৰো। কিয়নো তেখেতে অতিৰিক্ত কোনো কথা উল্লেখ কৰা নাই। তেখেতে ভাষণ প্ৰসংগত উল্লেখ কৰিছে আমাৰ ৰাস্তা ঘাটৰ আন্তঃগাঁথনিৰ উন্নয়ন , চিকিৎসা ব্যৱস্থা উন্নয়ন সাধন, স্বাস্থ্য বীমা, মহিলা সৱলীকৰণ, মিছন বসুন্ধৰাৰ জৰিয়তে ভূমিপট্টা দিয়া, ভূমিহীন লোকক ভূমি দিয়া, জল জীৱন মিছনৰ জৰিয়তে সকলোকে এটুপি বিশুদ্ধ খোৱাপানী যোগান ধৰা, গ্ৰামীণ জীৱিকা অভিযান, ৰাষ্ট্ৰীয় সামাজিক সাহাৰ্য আঁচনি ৰূপায়ণ, মুখ্যমন্ত্ৰী আৱাস যোজনা, অৰুণোদয় আঁচনি ৰূপায়ণ, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মহাত্মা গান্ধীৰ নিয়োগ নিশ্চিত আইন (**MGNREGA**), অসমৰ মীন বিভাগ আৰু মুখ্যমন্ত্ৰীৰ গ্ৰাম্য উন্নয়ন যোজনাৰ সহযোগত অমৃত সৰোবৰ নিৰ্মাণ, প্ৰধান মন্ত্ৰীৰ কৃষি সন্মান নিধি আঁচনি ৰূপায়ণ, কৃষকক ট্ৰেক্টৰ, পাৱাৰ টিলাৰ আৰু কৃষি সঁজুলি প্ৰদান, পুৰাতত্ব সঞ্চালকালয়ৰ ঐতিহাসিক চৰাইদেউ মৈদাম ক্ষেত্ৰক বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ তালিকাত অন্তৰ্ভুক্ত কৰাৰ বাবে ডচিয়াৰ দাখিল কৰা, খাদ্য আৰু ৰাজহুৱা বিতৰণ ব্যৱস্থা অধিক গতিশীলতা প্ৰদান কৰা, নিয়োগৰ ক্ষেত্ৰত ১ লক্ষ চৰকাৰী চাকৰি প্ৰদান, দুৰ্নীতৰ বিৰুদ্ধে শূন্য সহনশীলতা, চাহ -শ্ৰমিকৰ কল্যাণকামী বিভিন্ন আঁচনি ৰূপায়ণ,

সংখ্যালঘূ উন্নয়ন, চিকিৎসা মহাবিদ্যালয় স্থাপন , দক্ষতা বিকাশ, নিকা আৰু স্বচ্ছ নিয়োগ, পাৰ্বত্য উন্নয়ন আদি সৰ্ব দিশতে বৰ্তমান আমাৰ চৰকাৰৰ দিনত চকুত লগা পৰিৱৰ্তন সাধন হৈছে। দোপত দোপে অসমত উন্নয়ন সাধন হোৱাৰ বাবে বৰ্তমান অসমত শান্তিৰ পৰিৱেশ এটাই বিৰাজ কৰিছে তাত কাৰো দ্বিমত নাই। পঞ্চদশ অসম বিধান সভাত বাজেট অধিবেশনৰ লগত সংগতি ৰাখি মাননীয় ৰাজ্যপাল মহোদয়ে সদনত যি ভাষণ প্ৰদান কৰিলে মই পূৰ্ণ সমৰ্থণ আগবঢ়াইছো। যিহেতু মাননীয় ৰাজ্যপাল মহোদয়ে তেখেতৰ ভাষণত অসম উন্নয়ণৰ এখন বাস্তৱ ছবি তুলি ধৰিবলৈ সক্ষম হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, বিৰোধীতা কৰিব লাগে বাবেই বিৰোধীয়ে বিৰোধীতা কৰিছে। তেনে কৰিলে প্ৰকৃত সত্য ঢাকি ৰাখিব নোৱাৰে। আমি বিতৰ্ক কৰি সদনৰ অতি মূল্যবান সময় নষ্ট কৰাটো পক্ষপাতী নহয়। অযুক্তিকৰ উত্তাল পৰিৱেশ সৃষ্টি কৰি অসমৰ উন্নয়ণত বাধা প্ৰদান কৰি বিৰোধীৰ কৌশল অসমৰ ৰাইজে চাই আছে। বাস্তৱ সত্য কথাবিলাক অনুধাৱন কৰি অসম উন্নয়ণৰ ছবি এখন মাননীয় ৰাজ্যপাল দেৱে তুলি ধৰাৰ বাবে আজি বিৰোধীয়ে উত্তেজিতহৈ পৰিছে বুলি মই অনুভৱ কৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া ড° আছিফ মহম্মদ নাজাৰ।

**ড° আছিফ মহম্মদ নাজাৰ,লাহৰীঘাট ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মহামান্য ৰাজ্যপালৰ যি ভাষণ আছিল সেই ভাষণৰ ওপৰত যি ধন্যবাদসূচক প্ৰস্তাৱ আহিছিল মই তাৰ বিৰোধীতা কৰি দুষাৰমান কথা ক'ব বিচাৰিছো আৰু কিছুমান বাক্য সন্নিবিষ্ট হ'ব লাগে।

মাননীয় উপাধ্যক্ষ মহোদয়, ৪ নং পৃষ্ঠাৰ ৪ নং দফাৰ শেষত সাংস্কৃতিক শিতানত "অৱশ্যে আমি এই কথা মানি লওঁ যে স্থাপন কৰিবলাগ পুঁথিভৰালৰ সংখ্যা যথেষ্ট কম হৈছে আৰু অনুন্নত অঞ্চল সমূহৰ প্ৰাধান্য দিয়া হোৱা নাই।" গতিকে এই লাইনটো সন্নিবিষ্ট হ'ব লাগে। কাৰণ যিবোৰ বিপথে পৰিচালিত যুৱ প্ৰজন্ম আছে তেখেতসকলক শিক্ষা,সংস্কৃতি আৰু খেল ধেমালীৰ প্ৰতি আকৃষ্ট কৰিবলৈ হ'লে এই পুঁথিভৰাল বিলাক অনুন্নত অঞ্চলসমূহত পুঁথিভৰালৰ সংখ্যা বঢ়াহ ইয়াক প্ৰাধান্য আৰু তৰান্বিত কৰিব লাগে।

মাননীয় উপাধ্যক্ষ মহোদয়, ৫ নং পৃষ্ঠাৰ চিকিৎসা আন্তঃগাথনিৰ যি সম্প্ৰসাৰণ শিতানত ৩ নং দফাৰ শেষত এটা লাইন সন্নিবিষ্ট হ'ব লাগে যে "অৱশ্যে কেইবাখনো চিকিৎসা মহাবিদ্যালয় আন্তঃগাথনি এতিয়াও বৰকৈ দুখলগা অৱস্থাত আছে।" মাননীয় উপাধ্যক্ষ মহোদয়, ইয়াৰ কাৰণ হৈছে যে চৰকাৰে নতুন নতুন চিকিৎসা মহাবিদ্যালয় খুলিছে। তাৰবাবে আমি ধন্যবাদ জ্ঞাপন কৰিছো। আমি ভাৱিছিলো যে দুখীয়া যিবোৰ লোক আছে তেওঁলোকে কম দামতে বা বিনামূল্যে চিকিৎসা কৰাব পাৰিব। কিন্তু এতিয়াও দেখা যে কিছুমান চিকিৎসা মহাবিদ্যালয়ৰ ICU ত অক্সিজেনৰ অভাৱ হৈ আছে। কিছুমান চিকিৎসালয়ৰ নিৰ্মীয়মান অৱস্থাতে চিলিং খহি যোৱাৰ নজিৰ আছে। কিছুমান চিকিৎসালয়ত এতিয়ালৈকে পৰ্য্যাপ্ত পৰিমাণৰ সা-সঁজুলিৰ অভাৱ আছে। ডাক্তৰ নাই, নাৰ্চ নাই, কৰ্মচাৰী নাই। বিভিন্ন চিকিৎসালয়ৰ বিভিন্ন বিভাগত পদ খালী হৈ আছে। কোনো ৰোগীৰ যদি heart related issue হয়, তেতিয়া গুৱাহাটী মেডিকেল কলেজলৈ লৈ আহিব লাগে। বাকী যিসমূহ চিকিৎসালয় আছে তাত কোনো চিকিৎসা কৰাব নোৱাৰে।

মাননীয় উপাধ্যক্ষ মহোদয়, ৬ নং পৃষ্ঠাৰ স্বাস্থ্য বীমা শিতানৰ ৩ নং দফাৰ শেষত

"যদিও চৰকাৰী চাকৰিয়াল, পেঞ্চনাৰ আৰু তেওঁলোকৰ ওপৰত নিৰ্ভৰশীল লোক সকলৰ চিকিৎসা ব্যয় পৰিশোধৰ ক্ষেত্ৰত এই আঁচনিসমূহে বিশেষ সফলতা লাভ কৰা নাই তাৰ কাৰণ হৈছে আয়ুষ্মান অসম মুখ্যমন্ত্ৰী লোকসেৱক আৰোগ্য যোজনা নামৰ আঁচনিখনৰ ভালকৈ প্ৰচাৰ আৰু প্ৰসাৰ ক্ষীপ্ৰ গতিত হোৱা নাই।

National Information Centre ত নতুন ration card বিলাক উন্নতিকৰণ হোৱা নাই। যাৰকাৰণে নতুন হিতাধিকাৰীসকলে এই আঁচনিৰ সুবিধা লাভ কৰিব পৰা নাই। ইয়াৰ উপৰিও য়িসকলে এই আঁচনিৰ সুবিধা লাভ কৰিব বিচাৰিছে বা এই আঁচনি পাইছে তেখেতসকলে এই আঁচনিৰ সুবিধা ল'বলৈ হ'লে এৰাতি ভৰ্ত্তি হ'ব লাগে। কিন্তু কিছুমান বেমাৰ আছে যিবোৰত এডমিড হ'ব নালাগে। পেটৰ বেমাৰ বা সাধাৰণ ফেক্‌চাৰ আদি হ'লে তেতিয়া সেই হিতাধিকাৰীজনে সেই আঁচনিৰ সুবিধা ল'ব নোৱাৰে। নিজৰ পকেটৰ পইচাৰে চিকিৎসা কৰিব লগীয়া হয়।

মাননীয় উপাধ্যক্ষ মহোদয়, ৮ নং পৃষ্ঠাত স্বাস্থ্য সঁজুলি ক্ৰয় শিতান আছে। তাত যদিও এনে প্ৰচেষ্টাৰ ক্ষেত্ৰত চৰকাৰে আংশিকভাৱেহে সফল হৈছে এই কথাটো সন্নিবিষ্ট কৰিব লাগে। কাৰণ বিভিন্ন চিকিৎসা প্ৰতিষ্ঠানত উন্নত চিকিৎসাৰ সঁজুলি নাই। মাননীয় উপাধ্যক্ষ মহোদয়, চৰকাৰে চিকিৎসাৰ উন্নতিৰ কথা কৈছে। কিন্তু আজি মৰিগাওঁ জিলাতে দীৰ্ঘদিন ধৰি x-ray machine যিটো আছে তাৰ প্ৰিন্ট নোলায়। ৰোগীসকলে হাৰাশাস্তি খাই আছে। কাৰণ x-ray machine ত কেবল ৰিপোৰ্টটো চাই কিবা হৈছে বুলিহে কয়। কিন্তু আজিলৈকে সেই x-ray machine টো ভাল কৰা হোৱা নাই।

মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ সমষ্টিৰ অন্তৰ্গত মৈৰাবাৰী CHC ত এটা নিউজ সম্প্ৰসাৰণ হৈছিল তাত এটা patient ৰ ৰাতি টৰ্চ লাইট জ্বলাই চিকিৎসা কৰিবলগা হৈছে। ইয়াৰ উপৰিও মৰিগাওঁ লাহৰীঘাঠৰ যিটো মডেল চিকিৎসালয় আছে, তাৰ সভাপতি তাত যেতিয়াই যাওক সাধাৰণ প্ৰেচাৰ মেচিন এটা ভাল নাথাকে ইয়াৰ উপৰিও Ultra sound ৰ ব্যৱস্থা নাই। Gynenoclogist নাই, মেডিচিনৰ কোনো ডক্টৰ নাই। সেইটোৱে হ'ল মোৰ সমষ্টিৰ আদৰ্শ মডেল চিকিৎসালয়। অমসৰ বিভিন্ন ঠাইত এই সমস্যাটো হৈছে। ইয়াৰ উপৰিও মই শিক্ষাৰ ওপৰত এষাৰ কথা ক'ব বিচাৰিছো----interruption-----

**মাননীয় উপাধ্যক্ষ ঃ** please conclude.

**ড° আছিফ মহম্মদ নাজাৰ,লাহৰীঘাট ঃ** ধন্যবাদ চাৰ।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য শ্ৰী ফণীধৰ তালুকদাৰ। আপুনি তিনি চাৰি মিনিটত শেষ কৰক।

**শ্ৰী ফণীধৰ তালুকদাৰ,ভৱানীপুৰ ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ ৫ ফেব্ৰুৱাৰী বাজেট অধিবেশনত মহামহিম ৰাজ্যপাল শ্ৰী গোলাপ চান্দ কাটাৰীয়া দেৱৰ ভাষণৰ ওপৰত ধন্যবাদসূচক প্ৰস্তাৱ ৰাখিবলৈ বিচাৰিছো। মাননীয় ৰাজ্যপাল দেৱে আমাৰ অসমৰ এখন ধুনীয়া তথ্যচিত্ৰ আমাৰ আগত দাঙি ধৰিছে। তেখেতে প্ৰথমেই উল্লেখ কৰিছে চৰকাৰৰ East Act policy ৰ ওপৰত

। আমাৰ চুবুৰীয়া ৰাষ্ট্ৰ বাংলাদেশ,ভূটান আৰু নেপালৰ লগত আমাৰ যি সম্পৰ্ক গঢ়ি উঠিছে তাৰ ওপৰত তেখেতে এখন ধুনীয়া তথ্যচিত্ৰ আমাক দিছে। আমাৰ বাণিজ্যিক ক্ষেত্ৰত যথেষ্ট লাভৱান হৈছো। তাৰবাবে তেখেতক ধন্যবাদ জ্ঞাপন কৰিছো।

দ্বিতীয়তে, অসম চৰকাৰে বিভিন্ন সূত্ৰে বিভিন্ন আঁচনিৰ যোগেদি জনসাধাৰণৰ মানদণ্ড উন্নত কৰিছে। এই তথ্যচিত্ৰখন তেখেতে উপস্থাপন কৰিছে। বিশেষকৈ অসমত থকা বিভিন্ন প্ৰতিভা আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ প্ৰচেষ্টাৰ ফলত আজি সেই প্ৰতিভাখিনি আমি উলিয়াই লৈ আহিবলৈ সক্ষম হৈছো। সাংস্কৃতিক ক্ষেত্ৰত মুখ্যমন্ত্ৰী মহোদয়ে সাংস্কৃতিক মহাৰণ পাতি প্ৰথম পঞ্চায়ত, তাৰপিছত সমষ্টি লেভেল তাৰ পিছত জিলাভিত্তিক আৰু তাৰ পিছত ৰাজ্যিক ভিত্তিত আনি এই প্ৰতিভাখিনি বিকশিত কৰাৰ যিটো সুবিধা দিছে, যি বিকশিত অসমৰ চিত্ৰ সাংস্কৃতিক মহাৰণৰ যোগেদি আমাক আগবঢ়াই নিছে আৰু দেখা গ'ল যে ছাত্ৰ-ছাত্ৰীৰ পৰা একেবাৰে প্ৰাপ্ত বয়স্কলৈকে যিখিনি বয়সৰ সীমা দিয়া হৈছে সকলোৱে বৰ ধুনীয়াকৈ গোটেই অসমতে অংশগ্ৰহন কৰি উৎসাহ জনকতা পৰিস্থিতি আমাক দেখুৱাইছে। আনফালে খেল মহাৰণেতো অসমৰ চাৰিওফালে আলোৰণৰ সৃষ্টি কৰিছে। আগতে আচলতে আমি দেখিছিলো যে অসমত বিভিন্ন ক্লাৱ বিভিন্ন পতিষ্ঠানে এই খেল বিলাক পাতে কিন্তু আমাৰ চৰকাৰে তাত কোনো ধৰণৰ অনুদান বা ভ্ৰূক্ষেপ নাছিল। এতিয়া আমাৰ মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা দেৱে সেই খেল খিনিকে ধুনীয়াকৈ চৰকাৰী ভাৱে তেখেতে অনুস্থিত কৰিলে। মহাৰণ অনুস্থিত কৰিলে আৰু যাৰ দ্বাৰাই গোটেই অসমৰ মানুহ খিনিয়ে ইমূৰৰ পৰা সিমূৰলৈ চুকে কোনে থকা প্ৰতিভা খিনি বিকাশ কৰিবলৈ সমৰ্থক হ'ল। এই গোটেইখিনি আমাৰ মহামহিম ৰাজ্যপাল দেৱে তেখেতৰ প্ৰস্তাৱত উনুকিয়াই দিলে। আনফালে আমাৰ মুখ্যমন্ত্ৰীৰ অভিলাসি আঁচনি আমাৰ মহিলা সকলৰ বাবে বহুত আঁচনি কৰিছিল যদিও এটা আটাইতকৈ আঁচনিয়ে ফলপ্ৰসু পাইছে আমাৰ মহিলা সকলৰ বাবে অৰুণোদয় আঁচনি, এই আঁচনিৰ গৰীব নিৰিহৰ মহিলাখিনিক এটি ধুনীয়া সকাহ দিছে, যাৰ কাৰণে জীৱন নিৰ্বাহৰ বাবে তেওঁলোকে সাহস পাইছে তেওঁলোকৰ জীৱন নিৰ্বাহৰ বাত মুকলি হৈছে। আনফালে মাননীয় প্ৰধান মন্ত্ৰী মহোদয়ৰ অভিলাসী আঁচনি হৰ ঘৰ মে নল কা জল এইটো আঁচনি বৰ্তমান ২০২৪ চনৰ ভিতৰতে ৯০ শতাংশ মানুহে বিশুদ্ধ পানী পাবলৈ সক্ষম হৈছে আৰু যাৰ বাবে আজি প্ৰায় ৯০ শতাংশ অসমত জল জীৱন আঁচনি ফলপ্ৰসু হৈছে। ইতিমধ্যে আমাৰ মোক তিনি মিনিট দিছে, ধন্যবাদ প্ৰস্তাৱক সমৰ্থন জনাই মোৰ বক্তব্য সামৰণি মাৰিলোঁ।

**মাননীয় উপধ্যক্ষ** ঃ আপুনি ৫ মিনিট কলে। ধন্যবাদ। এতিয়া মাননীয় সদস্য আব্দুচ সোবাহন আলী সৰকাৰ, আপুনি তিনি চাৰি মিনিটত শেষ কৰিব।

**শ্ৰীআব্দুচ সোবাহন আলী সৰকাৰ** ঃ মাননীয় উপধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত মোক যি কথা কোৱাৰ সুযোগ দিয়া হৈছে তাৰ কাৰণে মই ধন্যবাদ জ্ঞাপন কৰিছোঁ। মাননীয় ৰাজ্যপাল শ্ৰীযুত গোলাপচান্দ কাটাৰীয়াৰ ভাষণ যদি আমি চাও মই যিখিনি অধ্যয়ণ কৰিছো সেই হিচাপত মই যি পাইছো ইয়াত বিশেষকৈ প্ৰথমতে Act east policy ৰ ওপৰত যি কথা কোৱা হৈছিল কিন্তু বিশেষকৈ অসমৰ পশ্চিম প্ৰান্তৰ গোলকগঞ্জ সমষ্টি যিহেতু এটা আমাৰ ট্ৰেড চেন্টাৰ আছে সেই ট্ৰেড চেন্টাৰৰ সম্পৰ্কে মই ইয়াৰ আগতে বিধান সভাত কেইবাবাৰো কথা তুলিছিলো এইটো ট্ৰেড চেন্টাৰ integrated check post লৈ পৰ্য্যায়বিশেষে কৰিব লাগে আৰু বাংলাদেশৰ লগত আমাৰ যি বাণিজ্যিক সম্পৰ্ক সেইটো বৃদ্ধি কৰিবৰ কাৰণে আমি ইয়াত যিখিনি প্ৰচৰতা দিব লাগে সেইখিনি ৰাজ্যপাল মহোদয়ৰ ভাষণত কোনো ধৰণৰ উল্লেখ কৰা নাই। Mission

Basundhara সম্পৰ্কে যদি কিব লগীয়া আছিল সেইখিনিও অলপ আগতে মুখ্যমন্ত্ৰী মহোদয়ে ইতিমধ্যে স্পষ্টিকৰণ দিলে, সেইখিনিলৈ মই বাৰু নাযাও। এতিয়া পঞ্চায়ত আৰু গ্ৰাম্যউন্নয়ন বিভাগত কব বিচাৰিছো ইয়াত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগত বিশেষকৈ MGNREGA আঁচনি যোৱা দিন বোৰত যেনেকৈ কাম হৈছিল আৰু বিশেষকৈ ১০০ দিনৰ মজুৰী পোৱা যিখিনি কথাৰ প্ৰসংগ আছিল সেইখি নি কোনো দিনে অসমত বিশেষকৈ ধুবুৰী জিলাত ৰূপায়িত হৈছে বুলি মই দেখা নাপালোঁ। এই সম্পৰ্কত MGNREGA আঁচনিৰ জৰিয়তে আমাৰ Road Connectivity Scheme যিবিলাক village road সেই বিলাকক আমি কেনেকৈ উন্নত কৰি অহা দিনত CMGSY আঁচনিলৈ উন্নিত কৰিব পাৰিম সেই বিষয়ত কোনো ধৰণৰ ইয়াত বিশেষ উল্লেখ দেখা নাই। বিশেষকৈ মই লোকনিৰ্মাণ বিভাগৰ কথা যদি কবলৈ যাও আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে by election গোসাইগাঁৰত বিশেষকৈ হাটিধৰা সভা খনত ঘোষণা কৰিছিল যে কৰিমগঞ্জত তৃতীয়খন bridge দিয়াৰ আশা দিছিল সেই সম্পৰ্কত কোনো ধৰণৰ ৰাজ্যপাল মহোদয়ৰ ভাষণত নাপালো। আজি যিহেতু উপস্থিত আছে মুখ্যমন্ত্ৰী মহোদয়, মই সেই কাৰণে অনুৰোধ কৰিছো বিশেষকৈ আমাৰ কঠালটলীত যি দলংৰ প্ৰতিশ্ৰুতি দিছিল এইটো কাৰ্য্যকৰী কৰিলে আজিৰ দিনত delimitation হোৱাৰ ফলত যিখিনি সমষ্টি কেন্দ্ৰিক যাতায়াতৰ সমস্যা এটাৰ সৃষ্টি হৈছে সেইখিনি সেইখন bridge য়ে লগতে ৰূপচি বিমান বন্দৰত connectivity দিব। বিশেষকৈ আমি নৰ্থবেঙ্গলৰ মানুহখিনি ৰূপচি বিমান বন্দৰত পাম বুলি মই ভাৱো। এইখিনিৰ ওপৰত নজৰ দিয়াৰ বাবে মই অনুৰোধ কৰিলো। এই খিনি কথা ৰাজ্যপাল মহোদয়ে কোনো ধৰণৰ উল্লেখ কৰা নাই। বিশেষ কৈ আমাৰ ধুবুৰী জিলা কোক্ৰাঝাৰ জিলাৰ lower Assamত এটাই বিমান বন্দৰ আছিল যোৱা বছৰৰ ৭ নবেম্বৰৰ পৰা ৰূপচি বিমান বন্দৰটো বন্ধ হৈ আছে ইমান টকা পইচা খৰচ কৰাৰ ফলতো যিহেতু আজিৰ দিনত বিমান বন্দৰ running নাথাকে আৰু তাত যদি যোগাযোগ ব্যৱস্থা নাথাকে তেনেহলে নিশ্চিতভাৱে আমাৰ এই অঞ্চলখন আৰু পিছ পৰি যাব। মই আশা কৰো অহা দিনত Budgetত কমচে কম ৰূপচি বিমান বন্দৰৰ যাতায়াত ব্যৱস্থা হয়, তাত যাতে plane landing হয় আৰু তাৰ পৰা Guwahati Rupsi Calcuttaলৈ যি যাতায়ত ব্যৱস্থা আছিল সেইটো ব্যৱস্থা যাতে চালু ৰাখে তাৰকাৰণে মই অনুৰোধ জনালো। বিশেষকৈ শিক্ষাৰ ক্ষেত্ৰত যদি কব যাও এই শিক্ষা সম্পৰ্কে ৮ খন মহাবিদ্যালয়ক বিশ্ববিদ্যালয়লৈ ৰূপান্তৰ কৰাৰ কাৰণে কথা ইয়াত তুলি ধৰা হৈছিল। কিন্তু আজি আমাৰ ধুবুৰী জিলাৰ ভোলানাথ কলেজ আপোনালোকে সকলোৰে জানে ইয়াত নাকত ইনপেকচনতো পজিচন পাইছিল, এই কলেজ খন বিশেষকৈ লৱাৰ অসমত সকলোৰে জনা এখন এনেকুৱা কলেজ যিখন আমি অহা দিনত নিশ্চিত ভাৱে এখন বিশ্ববিদ্যালয়লৈ ৰূপান্তৰিত কৰে আমাৰ নামনি অসমত উন্নয়ন হ'ল হেতেন। লগতে আমাৰ Assam Engineering College এখন Lower Assam নাই। বিশেষকৈ আমাৰ অঞ্চলৰ নামনি অসমৰ প্ৰতিটো ছাত্ৰই Jorhat, Dibrugarh Engineering পঢ়িবলৈ যাব লগীয়া হয়। সেই কাৰণে মই কৈছো নামনি অসমত কমচেকম Dhubri related Mancachar গোৱালপাৰা আৰু Barpeta অঞ্চলত এখন Engineering College গঠন কৰাৰ কথা উল্লেখ কৰিলে ভাল আছিল। এই Budgetত এইটো আনিব বুলি মই অনুৰোধ কৰিলো। লগতে নামনি অসমত ৰাজ্যপাল মহোদয়ৰ বক্তব্যত কোনো ধৰণৰ আশাব্যঞ্জক কথা আমি দেখা পোৱা নাই মই আজি এই সদনৰ জৰিয়তে কব বিচাৰিছো Budgetত নিশ্চিতভাৱে Lower Assam ক গুৰুত্ব দি মানুহৰ আৰ্থসামাজিক ৰাজনৈতিক প্ৰতিটো ক্ষেত্ৰত যাতে আঁচনি ধৰা হয় তাৰ কাৰণে

অনুৰোধ ৰাখিলো। এইখিনি কৈ মই মোৰ বক্তব্য সামৰণি মাৰিলো।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্বেৰমান আলী আপোনাৰ তিনি মিনিট সময়। পইন্টকেইটা কৈ দিয়ক।

**শ্রীশ্বেৰমান আলী আহমেদ ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্রী মহোদয়ৰ ভাষণ প্রসঙ্গত তেতিয়াই কৈছিলো যে আপোনাৰ যি যাত্রা কুসংস্কাৰৰ বিৰুদ্ধে সেয়া Child marriage ৰ বিৰুদ্ধে হোৱা অভিযানে হওঁক, সেয়া drugs ৰ বিৰুদ্ধে হোৱা অভিযানে হওঁক, সেয়া মাদকদ্রব্যৰ বিৰুদ্ধে হোৱা অভিযানে হওঁক, সেই সকলো অভিযানত আমাৰ ফালৰ পৰা পূৰ্ণ সমৰ্থন থাকিব। মই আপোনাক আৰু দুই তিনিটা কুসংস্কাৰৰ কথা জনাব খুজিছো মাইনৰীতি এলেকাত গাঁৱে গাঁৱে যধে মধে সাংস্কৃতিক সন্ধিয়াৰ নামত ভণ্ডামি চলে বাহিৰৰ বজৰুৱা শিল্পী মাতি আনে যদি লোকেল শিল্পীয়ে পাতিলে ভাল পালো হেতেন। আৰু তাত ড্ৰাগ্চ, জুৱা খেলা চলে। এই সাংস্কৃতিক সন্ধিয়া আৰু বাণিজ্য মেলা, এটা এটা গাঁৱত ৫ টা ৫ টা বাণিজ্য মেলা নিজৰ নিজৰ পলিটিকেল নেতাকলৈ পাতে এই সাংস্কৃতিক সন্ধিয়া আৰু বাণিজ্যমেলা আৰু এটা নাঁও খেল, ১৫ আগষ্টত নাওঁ খেল পাতক, ২৬ জানুৱাৰীত পাতক কিন্তু চাব প্ৰত্যেক নদীত প্ৰত্যেক দিনে ১০ টাকৈ নাও খেল পাতে। তাৰ ফলত নদীৰ গড়াখহনীয়া বাঢ়ে বহুত মানুহ কাজিয়াহৈ মৰে, গতিকে এই যিখিনি কুসংস্কাৰ এইখিনিত গুৰুত্ব দিব লাগে।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য minority বুলি কৈছে আপুনি, minority এতিয়া কোনটো এলেকাত ?

**শ্রীশ্বেৰমান আলী আহমেদ ঃ** তথা কঠিত মিঞা অঞ্চলত। এতিয়া মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে মোক কৈছে আমাৰ বসুন্ধৰাৰ ক্ষেত্ৰত দুটা specific case থাকোতে তেখেতে কৈছে জিলাৰ মন্ত্ৰী মহোদয়ক জনাব। এতিয়া মাননীয় মুখ্যমন্ত্ৰী মহোদয়, অতি দুখেৰে সৈতে জনাওঁ যে আমাৰ জিলাৰ মন্ত্ৰী বা শিক্ষা মন্ত্ৰীজনৰ যি efficiency বা শিক্ষা বিভাগক অকনমান জনাব খুজিছো, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক যে এজন মহিৰুদ্দিন বুলি চি আৰ চি চি তেওঁৰ moral turpitude কম বয়সীয়া ছোৱালী এজনীক ৰেপ কৰাৰ কাৰণে এমাহ জেলত থাকিল ৮ এপ্ৰিল ২০২৩ চনৰ পৰা ৬মে ২০২৩ চনলৈ এমাহ হৈ গ'ল। মই জিলা পৰ্য্যায়ৰ মিটিংত কেইবাবাৰো উল্লেখ কৰিছো একচন লোৱা নাই। এবাৰ মই প্ৰশ্ন দিয়াৰ পাছত ১ ফেব্ৰুৱাৰীতহে তেওঁক suspend কৰিছে। চি আৰ চি চি জনে বালিকা ছোৱালী এজনীক ৰেপ কৰিলে। ডি চি, ডি অ ক জনোৱাৰ পাছতো তেওঁক suspend কৰা নাছিল। মই প্ৰশ্ন দিয়াৰ পাছতহে তেওঁক suspend কৰিছে। মাননীয় মুখ্যমন্ত্ৰী মহোদয়, Even today the DC should have been suspended. The DO should have been suspended. Why they took eight month time to suspent a teacher involved in moral turpitude. আপুনি অনুগ্ৰহ কৰি এই কথাটো চাব। This is so bad. This sent so bad message মাননীয় মুখ্যমন্ত্ৰী মহোদয়, আমাৰ শিক্ষামন্ত্ৰী মহোদয়ৰ তেখেতৰ efficiency ৰ বিষয়ে কৈ শেষ কৰিব নোৱাৰিম। কেৱল দুটা উদাহৰণ দিছো। আমি প্ৰশ্ন কৰিলে কয় যে এইবোৰ জিলা পৰ্য্যায়ত rationalization কৰি ল'ব। ডি চি য়ে কৰি ল'ব। নেহেৰু গালৰ্ছ হাই স্কুল-৫ টা ক্লাছ, ১৪ জন শিক্ষক। ratio - 9.ইয়াৰ পাছত ইৰাকদাও বড়ো হাই স্কুল -৫ টা ক্লাছ, ১১ জন শিক্ষক। ratio - ৬. ইফালে শৌলমাৰী হাইস্কুল-১০ টা ক্লাছ, ৪ জন শিক্ষক। পূৱ গৰলা হাইস্কুল -৬ টা ক্লাছ, ৪ জন শিক্ষক। পশ্চিম ডলডি এল পি স্কুল -৮ টা ক্লাছ, ৩জন শিক্ষক। This is the efficiency of your Edu-

cation Minister and this is how the D C is functioning? How the D O is functioning. D C মানে ভগৱান নহয়। They remain strick to their officers and does not take care of all this thing. পোন্ধৰ পশ্চিম দলডি এল পি স্কুল ১৫০ জন ছাত্র আৰু ৩ জন শিক্ষক আৰ ৮ টা ক্লাছ সেয়েহে আৰু ৫ জন শিক্ষক দিব লাগে। আপোনাৰ সেই গুনৱান ডি চি য়ে তাৰ পৰা আৰু ২ জন শিক্ষকক বেলেগ স্কুলত এটেচ কৰি দিছে। আপোনাৰ ডি অ ই ২ জন শিক্ষক এটাচ কৰি দিছে। মাননীয় উপাধ্যক্ষ মহোদয়, মই ৰাজহৰ বিষয়ে যিহেতু কাটমোশ্যনত মোৰ কথাটো আছিল, মই কেৱল এটা পইন্ট উত্থাপন কৰিম। পইন্টটো হ'ল গড়াখহনীয়াত গৃহহীন মানুহৰ বিষয়ে গোটেই সদনত উদ্বিগ্নতা আপুনি দেখিছে আৰু আমাৰ এই চৰকাৰে মাননীয় মুখ্যমন্ত্রী মহোদয়ৰ নেতৃত্বত কেবিনেটত গড়াখহনীয়াত গৃহহীন মানুহৰ কাৰনে এইখন পলিচি এডপ কৰিছে। কেবিনেটত পাছ কৰিছে, ইয়াত লিখা আছে যে এজন মানুহে যদি তেওঁৰ ঘৰৰ মাটি আৰু খেতিৰ মাটি হেৰুৱাই পেলাই তেওঁক ৫ লাখ টকা দিয়া হ'ব ঘৰৰ কাৰণে মাটি কিনিবলৈ। ১.৫০ লাখ দিয়া হ'ব ঘৰ বনাবলৈ আৰু ১ লাখ টকাকৈ ৩ বিঘা মাটি কিনিবলৈ দিয়া হ'ব আৰু এনেকুৱা প্ৰভিজনবোৰ আছে, কিন্তু মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্রী মহোদয়ক মই কৈছো, আজি এই চৰকাৰে আৰু আগৰ চৰকাৰে এই মানুহখিনিক সহায় কৰিবলৈ ২০১৫-২০১৬ চনত ৫ কোটি টকা বাজেট ধাৰ্য্য কৰা হৈছিল, ২০১৮-১৯ চনত ১০ কোটি টকা বাজেট ধাৰ্য্য কৰা হৈছিল। তাৰ পাছত ২০১৯-২০ চনত ১ কোটি টকা ধাৰ্য্য কৰা হৈছিল, আৰু ২০২০-২১ চনত NDRF ৰ অধীনত ২০০ কোটি টকা ধাৰ্য্য কৰা হৈছিল। কিন্তু এইটো অকল বাঘবৰ নহয়। গোটেই অসমত গড়াখহনীয়াত গৃহহীন এজন মানুহেও নাপালে। Now you see the reply of the Hon'ble Revinue Minister, ৰাজহ মন্ত্রীয়ে কয় যে ডি চি বোৰে The fund could not be utilized during the respective year as there was no concrete proposal receuved from the District.২০২০ চনত একে উত্তৰ দিছে। ২০২১ চনত একে উত্তৰ দিছে। ২০২২ চনত আজিলৈ ডি চি য়ে প্ৰপোজেল নিদিলে, আমাৰ মন্ত্রী মহোদয়ে কি কৰি আছে, সদায় মন্ত্রীয়ে উত্তৰ দিয়ে ডি চি য়ে প্ৰস্তাৱ দিয়া নাই। Why you are minister? আপুনি অনুসন্ধান কৰক যে এইটো আমাৰ স্কীম কিয় পোৱা নাই। মন্ত্রী মহোদয়ে কৈছে যে আপোনালোকে SDLAC ত আনিব। আপোনালোকে পাৰে, কিন্তু আপোনালোকৰ ডি চি এচ ডি চি য়ে আমাক পাট্টা দিয়ে নে। স্কীম এচ ডি চি ৰ মতে আহে, বিধায়কে হাজাৰবাৰ কলেও নাহে, মই এই কথাখিনি মুখ্যমন্ত্রী মহোদয়ৰ দৃষ্টিগোচৰ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে , ধন্যবাদ । এতিয়া মাননীয় মুখ্যমন্ত্রী।

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্রী ঃ** মাননীয় অধ্যক্ষ মহোদয়, পবিত্র সদনত অসমৰ ৰাজ্যপাল গোলাপচান্দ কাটাৰিয়াই তেওঁৰ ভাষণ দাঙি ধৰে আৰু তেওঁৰ ভাষণৰ ওপৰত সন্মানীয় বিধায়ক ৰূপক শৰ্ম্মা ডাঙৰীয়াই ধন্যবাদসূচক প্ৰস্তাৱ আগবঢ়াই, সন্মানীয় বিধায়ক সুশান্ত বৰগোঁহাই ডাঙৰীয়াই সমৰ্থন কৰে। মই বিৰোধী পক্ষক ধন্যবাদ জনাম যোৱা বছৰ আৰু এই বছৰ, দুটা বছৰ তেখেতসকলে ৰাজ্যপালৰ ভাষন দিয়াৰ সময়ত সদন ত্যাগ নকৰি উজ্বল পৰম্পৰা দাঙি ধৰিছে তাৰ বাবে মই তেখেত সকলক ধন্যবাদ জনাম। আমাৰ ৰাজ্যপাল সদনৰ সদস্য হয় আৰু সেই বাবে সদনত আহিলে ৰাজ্যপাল মহোদয়ক সন্মান প্ৰদৰ্শন কৰা আৰু তেখেতক ধন্যবাদ জনোৱা এটা সদনৰ পৰম্পৰা আৰু ভাৰতৰ যদি লোকসভা আৰু ৰাজ্য সভালৈ আমি চাওঁ য'ত আমাৰ গোটেইবোৰ দলৰ সৰ্বোচ্চ নেতা সকল থাকে তাত আমি দেখাপাওঁ যে তেওঁলোকে ৰাষ্ট্ৰপতিৰ

ভাষন বৰ্জন নকৰে। এ আই ইউ ডি এফ দলৰ supremo বদৰুদ্দিন আজমল ডাঙৰীয়া লোক সভাত আছে, কংগ্ৰেছৰ সভাপতি মল্লিকাঅৰ্জুন খাৰ্গে ৰাজ্যসভাত আছে, আমাৰ দলৰ নেতাসকলো বিৰোধী পক্ষত থাকোতে তেওঁলোক আছিল । কিন্তু কেতিয়াও লোকসভা আৰু ৰাজ্যসভাত ৰাষ্ট্ৰপতিৰ ভাষন বৰ্জন কৰা নহয় আৰু তেওঁলোকে ভাষন দিয়াৰ সময়ত খুব সুন্দৰ ভাবে ভাষন শুনাৰ এটা উজ্বল পৰম্পৰা ভাৰতৰ সদনত প্ৰতিষ্ঠা হৈছে। মই আশা কৰো যে লাহে লাহে এনেকুৰা পৰম্পৰাৰ ফালে যাব লাগে আৰু আশা কৰো যে এটা সময় আহিব, আমি নিশ্চয় সেই পৰম্পৰাৰ ফালে গতি কৰিব পাৰিম। ৰাজ্যপালৰ ভাষনৰ ওপৰত সন্মানীয় সদস্য দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি, চক্ৰধৰ গগৈ, আমিনুল ইছলাম, গোবিন্দ বসুমতাৰী, দিগন্ত বৰ্মন, প্ৰদীপ হাজৰিকা, ভাষ্কৰজ্যোতি বৰুৱা, সুমন হৰিপ্ৰিয়া, আব্দুৰ বাতিন খণ্ডকাৰ,ভবেশ কলিতা, দূৰ্গাদাস বড়ো, আমিনুল ইছলাম, ৰকিবুল হুছেইন,পৃথিৱীৰাজ ৰাভা, ৰামকৃষ্ণ ঘোষ, মনোৰঞ্জন তালুকদাৰ, জাকিৰ হুছেইন সিকদাৰ, ৰূপজ্যোতি কুৰ্ম্মী, হাফিজ ৰফিকুল ইছলাম, মিচবাহুল ইছলাম লস্কৰ, কৃষ্ণেন্দু পাল, চামছুল হুদা, লৰেঞ্চ ইছলাৰী, অখিল গগৈ, ধৰ্মেশ্বৰ কোঁৱৰ, ড০ আচিফ মহম্মদ নাজাৰ, ফণীধৰ তালুকদাৰ, শ্বেৰমান আলি আহমেদ ডাঙৰীয়া আটাইগৰাকী সন্মানীয় বিধায়কক মই ধন্যবাদ আৰু কৃজ্ঞতা জনাইছো। সদনত ৰাজ্যপালৰ ভাষনৰ সময়ছোৱাত বিৰোধী পক্ষৰ সদস্য সকলে স্বাভাৱিকভাবে চৰকাৰক সমালোচনা কৰিছে। সাশকীয় পক্ষই সাধাৰনভাবে চৰকাৰৰ কাম কাজক প্ৰশংসা কৰিছে। মই ভাবো যে এখন ৰাজ্যৰ জীৱনত ৩ টা বছৰ বহুত যথেষ্ট বছৰ নহয়। ৭৫ টা বছৰ আমাৰ যি যাত্ৰা তাৰে এই ৩টা বছৰ বহুত ডাঙৰ সময়সীমা নহয়। কিন্তু এই ৩ টা বছৰত আমি ৰাজ্যৰ উন্নয়ন কেইবাটাও মাইলৰ খুটা প্ৰস্তুত কৰাৰ বাবে চেষ্টা কৰিছিলো। যোৱা কেইদিনমান আগতে ৰিপাব্লিকদেৰ পেৰেডত এন চি চি ৰ যুবক যুৱতী সকলে অংশগ্ৰহণ কৰে। তেওঁলোকে মোক সাক্ষাৎ কৰিব আহিছিল। মই তেখেত সকলক সুধিছিলো গড় আৰু চাহপাতক আমি বাদ দিওঁ তোমালোকৰ লগত একেলগে পেৰেড কৰা ছাত্ৰ ছাত্ৰী সকলে অসমৰ বিষয়ৰ ওপৰত মনোযোগ দিলে। সমস্বৰেৰে তেওঁলোকে মোক কৈছিল চাৰ, বিহু। আমাক সকলোৱে ক'লে যে বিহু শিকাব লাগে, বিহুটো আমি শিকিব খোজো। তেতিয়া মই দ্বিতীয় প্ৰশ্ন কৰিছিলো যে বিহু তেওঁলোকে ক'ত দেখা পালে? তেতিয়া তেওঁলোকে মোক ক'লে যে আমি গ্ৰিনিজ ৱৰ্ল্ড ৰেকৰ্ড যেতিয়া কৰিছিলো সমগ্ৰ ৰাষ্ট্ৰই সেইদিনাখন প্ৰত্যক্ষ কৰিছিল আৰু আমাৰ লগৰ ল'ৰা-ছোৱালী বিলাকেও চাইছিল। মাননীয় অধ্যক্ষ মহোদয়, সৰু কথা এটা। কিন্তু যোৱা তিনিটা বছৰত আমি অসমখনক কোনটো দিশত লৈ যাব খুজিছো। যোৱা তিনিটা বছৰত প্ৰথম বাৰৰ বাবে সাতশ বছৰৰ, ছশ বছৰৰ গৌৰৱময় ইতিহাস থকা আহোম ৰজা সকলৰ মৈদাম যে বিশ্ব ঐতিহ্যক্ষেত্ৰ হ'ব পাৰে। যেতিয়া মাননীয় প্ৰধানমন্ত্ৰী মহোদয়ৰ ওচৰলৈ ফাইল গৈছিল তাত ভগৱান বুদ্ধৰ সাৰনাথ আৰু আহোম স্বৰ্গদেউ সকলৰ চৰাইদেউ মৈদাম দুটা প্ৰস্তাৱ একেলগে গৈছিল। সাৰনাথৰ লগত বাৰাণসীৰ সম্পৰ্ক আছে। মই মাননীয় প্ৰধনমন্ত্ৰী ডাঙৰীয়াক সাক্ষাৎ কৰি কৈছিলো যে এইবাৰ আপুনি চৰাইদেউ ক ভাৰতৰ একমাত্ৰ মনোনয়ন হিচাপে পঠাব লাগে। আজি চৰাইদেউৰ বিবৰ্তন, চৰাইদেউক বিশ্ব ঐতিহ্যক্ষেত্ৰ ৰূপে লোৱা পদক্ষেপ আমাৰ সকলোৰে চকুত বিদ্যমান। লাচিত বৰফুকনৰ গৌৰৱ গাথা, যিজন ব্যক্তিৰ, যিজন মহাপুৰুষৰ, মহাযোদ্ধাৰ কৃত্তিৰে আজি অসমীয়াৰ নতুন প্ৰজন্মই সাহস আৰু প্ৰেৰণা লয়, সেই গৰাকী মহাযোদ্ধাক বিশ্বৰ মজিয়ালৈ লৈ যোৱাৰ বাবে আমি প্ৰচেষ্টা কৰা নাছিলো। আজি লাচিত বৰফুকনৰ চাৰিশ বছৰীয়া জন্মজয়ন্তী অনুষ্ঠিত হ'ল। লাচিতৰ সৌৰ্য্য-বীৰ্য্যৰ গ্ৰন্থ ২৩ টা ভাষালৈ ৰূপান্তৰ হ'ল আৰু হোলোঙা পাৰাত নিৰ্মীয়মান লাচিতৰ সুউচ্চ প্ৰতিমূৰ্ত্তিয়ে অসমীয়াৰ

সৌর্য্য-বীর্য্যক অনন্ত কালৰ বাবে নৱপ্ৰজন্মক প্ৰেৰণা দিব। আলাবই ৰণত একেলগে ১০ হাজাৰ অসমীয়া যোদ্ধা শ্বহীদ হৈছিল। কোনেও তাৰ ফালে চকু কৰা নাছিল যে আমি কেনেকৈ তেওঁলোকক সন্মান জনাম। ৰংঘৰক এছিয়াৰ প্ৰথম Ampitheater বুলি কোৱা হয়। সৌন্দৰ্য্য বৰ্ধনৰ প্ৰচেষ্টা হোৱা নাছিল। কংগ্ৰেছৰ আটাইবোৰ নেতাই স্বাধীনতা আন্দোলনৰ সময়ত তেওঁলোকে দেশমাতৃৰ বাবে কৰা ত্যাগ যোৰহাটৰ জেলৰ ভিতৰত আবদ্ধ হৈ আছে। কুশল কোঁৱৰক তাত ফাঁচী দিয়া হৈছিল। জেল খনৰ সৌন্দৰ্য্য বৰ্ধন হ'ব লাগে। জেলখনক এক সংগ্ৰাহালয়লৈ ৰূপান্তৰিত কৰিব লাগে তাৰ বাবে মোৰ অসম মাতৃয়ে ৭৫ বছৰ অপেক্ষা কৰিলে। চৰকাৰক সমালোচনা কৰা কোনো অসুবিধা নাই। কিন্তু লাচিত বৰফুকন, ৰংঘৰ,চৰাইদেউ মৈদাম অসমৰ সম্পত্তি চৰকাৰৰ সম্পত্তি নহয়। আজি মই দুখ অনুভৱ কৰো যে বিৰোধী পক্ষৰ সদস্য সকলে চৰকাৰক হাজাৰ সমালোচনা কৰাৰ পিছতো লাচিত বৰফুকনৰ বাবে আমাক কৰ'বাত এটা ধন্যবাদ দিব পাৰিলে হেঁতেন। চৰাইদেউ মৈদামৰ বাবে ধন্যবাদ দিব পাৰিলে হেঁতেন। মাননীয় বিধায়ক শ্ৰী অখিল গগৈ ডাঙৰীয়াক মই সমালোচনা নকৰো কাৰণ শিৱসাগৰত মোক যথেষ্ট ধন্যবাদ দিছে। আজি লাচিতৰ সুউচ্চ প্ৰতিমুৰ্ত্তিৰ বাবে কৰ'বাত এই চৰকাৰখন ধন্যবাদৰ পাত্ৰ। এইখন অসমত তিনিখন মেডিকেল কলেজ আছিল মই স্বাস্থ্য মন্ত্ৰী হোৱাৰ আগতে। কংগ্ৰেছৰ দিনত ৬ খন হ'ল। তাতো মই কংগ্ৰেছকে কৃত্তিত্ব দিওঁ। কিন্তু সেই ৰাজ্যখন ২৫ খন মেডিকেল কলেজলৈ ধাৱমান হৈছে। একেজন প্ৰধানমন্ত্ৰীৰ নেতৃত্বত ধলা-শদিয়াত ব্ৰহ্মপুত্ৰৰ দলং নিৰ্মাণৰ কাম সম্পূৰ্ণ হ'ব। শদিয়াত সম্পূৰ্ণ হ'ব। প্ৰথম বাৰৰ বাবে মাজুলী লখিমপুৰৰ লগতো সংযোগ হোৱাৰ বাবে আগবাঢ়িছে। যোৰহাটৰ লগতো সংযোগ হ'বৰ বাবে আগবাঢ়িছে। কলিয়াভোমোৰাত দুখন দলং হ'ব। গুৱাহাটী আৰু উত্তৰ গুৱাহাটীৰ ওপৰত দলং হ'ব। শৰাইঘাটৰ ওপৰত দ্বিতীয়খন দলং হ'ব। শুৱালকুছি আৰু পলাশবাৰীৰ মাজতো দলং হ'বষ ধুবুৰী, ফুলবাৰীটো দলং হ'ব। এইবোৰ অসমৰ স্বৰ্ণীল দিন হয়নে নহয়। বি.জে.পিৰ স্বৰ্ণীল দিন নহয়। ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত অহা কেইদিনমানৰ ভিতৰত নাৰেংগী আৰু কুৰুৱাৰ দলঙৰ কাম আৰম্ভ হ'ব। চাওঁতে চাওঁতে নুমলীগড়ৰ পৰা গহপুৰলৈ তলেদি সুৰংগ নিৰ্মাণ হ'ব। এইয়া অসমৰ স্বৰ্ণীল যুগ নহয় জানো। এইবোৰৰ বিষয়ে আমি কতো উল্লেখ কৰা নাই। যোৱা তিনিটা বছৰত অসমৰ শ্ৰী অখিল গগৈ ডাঙৰীয়া তেখেত ঠাইত আছে। ড০ হীৰেণ গোঁহাই তেখেত তেখেতৰ ঠাইত আছে। তাৰ মাজতো তিনিটা বছৰ আমি আন্দোলন বিৰ্বজিত পৰিবেশ অসমক দিছো। জনসাধাৰণে সিদ্ধান্ত লৈছে যে এতিয়া আৰু আন্দোলন নহয়। আমাক বিকাশ লাগে, আমাক বিৰ্বতন লাগে। যোৱা তিনিটা বছৰত ৭ হাজাৰ ডেকা ল'ৰা-ছোৱালী জংঘলৰ পৰা মূলসূতিলৈ উভটি আহিল। খালী হৈ থকা মাতৃৰ বুকুখন আমি তেওঁলোকৰ সন্তানেৰে পূৰ্ণ কৰিলো। আজি প্ৰথমবাৰৰ বাবে বড়োলেণ্ডত গলেও অ' মোৰ আপোনাৰ দেশ, বৰাক উপত্যকাত গলেও অ' মোৰ আপোনাৰ দেশ, উজনি আৰু নামনিত গলেও অ' মোৰ আপোনাৰ দেশ। আজি আমাৰ ৰাজ্যত কোনো এটা সংগঠন নাই যিয়ে ভৌগোলিক ভাৱে অসমক দ্বিখণ্ডিত কৰিব। ইয়াত মেঘালয়ৰ মাটিৰ কথা আলোচনা হৈছে। কিন্তু অসমক ৫০-৫০ ভাৱে বিভক্ত কৰা ব্যক্তি সকলক আমি মূল সূতিলৈ উভটাই আনি অখণ্ড অসমৰ বাবে কামত আত্মনিয়োগ কৰাইছো। কিন্তু এইবোৰৰ বিষয়ে আমি ইয়াত উল্লেখ কৰা নাই। আজি জোনাইৰ পৰা কোকৰাঝাৰলৈ দ্বিখণ্ডিত অসমৰ কথা আলোচনা হোৱা নাই। আলোচনা হৈছে অখণ্ড অসমৰ বাবে। মাননীয় অধ্যক্ষ মহোদয়, যোৱা তিনিটা বছৰে অসমৰ ভৱিষ্যত সলনি কৰি পেলাইছে। আজি সমগ্ৰ ভাৰতত অসমৰ ওপৰত চৰ্চা হৈছে আৰু সেইখন নতুন অসমৰ পৃষ্ঠভূমি আমি যোৱা তিনিটা বছৰত প্ৰস্তুত কৰিছো। আজি আমাক সমালচেনা

কৰাত কোনো অসুবিধা নাই। নাজিৰাত এজন ব্যক্তিয়ে. ভূমি নোপোৱাৰ কাৰণে সমগ্ৰ মিশ্যন বসুন্ধৰাটোৱেই বেয়া এনেকুৱা অদ্ভুত যুক্তিৰ কথা মই সদনত ক'ব বিচৰা নাই। এইখন অসমত কিমান পৰীক্ষাগাৰ কৰা হ'ল। যোৱা ২২ জানুৱাৰী, ২০২৪ চনত আমি সকলোৱে জানো ৰাম মন্দিৰৰ প্ৰাণ প্ৰতিষ্ঠা কৰিলে। নেলীৰ ঘটনা আমি পাহৰি যোৱা নাই। নেলীত যিয়েই নমৰক কিয়, যাৰেই তেজেৰে ভূমি ৰক্তাক্ত নহওঁক কিয়, আমি অসমৰ মাটিৰ তেজৰ ফাকু নিবিচাৰো। সেই দিনটো কোনোবাই যদি responsible polical party হয়, সেই দিনটোত মানুহে বিচৰা নাছিল নেকি যে সংজম হওঁক মানুহ। সেই দিনটো যেতিয়া সমগ্ৰ ভাৰত (আমি মানো নামানো) জয় শ্ৰীৰাম ধ্বনিৰে মানুহ আবেগিক হৈ আছিল। সেই মহুৰ্তত বটদ্ৰৱা, নগাওঁ, মৰিগাঁও, জাগীৰোড, নেলী তাত যদি কোনোবাই ৰাজনৈতিক প্ৰত্যাহ্বান দিয়ে, আৰু তাৰ পিছতো অসমৰ মানুহে সংজমী হৈ থাকিলে, তাৰ পিছতো অসমৰ মানুহে এই চৰকাৰখনক সহযোগিতা কৰিলে, তাতকৈ শান্তিৰ আৰু ডাঙৰ উদাহৰণ মই দিয়াৰ প্ৰয়োজন নাই। মই ৰাষ্ট্ৰীয় নেতা হিচাপে দুখ পাও, কিন্তু মই কাৰো নাম নলওঁ। কিন্তু কৰবাত নহয় কৰবাত আমাৰ দায়িত্ব যে আজিৰ দিনটোত অন্তত মই নেলীৰ কাযেৰে নাযাও, মৰিগাঁওৰ কাযেৰে নাযাও, নগাওঁৰ কাযেৰে নাজাও। কেৰেলাৰ সাংসদ হলেও প্ৰত্যেকখন ৰাজ্যৰ sensitivity বিষয়ে আমি নজৰত ৰাখিব লাগিছিল, আমি বুজিব লাগিছিল। আমি কাক লৈ ৰাজনীতি কৰিছো। সেইদিনাখনে কোনোবাই যদি জয় শ্ৰীৰাম আৰু কোনোবাই বাচৰ পৰা নামি গৈ মানুহক প্ৰত্যাহ্বান, এই ঘটনা যদি জাগীৰোড আৰু মৰিগাওঁৰ ৰাজ পথত যদি আৰু এবাৰ অংকিত হৈ হেতেন, অসমত সম্প্ৰদায়িক যুজ,সম্প্ৰাদায়িক জুই আমি নিৰাময় কৰিব পাৰিলোহেতেন? সন্মানীয় সদস্য শ্ৰী অখিল গগৈ ডাঙৰীয়াই কৈছে যে মোৰ নামটো সম্প্ৰদায়িকতাৰ বাবে ৰৈ যাব। তেখেতক মই বিনম্ৰতাৰে ক'ব খোজে যে অসমত যদি এইখন চৰকাৰৰ নাম ৰখি যায়, অসমত সংখ্যালঘিষ্ঠ মানুহৰ পৰা বাল্য-বিবাহ ৰোধ কৰাৰ কাৰণে থাকি যাব। এইখন চৰকৰাৰ নাম থাকি যাব যে এইখন চৰকাৰে drugs লগত কেতিয়াও compromise কৰা নাই, অপৰাধৰ লগত কেতিয়াও compromise কৰা নাই। এইখন চৰকাৰে ৰাজনীতিৰ ওপৰত কৈ সাহসৰ পৰিচয় দিছে। আমি ১০০ জন মানুহ মৃত্যুৰ বাবে কান্ধিছো, কিন্তু এই drugs বেপাৰী বিলাকে হাজাৰ হাজাৰ যুৱকক কেনেকৈ জীৱন ধংস কৰি দিছিল, তাৰ কাৰণে আমি নাকান্ধিম। কোনোবাই গড়ৰ চোৰাং চিকাৰী পুলিচৰ গুলিত মৰিছে, তাৰ কাৰণে আমি কান্ধিছো। কিন্তু কথা ক'ব নোৱাৰা গড় কেইটাৰ কাৰণে আমি কান্ধা নাই। ইতিহাসে ৰোমন্থন কৰিব এইখন চৰকাৰক, কাজিৰঙা ৰক্ষণা বেক্ষণৰ কাৰণে। ইতিহাসে ৰোমন্থন কৰিব বুঢ় চাপৰিৰ পৰা উচ্ছেদ কৰি কাজিৰঙাক শক্তি দিয়াৰ কাৰণে এখন চৰকাৰক অসমৰ প্ৰজন্ম প্ৰজন্মই সোৱৰণ কৰিব।

মাননীয় অধ্যক্ষ মহোদয়, এইখন চৰকাৰে কাৰো লগত compromise কৰা নাই। ইয়াতে উদাহৰণ দিয়া হৈছে যে এই তিনিওটা বছৰ অসমৰ উন্নয়ন হোৱা নাই। গুৱাহাটীৰ flyover বিলাকে কাক সুৰৰাই দিয়ে, নতুন বিশ্ববিদ্যালয় বিলাকে কাক সুৰৰাই দিয়ে, মেডিকেল কলেজ বিলাকে কাৰ কথা কয় আৰু চুকে কোনে এটা অঞ্চল বাদ দিয়া হোৱা নাই, য'ত উন্নয়নৰ এটা নতুন দিগন্ত উন্মেষণ কৰিব বিচৰা নাই।

মাননীয় অধ্যক্ষ মহোদয়, মই আজিও আহ্বান জনাম, কেইটামান বছৰ অসমক দিয়ক।

আমাৰো নতুন প্ৰজন্মৰ সন্মুখত অযুত স্বপ্ন আছে। ৭৫ বছৰ আৰম্ভ হৈছিল অনুপ্ৰৱেশৰ সমস্যাৰে। নগা বিদ্ৰোহ, মিজো বিদ্ৰোহ, ভাষা আন্দোলন, জনজাতিয় লোকৰ সৈতে সংঘাত, বিদেশী বহিষ্কাৰ আন্দোলন, আলফাৰ আন্দোলন, এই অসম মাতৃয়ে আৰু কিমান কান্দিব। ৭৫ বছৰত এটা বছৰ যোৱা নাছিল, যিটো বছৰত অসম মাতৃৰ বুকু শুধা হোৱা নাছিল। যোৱা বছৰটোত এজন সন্ত্ৰাশবাদীও মৰা নাই, পুলিচও এজনো মৰা নাই, সেনাও বাহিনী এজনো মৰা নাই। কোনো শ্বহীদও হ'ব লগীয়া হোৱা নাই আৰু সেনা বাহিনীৰ গুলিত কোনোবাই পথভ্ৰষ্ট অসমৰ যুৱকেও মৃত্যুক সাৱতি ল'ব লগীয়া হোৱা নাই। যোৱা তিনিটা বছৰৰ পিছত আজি অসমে এটা নতুন দিগন্ত দেখিছে। আজি কোনখন চৰকাৰে ক'ত কৰা নাই। এই সংখ্যালঘু অঞ্চলত কোনো ব্যক্তিয়ে হতাশ আৰু নিৰাশাত পাৰ কৰিব লগীয়া হোৱা নাই। ১৫ শ মেডিকেল চিটৰ ভিতৰত ১৫০ মেডিকেল চিট অসমৰ সংখ্যালঘুৰ লৰা-ছোৱালীয়ে লাভ কৰিছে। প্ৰথম বাৰৰ বাবে অসমত প্ৰধানমন্ত্ৰীৰ আৱাস যোজনা সংখ্যালঘু লোকৰ ঘৰলৈ গৈছে। ৰেচন কাৰ্ড নোপোৱা সংখ্যালঘু ব্যক্তিয়ে প্ৰথম বাৰ ৰেচন কাৰ্ড পাইছে। কোনে সাম্প্ৰদায়িক ৰাজনীতি কৰিছে। আজি মহিলা উদ্দমীত আঁচনিৰ form ল'বলৈ যাওঁতে, সংখ্যালঘু মহিলা সকলৰ প্ৰচেচন আমি দেখা নাই নেকি। Micro Finance লোণ ৰেহাই কৰিবলৈ যাওঁতে, আমি সংখ্যালঘুক দিয়া নাই, এনেকুৱা অভিযোগ কৰবাত আছে নেকি। কাৰ বাবে আমি কথা কওঁ, মই যদি কওঁ ৭ টা লৰা ছোৱালী জন্ম দিয়া বেয়া, ২ টা লৰা ছোৱালী জন্ম দিয়া সংখ্যালঘু বিৰোধী নহয়। তাতকৈ সংখ্যালঘুৰ ভাল কাৰণে কোৱা কথা একোৰে হ'ব নোৱাৰে। আপোনালোকে ক'ব নোৱাৰিলে, সাহস নাছিল, নহলে ৭৫ বছৰত সংখ্যালঘু লোকেও আজিৰ জীৱনতকৈ বহু ডাঙৰ জীৱন পালেহেঁতেন। মাত্ৰ ৰাজনীতিক ভোট বেংক কৰি তেখেতসকলক ৰাখি দিয়াৰ কাৰণে আজিও তেখেতসকল দৰিদ্ৰ সীমাৰ ৰেখাৰ তলত বাস কৰে। নীতি আয়োগৰ প্ৰতিবেদন মতে যোৱা ১০ টা বছৰত ৮০ লাখ লোকক দৰিদ্ৰতাৰ পৰা আমাৰ ভাৰতীয় জনতা পাৰ্টী আৰু মিত্ৰ গোষ্ঠী চৰকাৰ খনে মুক্ত কৰালে। এইটো কি acheivement নহয়।

চাহ বাগিছাৰ ভোট বেংকৰ ওপৰত আমি কিমান বিধায়ক হলো। বাগিছাৰ লৰা ছোৱালীয়ে চাকৰি পাব নালাগে। ৩ শতাংশ reservation ৰ কাৰণে, হিমন্ত বিশ্ব শৰ্মাৰ কাৰণে কিয় অপেক্ষা কৰিব লগীয়া হ'ল চাহ বাগিছাৰ শ্ৰমিক সকলে, চৰকাৰ নাছিল, শাসন নাছিল। চৰকাৰো আছিল, শাসনো আছিল, মাত্ৰ সদ্ইচ্ছা নাছিল। বাগিছাত হাইস্কুল হ'ব লাগে, দায়িত্ব আৰু কৰ্তব্য নাছিল। মই য'ত ৰাজনীতি কৰো, তাত বাগিছাৰ লোক সকলে ভোট নিদিয়ে, কিন্তু বাগিছাৰ ভোটেৰে অসমৰ বহু মুখ্যমন্ত্ৰীয়ে এইখন সদন শুৱনি কৰিছে। তেখেতসকলৰ দায়িত্ব আৰু কৰ্তব্য নাছিল। আজি ১০০ শ খন স্কুল প্ৰতিষ্ঠিত হ'ল আৰু ১০০ শ খন স্কুল প্ৰতিষ্ঠিত হ'ব। মন্ত্ৰী সকল যেতিয়া আপোনাৰ সমষ্টিত যায়, আপোনালোকে উচ্চস্বৰে প্ৰশংসা কৰে, সেই প্ৰশংসা এই সদনলৈকেও লৈ আহক। আজি সন্মানীয় সদস্য আব্দুল বাতিন খণ্ডকাৰক সোধক, এটা মাত্ৰ আবেদন কৰিছিল, চাৰ এই দলংখন সম্পূৰ্ণ কৰি দিয়ক, ৩৫ কোটি টকা লাগে। চিজন গ্ৰামত আজি দলং হৈ গ'ল। মই যোৱাৰ দিনাখন মোকটো ভুয়সী প্ৰসংশা কৰিছিল। সদনত কৰা আপত্তি কি। মাননীয় অধ্যক্ষ মহোদয়, কোনোবা জাগাত নিজৰ গাওঁখনৰ মাটি যেতিয়া কলহত সেই মাটি পূৰ্ণ কৰি সেই কলহ যেতিয়া নতুন দিল্লীত যায় শ্বহীদ উদ্যান বনাবৰ কাৰণে তাকো বিৰোধিতা কৰা হয় নেকি? মোৰ গাওঁৰ মাটিৰে কেপ্তেইন জিণ্টু গগৈৰ সমাধি হ'ব। তাতো আপত্তি কৰিব লাগিব আৰু সেই অনুষ্ঠানত যোৱা বিধায়ক সকলৰ ওপৰত দলীয় শাস্তিমূলক ব্যৱস্থা লোৱা হ'ব। তাতকৈ নিকৃষ্ট মানসিকতা,

নিকৃষ্টতম মানসিকতা কি হ'ব পাৰে? সমাধি কাৰ হৈছে কেপ্তেইন জিণ্টু গগৈৰ। মাটি কাৰ পৰা যাব নাজিৰাৰ পৰা। মাটি ক'ৰপৰা যাব, জালুকবাৰীৰ পৰা যাব, মাটি ক'ৰপৰা যাব ধুবুৰীৰ পৰা যাব। তাতেও ৰাজনীতিকৰণ হয়। তাতেও ৰাজনীতিকৰণ হয় নেকি? মাটি ক'ত যাব কণকলতা বৰুৱাৰ বিশ্ববিদ্যালয়ত হ'ব। তাতো আমাৰ আপত্তি আছে। শাসন নকৰিলো দেশক দিব পৰা বস্তুখিনি নিদিলো, contribution নকৰিলো এতিয়া প্ৰশ্ন হৈছে মোৰ মাটি মই নিদিলো দেই। কণকলতা বৰুৱা বিশ্ববিদ্যালয় হ'ব আৰু সেই বিশ্ববিদ্যালয়ৰ মাটি মোৰ সমষ্টিৰ পৰা মই নিদিও। কলংকিত ইতিহাসত কলংকিত অধ্যায় হিচাপে ৰৈ যাব এই কথা আমি মনত ৰাখিব লাগিব। ইয়াতকৈ দুখ আৰু পৰিতাপৰ ৰাজনীতি কি হ'ব পাৰে? তিৰংগা পতাকাই যেতিয়া আমাক আহ্বান কৰে, তাত UDF, BJP, Congress, CPM নাথাকে। যেতিয়া পদুমে আহ্বান কৰিব তাত UDF, BJP, Congress থাকিব। কিন্তু তিৰংগাই যেতিয়া আহ্বান কৰে তেতিয়া তাত AGP, BJP, UDF নাথাকে। যেতিয়া ৰাষ্ট্ৰীয় নেতাই বে ৰিগেট ভাঙিবৰ কাৰণে যুৱকক অনুপ্ৰাণিত কৰে তাতকৈ দেশত কি থাকিব পাৰে? You cannot come to Assam in instrigate people. ৬২ ত অসমত বিদায় দিবৰ কাৰণে আহিলো। উনাশীৰ পৰা পচাশীত শ্বহীদৰ শৰীৰত বগা কাপোৰ পিন্ধাবৰ বাবে আহিলো আৰু এইবাৰ মই আহিলো সাম্প্ৰদায়িক সংঘৰ্ষ সৃষ্টি কৰাৰ কাৰণে। এইখন চৰকাৰ আমি আৰু এবাৰ মেচেজ দিব খুজিছো যে অসম এতিয়া পৰিবৰ্তন হৈছে আৰু পৰিবৰ্তিত অসমত অসমৰ জয়গান হ'ব অসমক আকৌ আগৰ পৰিস্থিতিলৈ পঠিওৱা ৰাজনীতি আমি মানি নলও আৰু মানি লোৱা নহ'ব। পৰিয়ালক পূজা নকৰো, অসম মাতৃক পূজা কৰিম, ভাৰত মাতৃক পূজা কৰিম। এয়াই হ'ল নতুন অসম, এয়াই হ'ল নতুন ভাৰত। মাননীয় অধ্যক্ষ মহোদয়, ইয়াত প্ৰশ্ন উত্থাপন হৈছে যে মুখ্যমন্ত্ৰী হেলিকাপ্তাৰত ঘুৰে অধ্যক্ষ মহোদয়, হিমন্ত বিশ্ব শৰ্মাই কতো হেলিকাপ্তাৰত নুঘুৰে। অসমৰ মুখ্যমন্ত্ৰী হেলিকাপ্তাৰত ঘুৰে আৰু হেলিকাপ্তাৰত ঘুৰাতো প্ৰমোদ ভৰন নহয়, ভয় লাগি থাকে ওপৰৰ পৰা কেতিয়া তলত সৰি পৰিব। বহুত মানুহ আছে হেলিকাপ্তাৰত উঠিব দিলে নুঠে বোলে মই নাযাওঁ। যেতিয়া কাজিৰঙাৰ ডাৰৰৰ মাজেদি হেলিকাপ্তাৰ যায়, তাত কোনেও enjoy নকৰে। তাত মাত্ৰ ভগৱানক কাকুতি মিনতি কৰি থাকে যে যেনেতেনে যাতে লেনডিং হয়। কোনোবাই যদি ভাৱে, হেলিকাপ্টাৰত মানুহে প্ৰমোদ ভ্ৰমণ কৰে, তাতকৈ আৰু দুখৰ কথা একো হ'ব নোৱাৰে। হেলিকাপ্টাৰত যদি মই নাযাওঁ তেতিয়া আমাৰ বড়ো সাহিত্য সভাকো মই ক'ব লাগিব যে একেদিনাই কোকৰাঝাৰত মিটিং নিদিব, একেদিনাই মিচিং সাহিত্য সভাকো ক'ব লাগিব ধেমাজীত মিটিং নিদিব। যোৱাকালি মিচিং Youth festivel আছিলে তাৰমানে মই ৰাতি Youth festivel attend কৰি ৰাতি গাড়ীৰে আহি পেলাই মই সদনৰ আপোনালোকৰ লগত সদনত একত্ৰিত হ'ব লাগিব। কংগ্ৰেছী মুখ্যমন্ত্ৰী বিলাকে কি হেলিকাপ্টাৰত নুঘুৰে নেকি? মই তৰুণ গগৈ ডাঙৰীয়া জ্যেষ্ঠ জনৰ কথা নানো ইয়ালৈকে। অসম ভাৰতৰ কোনখন কংগ্ৰেছ দলৰ ষ্টেটৰ মুখ্যমন্ত্ৰীয়ে হেলিকাপ্টাৰত নুঘুৰে। মোক এখন মাত্ৰ নাম দিয়ক। কোনজন কংগ্ৰেছ মুখ্যমন্ত্ৰীয়ে হেলিকাপ্টাৰত নুঘুৰে তাৰ বিষয়ে মোক মাত্ৰ আপোনালোকে এটা দি দিয়ক। মই যিমানদুৰ জানো আন্দামান নিকোবৰত হেলীকপ্তৰাত আছে, অন্ধ্ৰপ্ৰদেশত হেলিকাপ্টাৰ আছে, অৰুণাচল প্ৰদেশ, বিহাৰ, ছট্টিশগড়, গুজৰাট, হাৰিয়ানা, হিমাচল প্ৰদেশ, জম্মু-কাশ্মীৰ, ঝাৰখণ্ড, কৰ্ণাটকত আছে chipsan avaition, কেৰেলাত মাকচিট মুখ্যমন্ত্ৰীৰ হেলিকাপ্টাৰ আছে। Pinery Vision আৰু কোম্পেনীটোৰ নাম কি chipsan avaition মহাৰাষ্ট্ৰত, মনিপুৰ, মেঘালয়, নাগালেণ্ড, উৰিষ্যা, পাঞ্জাৱ, ৰাজস্থান, তামিলনাডু, টেলেংগানা, ত্ৰিপুৰা, ইউ. পি, উত্তৰাখণ্ডত আছে

আৰু অখিল গগৈ ডাঙৰীয়াৰ প্ৰেৰণাৰ প্ৰতীক মমতা বেনাৰ্জীৰো হেলিকাপ্টাৰ আছে। এনেধৰণৰ বিতৰ্ক এই সদনত লৈ আনিব লাগে নেকি ? মোৰ ল'ৰা-ছোৱালী আৰু wife হেলিকাপ্টাৰত নুঘুৰে। সদনত ৰাজ্যপালৰ ওপৰত ভাষণৰ উত্তৰ হ'ব। ইয়াতে অসমৰ কথা আলোচনা নহয়, মুখ্যমন্ত্ৰী কিহত ঘুৰিলে? এইটো আলোচনাৰ বিষয়বস্তু হ'ব পাৰে নেকি? কংগ্ৰেছ দলে এই প্ৰশ্ন উঠাৰ আগতে মইতো জীৱনত হেলিকাপ্টাৰত প্ৰথম উঠিছো হিতেশ্বৰ শইকীয়া ডাঙৰীয়াৰ লগত। মইতো জীৱনত হেলিকাপ্টাৰত প্ৰথম উঠিছো তৰুণ গগৈৰ লগত। আজি গৈ পেলাই কওঁক হিমাচল প্ৰদেশৰ দৰে ৰাজ্যখনতো কিহৰ কাৰণে Sky 1 Air Charter company দুটা দুটা ৰাখি থৈছে হেলিকাপ্টাৰত। কাৰণ হিমন্ত বিশ্ব শৰ্মা বা কৰ্ণাটকৰ চিদা ৰামাই হেলিকাপ্টাৰত নুঘুৰে, মুখ্যমন্ত্ৰীহে হেলিকাপ্টাৰত ঘুৰে। কিয় ঘুৰে Government ৰ কামত ঘুৰে। Afficiancy বাঢ়ে। আজি মই ডিব্ৰুগড়ত মিটিং এখন কৰি আহি গুৱাহাটীত গধূলী কেবিনেট কৰিব পাৰো। এইবিলাক যদি আপোনালোকে বিতৰ্কলৈ আনিব খুজে মই tour কৰা বাদ দিব লাগিব। মই ঘুৰা বাদ দিব লাগিব। মোৰ যিমান দূৰ শৰীৰে ক'ব সিমান দূৰে যাম। এটা এই ধৰণৰ যদি বিতৰ্ক হয়, হেলিকাপ্টাৰত ঘুৰি ফুৰে। যেন মই হেলিকাপ্টাৰত এটা বাৰ বহুৱাই লৈছো, ইয়াত কিবা কৰি লৈছো, প্ৰমোদ ভৰন কৰি লৈছো। এনেকুৱা ধাৰণা সাধাৰণ মানুহক দিব নালাগে। আগতে ৰেলত ঘুৰিছিল সকলো MLA দিল্লীত গৈছিল ৰেলত। আপোনালোকৰ আজি কেইজনে দিল্লীত যায় ? ৰেলততো কোনো নাযায়। সকলোৱেতো উৰাজাহাজত যায়। সময়ৰ পৰিবৰ্তন হৈছে মানুহে time managment শিকিছে। মানুহক কাম কৰিব লাগে। যদি কংগ্ৰেছ state মানুহবিলাকে কাম বাদ দি দিয়ে, তেতিয়া মই ক'ম, সদায় হজৰত মহম্মদক মনত ৰাখিব লাগে। মিঠাই খোৱা বাদ দিয়ক আৰু তাৰপিছত বেলেগক মিঠাই খোৱাৰ পৰমৰ্শ দি থাকক। আজি অন্ততঃ মই নাম নলওঁ, কংগ্ৰেছ এজন নেতা আছে, তেওঁতো সাধাৰণ MP হে। তেওঁ কিয় চাৰ্টাৰ ফ্লাইতত ঘুৰি ফুৰে? যাত্ৰা হয়। যাত্ৰাত vanity গাড়ী আহি যায়। **আগতে সকলো বিধায়কে দিল্লীলৈ ৰেলেৰে অহা যোৱা কৰিছিল। কিন্তু এতিয়া আপোনালোকৰ কেইজন বিধায়কে ৰেলেৰে যাত্ৰা কৰে । সকলোৱেতো উৰাজাহাজতে যায় কাৰণ সময় পৰিৱৰ্ত্তণ হৈছে । মানুহে টাইম মেনেজমেন্ট কৰিবলৈ শিকিছে । যদিহে কংগ্ৰেছ ৰুলছ ষ্টেটচবিলাকে হেলিকপ্তাৰেৰে যাত্ৰা কৰিবলৈ বাদি দিয়ে তেনেহ'লে মইও ক'ম । সদায় হজৰত মহম্মদক মনত ৰাখিব লাগে যে আগতে নিজে মিঠাই খোৰ বাদ দিয়ক তাৰ পিচত আনক পৰামৰ্শ দিব । মই নাম নকওঁ এজন কংগ্ৰেছৰ নেতা আছে তেওঁতো সাধাৰণ এম পিহে তেওঁ কিয় চাৰ্টড ফ্লাইটত গুৰি ফুৰি যেতিয়া ক'বাত যাত্ৰা হয় যাত্ৰাত ভেনিটি গাড়ী আহি যায় । ভেনিটি গাড়ী চিনেমাৰ এক্টৰবিলাকহে ব্যৱহাৰ কৰে । অখিল গগৈ দেখাৰ সোভাগ্য হৈছিল নেকি ? কিন্তু সেইখনততো ভিতৰলৈ যাব নিদিয়ে তাত ৰাতিপুৱা আৰম্ভ হয় চাউথ ইণ্ডিয়ান ব্ৰেকফাষ্টেৰে কিন্তু তাততো কাকো সোমাব নিদিয়ে । আমাৰ গুৱাহাটীয়া ল'ৰাই সৰু সুৰা এথনিক ফুড খাব পায় বাৰু ।**

**শ্ৰীকৰিমুদ্দিন বৰভূঁইয়া, সোণাই ঃ** **মুখ্যমন্ত্ৰী মহোদয়, আপুনি কেনেকৈ জানিলে ?**

**মাননীয় মুখ্যমন্ত্ৰী ঃ মই বাইশ বছৰ কংগ্ৰেছত নাছিলো জানো ? গতিকে মই আগতেই খবৰ পাওঁ পিছত বেলেগে পায় । য'ত ৮ ঘন্টা কাম কৰিলে হয় তাত ১৬ ঘন্টা কাম কৰি পাপৰ প্ৰায়চিত্ত কৰো নহয় । অধ্যক্ষ মহোদয় যিবিলাক বিতৰ্কই দেশখনক সহায় নকৰে আমাৰো সহায় নহয় তেনে বিতৰ্কৰ পৰা দূৰত থাকিলেই ভাল। অধ্যক্ষ মহোদয়, কেইটামান প্ৰশ্ন উত্থাপন হৈছে মই যিমান পাৰো চমুকৈ উত্তৰ দিয়াৰ কাৰণে চেষ্টা কৰিম । অধ্যক্ষ মহোদয় মিশ্যন বসুন্ধৰাৰ ওপৰত মই ইতিমধ্যে উত্তৰ দিছো । এটাই মাত্ৰ ডাটা আপোনালোকে চাব যিটো খুব প্ৰয়োজনীয় ডাটা । মিশ্যন**

বসুন্ধৰাত আমি অফাৰ অব চেটেলমেন্ট দিছো । ২, ২৯৬৫৯ জন এইটো ইম্পৰ্টেন্ট ফিগাৰ কাৰণ এইটো অৰুণোদয় নহয় যে, বেনেফিচিয়াৰী বাঢ়ি গৈ থাকিব। যিজনে যোগ্য তেওঁয়ে পাব । এই ২,২৯৬৫৯ জনৰ ভিতৰত ১,৯৫০০০ জনেই হ'ল অবিচি, এচ চি আৰু এচ টি মানুহ। ইয়াতে ৩০ হাজাৰ জন জেনেৰেল মানুহেও পাইছে । মাটিৰ প্ৰতি ইয়াতকৈ আৰু কি সন্মান হ'ব পাৰে অধ্যক্ষ মহোদয়? ইতিমধ্যে আমি নন কেডেষ্টেল ভিলেজৰ ফ্লাইং টো সম্পূৰ্ণ কৰিছো। ৮৪৯ টা ড্ৰ'ন ফ্লাইং আৰু ২৫৯ টা চাৰ্ভে সম্পূৰ্ণ কৰিছো । অহা ২০২৫ চনৰ ফেব্ৰুৱাৰী মাহৰ ভিতৰত আমি নন কেডেষ্ট্ৰেল ভিলেজৰ সকলোকে মাটিৰ অধিকাৰ দিব পাৰিম । বহুতো জনজাতিৰ লোকে মাটিৰ পট্টা পাব । অসমৰ ইতিহাসত জনজাতি লোকক ন্যায় কৰাৰ ক্ষেত্ৰত এই চৰকাৰখনৰ নাম সোনালী আখৰেৰে সদায় লিখা থাকিব । অধ্যক্ষ মহোদয় ইয়াতে মাইক্ৰ' ফাইনেন্সৰ কথা কোৱা হৈছে । আজি ইয়াতে এই কামবিলাকৰ উল্লেখ কৰাৰ পৰিৱৰ্তে মাইক্ৰ ফাইনেন্সৰ লোনবিলাক কংগ্ৰেছে কেতিয়াবাই ৰেহাই দিব পাৰিলেহেঁতেন । আমি ৰাইজক প্ৰতিশ্ৰুতি দিছো । ৰাইজ সন্তুষ্ট নহ'লেতো আমাক ভোট নিদিব । গতিকে তেওলোকে আমাৰ মেনোফেষ্ট'খনত ওকালতি কৰাৰ প্ৰয়োজন নাই । কংগ্ৰেছ দলে যদি মাইক্ৰ' ফাইনেন্সৰ লোন ৰেহাই দিয়াটো নীতিগতভাৱে বিচাৰিছিল তেনেহ'লে এজন ব্যক্তিকো কিয় লোন ৰেহাই নিদিলে ? এই মুহুৰ্ত্তলৈকে ১১, ৯৩, ৬২৬ গৰাকী মহিলাক আমি মাইক্ৰ ফাইনেন্সৰ লোন ৰেহাই দিছো । যদি আপোনালোকক ইয়াৰ তথ্য লাগে তেনেহ'লে বিধান সবাত প্ৰশ্ন আনক আমি আপোনালোকক নামেৰে সৈতে তথ্য দিম । ইমান ডাঙৰ লোন ৰেহাইৰ কাম অসমত ইতিহাসত আগতে কেতিয়াবা হৈছিলনে ? ৭৫ বছৰে বানে অসমক কিমানবাৰ গৰকিলে , অসম ৰাজ্যলৈ কিমান দূৰ্যোগ আহিলে। এনে কিবা উদাহৰণ আছেনে যে কোনোবা ব্যক্তিক এক লাখ টকা লোন ৰেহাই দিয়া হৈছে । আজি আমাৰ চৰকাৰৰ মাত্ৰ দুই বছৰ আঠ মাহত ১১, ৯৩, ৬২৬ গৰাকী মহিলাই লোন ৰেহাই পালে আৰু এইবাৰ ১,৬৫,০০০ মহিলাক লোন ৰেহাই দিয়াৰ বাবে আমাৰ চৰকাৰৰ বিত্ত মন্ত্ৰী গৰাকীয়ে এটা প্ৰস্তাৱ আনিব । আমি কমিটমেন্ট কমপ্লিট কৰিহে ইলেকশ্যনত নামিম । আমাৰ পৰীক্ষা সদায় নল'ব । এদিনেই পৰীক্ষা দিম আৰু প ৰীক্ষাত আমি উত্তীৰ্ণও হ'ম আৰু ২০২৬ চনত এশতকৈ তলত ছিট লৈ চৰকাৰ নকৰো। ওপৰতেই থাকিব। টেঙুলকাৰে অকল চেঞ্চুৰী নামাৰে আমিও চেঞ্চুৰী কোবাম।

**শ্ৰীকৰিমুদ্দিন বৰভূইঁয়া, সোনাই ঃ** মুখ্যমন্ত্ৰী মহোদয় কংগ্ৰেছে ২৬ ল'লে আমাৰ তেনেহ'লে কি হ'ব?

(সদনত হাঁহিৰ ৰোল)

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** কংগ্ৰেছ আৰু এ আই ইউ ডি এফ বেলেগ বেলেগে নেকি ? আপোনালোকেতো একেই নহয় জানো ? অধ্যক্ষ মহোদয়, মাইক্ৰ ফাইনেন্সৰ লোন ৰেহাই দিয়াৰ ক্ষেত্ৰত আমি চাৰিটা নীতি অবলম্বন কৰিছিলো এই কথা হাউচে জানে । প্ৰথম নীতিত লোন ৰেহাই দিয়াৰ আগতে যিসকলে লোন ঘুৰাই দি আছে তেওলোকক আমি প্ৰেৰণা দিব লাগে । প্ৰথম বছৰত আমি তেওলোকক ২৫ হাজাৰকৈ উদগণি দিলো , দ্বিতীয় বছৰত আমি ক'লো যে, শেষৰ তিনি মাহলৈকে লোন দিব পৰা নাই তেওলোকক তিনি মাহৰ এন পি আমি দিলো আৰু পোন্দৰ- বিশ হাজাৰ টকাকৈ উদগণি দিলো । যোৱা বছৰ আমি যিসকল আই মাতৃক ২৫ হাজাৰকৈ লোন লৈছিল তেখেতসকলক এন ও চি দিলো আৰু এই বছৰ ৫০ হাজাৰ লোৱা সকলক এন ও চি দিম । ২০২৫ চনত ৭৫ হাজাৰলৈকে লোৱা সকলক এন ও চি দিম । ২০২৬ লৈ আমি আমাৰ কমিটমেন্ট সম্পূৰ্ণ কৰিম । বেংকে কাকো নোটিছ নিদিয়ে । কাৰণ এক লাখৰ ওপৰত ঋণগ্ৰস্থ

**ব্যক্তিকহে নোটিছ দিয়ে যিটো মাইক্ৰ ফাইনেন্সত নহয় । এই ক্ষেত্ৰত তেওলোকৰ লগত চৰকাৰৰ এম এ ইউ হৈ গৈছে যে পৰ্য্যায়ক্ৰমে ঋণ লোৱাসকলে আপোনালোকক দিব আৰু আপোনালোকে আমাক দি থাকিব। অধ্যক্ষ মহোদয় , অসমত এতিয়া অৰুণোদয়ে জগত জিনিলে । কৰ্ণাটক, মধ্যপ্ৰদেশতো অৰুণোদয় । দৰিদ্ৰতা নিৰ্মূলৰ ক্ষেত্ৰত অৰুণোদয় এটা উদাহৰণ হৈ ৰৈ গ'ল । আজি মধ্যপ্ৰদেশৰ লাডলী লক্ষ্মী প্ৰজেক্টত আমাৰ বিষয়াসকলে তাত গৈ প্ৰেজেন্টেশ্যন দি আহিছে । সেইটো স্কীম তাত লোৱা হৈছে । কৰ্ণাটকত আজি মহিলা সকলক আঁচনি দিছে। ৰেষ্ট বেংগলতো দিছে । অৰুণ যেনেকৈ আগতে উদয় হয় তেনেকৈ আজি অসমত অৰুণোদয় উদয় হৈছে । এতিয়া ভাৰতবৰ্ষৰ সকলো ৰাজ্যই আমাক ফলো কৰিছে । এতিয়া আমি নতুন দিগন্তলৈ যাব বিচাৰিছো ।** যিসকলৰ ৰেচনকাৰ্ড আছে তেওঁলোকে পাব পাৰে নেকি? যাৰ ৰেচনকাৰ্ড আছে তেওঁ মাননীয় প্ৰধানমন্ত্ৰী আৰু মাননীয় মুখ্যমন্ত্ৰীৰ আয়ুষ্মান ভাৰত আৰু আয়ুষ্মান অসম পালে। এইবাৰ আমি চেষ্টা কৰিম যে লাহে লাহে অৰুণোদয় পৰিৱৰ্তন কৰি ৰেচনকাৰ্ডৰ লগত সংযোজন কৰা আৰু সেই পৰিয়ালকে দুৰ্ঘটনাৰ বীমা, মৃত্যুৰ বীমা আৰু উজ্জ্বলা গেচৰ লগত সংযোজিত কৰা। সামজিক পটভূমিৰ বিষয়ে এইখন অসমত আগতে কেতিয়াও চিন্তা কৰা নাছিল। কংগ্ৰেছক অৰুণোদয় আঁচনি দিয়াত পাঁচ লাখ টকাৰ বীমা কৰোৱাত কোনে বাধ দিছিল। এতিয়া আমি লাহে লাহে বিনামূলীয়া ঔষধৰ পৰা ইঞ্চুৰেঞ্চ লৈ যাবই লাগিব। চৰকাৰী হস্পিতালত যিখিনি নহয়, সেইখিনি ব্যক্তিগত চিকিৎসালয়ত কৰোৱা হ'ব। আজি বছৰি মানুহক স্বাস্থ্যৰ বীমাত সহায় কৰিবলৈ এহেজাৰ কোটি টকালৈকে খৰচ কৰাৰ বাবে মন বান্ধি লৈছো। মাননীয় বিত্তমন্ত্ৰী ডাঙৰীয়ানীয়ে বাজেট দিব আৰু এটা এটাকৈ গোটেই কথাখিনি আমাৰ সন্মুখত উদ্ভাসিত হ'ব। চাহবাগিছাৰ মজুৰিৰ কথা কোৱা হৈছে, মজুৰি তিনি শ পঞ্চাশ টকা কিয় কৰা হোৱা নাই প্ৰশ্ন কৰিছে। তেওঁলোকক কৰিবলৈ কোনে বাধা দিছিল। পোন্ধৰ বছৰতো মই এইখন অসমৰ মুখ্যমন্ত্ৰী নাছিলো। কিন্তু যিখন চৰকাৰৰ দিনত বাগিচাই মাত্ৰ এশ পোন্ধৰ টকা শ্ৰমৰ মৰ্য্যদা পাইছিল, তেওঁলোকে আজি তিনি শ পঞ্চাশ টকা মজুৰিৰ কথা ক'ব নেকি? আজি আমি মজুৰি এশ সাতষষ্ঠি, দুশ বত্ৰিছ, দুশ পঞ্চাশলৈকে কৰা হ'ল। এশ শতাংশতকৈ বেছি বৃদ্ধি কৰা হ'ল। পঁয়সত্তৰ বছৰত কংগ্ৰেছ চৰকাৰৰ দিনত যিমান দৰমহা পাইছিল এশ ত্ৰিশ টকা, এবাৰ বি জে পি চৰকাৰৰ দিনত তাক আমি এশ গুণ বৃদ্ধি কৰালো। এতিয়া যদি মাননীয় বিৰোধী দলপতি গৰাকীয়ে কয় যে আপোনালোকে তিনি শ পঞ্চাশ কিয় কৰা নাই? 'অভি তো পিক্‌চাৰ চলহী ৰহা হ্যায়, অভি তো মেইন চিন বাকীহী হ্যায়।' কিন্তু এশ পোন্ধৰৰ পৰা দুশ পঞ্চাশলৈকে কোনখন চৰকাৰৰ যাব সাহস আছে। বাগিচাসমূহত আজি বহুত শান্তি বিৰাজ কৰিছে। মানুহে প্ৰাধানমন্ত্ৰী আৱাস যোজনাৰ ঘৰ পাইছে, বাগিচাত জনধন বেংক একাউণ্ট হৈছে। বাগিচাৰ শ্ৰমিকে অৰোণোদয় আঁচনি, ৰাস্তা পাইছে। বাগিচাৰ ল'ৰা-ছোৱালীৰ ভৱিষ্যত সুৰক্ষিত কৰাৰ কাৰণে ঘৰ পাইছে আৰু চৰকাৰী চাকৰিত বাগিচাৰ ল'ৰা-ছোৱালীৰ তিনি শতাংশ সংৰক্ষণ কৰা হৈছে। চাওঁতে চাওঁতে Solar Roof Top ৰ জৰিয়তে তেওঁলোকে যাতে বিদ্যুৎ মাচুলো ভৰিব নালাগে, তাৰো এটা আকাংক্ষী পৰিকল্পানা কৰিছো। ইয়াত এনৰেগা আঁচনিৰ কথা কোৱা হৈছে। আমি ২০২২-২৩ ত ২০৪১ কোটি টকা খৰচ কৰিছিলো। এইবাৰ আমি ২২১৮ কোটি টকা খৰচ কৰিলো। মই ২০১৪-১৫ চনৰ হিচাপ দিব খুজা নাই। প্ৰত্যেক বছৰে আমি নিজৰ Performance beat কৰি গৈ আছো। যোৱাবাৰ আমাৰ Performance আছিল ২০৪১ কোটি টকা আৰু এইবাৰ আমি লৈ গ'লো ২২১৮ কোটি টকা লৈ। এইখিনি তথ্য মই ফেব্ৰুৱাৰী মাহৰ ৮ তাৰিখলৈ দিছো। মাৰ্চ মাহটো বাকীয়েই আছে। সময় মতে পেমেণ্ট কৰাৰ ক্ষেত্ৰত ৯৪.৪৮ শতাংশ

মানুহে সময় মতে পাইছে। কিন্তু আমি সকলোৱে জানো বিভিন্ন অঞ্চলত এনৰেগাক লৈ দুর্নীতি চলি আছে আৰু বাতৰি কাকতত সঘনে নাম ওলায়। স্ক্ৰুটিনী কৰাৰ পিচতো ৯৪.৪৮ শতাংশ মানুহে সময় মতে পাইছে আৰু আজিৰ দিনটোলৈকে ২২০০ কোটি টকা দিছো। যোৱাবাৰ মেন ডেইজ জেনেৰেট হৈছিল ৭.৮৮ লাখ আৰু ইতিমধ্যে আমি ৭.৯ লাখ এমপ্লয়মেণ্ট জেনেৰেট কৰি পেলালো। বাগিচাৰ কেজুৱেল শ্ৰমিক সকলে কাম নাপাইছিল। চাহপাত তোলাৰ সময়ত তেওঁলোকে কাম কৰিছিল আৰু তাৰ পিচত কাম নাপাইছিল। এইবাৰ আমি বাগিচাৰ শ্ৰমিকক এনৰেগাত এই সময়লৈকে ৪৭৮২০০০ মেন ডেইজ জেনেৰেট  কৰিছো। কোনেও কল্পনা কৰা নাছিল যে বাগিচাৰ শ্ৰমিক যাক আমি কেজুৱেল বা ফাল্টো বুলি কওঁ তেওঁলোকক দিব পাৰিব বুলি। আজি আন্দোলন বিবৰ্জিত পৰিৱেশ এনেই হোৱা নাই। আজি মানুহে কিয় ৰাস্তালৈ ওলাই অহা নাই? মই মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াক একেদিনাখনেই ছয় লাখ মানুহক ঘৰৰ চাবি দিবলৈ আমন্ত্ৰণ জনাইছো। তেখেতে সময় পালে আহিব। কেতিয়াবা আমি কংগ্ৰেছ বা অগপৰ দিনত এনেকুৱা কল্পনা কৰিছিলো নেকি? অহা বছৰৰ পৰা মুখ্যমন্ত্ৰী আৱাস যোজনা আৰম্ভ হ'ব। প্ৰধানমন্ত্ৰী আৱাস যোজনাত ইনণ্টাৰিম বাজেটত আৰু দুই কোটি ঘৰ ঘোষণা কৰিছে। অৰ্থাৎ কোনোলোকে গৃহহীন হৈ নাথাকে। তাৰ সপোন আমি বাস্তৱত ৰূপায়িত কৰাৰ বাবে আগবঢ়াই লৈ গৈছো। ইয়াৰ কথা কোনেও নক'লে। দুখীয়া মানুহে ঘৰ পালে, সকলোৱে সমষ্টিত দহজনকৈও হ'লেও তো পাইছে। এই সদনত তেওঁলোকৰ সুখৰ খবৰখিনি দিয়াৰ দায়িত্ব আমাৰ নহয় জানো? দুখৰ খবৰৰ লগতে সেই মানুহকেইজনৰ মুখত যে হাঁহি বিৰিঙিলে তাৰ খবৰটো আমি দিব লাগিব। বিদ্যুৎৰ ডিজিটেল মিটাৰৰ কথা ক'লে। আপোনালোকে শুনি ভাল পাব যে ইমান প্ৰচাৰৰ পিছতো বাৰ লাখ উপভোক্তাই অসমত স্মাৰ্ট মিটাৰ ল'লে। তেওঁলোকৰ ৰেকৰ্ড যেতিয়া আমি চালো আমি দেখিলো যে স্মাৰ্ট মিটাৰ দিয়াৰ পিছত এপ্ৰিলৰ পৰা ডিচেম্বৰলৈকে প্ৰত্যেকজন গ্ৰাহকৰ ষোল্ল শতাংশ ৰাহী হৈছে। আগতে যদি তেওঁলোকে তিনি ইউনিট খৰচ কৰিছিল, এতিয়া ২.৫ ইউনিট হৈছে। বিদ্যুৎ ৰাহী হৈছে আৰু মানুহে নিজে আহি স্মাৰ্ট মিটাৰ ঘৰত লৈছে। এতিয়া আপোনালোকে সামাজিক মাধ্যমত খবৰ নোহোৱা হৈ গ'ল। সেইটোতো মই কণ্ট্ৰোল নকৰো। অখিল গগৈ ডাঙৰীয়াই বিৰোধীতা কৰিছে যে বাতৰি কাকতসমূহে আমাৰ বাতৰি নিদিয়ে। কিন্তু Cross Current তো নিউজ দিব পাৰে। সেইটো আমি কণ্ট্ৰোল নকৰো। কোনোবা নিউজ লাইভৰ মালিক হ'লে আপত্তি আছে, Cross Current ৰ মালিক হ'লে আপত্তি নাই। কোনোবাই কাজিৰঙাত ঘৰ বনালে আপত্তি আছে, কিন্তু অৰ্কিড ৰিজ'ৰ্ট বনোৱাত আপত্তি নাই। গণতান্ত্ৰিক কৰণ হ'ব লাগে, সকলোকে উশাহ ল'ব দিবলৈ সুবিধা দিব লাগে। মাননীয় অধ্যক্ষ মহোদয়, এতিয়া ক'লে মানুহে আচৰিত হ'ব যে সৰ্বহাৰাও প'ৰ্টেলৰ মালিক হ'ব পাৰে নেকি? কালি মোক মাননীয় সদস্য মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়াই Nationalist Bourgeois, Capitalist Bourgeois ৰ বিষয়ে বুজাই আছিল। যেতিয়া Proletariat Bourgeois হৈ যায় তেতিয়া তাৰ নামটো কি হ'ব? মই যদি উদয় নগৰত এটা ঘৰ কৰিছো কোনোবাইতো চান্দমাৰিত এটা ঘৰ কৰিছে। মই দুটাৰে Zonal Valutation Check কৰিছো আৰু দুয়োটাৰে Zonal Valutation একেই। Proletariat Bourgeois হ'লে সেইটো Nationalist Bourgeois হ'ব নে Capitalist Bourgeois হ'ব সেইটো মই মাননীয় সদস্য মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়াৰ লগত আলোচনা কৰিব লাগিব। আমি হাৱাই চেণ্ডেল নিপিন্ধো, হাৱাই চেণ্ডেল পিন্ধি ভাল লাগে কিন্তু জোতা পিন্ধি দৌৰিবলৈ ভাল হয়। সেইয়াই পাৰ্থক্য। মই সেইদিনাখনো পেপাৰত কৈছো যে সাংবাদিক আৰু ৰাজনীতিবিদ

সকল খোলাখুলি হয়। এজন ৰাজনীতিবিদে নিজেই জানে যে আনজন ৰাজনীতি বিদৰ কি আছে? আমাৰ ভিতৰত বুজাবুজিৰ কি অসুবিধা আছে? গেলাৰীৰ পৰা চাই থকা মানুহে নুবুজে। আমিতো সকলো বুজি থাকো যে আমাৰ ক'ত কাৰ কি আছে? মই কেইদিনমান আগতে এখন কনফাৰেঞ্চত দিছিলো যে সাংবাদিকৰ কি আছে, এজন ৰাজনীতিবিদে ভালকৈ জানে আৰু ৰাজনীতিবিদৰ কি আছে সাংবাদিকে ভালকৈ জানে। কাৰণ আমাৰ মাজত সকলো খোলাখুলি। ৰাজনীতিবিদসকলৰ মাজত কোনো লুকঢাক নাথাকে। তেন্তে মানুহক দেখুৱাবলৈ আমি কিয় নাটক কৰি থাকো? অসম, মেঘালয় আৰু অসম অৰুণাচল আদিৰ সীমাৰ ক্ষেত্ৰত, মই বাকীসকলৰ কথা নকওঁ, বাকীসকলেতো ৰাজ্যই দি দিছে। আমিনো কিমান বৰ্গ কিঃমিঃ দিছো, ৮ কিঃমিঃ, ৭ কিঃমিঃ। কংগ্ৰেছে নাগালেণ্ডখনেই পূৰা দি থৈছে। মেঘালয় দি থৈছে। এতিয়া কংগ্ৰেছক মই এইটো বিতৰ্কত নানো। মই অখিল গগৈ ডাঙৰীয়াক এটা কথা বুজাব বিচাৰো যে Geography আমি সলনি কৰিব নোৱাৰো। উত্তৰ-পূৰ্বাঞ্চলৰ আমি আটাইকেইখন ৰাজ্য ৭ ভনীৰ দৰে বাস কৰিবই লাগিব। আমাৰ হাতত option নাই। যদি আমি নাগালেণ্ডৰ লগত ব্যৱহাৰ কৰো যে We are the biggest State, আমি শান্তিত থাকিব নোৱাৰো। মেঘালয় আৰু মণিপুৰৰ ৰাইজৰ লগত বন্ধুত্ব আৰু ভগ্নীৰ সম্পৰ্ক নহ'লে আমি থাকিব নোৱাৰো। আমাক ভগ্নীৰ সম্পৰ্ক লাগিবই আৰু যেতিয়া disputed area ত মেঘালয়ে আহি মানি লয় যে ৩৬ কিঃমিঃ disputed area ৰ আপোনালোকে ১৮ কিঃমিঃ লওঁক, আমাক ১৮ কিঃমিঃ দিয়ক। দুই গৰাকী ভগ্নীৰ মাজত আমি সম্পত্তি ভগাই লৈছো। দেউতাতো এজনেই আছিল। এইখন সদনত আমি যদি মেঘালয়, অৰুণাচল আদিৰ কথা কওঁ। Artificial intelligenceত আমি কৰ্ণাটকৰ লগত প্ৰতিযোগিতা কৰো। খেতিত আমি পঞ্জাৱৰ লগত প্ৰতিযোগিতা কৰিম। নাগালেণ্ড, অৰুণাচল, মণিপুৰৰ লগত আমি জ্যেষ্ঠ ভগ্নীৰ দায়িত্ব পালন কৰিবই লাগিব। তাৰ বিকল্প একো নাই। আজি আমি নগা, সৰু নগা, কুকুৰ নগা বুলি কৈ যদি বেয়া ব্যৱহাৰ নকৰিলোহেঁতেন, অসমৰ লগত সম্পৰ্ক কেতিয়াও বিঘ্নিত নহ'লহেঁতেন। তেওঁলোকৰ জাতীয় স্বভিমানক আমি যেতিয়াই গৰকি দিওঁ, তেওঁলোকেও আমাক definitely react কৰিব। কিমান বেয়া নাম দিছো। কি ধৰণে আমি তেওঁলোকৰ ওপৰত কথা-বতৰা পাতিছো। যেতিয়া মিজোৰামৰ আইজলৰ ওপৰত bombing হৈছিল, সেই সময়ত মিজোৰাম অসমত আছিল আৰু অসমৰ চৰকাৰখনৰ নেতৃত্ব কংগ্ৰেছ দলে লৈছিল । আপোনালোকে চিন্তা কৰক Indian Air Force has bombed Aizawl. কাৰ দিনত? কংগ্ৰেছ চৰকাৰৰ দিনত। আমাৰ ইতিহাসত বহুত কথা সোমাই আছে আৰু তাক যদি আমি নিৰাময় কৰিব লাগে, ক'ৰবাত আমি পিছুৱাব লাগিব আৰু ক'ৰবাত আগুৱাব লাগিব। এইখন সদনতেই আমি অসমৰ সীমা সুৰক্ষিত কৰিম। কিন্তু, লগত আমি এইটো ক'ব নোৱাৰো যে মেঘালয় আৰু অৰুণাচলৰ ন্যায় উচিত কথা শুনাৰ পৰা আমি বিৰত থাকিম। প্ৰত্যেকজন মন্ত্ৰী সীমাই সীমাই গৈছে। ঘূৰি আহি মোক কৈছে চাৰ এইটো ভুল, এইটো আমাৰ মাটিয়েই নহয়। আমি একপক্ষীয় সিদ্ধান্ত লোৱা নাই। স্থানীয় নেতাসকল, সৰ্বদলীয় লোক গৈছে। এজন এজন মন্ত্ৰীয়ে চাৰিদিন, পাঁচ দিনকৈ সীমাত আছে। সীমাৰ কাষৰ মিচিং, আদিবাসীসকলৰ কথাও শুনিছে আৰু যেতিয়া মিচিংজনে কৈছে যে এই মাটি আমাৰ নহয়, ভুলতে আমাৰ লগত আছে। আমি ইয়াত নাইয়েই। সিমানখিনি ন্যায় কৰাৰ সাহসো অসমৰ মুখ্যমন্ত্ৰীৰ থাকিব লাগিব। সিমানখিনি ন্যায় কৰাৰ সাহস যদি অসমৰ মুখ্যমন্ত্ৰীৰ আগৰপৰাই থাকিলহেঁতেন, অসমত কেতিয়াও বড়ো আন্দোলন, মিচিং আন্দোলন নহ'লহেঁতেন। আদিবাসী যুৱক-যুৱতীয়ে অস্ত্ৰ কেতিয়াও নল'লেহেঁতেন। Facist, মানুহৰ Title লৈ নহয়,

Character ৰে হয়। মোৰ Title কি? মই তিনি গগৈ নহ'ব পাৰো, কিন্তু শৰ্মা হৈও লাচিতক বিশ্বৰ বুকুত লৈ যোৱাৰ সাহস মোৰ আছে। Title ৰ ওপৰত premium লোৱাৰ চেষ্টাও নতুন প্ৰজন্মৰ সন্মুখত বন্ধ হৈ যাব লাগে। Title এ premium নিদিয়ে। সেইকাৰণে মই আজি সদনত ক'ব পাৰো যে উজনি অসমৰ যিকোনো বিধান সভাতেই নিৰ্বাচন খেলি জিকি অহাৰ সাহস হিমন্ত বিশ্ব শৰ্মাৰ আছে। কাৰণ Title এ কাকো premium নিদিয়ে। শিলচৰত গৈও নিৰ্বাচন খেলি জিকি অহাৰ সাহস মোৰ আছে। যদি Title এ premium দিলেহেঁতেন, তেনেকুৱা Title ধাৰী লোকৰ দিনতে বড়ো আন্দোলনৰ সমাপ্তি হ'লহেঁতেন। এইবিলাক নতুন প্ৰজন্মই নুশুনে। তেওঁলোকে সিদ্ধান্ত কৰি ল'লে যে এইবিলাক হৈ গ'ল। বহুত হৈ গ'ল। সেইকাৰণে আপোনালোকে যাক সাম্প্ৰদায়িক বুলি ভাৱে, সেইজন মুখ্যমন্ত্ৰীৰ কোলাত ওমলিবলৈ মাদ্ৰাছা পঢ়া ছাত্ৰ-ছাত্ৰীসকলো আহে। আজিও মই challenge দি ক'ব পাৰো, এই যে কিবা এটা যাত্ৰা হ'ল, মই যিমান দূৰ জানো, জাকিৰ হুছেইন সিকদাৰৰ সমষ্টিতেই আটাইতকৈ বেছি মানুহ হৈছে। মোক এটা ভাল দিন দিয়ক, মই অকলে যাম। তাতকৈ বেছি মানুহে মোক চাবলৈ আহিব। কাৰণ তেওঁলোকে জানে ইয়াকতো ভোট নালাগে। ইয়াত ভোটৰ কথা নাইয়েই। Election ৰ campaigning ৰ সময়ততো নাহেই। ই মৰম দিবহে আহিব। ক'ব যে দুটা শিশু জন্ম দিবি মা, ৬০ বছৰৰ মানুহ হৈ ১৬ বছৰীয়া ছোৱালীক বিয়া নকৰাবি, ১২ বছৰত গৰ্ভৱতী নহ'বি। এইখিনি কথা শুনালে কোনো communal হৈ নাযায়। Communal হৈ যাব নেকি? মাদ্ৰাছা নপঢ়িবি, ডাক্তৰ ইঞ্জিনীয়াৰ হ'বি। তাততো কোনো Communal নহয়। ধৰ্মত কোনো monopoly নাথাকে। ধৰ্মই মিলন শিকায়। আজি যদি মই কৰ্ণাটকত যাওঁ, মইতো কানাড়া সংস্কৃতিক লৈয়ে থাকিব লাগিব। মুছলিম মানুহ, যিসকল মৈমন সিঙৰ পৰা আহিছে, ৰংপুৰৰ পৰা আহিছে, এই অসমে তেওঁলোকক আশ্ৰয় দিছিল। অসমৰ প্ৰতি কৃতজ্ঞ হৈ থাকিব লাগিব। তেওঁলোকৰ জীৱনৰ চৰম আৰ্থিক দৈন্যতাৰ সময়ত এই অধিবাসী মুছলমানসকলক আমাৰ আগৰ প্ৰজন্মৰ নেতা সকলে আদৰি লৈছিল। মই Census ত অসমীয়া নকওঁ, যি মাটিয়ে আপোনাক আদৰি ল'লে, যি মাটিয়ে আপোনাক জীয়াই ৰাখিলে, সেই মাটিৰ ভাষাক লৈ Communal হ'ব? বুৰঞ্জী পঢ়িব লাগিব। যেতিয়া খাবলৈ এটুকুৰা ভাত নাছিল, সেই সময়ত কংগ্ৰেছৰ নেতা সকলে আমাৰ জাতিৰ ভৱিষ্যতক বন্ধকত থৈ আপোনালোকক লৈ আহিছিল। আজি ইয়াত ৰাজনীতৰ কুচকাৱাচ নহয়, জীন যাবৰ কাৰণে প্ৰচেষ্টা কৰিব লাগে। এয়া জীন যোৱাৰ সময়। মই অসমৰ অধিভাষী সংখ্যালঘু লোকক বাৰ্তা দিব খোজো, অসমৰ মূলসুঁতিৰ মানুহক challenge কৰাৰ সময় নহয়, জীন যোৱাৰ সময়।যেতিয়াই জীন যোৱাৰ প্ৰচেষ্টা কৰিম যিসকলে আপোনালোকক লৈ আহিছিল সেই সকলৰে নাতি পুতি আমি। আমাৰ মনত কষ্ট নিদিব, আমাৰ মনত দুখ নিদিব। হৰিমন্দিৰ, হৰিমন্দিৰ হৈয়ে থাকিবলৈ দিয়ক। মই যদি বেয়া পাওঁ মোৰ ঘৰৰ কাষত গৰু মাংস খাব নালগে, তেনেহ'লে কোনেও ৰাতি আকাল আৰু দৰিদ্ৰতাত মৰিব নালাগে। মই যদি কওঁ যে ঈদৰ দিনা মোৰ ঘৰৰ সন্মুখত কোনেও গৰু হালাল নকৰিব, ধৰ্মততো কতো লিখা নাই যে গৰু দিবই লাগে। Social norms থাকে। কিছুমান মানুহে ভোটৰ কাৰণে আপোনালোকৰ সন্মুখত আত্মসমৰ্পণ কৰিব। মানুহে নিশিকিলে, মই মানুহক দোষ নিদিওঁ। কিন্তু সেইসকল মানুহে ভোটৰ কাৰণে যদি আত্ম সমৰ্পণ নকৰি আমাৰ এই অতিথি সকলক বুজালেহেঁতেন যে এইখন অসম লাচিতৰ অসম, ইয়াত এনেকৈ থাকব লাগিব, এনেকৈ কৰিব লাগিব তেতিয়া তেনেকৈয়ে তেওঁলোক জীন গলহেঁতেন। কোনেও আলকায়দা হ'বৰ কাৰণে চেষ্টা নকৰিলেহেঁতেন। মাদ্ৰাছাত অসম পুলিচে আলকায়দাৰ চেল

বিচাৰিবলগীয়া নহ'লেহেঁতেন। মাত্ৰ ভোটৰ কাৰণে আত্ম সমৰ্পণ কৰাৰ কাৰণে এই পৰ্য্যায় আহি পাইছে। মই সাম্প্ৰদায়িক নহয়। মই সম্প্ৰদায়ৰ নতুন পৰিভাষা নিৰ্মাণ কৰিব খুজিছো। বৰপেটা, বটদ্ৰৱা সত্ৰক আমি সন্মান কৰিবলৈ শিকিব লাগিব। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আমাৰ ধৰ্মৰ গুৰু নহয়, তেখেত আমাৰ সংস্কৃতিৰ গুৰু। তেওঁ জাতিৰ প্ৰাণ প্ৰতিষ্ঠাতা। যেতিয়া মই বটদ্ৰৱাত উচ্ছেদ কৰিম তেতিয়া মুছলমান সংখ্যালঘু নেতা সকলে মোক সমৰ্থণ দিব লাগিব আৰু কওক যে তেওঁলোক ভূমিহীন, তেওঁলোকক বেলেগ ঠাইত মাটি দি দিব। কিন্তু বটদ্ৰৱাৰ ১০ কিঃমিঃ সংৰক্ষণ কৰাটো আমাৰ সকলোৰে দায়িত্ব। কাৰণ মহাপুৰুষ শ্ৰী মন্ত শংকৰদেৱক বাদ দি আমাৰ জাতিটোৰ কোনো অস্থিত্বই নাই। ইতিহাসতো একেখনে থাকিব। আজি মই আনন্দিত যে অসমৰ নতুন প্ৰজন্মৰ মুছলমান লৰা-ছোৱালীবিলাকে এই কথাবোৰ শিকিছে। কেইদিনমান আগতে মই তেজপুৰৰ আৰৰ্ত্ত ভৱনত গৈছিলো। তাত মুছলমান সম্প্ৰদায়ৰ কিছুমান নতুন বোৱাৰী আছিল। মই শুধিছিলো যে তেওঁলোকৰ কেইটা লৰা-ছোৱালী? মোক ক'লে যে আপুনি কৈছে যিহেতু দুটাতকৈ বেছি এটাও লৰা-ছোৱালী জন্ম নিদিও। মই আজমল চাহাবকো অনুৰোধ কৰিম যে এইবিলাক কথা নকব।যিবিলাক কথাই অসমৰ সাতামপুৰুষীয়া ঐক্য বেয়া কৰিব যে ছোৱালীয়ে এইটো কৰিব নালাগে, সেইটো কৰিব নালাগে। ছোৱালীয়ে কি কৰিব সেইটো ছোৱালীজনীয়েহে জানে। লৰাজনে কেনেকৈ জানিব? ভোট আহিব আৰু যাব। কিন্তু শেষ নহয়। জাতিটোক আমি নিৰ্মাণ কৰিব লাগিব।

অধ্যক্ষ ডাঙৰীয়া, মই অখিল গগৈ ডাঙৰীয়াক অনুৰোধ কৰিম আমি অৰুণাচলত যিকেইখন গাওঁ এৰি দিছো বা যিকেইখন লৈছো তাত যদি আপোনাৰ কিবা সন্দেহ আছে তেনেহ'লে আপুনি এবাৰ যাব। মই DC সকলকো কৈ দিম তেতিয়া আপুনি পৰিৱেশটো নিজে চাই আহিব পাৰিব। আমি ক'তো বেয়া কাম কৰা নাই।

যোৱাকালি মই বগীবিলত গৈছিলো। পিযুষ হাজৰিকা ডাঙৰীয়াই আঁচনি কৰিলে, ১লাখ বিঘা মাটি ব্ৰহ্মপুত্ৰৰ পৰা আমি উদ্ধাৰ কৰিছো। মেঘালয়ক কিমান দিলো, ১৮ বিঘা। বানপানীৰ কাৰণে আমাৰ যিমান মাটি গৈছে মেঘালয়ে আমাৰ সিমান মাটি লোৱা নাই। যদি মাটিৰ এই অংক হয় তেনেহ'লে বানপানী ৰোধৰ কাৰণে আমি কাম কৰিব লাগিব। যোৱা তিনিটা বছৰত বানপানীৰ কাৰণে সৰ্ব্বোচ্চ ধন আবন্টন দিয়া হৈছে। আজি ডিব্ৰগড়ৰ পৰা মাজুলীলৈকে মথাউৰিৰ ওপৰেদি মাৰ্চেডিচ চলাই আধা ঘন্টাৰ ভিতৰত গৈ পাব পাৰি। সংখ্যালঘু বিৰোধী আমি নহয়। Public Accounts Committe ৰ chairman এজন সংখ্যালঘু সম্প্ৰদায়ৰ লোকক কৰাৰ সাহস এই BJP ৰ আছে। প্ৰতিবাদ আমাৰ পৰা হোৱা নাই, কংগ্ৰেছৰ পৰা হৈছে।

অধ্যক্ষ মহোদয়, লোনৰ কথা কোৱা হয়। কয় যে আমাৰ জনমুৰি লোন আছে, মানুহৰ মূৰে মূৰে লোন আছে। কোনো মানুহৰ মাটি সম্পত্তি বন্ধকত দি চৰকাৰে লোন লোৱা নাই। কিন্তু কৰ পৰা কোনে তথ্য দিয়ে যে মানুহৰ মূৰে মূৰে লোন আছে। এইটো এটা ভুল ধাৰণা। চৰকাৰে ইমানেই লোন ল'ব পাৰে যিমান লোন লোৱাৰ আমাৰ শক্তি আছে। ইয়াত যদি আপোনালোকে আলোচনা কৰিব বিচাৰে, আলোচনা কৰক। টুলুঙা কথা কোৱাৰ প্ৰয়োজন নাই। বাচ্চাবিলাকেও কয় মোৰ মূৰৰ ওপৰত ইমান লোন কেনেকৈ আহি গ'ল, জন্ম হ'লেই ইমান লোন। এইবিলাক শব্দ অসমৰ কিছুমান বুদ্ধিজীৱি আছে, তেওলোকে কি অংক কৰি উলিয়ালে নাজানো। নিৰ্মলা সীতাৰমণে যিমান লোন লয়, প্ৰনৱ মুখাৰ্জীয়ে যিমান লোন লয়, তেনেহ'লে ভাৰতৰ নাগৰিক হিচাপে সেইটোও আমাৰ মূৰৰ ওপৰত আছে। ৰাজ্যচৰকাৰে লোৱা লোনখিনি যদি আমাৰ মূৰৰ ওপৰত আছে তেনেহ'লে মনমোহন সিং ডাঙৰীয়াই লোৱা লোনখিনিও আমাৰ মূৰৰ ওপৰত

আছে। বেংকে যেতিয়া অসম চৰকাৰক লোন দিয়ে, ৩ কোটি মানুহৰ সম্পত্তি জব্দ কৰিম বুলি লোন নিদিয়ে। অসম চৰকাৰে কিমান ঘূৰাই দিব পাৰিব তাৰওপৰত দিয়ে। এই কথাখিনিকে অসমৰ কিছুমান বুদ্ধিজীৱি আছে বিশেষকৈ left inspire বুদ্ধিজীৱি আছে, যিমান পাৰি মোৰ জাতিটোক অশান্তি কৰিব। ভূপেন হাজৰিকাক বেয়া কথা ক'ব পাৰি আৰু মহাপুৰুষ জনক বেয়া কথা ক'ব নোৱাৰি, কেনেকৈ হ'ব? যদি মাৰিব শিকছ তেনেহ'লে মাৰ খাবও শিকিব লাগিব। ভাৰতীয় সেনাই যেতিয়া চীনৰ লগত যুদ্ধ কৰিবলৈ যায়, তেতিয়া মাৰিম বা মৰিম বুলিয়ে যায়। যদি ভূপেন হাজৰিকাৰ ওপৰত বেয়া কোনোৱাই কৈছে, তেতিয়া ভূপেন হাজৰিকাৰ অনুগামীসকলেতো মোৰ ওপৰতো বেয়া কথা ক'ব। আজি যদি মই জুবিনক বেয়া কথা কওঁ, জুবিনৰ অনুগামীসকলেতো মোৰ ওপৰতো বেয়া কথা ক'ব। ভয় নকৰে। আজি যদি মই অখিল গগৈক অগণতান্ত্ৰিক কথা এটা কওঁ অখিল গগৈৰ সমৰ্থকসকলে মোক নক'ব নেকি? মাৰিব শিকিলে মাৰ খাবও শিকিব লাগিব। অমুক ছাৰৰ কথাটো বেয়াকৈ কৈ দিলা। তুমিতো আমাতকৈও ছাৰজনৰ কথা বেয়াকৈ কৈ দিলা। যি মানুহৰ কণ্ঠ আমাৰ ৰক্তই ৰক্তই প্ৰৱাহিত হৈ আছে, সাগৰ সংগমত কতনা সাতুৰিলো। আজি ভূপেন হাজৰিকাৰ মৃত্যুৰ সময়ত যিমান মানুহ গোট খাইছে সিমান মানুহ আমাৰ মৃত্যুৰ পাছত গোট খাব জানো বা সেই গৰাকী মহাপুৰুষৰ মৃত্যুত গোট খাব জানো? মানুহতো কোনো immortal নহয়! আজি অখিল গগৈৰ মৃত্যুৰ পাছত ইমান মানুহ হ'ব নে মোৰ মৃত্যুৰ পাছত ইমান মানুহ হ'ব নে ৰেকিবুদ্দিন আহমেদৰ মৃত্যুৰ পাছত ইমান মানুহ হ'ব। ভূপেন হাজৰিকা সমাজে এজনেই জন্ম দিয়ে। তেখেতে দাদা চাহেব ফাল্কে বঁটা পালে তাক সমালোচনা কৰিব পাৰো, সেইসকলে উলিয়ালে মানুহৰ মূৰে মূৰে ধাৰ। কাৰো মূৰে মূৰে ধাৰ নাথাকে। Article-292 ,constitution of India আমি পঢ়িব লাগে। দুই এখন পেপাৰে যদিও লিখি থাকে যে ইমান কোটি টকা ধাৰ ল'লে তাৰপৰা ভোটৰ এক ইঞ্চিও ইফাল সিফাল নহয়। সেইবিলাকৰ পৰা চৰকাৰৰ একো ক্ষতি নহয়। মানুহেও জানে যে অকল এজন মানুহে বেয়া কাম কৰিব নোৱাৰে। যদি এওঁ বেয়া কাম কৰে হাই কোৰ্টে ধৰিব, চুপ্ৰিম কোৰ্টে ধৰিব, Central Government য়ে ধৰিব। সকলোৱে জানে যে ইয়াত কাৰো dictatorship চলি থকা নাই। যদি illegally কিবা কৰিছে কোনোবাই নহয় কোনোবাই ধৰিবই। ইয়াৰ পৰা একো নহয়। যদি এই সদনে academic discusssion কৰিব খোজে মই আদৰি লৈ যাম কাৰণ মই বিচাৰো যে এই সদনৰ আলোচনা এই সদনৰ বিষয় এই সদনৰ gravity এই সদনৰ গাম্ভীৰ্য্য next level ত উঠিব লাগে। কোনো আপত্তি নাই, কংগ্ৰেছৰ সময় দিব নোৱাৰিলে বিজেপিৰ সময় আমি অখিল গগৈ ডাঙৰীয়াক দি দিম। যদি ইয়াত একাডেমিক আলোচনা হয়।

**শ্ৰীঅখিল গগৈ ঃ** বাজেটতত ২০ মিনিট দি দিলে হ'ল।

**ড° হিমন্ত বিশ্ব শৰ্মা, মাননীয় মুখ্যমন্ত্ৰী ঃ** এতিয়ালৈকেতো কথাটো হোৱা নাই ন। আপোনাক ২০ মিনিট সময় অধ্যক্ষই দিব, মই কৈছো যে যেতিয়া একাডেমিক কথা পতা হ'ব যেতিয়া ভাল শব্দ ব্যৱহাৰ কৰা হ'ব তেতিয়া ময়ো দি দিম সময়। কিন্তু আপুনতো এইটো কৰিব নোৱাৰে। আৰম্ভণি কৰিলেই শ্লিপ হৈ যাব। সেইটো নোৱাৰে কথাটো। ইয়াম আমি কি সুধিছিলো মোক সুধিয়ে আছে এইখিনি।

**শ্ৰীঅখিল গগৈ ঃ** আপুনি ২ ঘন্টা দিছে মোক এক ঘন্টা দি দিয়ক।

**ড° হিমন্ত বিশ্ব শৰ্মা, মাননীয় মুখ্যমন্ত্ৰী ঃ** এইটোতো ভাই গণতান্ত্ৰিক, গণতন্ত্ৰই মোক দিছে। অহা বছৰ আপুনি যেতিয়া এনেকৈ ইমান বিধায়ক লৈ জিকিব আপুনিও ইমানে ভাষণ দিব। সেইটো

মোক দিয়া নাইতোঙ্গ অলপ আগতে মই যে বুজালো যে হেলিকপ্তাৰত হিমন্ত নুঠে মুখ্যমন্ত্ৰী উঠে। এই ভাষণ মই দিয়া নাইতো, মই দিছো on behalf of the largest party of the House. গতিকে এই পাৰ্থক্য বিলাকে কয় acadamic discussion. এতিয়া মই কব খুজিছো কি যে ভাৰত চৰকাৰ আৰু ভাৰতৰ সংবিধান প্ৰনেতা মই কেৱল চৰকাৰ বুলি কলে ভুল হ'ব, ভাৰতৰ সংবিধান প্ৰনেতা সকলে এইটো সিদ্ধান্ত হৈছিল যে এখন State অকল Revenue ৰ ওপৰত চলিব নোৱাৰে। কাৰণ Revenueৰ ওপৰত যদি চলে future investment নহ'ব। আজি আপোনালোকে নিজে কওক যে মোৰ Revenue ৩০০০০ কোটি টকা, মই যদি ৩০০০০ কোটি টকাৰ Budget এখন কৰো তলাতল ঘৰ কেনেকৈ হ'ব, ৰং ঘৰ কেনেকৈ হ'ব, শিৱসাগৰৰ দলং খন কেনেকৈ replace হ'ব? অসমমালা কেনেকৈ হ'ব, untied fund কেনেকৈ আহিব, Arunodhoi কেনেকৈ আহিব? সংবিধান প্ৰনেতা সকলে চিন্তা কৰিছিল যে State ক আমি resource দিব লাগিব, ক'ৰ পৰা দিব, own resource, devolution of the Central tax আৰু তেওঁলোকক অকনমান এটা percentage আমি ধাৰ লবৰ কাৰণে দিম, ক'ত লিখা থাকে এইটো এই গোটেই বস্তুটো Houseয়ে অকনমান মই ৫ মিনিট সময় লৈ বুজাই দিব খুজিছোক, অৎভূত কথা কিছুমান লৈ তৰ্কবিতৰ্ক কৰি থাকি লাভ নাই। Article-290 the Executive power of the union extend to the borrowing upon the security of the consolidated fund of India within such limit. এই ধৰণে if any has may time to fix by Parliament by law into giving such guarantee it may be fix. অৰ্থাৎ 292/293 Article-293 to enable State Government India to make loans to any State so ইয়াত গোটেই তেনেকৈ scheme আছে। যে ভাৰত চৰকাৰৰ অনুমতি নোহোৱাকৈ অসম চৰকাৰে, কৰ্ণাটক চৰকাৰে, মধ্যপ্ৰদেশ চৰকাৰে এটকাও লোন ল'ব নোৱাৰে। ইয়াত Constitutionত লিখা আছে this is the Scheme of the Constitution of India. আমি কিমান লোন ল'ব পাৰো এটা বছৰত কোনে নিৰ্দ্ধাৰণ কৰি দিয়ে, এইটো নিৰ্দ্ধাৰণ কৰি দিয়ে ভাৰত চৰকাৰে under power vested in by Article 292 and 293. ভাৰত চৰকাৰে কি সিদ্ধান্ত ললে, যে আমি Stateত as of now প্ৰত্যেক বদলি থাকে ভাৰত চৰকাৰে এটা সিদ্ধান্ত ললে যে আমি এখন Stateক GDP ইমান শতাংশ আমি লোন ল'ব দিম। যে ইমান percentage লোন ল'ব দিম, যে ইমান শতাংশতকৈ ওপৰত তেওঁলোকে লোন ল'ব নোৱাৰে। অসমৰ ক্ষেত্ৰত কি কৰিলে অসমৰ ক্ষেত্ৰত তেওঁলোকে কলে যে debt GDP ratio আমাৰ লোন যিমান হ'ব আৰু GDP যিমান হ'ব তাৰ 32% হে আমি loan ল'ব পাৰিম। এটা condition যে that 32% of the GDP can be the total outstanding loan. এই বছৰৰ নহয়। সমগ্ৰ লোন যিমান টকা আছে it cannot exceed 32%. অৰুণাচলত ৪৫ শতংশ দিলে কাৰোবাক ৫০ শতাংশ, কাৰোবাক ৬০ শতাংশ দিলে, যি ধৰণে নহওক কিয় প্ৰত্যেক খন Stateত তেওঁলোকে fix কৰি দিলে যে you can take this much percentage of the loan, that is no.1 condition, no.2 condition তেওঁলোকে কৰি দিলে যে প্ৰত্যেক বছৰ GDP ত ইমান percent তোমালোকে লোন লব পাৰিব, 3%. বৰ্তমান কভিডৰ সময়ত ৫ শতাংশ দিছিল বিভিন্ন আঁচনিত, আজি দিনত GDP ৰ 3% হে আমাক লোন ল'ব দিয়ে। আৰু কোনে notify কৰে ভাৰত চৰকাৰে by official gazatte notify কৰে যে এই বছৰ আমি কিমান লোন লব পাৰিম। যিটো ইয়াত পেপাৰ পত্ৰত

লিখে যে চি এম য়ে গ'ল বেংকৰ পৰা লোন লৈ আহিলে এইটো নহয়, লোন কিমান ল'ব পাৰো that is fix by Government of India. এতিয়া এই বছৰ আমি যদি চাব যাও যে আমাৰ ৰাজ্যখনৰ GDP কিমান? যদি আমাৰ জি ডি পি কিমান বুলি গম পাও তেতিয়া হলে আমি কিমান টকা লোন ল'ব পাৰো এই কথাটো আমাৰ টৎক্ষনাত calculation কৰিলে ওলাই যায়। এতিয়া এই বছৰ আমাৰ যিটো জি ডি পি আপোনালোকে GDP ৰ ওপৰত অখিল গগৈ ডাঙৰীয়াই কিবা এটা কৈ আছিল মই শুনা নাপালো এতিয়া যদি google ত মাৰি দিয়ে what is the GDP of Assam, ওলাই আহিব 5 lakhs 67 thousand Crores. যোৱা বছৰ আমাৰ GDP কিমান আছিল, যোৱা বছৰ 4 lakhs 93 thousand 166 Crs. অহা বছৰ আমাৰ জি ডি পি কিমান হ'ব next year 6 lakhs 43 thousand Crs. তাৰমাণে যিমানে জি ডি পি বাঢ়িব ৩ শতাংশটো আমাৰ বাঢ়ি বাঢ়ি গৈ থাকিব। এতিয়া আমি যদি নলাও আমাৰ development নহ'ব। ভাৰত চৰকাৰে কৈ আছে তোমাক আমি লোন ল'ব দিছো ৩ শতাংশ, আমি যদি লোন নলাও আমাৰ উন্নয়ন নহ'ব। চাওঁক what is the option? আজি আমাৰ অসমত আমি সুন্দৰ ভাৱে আমাৰ বিত্তীয় পৰিচালনা হৈ আছে ২০০৬ ৰ পৰা ২০১৪ চনলৈকে কংগ্ৰেছ দলে যিমান লোন লৈছিল, কোনোবা বছৰ ১১০০, কোনোবা বছৰ ১৫০০, কোনোবা বছৰ ২৪০০, কোনোবা বছৰ ২৭০০, কোনোবা বছৰ ২৫০০, কোনোবা বছৰ ৩ হাজাৰ কোটি, ২০১৩-১৪ বৰ্ষত ৪ হাজাৰ কোটি আমি গোটেই ঘুৰাই দিলো। কংগ্ৰেছৰ দিনলৈকে অসমে যিমান লোন লৈছিল we have return every paisa. তাৰমাণে capacity বাঢ়ি আছে, এই বছৰ যিমান আমাক লোন লব দিছে সেই হিচাপটো যদি আমি চাব ভাৰত চৰকাৰে নটিফাই কৰে যে আমাৰ 5 lakhs 67 thousand Crs. 3% লোন লবলৈ তেখেত সকলে আমাক allow কৰিছে আৰু সেইটোৰ লগত আৰু কেইটামান scheme loan ল'বলৈ এলাও কৰে যে Power Reform হলে আমি Pension Fundত কিমান টকা জমা দিছো এই গোটেই বিলাক ঠিক কৰি তেওঁলোকে আমাক এটা কিতি বনাই দিয়ে যে আপোনালোকে ইমান টকা লোন ল'ব পাৰিব। এতিয়া আমি লোন লমনে নলাও সেইটো টকাঙ্গ যদি ভাৰত চৰকাৰে কৈছে তুমি ল'ব পাৰা তোমাৰ এইটো capacity আছে you can take it. আমি লমো আমি ঘুৰাইও দিম। ইয়াততো কোনো লাজ কৰিব লগীয়া কথা একো নাই। এতিয়া আপোনালোকে চাওঁক যদি লাজ মই কৰিলোহেতেন যদি লোনটো কেৱল অসমে ললেহেতেনঙ্গ ২০২২-২৩ ত পাঞ্জাৱৰ কিমান outstanding dues of Punjab 2 lakhs 97 thousand Crs. আজি Keralaৰ মুখ্যমন্ত্ৰীয়ে Supreme Courtত গৈছে যে তেওঁ লোন ল'ব খুলি দিব লাগে। ভাৰত চৰকাৰৰ কথা আহিবই নালাগে। পিনাৰী ভিজায়েনে মোক চিঠি লিখিছে যে লোন যিমান ইচ্ছা ৰাজ্যৰ সিমান ল'ব এলাও কৰিব লাগে। অহাকালি মই House ত চিঠিখন দি দিম he wrote me a letter to me. যে আপুনিও Supreme Court ত মোক চাপোৰ্ট কৰক। যে Central Government য়ে আমাক controlয়ে কৰিব নালাগে আমি যিমান টকাৰ ইচ্ছা আমি সিমান টকাৰলোন লম। Kerala ৰ আজি কিমান লোন আছে?

আজি কেৰেলাৰ মুখ্যমন্ত্ৰী চুপ্ৰিম কোৰ্টলৈ গৈছে, যে তেওঁক লোণ ল'বলৈ খুলি দিব লাগে। ভাৰত চৰকাৰৰ কথা তাত আহিবই নালাগে। পিনাৰি ভিজাইনে মোক চিঠি লিখিছে লোণ যিমান লাগে সিমান ষ্টেটক এলাউ কৰিব লাগে। অহা কালি মই হাউচত চিঠিখন দি দিম। তেওঁ মোলৈ এখন চিঠি লিখিছে যে আপুনিও মোক চুপ্ৰিম কোৰ্টত চাপৰ্ট কৰক যে কেন্দ্ৰীয় চৰকাৰে আমাক নিয়ন্ত্ৰনে কৰিব নালাগে, আমি যিমান টকাৰ ইচ্ছা সিমান টকাৰ লোণ ল'ব লাগে। আমিতো নিয়ন্ত্ৰনত আছো,

কেৰেলাৰ আজি লোণ আছে, ৩,লাখ ৭৮ হাজাৰ কোটি টকা। তেওঁলোকৰ জি ডি পি ৰ কিমান শতাংশ লোণ আছে, ৩৭.৮৪ শতাংশ। তাৰে বছৰটোৰ জি দি পি তেওঁলোকৰ যিমান তাতকৈ total outstanding loan তেওঁলোকৰ ৩৭ শতাংশ আছে। অৰুনাচলৰ কিমান আছে, ৫০ শতাংশ outstanding loan আছে। যিমান উপাৰ্জন তাৰ আধাই তেওঁলোকৰ লোণ। হিমাচল প্ৰদেশৰ কিমান আছে, ৪১ শতাংশ। মই কৰ্ণাটকৰ উদাহৰণ দিছো, কৰ্ণাটকৰ লোণ আছে, ৪ লাখ ৬৮ হাজাৰ কোটি টকা। কোনখন ৰাজ্যৰ লোণ নাই? আপোনালোকে তেনেকুৰা কৰিলে যে লোণ কেৱল অসমেহে লৈছে। ইয়াত এনেকুৰা এটা পৰিবেশ বনাই দিলে যে এতিয়া লোণ লোৱাৰ পাছত আপোনালোকে ভাল পাব শুনি যে অসমৰ জিডিপি ৰ লগত লোণ হৈছে কেৱল ২৩ শতাংশ। lowest ফালৰ পৰা অসমৰ নং -৭। উৰিষ্যা, মহাৰাষ্ট্ৰ, গুজৰাট, কৰ্ণাটক, ঝাৰখণ্ড, চতিশগড়, অসম এই ৭ খন ৰাজ্যৰ আটাইতকৈ দেশৰ ভিতৰত কম লোণ আছে। আমাৰ ওপৰত কোন কোন আছে, তামিলনাডু ২৭ শতাংশ, মধ্য প্ৰদেশ ২৪ শতাংশ, ত্ৰিপুৰা ২৮ শতাংশ, হাৰিয়ানা২৮ শতাংশ, উত্তৰ প্ৰদেশ ২৯ শতাংশ, অন্ধ্ৰপ্ৰদেশ২৯ শতাংশ, ৰাজস্থান ৩১শতাংশ, বিহাৰ ৩৩ শতাংশ, ওৱেষ্ট বেংগল ৩৪ শতাংশ আৰু মেঘালয় ৩৭ শতাংশ সৰু ৰাজ্য fiscally Assam is the most well govern State অধ্যক্ষ মহোদয় যোৱা কালি ইয়াত কোৱা হৈছিল আমাৰ borrowing ৰ revinue কিমান শতাংশ borrowing ৭.৬ শতাংশ। অসম মুঠ ৰেভিনিউ ৰিচিভ হৈছে ৮৯ হাজাৰ ৭শ ৪২ কোটি টকা। আমি সুত দিওঁ ৬ হাজাৰ ৮ শ কোটি টকা যে ৭ শতাংশ। তাৰমানে আমাৰ যিমান নিজৰ উৰ্পাজন তাৰ মাত্ৰ আমি ৭ শতাংশ সুত দিব লাগে and the golden limit is 10 percent, we are must below 10 percent এতিয়া আমাৰ অহা বছৰ অসমৰ জি ডি পি হ'ব ৬ লাখ ৪৩ হাজাৰ কোটি টকা। ৫ লাখ ৬৭হাজাৰৰ ৩ শতাংশ যিমান হৈছিল , ৬ লাখ ৪৩ হাজাৰৰ ৩ শতাংশটো বাঢ়ি যাব। মোৰ fiscal space বাঢ়ে সেইটো ৰাজ্যখনৰ কাৰণে গৌৰৱৰ কথা। his fiscal space is increasing. আপোনালোকে কয় ধাৰ কিয় ললে, ল'ব পৰা ক্ষমতা আছে কাৰণেহে লৈছো, তোমাৰটো নাই মোৰ আছে, কাৰো মুৰত কাৰো লোণ নাই। অখিল গগৈ ডাঙৰীয়াই চিন্তা কৰিব নালাগে কোনো দিলে বেংকৰ পৰা কোৰ্টৰ ন'টিচ নাহে। আপুনি নিজে লোণ লোৱাখিনিৰ বেলেগ কথা। অধ্যক্ষ মহোদয় আমাৰ অসমত আপোনালোকে চাব যে আমাৰ প্ৰদেশখন এনেকুৰা আমি borrowingৰ ওপৰতে নিৰ্ভশীল নেকি? আপোনালোকে এটা নতুন কলে যে লাওঁ লোৱা চৰকাৰ ধাৰ লৈ, নহয় অধ্যক্ষ মহোদয়, অসমৰ Total Budgetary expenditure ২০২২-২৩ চনত আছিল ১ লাখ ২০ হাজাৰ কোটি টকা। তাৰে আমি লোণ লৈছো ১৯ হাজাৰ কোটি টকা। আমাৰ বাজেট চাইজৰ মুঠতে ১৬ শতাংশ লোণৰ পৰা আহিছে।85% we pay from our pocket. কেৰেলাৰ কিমান কেৰেলাৰ বাজেটত লোণৰ পৰিমান হৈছে, ৩৬ শতাংশ । তেওঁলোকৰ যদি ১ লাখ কোটি টকাৰ বাজেট তাৰে ৩৬ হাজেৰে ধাৰ লোৱা, আৰু অসমত যদি ১ লাখ কোটি টকাৰ বাজেট ১৬ হাজাৰ কোটি টকা আমি ধাৰ লোৱা। আমি ক'ত আছো এইখন অসমক লৈ আপোনালোকে গৌৰৱ কৰক। ক'ত কেৰেলা আৰু ক'ত আমি। আমাৰ ৩৬ শতাংশ বাজেট আমাৰ ধাৰেদি নহয়। গতিকে মনোৰঞ্জন তালুকদাৰ দেৱে ভাষণ দিয়াৰ আগতে মোক লাওঁ লোৱা বুলি কোৱাৰ আগতে আপুনি এটা বিশেষনীয় বিশেষণ ঠিক কৰিব লাগিব কেৰেলাৰ কাৰণে। এইটো কি হ'ব। অতি লাউ লোৱাটো ভাল শব্দ ন'হব। অলপ উপৰ লেভেলত যাব লাগিব, অধ্যক্ষ মহোদয় অসমে কি কৰিছে, অসমে দুটা কাম কৰে আমি লোণ ঘুৰাইয়ো দিওঁ। তাৰ লগত ভবিষ্যতে যাতে লোণ ঘুৰাই দিব পাৰো তাৰ কাৰণে এটা আমি

sinking fund কৰো। State sinking fund ও কৰিছো আৰু National sinking fund ও কৰিছো। সেই কাৰণে আমাৰ বাজেট যোৱা বছৰ ১ লাখ ২২ হাজাৰ কোটি টকা খৰচ কৰিছো। এবিাৰ আমি ১ লাখ ৩০,৩২ হাজাৰ কোটি টকা খৰচ কৰি লোণ ১৭,১৮ হাজাৰ কোটি টকা । আপোনালোকে আজি অসমৰ ৰেভিনিউ চাব যায় তেতিয়া হলে এতিয়া আমি নিজৰ টকা বা নিজৰ যি উৰ্পাজন কেন্দ্ৰীয় চৰকাৰে এতিয়া কৈছে যে কেন্দ্ৰীয় চৰকাৰৰ টকা ইয়াত একোৱেই নাই। অধ্যক্ষ মহোদয়, আমাৰ অসমৰ ৰেভিনিউ আজিৰ দিনত আমি এই মহুৰ্তলৈকে কেৱল মদৰ পৰা ৰেভিনিউ নহয় অধ্যক্ষ মহোদয়, মদৰ পৰা ৰেভিনিউ আহে মাত্ৰ ৩ হাজাৰ কোটি টকা, আৰু অসমৰ ৰেভিনিউ সংগ্ৰহ হ'ল ২২ আৰু ২৩ চনত ৯৯ হাজাৰ কোটি টকা। ৯৯ হাজাৰ ৬ শ ৬২ কোটি টকা। ৰেভিনিউ ক'ত লোকচান হৈছে বা ক'ত লাভ হৈছে সেইটো বেলেগ কথা আমাৰ মুঠতে ৰেভিনিউ সংগ্ৰহ হৈছে ৯৯ হাজাৰ ৬ শ ৬২ কোটি টকা। এই চৰকাৰখনে অসমক বিত্তীয়ভাবে শক্তিশালি কৰি কৰি লৈ গৈ আছে। ২০১৫ চনত বাজেট আছিল ৪২ হাজাৰ কোটি টকা। যোৱা বছৰ আমি বাজেট কৰিছো ১ লাখ ২২ হাজাৰ কোটি টকা।increase of 300 percent, tax টো কতো লগোৱা নাই আপোনালোকে কিয় সমালোচনা কৰে মই এইটোও বুজি নাপাওঁ। না মই ক'ৰবাত tax লগাইছো, বা ক'ৰবাত কিবা নতুনকৈ কিবা কৰিছো। সুন্দৰভাবে সকলোকে আমি সকলোকে অৰুনোদয় দিছো, ১ লাখ চাকৰি দিছো, কিমান চেলেঞ্জ। এই বিধান সভাতে কৈছে যে ১ লাখ চাকৰি কোন দিনা দিব কওঁক । মই যেন জ্যোতিষিহে পঞ্জিকা চাই ক'ব লাগিব যে অমুক তাৰিখে অমুক বজাত দিম। কিন্তু দি টো দিলো। এতিয়া অধ্যক্ষ মহোদয় আপোনালোকে যদি অকনমান চিন্তা কৰে তেতিয়া হ'লে আপোনালোকে দেখিব যে এতিয়া ৰাজ্য আমাৰ নিজৰ tax, non-tax, share of central tax, আমি অসমে বিত্তীয়ভাবে এখন যথেষ্ট শক্তিশালি ৰাজ্যত পৰিনত হৈছো। অধ্যক্ষ মহোদয় এটা বা দুটা সঁচা কথাৰে সামৰণি মাৰিব খুজিছো। এটা কথা চিন্তা কৰক আপোনালোকে বেংগলত আজিৰ দিনত ডিজেলৰ দাম ১০৬ টকা। দামটো টো চৰকাৰে নবঢ়ায় ৰিফাইনেৰিয়ে যি দাম দিয়ে সেইটো ফিস্ক দিয়ে। তাৰ ওপৰত tax লগায়। বেংগলত ১০৬ টকা হ'ল পেট্ৰো'লৰ প্ৰতি লিটাৰৰ দাম। পাটনাত কিমান ১০৭ টকা, জয়পুৰত কিমান ১০৮ টকা, হাইদৰাবাদত কিমান ১০৯ টকা, মই বিজেপি কংগ্ৰেছ সকলোৰে কথা কৈছো। কেৰেলাত প্ৰতি লিটাৰ প্ৰেট্ৰোলৰ দাম ১০৯ টকা। এতিয়া আহক আমাৰ অসমলৈ। অসমত মই যিমানদূৰ জানো পেট্ৰলৰ দাম ৯৮ টকা। আজি মোৰ ইমান দুৰ্ভাগ্য যে ১০৯ টকা পেট্ৰলৰ দাম লোৱা চৰকাৰখন ভাল আৰু আমি ৯৮ টকা দাম লোৱা চৰকাৰখন বেয়া। মাননীয় বিধায়ক শ্ৰী অখিল গগৈ ডাঙৰীয়া কলিকতালৈ ষ্টেট গেষ্ট হৈ গৈছিল। তাতে ১০৬ টকা। তাত অৰুণোদয় আঁচনিত দিয়ে ৫০০ টকা। আমি দিওঁ ১২৫০ টকা। অসম সেইটো পৰ্য্যায়ত নাই আমি বহুত দূৰ আগবাঢ়ি গলো। ৮০ লাখ লোক যোৱা বি.জে.পি চৰকাৰৰ শাসন কালত দৰিদ্ৰতাৰ পৰা মুক্ত হ'ল। অসম এতিয়া Good Governance শাসনৰ উদাহৰণ হ'ল। খিলঞ্জীয়াৰ সুৰক্ষাৰ উজ্জ্বল দৃষ্টান্ত হ'ল। অসমলৈ বিকাশৰ গংগা নামিল। আজি ইমানদিনে ধানৰ মালিক বিলাকে কৃষকক শোষণ কৰিছিল। চৰকাৰে ধান কিনা আৰম্ভ কৰিলে। এতিয়া চৰকাৰে ২২ শ টকা দিলে তেওঁলোকে ২৪ শ টকা দিবলৈ বাধ্য হৈছে। এইখন অসমতএক কোটি গছপুলি আমি এদিনত লগাই দিলো। আন্দোলন কৰাৰ মানসিকতাৰ পৰিবৰ্ত্তে ২৭ লাখ ল'ৰা-ছোৱালীয়ে খেল মহাৰণত অংশ গ্ৰহণ কৰিলে আৰু কংগ্ৰেছৰ দিনত প্ৰত্যেকটো চাকৰিৰ নামত হোৱা দূনীৰ্তিৰ আলোচনা সঁচা-মিছা মই নকওঁ। আজি অসমৰ যুৱক-

যুৱতীয়ে প্ৰথম বাৰৰ বাবে আস্থা উভটাই পালে। কেইদিন মান আগতে মই মাননীয় মন্ত্ৰী শ্ৰী ৰণোজ পেগু ডাঙৰীয়াক সৰু উদাহৰণ এটা দিছিলো যে কেইদিনমান আগতে মই ভৱানীপুৰ সমষ্টিত গৈছিলো। তাৰ এখন গাওঁত এগৰাকী CRPF ৰ জোৱান শ্বহীদ হৈছিল। শ্বহীদক মাল্যৰ্পণ কৰি মই যেতিয়া গাওঁ খনৰ পৰা ওলাই আহিলো। স্কুলৰ লৰা-ছোৱালীবোৰ বাহিৰত আছিল। মই গাড়ী ৰখাই ছোৱালী এজনীক ধৰি মৰম কৰিবলৈ কাষলৈ আনিলো। মই সুধিলো স্কুললৈ মাষ্টৰ আহে নে নাহে। কাৰণ মোৰ মনটো নিগেটিভ। ছোৱালী জনীয়ে উত্তৰ দিলে চাৰ, আপুনি নাজানে চৰকাৰী স্কুলবোৰ এতিয়া বহুত সলনি হ'ল। স্কুলখনৰ নাম আনন্দবাজাৰ স্কুল। যেতিয়া শিক্ষা সেতু আৰম্ভ হৈছিল তেতিয়া নিউজ ওলাইছিল যে শিক্ষকে গছৰ ওপৰত উঠি এটেণ্ডডেঞ্চ দিয়ে। এতিয়া সেই নিউজবোৰ কেনেকৈ নোহোৱা হৈ গ'ল? কম্পিউটাৰ সলনি হ'ল নে, টাৱাৰ সলনি হ'ল নে গছডাল নোহোৱা হ'ল? আজিওটো গছৰ ওপৰত উঠি এটেণ্ডডেঞ্চ দিব পাৰে, আজি কিয় নিদিয়ে। সাহসী চৰকাৰ, সাহসী সিদ্ধান্ত। এতিয়া স্কুলত মেটাৰনিটি লিভত থকাৰ পিছতো ৮০-৮৫ শতাংশ স্কুলত এটেণ্ডডেঞ্চ থাকে। ডিজিটেলী জিঅ' ফেঞ্চিঙৰ পিছত। মেডিকেল এডমিশ্যন, ইঞ্জিনিয়াৰিং এডমিশ্যন, চাকৰি, বসুন্ধৰা কতো দূৰ্নীতি নাই। কৰ'বাত যদি ট্ৰাইবেলে মাটি পায় তাত দূৰ্নীতি হোৱা বুলি কোনেও ক'ব নোৱাৰে। কোনোবা আগৰৱালা বা জৈনে মাটি পালেহে দূৰ্নীতি বুলি ক'ব। আজি is of doing ত আমাৰ এটা এটাকৈ এপ্লিকেশ্যন বিলাক প্ৰচেচ হয়। কম্পিউটাৰতে উত্তৰ পায়। পেঞ্চনেই হওঁক বা আন সকলো ক্ষেত্ৰতেই কৰিব লগীয়া বহুত আছে। যোৱা তিনিটা বছৰত আমি এটা পৃষ্ঠভূমি নিৰ্মাণ কৰিলো আৰু এতিয়া অসমক কোনেও ধৰি ৰাখিব নোৱাৰে। অসমৰ নতুন প্ৰজন্মই মত সলাই পেলালে যে এইখন অসমক আমি পৰিবৰ্তন কৰিম। ৰিং ৰোডৰ পৰিকল্পনা, টানেল, কাজিৰঙাৰ ওপৰত elevated Corridor, গুৱাহাটী Airport যি বিয়াগোম Airport হৈ আছে, আৰু যিধৰণে গুৱাহাটীৰ কাম হৈছে, ডিব্ৰুগড়, যোৰহাট সকলোতে কাম হৈ আছে। ঘূণাসুতিৰ ওপৰত দলং নিৰ্মাণ হৈ আছে সেইটো কোনোবাই পৰিকল্পনা কৰিব পাৰিছিল নেকি? মই বিধান সভাত আহ্বান জনাওঁ যে এই নতুন অসমৰ আৰু নতুন অসম গঢ়াৰ এই মহান আন্দোলনত আপোনালোকও সমভাগী হওঁক। ৰাজনীতি আমি কৰিম। কেনেকৈ কৰিম যে বি.জে.পি য়ে বসুন্ধৰাত দুই লাখ মাটি দিলে, আমি চাৰিলাখ দিম। তাত ৰাজনীতি হওঁক তাত আমাৰ কোনো আপত্তি নাই। বি.জে.পি য়ে অৰুণোদয়ত ১২৫০ টকাকৈ দিলে আমি ২৪০০ শ টকা দিম, বি.জে.পি য়ে ১লাখ চাকৰি দিলে মই ২ লাখ চাকৰি দিম। কিন্তু গাখীৰ নিদিয়া গৰুটোৱে যদি গাখীৰ দিয়া গৰুটোক গোৰ মাৰিব খোজে সেইটো মালিকে মানি ল'ব নেকি কওঁকচোন। এক লাখ চাকৰি মই জীৱনত দি পোৱা নাই আৰু মই প্ৰশ্ন সুধিছো যে পাঁচ লাখ চাকৰি কিয় নিদিয়ে। সময় পৰিবৰ্তন হ'ল আৰু পৰিবৰ্ত্তিত সময়ৰ লগত আমি অসমখনক আগুৱাই নিব লাগিব। সকলোৱে সহযোগিতা কৰিব লাগিব। মই ভাবো আমি যদি সকলোৱে বোৰ সহযোগিতাৰ মনোভাৱ লওঁ তেতিয়াহ'লে আমি অসমখনক নতুন পৰ্য্যায়লৈ লৈ যাব পাৰিম। কৰ'বাত এটুকুৰা ৰাস্তা কম বা বেছি হৈছে সেইটোৱে টো কাজিয়া। কৰ'বাত দুটা নামঘৰ বেছি বা কম সেইটোৱেটো আমাৰ মাজত কাজিয়া। বাকীটো আমাৰ মাজত একো নাই। ৰাজনীতি মানুহে কৰিব, যাক ভোট দিব লাগে দিব। মইটো আপোনালোকৰ কাৰণে ৩৬ শতাংশ ভোট এৰি দিছো। কোনে এৰি দিব? কোনোবাই কয় মোক ৰাস্তা দিয়া নাই। ৰাস্তাটো বাদ দিয়ক মইটো ৩৬ শতাংশ ভোট এৰি দিছো। ইয়াতকৈ আৰু কি সহায় কৰিব পাৰিম। আমাতকৈ উদাৰ মানুহ কতো বিচাৰি নাপাব। কংগ্ৰেছে এ আই ডি এফৰ পৰা ভাষণ শুনিছিল যে সকলো মাইন'ৰিটিৰ ভোট, কেম্পেইনিং কৰিব নাযাওঁ এই কথা কেতিয়াবা

শুনিছিল নেকি ? কিছুমান মানুহে মিঞা বুলি ক'লে বেয়া পায়। কিন্তু আজি মাননীয় বিধায়ক শ্বেৰমান আলী ডাঙৰীয়াই সদনত কৈছে যে আমি মিঞা। এইটো এটা সন্মান সূচক কথা। অধিবাসী মুছলমান সকলে বেলেগ শব্দ ব্যৱহাৰ কৰাতকৈ মিঞা শব্দটো ব্যৱহাৰ কৰিলে ভাল পায়। Miya is a appropriate.বিশেষকৈ সমগ্ৰ ভাৰত বৰ্ষৰ বাতৰি কাকতৰ মানুহখিনিয়ে এইটো বুজি ল'ব লাগে যে "আসাম মে মিঞা সব কা এক বহুত হী supportive definition হে। আসাম কা emigrate Muslim লোগ মিঞা বোলনে সে খাৰাব নহী পাতে হে। মিঞা বোলনে সে ও অপনে আপকো সন্মানিত মেহচুচ কৰতে হে।

**শ্ৰী আব্দুল ৰছিদ মণ্ডল ঃ** মাননীয় মুখ্যমন্ত্ৰী মহোদয়, এইটো মাননীয় সদস্য শ্বেৰমান আলী আহমেদ ডাঙৰীয়াৰ ব্যক্তিগত মন্তব্য হ'ব পাৰে। কাৰণ he is not authorised by the all emigrate Muslim.

Shri Sherman Ali Ahmed : you can not say like that.

**ড°হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী ঃ** আমাৰ চেঙাৰ বিধায়কৰ ঘৰতেই মিঞা কবিতা লিখা মানুহ ও আছে। তেখেতে নিজেও লিখে। অসমে বহুত বহুত নতুন উদাহৰণ, নতুন গৰিমা প্ৰস্তুত কৰিছো। ৰাজ্যপালৰ ভাষণক Boycott নকৰি বা তেখেতক placard নেদেখুৱাকৈ বেলেগ কিবা আমি প্ৰতিবাদ ল'ব পাৰো নেকি। এইটো অসমৰ কাৰণে এটা উজ্বল দৃষ্টান্ত হ'ব। কাৰণ সংসদত কোনেও নকৰে। এই বিষয়টো মই বিৰোধী দলৰ দলপতি ডাঙৰীয়াক লোক সভাৰ নিৰ্বাচনৰ পিছত বিবেচনা কৰাৰ কাৰণে মই অনুৰোধ কৰিলো, তাৰ পিছত লাগিলে ৰাজ্যপালৰ জৰিয়তে মুখ্যমন্ত্ৰীক যি কয় কৈ থাকক, কোনো আপত্তি নাই।

মাননীয় অধ্যক্ষ মহোদয়, সমালোচনাই আমাক শক্তিশালী কৰে আৰু আপোনালোকে যিখিনি সমালোচনা আৰু সমালোচনাৰ মাজত যিখিনি পৰামৰ্শ দিলে, সেই গোটেইখিনি আমি অধ্যায়ন কৰিম আৰু যিখিনি গঠনমূলক সমালোচনা, গঠনমূলক পৰামৰ্শ, এইগোটেইখিনি আমি একেলগে গ্ৰহণ কৰিম।

এটা মোৰ সৰু অনুৰোধ আছে, কেইদিনমান পিছৰ পৰা অসমত এটা নতুন কাৰ্য্যসূচী আৰম্ভ কৰিম যে হাইস্কুল বিলাক নতুনকৈ নৱ-নিৰ্মাণ কৰা। আমি ইতিমধ্যে ৮ কোটি টকাকৈ দি প্ৰত্যেক সমষ্টিতে ২ দুখনকৈ স্কুল নিৰ্মাণৰ কাৰণে দিছো। অহা বছৰ আৰু দুখনকৈ প্ৰত্যেক সমষ্টিত দিবলৈ চেষ্টা কৰিম। এই দুটা তিনিটা বছৰত আমি যদি সকলোৰে মিলি স্কুলখিনি ঠিক কৰিব পাৰো, আমাৰ বহুত ডাঙৰ এটা অৱদান হ'ব। শিক্ষাটো প্ৰত্যেক সমষ্টিত যাতে ভাল হয়, তাৰ বিধায়ক সকলে যিমান আমাৰ পৰামৰ্শ দিয়ে, আমি তাক গ্ৰহণ কৰিম। Uniform, Midday meal, স্কুলসমূহ আপোনালোকৰ ভ্ৰমণ, এইখিনি আপোনালোকে নিজৰ নিজৰ সমষ্টিত চাওঁক, শিক্ষকৰ ক্ষেত্ৰত ময়ো এইটো স্বীকাৰ কৰিম যে চৰ অঞ্চলত শিক্ষক থাকিব নোখোজে, আমি দিয়াৰ পিছতো, তাৰ পিছত hostel ৰ কথা বিলাকও আছে, আমি আলোচনা কৰিম। মই ভাৱো আমি সকলোৰে মিলি এখন অসমৰ ৰাস্তাত লৈ যাব পাৰিম আৰু আপোনালোকে এইটো কথাত নিশ্চিত থাকিব যে যিদিনাখন অসমৰ মুখ্যমন্ত্ৰী নাথাকিম, সেইদিনাখন মোৰ লগত হেলিকাপ্তাৰ নাথাকিব । কিন্তু অসমৰ মুখ্যমন্ত্ৰী জোনে নওঁক কিয়, আমাৰ ৰাজ্যত সামাজিক ইমান সমস্যা আছে, মুখ্যমন্ত্ৰী জনে এবাৰ উজনিত, এবাৰ বৰাক উপতকাত, এবাৰ নামনি অসম, এবাৰ উত্তৰ অসম, যিমানে ভ্ৰমণ কৰিব পাৰে, সমস্যা বিলাক নোহোৱা হৈ যায় আৰু এই যে হেলিকাপ্তাৰ আছে, মন্ত্ৰীজনেও লৈ যায়, অধ্যক্ষ জনেও লৈ যায়। ৰাজ্যপালকও আমি দিও আৰু কেন্দ্ৰীয় মন্ত্ৰী আহিলেও

আমি দিও। মানকাছাৰত আমাৰ কোনো মন্ত্ৰী আগতে যোৱা নাছিল। এতিয়া মই মন্ত্ৰী জনক কওঁ নহয় হেলিকাপ্তাৰ আছে, মানকাছাৰত যাওঁক এবাৰ। আমি ১ জানুৱাৰীত report দিওঁতে দেখিছে যে কিমান মন্ত্ৰী সকলৰ mobility বাঢ়িছে। এজন মন্ত্ৰীয়ে এটা বছৰত প্ৰত্যেক জিলাতে এবাৰ হলেও গৈছে। প্ৰথমতে কেবিনেট কৰোতে আপত্তি হৈছিল। এতিয়া জিলা সমূহে কেবিনেট পতাৰ কাৰণে মাতিব আহে। এবাৰ আমি কেবিনেট গাওঁত কৰিম আৰু গাঁৱতে ৰাতিও থাকিম। অহা ১২ তাৰিখে মই এখন গাওঁত থাকিম, লোকসভা নিৰ্বাচনৰ পিছত গাওঁৰ নামঘৰত কেবিনেট কৰিম আৰু ৰাতি গাওঁখনতে থাকিম। আমি অসমক এটা নতুন পৰ্য্যায়লৈ লৈ যাব খুজিছো। ভাবিব নোৱাৰা এটা পৰ্য্যায়, inclusive society, সকলোৰে মৰম, সকলোৰে মাজত সমস্যা নোহোৱা আৰু ২০২১,২০২২, ২০২৩ ত যাত্ৰা অসমৰ মাজেদি গ'ল কিন্তু জয় শ্ৰীৰাম ধ্বনিৰ মাজতো কোনো সংঘৰ্ষ নোহোৱাকৈ পৰা হৈ গ'ল। Inspite of the provocation মই বিৰোধী দলপতি ডাঙৰীয়াক এটা অনুৰোধ কৰিম মোক কোনো ৰাজনীতি বুলি ভাৰিব নালাগে। যেতিয়া ইমান ডাঙৰ নেতা আহে, স্থান, কাল সময় ২২ জানুৱাৰৰ দিনটো অসম ভ্ৰমণৰ কাৰণে অন্ততঃ ল'ব নালাগিছিল। He should avoided 22nd January considering the situation in Assam 1983 Nellie Massacre considering all these things. He should have avoided 22nd January from a religiously sensitive district Nagoan and Morigaon. বহুত গলত কিয়া মে তো ভগৱান কো চুকুৰ গুজাৰ কৰতা হু কি হামে টাকাট দিয়া অৰ হামে ৰো অচ্ছা ছে চান্ডাল কে ৰ দিন পাৰ কিয়া। কোই এক জাগাহ মে চত্ৰ মে ৫ হাজাৰ লোক ৰাম মন্দিৰ কা প্ৰতিষ্ঠা দেখনে আয়েগা বেঠেগা ৰহী চত্ৰ মে ৰ দিন ব্যক্তি জাতে হে ৰাম মন্দিৰ কা invitation কা অস্বিকাৰ কৰনে ৱালা ব্যক্তি চত্ৰ মে জানে মাংতে থে। Conflict হোনা তো স্বাভাৱিক থা। হামে strong Governance দিখানা থা। হামে চু চাচন কৰনা থা। হামে চু চাচন কা এক ঝলক দিখায়া অৰ আগলি বাৰ আচাম আয়েগা তো অৰ বাড়া ঝলক দিখাওংগা য়ে মেৰা commitment হে। বহুত বহুত ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদস্যসকল, মাননীয় সদস্য শ্ৰীৰূপক শৰ্মাই উত্থাপন কৰা ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদ সূচক প্ৰস্তাৱ সম্পৰ্কত সংশোধনীৰ বাবে ৪ খন সংশোধনী প্ৰস্তাৱৰ জাননী পোৱা গৈছিল আৰু সদনত ৩ খন উত্থাপন হয়। প্ৰথম সংশোধনী মাননীয় সদস্য শ্ৰীদেৱব্ৰত শইকীয়া আৰু তেখেতৰ সহযোগী সকলৰ পৰা পাইছিল। গতিকে আপুনি অলম কিবা ক'ব খুজিছে।

**শ্ৰীদেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি, নাজিৰা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যথেষ্ট দীঘলীয়া এক ১১৫ মিনিট বক্তব্য ৰাখিলে আৰু তেখেতে ৯৩ মিনিট সময়ত ক'লে। এতিয়া কেইটামান সঁচা কথা কওঁ। মই আগৰখিনি মিছা বুলি কোৱা নাই। তেওঁৰ বক্তব্যটোৰে মই কৈছো। তেখেতে বাৰম্বাৰ এটা কথা উলিয়াইছে। নেলীৰ ঘটনাৰ কথা। যিটো ঘটনা আমাৰ অসমৰ ইতিহাসৰ বেয়া ঘটনা আমি পাহৰিব বিচাৰো। ১৮ ফেব্ৰুৱাৰীত হৈছিল যিটো সময়ত আৰু এই ঘটনাতো হোৱাৰ বাবে তেখেতে আমাৰ দলটোক দোষাৰোপ কৰি আছে।

**শ্ৰী শ্বেৰমান আলী আহমেদ, বাঘবৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, পাহৰিলে নহ'ব।

(সদনত হুলস্থুল)

**মাননীয় অধ্যক্ষ ঃ** এজন এজনকৈ Please. (সদনত হুলস্থুল)

**শ্ৰীদেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি, নাজিৰা ঃ** আপুনি মোক disturb দিব নালাগে।

**মাননীয় অধ্যক্ষ ঃ** Please Please বহক (সদনত হুলস্থুল)

**শ্ৰীদেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি, নাজিৰা ঃ** This qualification proceedings সোনকালে শেষ হ'ব লাগে।

(সদনত হুলস্থুল)

**মাননীয় অধ্যক্ষ ঃ** Please কোনেও একো ক'ব নালাগে। শ্বেৰমান আলী আপুনি বহক।

(সদনত হুলস্থুল)

**শ্ৰীদেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি, নাজিৰা ঃ** মহোদয়, ১৯৯৬ চনত যেতিয়া কেন্দ্ৰৰ লোকসভাত যেতিয়া বাজপেয়ী চৰকাৰখনৰ পতন হৈছিল সেইদিনা এটা কথা কোৱা হৈছিল যে, নেলীৰ ঘটনাৰ সময়ত বাজপেয়ী ডাঙৰীয়া অসমলৈ আহি এটা কৈছিল মই ইংৰাজীত উদ্ধী দি দিম। Imaging if they had entered Punjub, people would have delt with them harshly and would soft them into peaces and frowm them.অৰ্থাৎ যদি এনকুৰা কোনোৱা সন্দেহজনক মানুহ পাঞ্জাৱলৈ আহিলে হয়, সেই মানুহখিনিক কচুকটা দিয়া গ'ল হয়, তেওঁলোকক নৈ প্ৰবাস কৰি দিয়া হ'ল হয়। এনেকুৰা ধৰণৰ উৎতেজনামূলক বক্তব্যৰ পাছত নেলীৰ ঘটনা হৈছিল আৰু মই নাযানো কংগ্ৰেছ চৰকাৰে কি কাৰণত সেই সময়ত তিৱাৰী কমিচনৰ ৰিপোৰ্টটো উলিয়াই নিদিলে। যি কি নহ'ওক, এইবিলাক কথা মহোদয়, ইজনে সিজনক বোকা চটিয়াই এতিয়া পৰিৱেশটো নষ্ট কৰি থাকিব নালাগে। গতিকে যিটো মুখ্যমন্ত্ৰী মহোদয়ে কৈছে যে আগুৱাই যাব লাগে, আগুৱাই যাব লাগিব, কিন্তু বাৰেপতি ন্যায় যাত্ৰা যিটো আমাৰ অসমত হৈছিল, সেইটো আমৰ নেতাসকলে অসমৰ পৰিস্থিতি বেয়া কৰিবলৈ বুলি কোৱা হৈছে সেই কথাটো একবাৰে অসত্য। তেনেকুৰা কোনো কথা নহয়। আমাৰ সেই যাত্ৰা মনিপুৰৰ পৰা আৰম্ভ কৰা হৈছিল য'ত প্ৰধান মন্ত্ৰীয়ে ৯-১০ মাহৰ পাছতো মনিপুৰ ভ্ৰমণ কৰা নাই। তাত আৰম্ভ কৰি অসম আহিবই লাগিব। যেতিয়া মনিপুৰ, নাগালেণ্ড হওঁক পাৰ হ'ব সেই গতিকে এইবাৰ গাড়ী দি যাত্ৰা হৈছিল গতিকে এনেকুৰা এটা তাৰিখ হৈছিল এইটো কোনো পূৰ্ব পৰিকল্পিত নহয় এই কথাখিনি মই ক'ব বিচাৰো আৰু মই বিশেষ নকওঁ। মুখ্যমন্ত্ৰী মহোদয়ে বহুত কথা কৈছে আমি যিখিনি কথা কৈছো তেখেত সকলে যিখিনি প্ৰতিশ্ৰুতি দিছিল, আমি যিখিনি পঢ়িবলৈ পাইছিলো আৰু তাত যেনেধৰণে হৈছে তাৰ ওপৰত আমি মন্তব্য দিছিলো। আমি কোনো নিজে সাজি অনা কথা তাত নাই। গতিকে এইখিনি কথা গঠনমূলকভাৱে ধৰিব লাগে সেইটো মোৰ অনুৰোধ। যিটো encounter ৰ কথা কৈছে যে Drugs ৰ বিৰুদ্ধে যিমান হৈছে, বাল্যবিবাহ আদি সেইটো ভাল কথা সেইখিনি কোনো এটা বিশেষ গোষ্ঠীৰ প্ৰতি হ'ব নালাগে। কিন্তু মহোদয়, Encounter নহয়, লাগিলে ফাচী দি দিয়া হওঁক। সেয়া আইন সন্মতভাৱে ভাৰতীয় সাংবিধানিক ব্যৱস্থা, ভাৰতীয় আইন ব্যৱস্থা অনুসৰি হওঁক, তাতো আমি সমৰ্থন জনাম। কিন্তু যদিহে extra judicial killing হয়, যিটো আইন সংগত নহয়, সেইটো প্ৰতিবাদ কৰাতো আমাৰ দায়িত্ব। সেইবাবে প্ৰতিবাদ কৰিছো। অন্য কোনো কথা নাই। আমি drugs ব্যৱসায়ৰ লগত নাই, বাল্য ব্যৱসায়ৰ লগত নাই। সেই কথাটো মই শাসক পক্ষক জনাব বিচাৰিছো। ঠিক তেনেকৈ মহোদয়, সমালোচনাখিনি শক্তিশালী, গঠনমূলকভাৱে কৰিবলৈ যত্ন কৰিছো আৰু বাকী যিখিনি চৰকাৰে প্ৰতিশ্ৰুতি দিছে, প্ৰতিশ্ৰুতি পুৰণ হোৱা নাই বুলিহে সংশোধনী প্ৰস্তাৱৰ সংশোধনী দিবলৈ কৈছো। এইখিনি যদি তেখেত সকলে প্ৰতিশ্ৰুতি দিয়ে তেতিয়াহ'লে অসুবিধা নহ'ব।

**মাননীয় অধ্যক্ষ ঃ** এইটোত আৰু বিতৰ্ক নাই। বহক। সংশোধনী প্ৰস্তাৱটো উঠাই ল'ব।

**শ্ৰীদেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি, নাজিৰা ঃ** হয়। যিহেতু সংশোধনী প্ৰস্তাৱটো

উঠাই লোৱাৰ বাবে কৈছে, আমি উঠাই লৈছো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ।

**শ্ৰী শ্বেৰমান আলী আহমেদ, বাঘবৰ ঃ** মানননীয় অধ্যক্ষ মহোদয়।

(সদনত হুলস্থুল)

**মাননীয় অধ্যক্ষ ঃ** শ্বেৰমান আলী আপুনি বহক।

**শ্ৰী শ্বেৰমান আলী আহমেদ, বাঘবৰ ঃ** পাহৰিলে নহ'ব।

(সদনত হুলস্থুল)

**মাননীয় অধ্যক্ষঃ** বহক। সকলোৱে বহক। দ্বিতীয়তে মই সংশোধনী পাইছিলো, সন্মানীয় সদস্য হাফিজ বছিৰ আহমেদ ডাঙৰীয়া আৰু তেখেতৰ সহযোগীসকল, আপেনালোকে উঠাই ল'ব।

**হাফিজ বছিৰ আহমেদ, পশ্চিম বিলাসীপাৰা ঃ** মাননীয় অধ্যক্ষ মহাশয়, আজি মাননীয় মুখ্যমন্ত্ৰী দেৰৰ ফালৰ পৰা যি স্পষ্টিকৰণ পালো, তেখেতে যি সুন্দৰ আৰু সাম্যবাদৰ ওপৰত প্ৰতিষ্ঠিত এখন অসম বনাব বিচাৰিছে য'ত নেকি কোনো ধৰণৰ হিংসা আৰু বৈষম্য নাথাকিব। মই আশা কৰো তেখেতে এটা পদক্ষেপ যোৰদাৰ হিচাপে ল'ব। আমি তেখেতৰ লগত আছো। আমি সহযোগিতা কৰিম। এয়া আশা ৰাখি সংশোধনী উঠাই লৈছো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। শ্ৰীমনোৰঞ্জন তালুকদাৰ।

**শ্ৰীমনোৰঞ্জন তালুকদাৰ, সৰভোগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰী ডাঙৰীয়াই যিমানখিনি সময় ধৰি বক্তিতা দিলে, তাৰ বহু অংশই সমৰ্থনযোগ্য বুলি ভাৱো। নিশ্চিতভাৱে তেওঁ যিটো কৈছে আমাৰ ৰাজ্যখনত শান্তি প্ৰতিষ্ঠাৰ কাৰণে যিটো তেওঁ উদ্যোগ লৈছে বা আমাৰ ৰাজ্যখনত যাতে সাম্প্ৰদায়িক বাতাবৰণ নথকাৰ কাৰণে যি উদ্যেগ তেওঁ ল'ব বুলি কৈছে মই আশচস্থ হৈছো। কিন্তু কথাটো হৈছে অৰ্থনৈতিক ক্ষেত্ৰখনত ঋণৰ প্ৰশ্নক লৈ আমাৰ কথা ক'ব লগা আছে। আমাৰ বক্তব্য সেই ক্ষেত্ৰত আছে। আমি মাজতে আমনি কৰা নাই। সেইটো সুযোগ আমি বাজেটত নিশ্চিভআৱে ল'ম। আমাৰো সমালোচনা আছে। সেইক্ষেত্ৰত বিতৰ্কৰো স্থান আছে তথাপিও মই মোৰ প্ৰস্তাৱটো উঠাই লৈছো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। মাননীয় সদস্য শ্ৰী ৰূপক শৰ্মাই ৰাজ্যপালৰ ভাষণৰ ওপৰত উত্থাপন কৰা মূল প্ৰস্তাৱলৈ আহিছো। মূল প্ৰস্তাৱটো হৈছে ২০২৪ চনৰ ৫ ফেব্ৰুৱাৰী তাৰিখে ৰাজ্যপালে সদনত প্ৰদান কৰা ভাষণৰ কাৰণে এই অধিৱেশনত সমাবেত হোৱা অসম বিধান সভাৰ সদস্য সলক তেখেতৰ প্ৰতি গভীৰ ভাৱে কৃতজ্ঞ। প্ৰস্তাৱৰ সপক্ষে থকা সকলে কওঁক হয়, প্ৰস্তাৱৰ বিপক্ষে থকা সকলে কওঁক নহয়, মই ভাৱো, হয়ৰ সপক্ষে, হয়ৰস্পক্ষে, হয়.ৰ সপক্ষে প্ৰস্তাৱটো সদনত গৃহীত হ'ল।

The House adjourn till 9.00 AM on 9th February, 2024.